




গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা







ত্ৰয়োদশ বছৰ ■ সংখ্যা ৫৪ ■ গুৱাহাটী ■ বৃহস্পতিবাৰ, ২৯ ছেপ্টেম্বৰ, ২০২২, ১২ আহিন, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XIII ISSUE NO. 54 Dainandin Barta ■ Guwahati, Thursday ■ 29 Setpember, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only




ফাৰ্মাচিষ্টৰ কলম


■ ৰিপণ জামান
(বি, ফাৰ্ম প্ৰেক্টিচ)


## ফাৰ্মাচিষ্ট দিৱস, ফাৰ্মাচী পৰিষদ, চৰকাৰ আৰু কিছু ব্যতিক্ৰমী চিন্তা

২৫ ছেপ্টেম্বৰ, বিশ্ব ফাৰ্মাচিষ্ট দিৱস। বিশ্বজুৰি এই দিৱস উলহ-মালহেৰে পালন কৰা হ'ল। অসমো বাদ নপৰিল। অসমতো অতি ধুমধামেৰে বিশ্ব ফাৰ্মাচিষ্ট দিৱস পালন কৰা হ'ল। পলমকৈ হ'লেও ৰাজ্যৰ সকলো ফাৰ্মাচিষ্টলৈ ফাৰ্মাচিষ্ট দিৱসৰ শুভেচ্ছা জনালোঁ। আচলতে স্বাস্থ্য সেৱাত ফাৰ্মাচিষ্টসকলে পৰ্দাৰ আঁৰত থাকি যি এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি থাকে সেই কথা সাধাৰণ ৰাইজে বিশেষ একো নাজানে বা জনাৰ উপায়ো নাথাকে, সেই বাবেই হয়তো ফাৰ্মাচিষ্টসকলে সমাজত পাবলগীয়া মৰ্যাদা আজিও পোৱা নাই। সেয়ে ফাৰ্মাচিষ্টসকলৰ ■ ৮ পৃষ্ঠাত

## লেফটেনেণ্ট জেনেৰেল (অৱসৰপ্ৰাপ্ত) অনিল চৌহান দেশৰ নতুন চীফ অৱ ডিফেন্স ষ্টাফ



### দেশত প্ৰথমবাৰৰ বাবে এগৰাকী অৱসৰপ্ৰাপ্ত সেনা বিষয়াক নতুন চীফ অৱ ডিফেন্স ষ্টাফ হিচাপে নিযুক্তি

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৮ ছেপ্টেম্বৰ ঃ** হেলিকপ্টাৰ দুৰ্ঘটনাত জেনেৰেল বিপিন ৰাৱাটৰ মৃত্যুৰ ন মাহ পিছত বুধবাৰে চৰকাৰে দেশৰ শীৰ্ষ সামৰিক বিষয়া তথা বিশ্বৰ অন্যতম বৃহৎ সশস্ত্ৰ বাহিনীৰ বিষয়া লেফটেনেণ্ট জেনেৰেল অনিল চৌহান (অৱসৰপ্ৰাপ্ত)ক নতুন চীফ অৱ ডিফেন্স ষ্টাফ হিচাপে মনোনীত কৰে। ৬১ বছৰীয়া লেফটেনেণ্ট জেনেৰেল চৌহানে ২০২১ চনৰ মে' মাহত ইষ্টাৰ্ন কমাণ্ডৰ মুৰব্বী হিচাপে অৱসৰ গ্ৰহণ কৰিছিল আৰু ৰাষ্ট্ৰীয় সুৰক্ষা পৰিষদৰ সামৰিক উপদেষ্টা হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। প্ৰায় ৪০ বছৰ ধৰি তেওঁ সেনাবাহিনীত কে'বাটাও ■ ৮ পৃষ্ঠাত



*বিভিন্ন দাবীৰ সমৰ্থনত ৯টা ৰাজনৈতিক দলৰ প্ৰতিবাদী কাৰ্যসূচী*

## বাল্যবিবাহ সম্পন্ন কৰিলেই জে'ললৈ

### দৰং জিলা উপায়ুক্তৰ হুংকাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধূলা, ২৮ ছেপ্টেম্বৰ ঃ** দৰঙৰ খাৰুপেটীয়া আৰক্ষী থানাৰ অন্তৰ্গত আৰিমাৰী গাঁৱত দলগাঁও শিয়ালমাৰী শিশু উন্নয়ন প্ৰকল্পৰ অধীনত পোষণ মাহৰ সামৰণী সভা অনুষ্ঠিত কৰা হয়। উক্ত সভাত আমন্ত্ৰিত অতিথি হিচাপে দৰং জিলাৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মা উপস্থিত হৈ উপস্থিত ৰাইজৰ আগত গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। জিলা উপায়ুক্তগৰাকীয়ে কয় যে নাৰী শিক্ষাৰ ■ ৮ পৃষ্ঠাত

## মুখ্যমন্ত্ৰীলৈ মুকলি চিঠি

প্ৰিয় মামা,

আপুনি মুখ্যমন্ত্ৰী হিচাপে শপত লোৱা দিনৰে পৰা গোটেই অসমীয়া জাতিটোৱে এক নতুন সপোন দেখিবলৈ আৰম্ভ কৰিছে। অসমীয়া জাতিটোৰ আশা-আকাংক্ষা পূৰণ কৰিবলৈ আপুনি দিনে-নিশাই অক্লান্তভাৱে পৰিশ্ৰম কৰি আছে । আপুনি দিয়া প্ৰতিশ্ৰুত মতে এক লাখ নিযুক্তি প্ৰায় সম্পূৰ্ণ হোৱাৰ দিশে আগবাঢ়িছে। নিযুক্তিৰ স্বচ্ছতা দেখি সমালোচকেও আপোনাৰ প্ৰশংসা কৰিবলৈ বাধ্য হৈছে। মামা আপুনি ফেচবুক আৰু টিভি নিউজৰ জৰিয়তে কৰা আহ্বান চাই বহু দৰিদ্ৰ নিপীড়িত আৰু বিশেষভাৱে সক্ষম মানুহক বিভিন্ন সময়ত তৎক্ষণাত সহায় কৰি আহিছে। যদিও ■ ৮ পৃষ্ঠাত

শাৰদীয় পূজালৈ মাজত এদিন

## পাঁচদিনত মহানগৰীত উৰিব ৫০ কোটিৰ অধিক



### দেশ-বিদেশৰ মন্দিৰৰ আৰ্হিত সাজু মণ্ডপ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ ছেপ্টেম্বৰ ঃ** শক্তিৰ আৰাধ্যা দেৱী দুৰ্গা পূজালৈ মাজত মাথোঁ এটা দিন বাকী। শনিবাৰে বৈদিক ৰীতিৰে দেৱীক প্ৰতিষ্ঠা কৰা হ'ব বেদীত। শনিবাৰে আৰম্ভ হ'ব ষষ্ঠী তথা ■ ৮ পৃষ্ঠাত

## পাঁচ বছৰলৈ নিষিদ্ধ পপুলাৰ ফ্ৰণ্ট অৱ ইণ্ডিয়া

### বাক্সাৰ ভকুৱামাৰীত আৰক্ষী-প্ৰশাসনৰ অভিযান, পিএফআইৰ কাৰ্যালয় ছীল ঃ জামুগুৰিহাটত পিএফআইৰ লগত জড়িত থকাৰ সন্দেহত আৰক্ষী জোৱান আটক ঃ চৰকাৰৰ নিষিদ্ধকৰণৰ সিদ্ধান্ত মানি লৈ সংগঠন ভংগৰ কথা ঘোষণা পিএফআইৰ

**দৈনন্দিন বাৰ্তাৰ সংবাদ, ২৮ ছেপ্টেম্বৰ ঃ** সন্ত্ৰাসবাদী কাৰ্যৰ সৈতে জড়িত থকাৰ অভিযোগত আজি কেন্দ্ৰীয় চৰকাৰে ইছলামিক সংগঠন পপুলাৰ ফ্ৰণ্ট অৱ ইণ্ডিয়াক পাঁচ বছৰৰ বাবে দেশত নিষিদ্ধ ■ ৮ পৃষ্ঠাত



## ৰঞ্জন দৈমাৰী অসম বন্ধত স্তব্ধ বিটিআৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, ২৮ ছেপ্টেম্বৰ ঃ** পুনৰ প্ৰতিবাদত উত্তাল হ'ল বড়ো ভূমি। অসম চৰকাৰে বিটিচি অঞ্চলত স্থায়ী শান্তি ঘূৰাই অনাৰ যি প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল সেয়া যেন এতিয়া ফুটুকাৰ ফেনলৈ ৰূপান্তৰ হৈছে। বিটিচিত ডেৰ বছৰ আগতে শান্তি চুক্তি হোৱাৰ পাছত প্ৰথমবাৰৰ বাবে বুধবাৰে পুনৰ অশান্তিৰ সৃষ্টি হয়। এনডিএফবিৰ স্বয়ম্ভু সেনাধ্যক্ষ ৰঞ্জন দৈমাৰীক ২০০৮ বৰ্ষৰ ৩০ অক্টোবৰত ৰাজ্যত ধাৰাবাহিক বোমা বিস্ফোৰণৰ লগত জড়িত থকাৰ অপৰাধত নিম্ন আদলতে যাৱজ্জীৱন কাৰাদণ্ডিত কৰে। আদালতৰ ■ ৮ পৃষ্ঠাত

## ডিমা হাচাওত এতিয়া শান্তিৰ পৰিৱেশ ঃ মুখ্যমন্ত্ৰী



**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিমা হাচাও জিলাৰ উমৰাংচুৰ গোবিন্দ নগৰত এটা নৱনিৰ্মিত গণেশ মন্দিৰ আনুষ্ঠানিকভাৱে মুকলি কৰাৰ উপৰি গৰমপানী হাইস্কুলৰ নৱনিৰ্মিত ১০০ খন আসনযুক্ত এটা ছাত্ৰী নিবাস ■ ৮ পৃষ্ঠাত

## অসমৰ দিনজানত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং

### অসম-অৰুণাচলৰ দুদিনীয়া ভ্ৰমণ সূচী



**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২৮ ছেপ্টেম্বৰ ঃ**অৰুণাচল প্ৰদেশৰ তথা ভাৰত চীন আন্তৰাষ্ট্ৰীয় সীমান্তত দেশৰ প্ৰতিৰক্ষা শিবিৰ সমূহ পৰিদৰ্শন কৰাৰ উদ্দেশ্যে দুদিনীয়া ভ্ৰমণ সূচীৰে আজি ৰাজ্যত পদাৰ্পণ কৰিছে দেশৰ প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং ।প্ৰতিৰক্ষা বিভাগৰ মুখপাত্ৰই ■ ৮ পৃষ্ঠাত


Azadi Ka Amrit Mahotsav | GOVERNMENT OF INDIA

## অমৃত কালত পুৰণি চিন্তাধাৰাৰ পৰা মুক্তি

ভাৰতে এক উজ্জ্বল ভৱিষ্যতৰ দিশত এক নিৰ্ণায়ক পৰ্যায়েৰে দ্ৰুতগতিত আগবাঢ়িছে। আহক, আমি আমাৰ দেশক ঔপনিৱেশিক মানসিকতাৰ পৰা মুক্ত কৰিবলৈ ঐক্যবদ্ধ হওঁ

### প্ৰতিষ্ঠানসমূহ স্বজন-তোষণৰ পৰা মুক্তি

- ক্ৰীড়াত পাৰ্গতসকলৰ বাবে সুযোগ, খেলুৱৈসকলৰ দ্বাৰা অভিলেখ ভংগকাৰী প্ৰদৰ্শন
- তোষণতকৈ মেধাই প্ৰাধান্য পাইছে, কেৱল যোগ্যজনেহে পদ্ম বঁটা লাভ কৰিছে

### দাসত্বৰ মানসিকতাৰ পৰা মুক্তি

- ১৫০০ তকৈও অধিক পুৰণি আৰু অপ্ৰাসংগিক আইন বাতিল কৰা হৈছে
- ভাৰতীয় নৌ সেনাৰ চিহ্নক ঔপনিৱেশিকতাবদৰ পৰা মুক্ত কৰা হৈছে।
- বাজেট উপস্থাপনৰ তাৰিখ পৰিৱৰ্তন, সাধাৰণ আৰু ৰে'ল বাজেট একত্ৰিত কৰা হৈছে
- ভিআইপি সংস্কৃতিৰ সমাপ্তি, চৰকাৰী বাহনত ৰঙা লাইটৰ ব্যৱহাৰ নিয়ন্ত্ৰিত কৰা হৈছে।

### দুৰ্নীতিৰ পৰা মুক্ত কৰা হৈছে সকলো প্ৰণালী

- ডিবিটি-ত বিলুপ্ত হৈছে মধ্যস্থতাকাৰী, হিতাধিকাৰীসকলে পোনপটীয়াকৈ লাভ কৰিছে সাহায্য
- চিপিজিআৰএএমএছ পৰ্টেলৰ জৰিয়তে অভিযোগৰ দ্ৰুত নিষ্পত্তি
- আয়কৰ আৰু ইডিৰ দৰে সংস্থাই দুৰ্নীতিগ্ৰস্ত ব্যক্তিৰ বিৰুদ্ধে কাম কৰি আছে।

### আৱৰ্জনা আৰু এবাৰ ব্যৱহৃত প্লাষ্টিকৰ পৰা মুক্তি

- স্বচ্ছ ভাৰত অভিযান জন আন্দোলনলৈ ৰূপান্তৰিত হৈছে, স্বচ্ছতা জীৱনৰ এক অভ্যাস হৈ পৰিছে
- ভাৰতে এবাৰ ব্যৱহৃত প্লাষ্টিকৰ বিৰুদ্ধে ঐক্যবদ্ধ হৈছে, সকলো বয়সৰ লোকে এই উদ্দেশ্যত সমবেত হৈছে।

### ৰসায়ন মুক্ত কৃষি

- সমগ্ৰ দেশৰ কৃষকসকলে প্ৰাকৃতিক কৃষি পদ্ধতি গ্ৰহণ কৰিবলৈ আৰম্ভ কৰিছে
- প্ৰাকৃতিক কৃষি খণ্ড বৃদ্ধি পাইছে।



লক্ষ্য যিমানেই কঠিন নহওক বা প্ৰত্যাহ্বানবোৰ যিমানেই কষ্টকৰ নহওক, ভাৰত যেতিয়া দৃঢ় প্ৰতিজ্ঞা হয়, কোনো লক্ষ্যই তেতিয়া অসম্ভৱ হৈ নাথাকে।

-নৰেন্দ্ৰ মোদী

cbc 22201/13/0119/2223

## গুজৰাটৰ আহমেদাবাদত প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীৰ দ্বাৰা খেল মহাকুম্ভ-৩৬তম ৰাষ্ট্ৰীয় ক্ৰীড়াৰ আজি বিশাল উদ্বোধন



৩৬তম ৰাষ্ট্ৰীয় ক্ৰীড়া। ৩৬ খন ৰাজ্য/কেন্দ্ৰীয়শাসিত অঞ্চল। ৩৬ টা ক্ৰীড়া

জুড়েগা ইণ্ডিয়া, জীতেগা ইণ্ডিয়া

### শোণিতপুৰ জিলা নাট্য সন্মিলনৰ উদ্যোগ

# চিৰাজুলিত অসম নাট্য সন্মিলনৰ ৬৪সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

### নাট্য সন্মিলনে নাট্যানুৰাগী অসমীয়াৰ হৃদয়ত স্থান লাভ কৰিছে ঃ মৃগেন বৰা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ ছেপ্টেম্বৰ ঃ** অসমৰ নাট্য পথাৰৰ সৰ্ববৃহৎ সংগঠন - 'অসম নাট্য সন্মিলন'। ৰাজ্যখনৰ নাট্যানুৰাগী ৰাইজৰ হিয়াৰ আমঠু স্বৰূপ তথা অতিশয় আদৰৰ জাতীয় নাট্যানুষ্ঠান - 'অসম নাট্য সন্মিলন'। অসমৰ নট সৈনিক,নাট্যকাৰ,পৰিচালক,অভিনেতা-অভিনেত্ৰী,নাট্য সংগঠক আৰু সাধক তথা নাট্যকলাৰ সৈতে জড়িত শিল্পী আৰু কলা-কুশলীসকলৰ এটি উমৈহতীয়া তথা সৰ্বশ্ৰেষ্ঠ মহাসভা হ'ল - 'অসম নাট্য সন্মিলন'। ইতিহাসৰ স্বৰ্ণিল বাটেৰে অগ্ৰসৰ হৈ অসমৰ নাট্য আন্দোলনৰ গুৰি ধৰি এই নাট্য সংগঠনটিয়ে ৰাজ্যখনৰ সামাজিক আৰু সাংস্কৃতিক জীৱনত এক বিশিষ্ট অৰাজনৈতিক সংগঠন হিচাবে পৰিগণিত হৈছে। ১৯৫৯ চনৰ ছেপ্তেম্বৰ মাহত ডিব্ৰুগড়ত অসমৰ ভিন্নপ্ৰান্তৰ নিৰ্বাচিত প্ৰতিনিধিৰে আয়োজিত এখন ৰাজ্যিক অভিৱৰ্তনত "সদৌ অসম একাংক নাট্য সন্মিলন"ৰ ভুমিষ্ঠ হৈছিল। অসমত একাংক নাটকৰ প্ৰচাৰ-প্ৰসাৰৰ লগতে নাট্য সংস্কৃতিৰ যোগেদি সমাজৰ পৰিৱৰ্তন সাধনৰ নিমিত্তে এদল নাট্যমোদীৰ যোগাত্মক চিন্তা ফলশ্ৰুতিত এই নাট্যানুষ্ঠানটিৰ জন্ম হৈছিল। অসমত নাট্য আন্দোলনৰ বীজ ৰোপিত কৰা এই গঠনমূলক প্ৰচেষ্টাৰ আঁৰত আছিল - হাচান চৰিফ আহমেদ,তফজ্জুল আলি,অনিল শৰ্মা,অশোকানন্দ ফুকন আদি কেইবাগৰাকী উদ্যোগী ডেকা। কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভা এই নাট্যানুষ্ঠানটিৰ প্ৰতিষ্ঠাপক সভাপতি আছিল। শলাগনীয় পদক্ষেপৰ বাবে এওঁলোক সৰ্বদা স্মৰণযোগ্য। অসম নাট্য সন্মিলনৰ ১৯৬৭ চনত মংগলদৈত আয়োজিত ৰাজ্যিক অধিৱেশনত পূৰ্ণাংগ নাটকৰ উন্নতিৰ অৰ্থে "সদৌ অসম একাংক নাট্য সন্মিলন"ক "অসম নাট্য সন্মিলন" বুলি নামাকৰণ কৰা হৈছিল।"- এয়া অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য তথা শোণিতপুৰ জিলা নাট্য সন্মিলনৰ সম্পাদক সুজিৎ কটকীৰ বক্তব্য। অসম নাট্য সন্মিলনৰ ৬৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে শোণিতপুৰৰ চিৰাজুলিত আয়োজিত অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰি জিলা সম্পাদক কটকীয়ে নিজৰ অনুভৱ ব্যক্ত কৰে। উল্লেখ্য যে শোণিতপুৰ জিলা নাট্য সন্মিলনৰ বাৰ্ষিক কৰ্মসূচী অনুসৰি অসম নাট্য সন্মিলনৰ ২৭ ছেপ্টেম্বৰৰ প্ৰতিষ্ঠা দিৱসটি চিৰাজুলিৰ সমূহীয়া ভৱনৰ প্ৰাংগণত অনুষ্টুপীয়াকৈ চিৰাজুলি শাখা নাট্য সন্মিলনৰ সহযোগত উদ্‌যাপন কৰা হয়। সেই অনুসৰি ৰাতিপুৱা ১০ বজাত শোণিতপুৰ জিলা নাট্য সন্মিলনৰ সভাপতি ত্ৰৈলোক্য মোহন নাথে নাট্য সন্মিলনৰ পতাকা উত্তোলন কৰি বক্তব্য আগবঢ়ায়। ৰাতিপুৱা ১০-৩০ বজাত অসম নাট্য সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি মৃগেন বৰাই স্মৃতি তৰ্পণ অনুষ্ঠানটি মুকলি কৰি দিৱসৰ তাৎপৰ্য ব্যাখ্যাৰ লগতে সন্মিলনৰ চিৰনমস্য প্ৰতিষ্ঠাপক সভাপতি বিষ্ণু প্ৰসাদ ৰাভাকে ধৰি অন্যান্য অগ্ৰজসকল আৰু সমস্ত বৰেণ্য নাট্যশিল্পীসকলৰ স্মৃতিত একাঁজলি শ্ৰদ্ধাঞ্জলি নিবেদি চমু বক্তব্য দাঙি ধৰে। মুখ্য তৰ্পকৰ ৰসাল ভাষণত কেন্দ্ৰীয় উপ-সভাপতি গৰাকীয়ে কয় - "অসমত একাংকিকা আৰু দীঘলীয়া নাটকৰ উত্তৰণত অসম নাট্য সন্মিলনৰ অৱদান অনস্বীকাৰ্য। ৰাজ্যখনত একাংক নাটক জনপ্ৰিয় কৰি তোলাৰ লগতে ডেৰঘণ্টীয়া দীঘলীয়া নাটক নিবেদনৰ বেলিকাও বহু মানদণ্ডসম্পন্ন নাটক সৃষ্টিত সন্মিলনে উল্লেখনীয় ভূমিকা পালন কৰি আহিছে। বৰ্তমান বয়স অনুসাৰে ৬৪ বৰ্ষত খোজ দিয়া অসম নাট্য সন্মিলনে বহুকেইটা হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী আঁচনি হাতত লৈ ইয়াৰে কেতবোৰ বাস্তৱায়িত কৰাৰ লগতে কিছুমান গুৰুত্বপূৰ্ণ কৰ্মসূচী ৰূপায়িত কৰিছে। অসমৰ নাট্য সাহিত্যৰ শ্ৰীবৃদ্ধি তথা নাট্য আন্দোলনটোক গতিশীলতা প্ৰদানত জাতীয় দায়িত্ব পালন কৰি অহা নাট্য সন্মিলনে প্ৰতিগৰাকী নাট্যমোদী অসমীয়াৰ আপোন অনুষ্ঠান হিচাবে পৰিগণিত হৈ হৃদয়ত স্থান লাভ কৰিছে।" শোণিতপুৰ জিলা নাট্য সন্মিলনৰ সম্পাদক সুজিৎ কটকীয়ে আঁতধৰা আৰু উদ্যোগ লোৱা অনুষ্ঠানটিত বিশিষ্ট অভিনেতা-পৰিচালক মৃগেন বৰাই দুটি নাটকৰ সংলাপ প্ৰক্ষেপন কৰি সবাকে আপুত কৰে। ইয়াৰ পাছতে সমবেত ৰাইজে কাষৰীয়া মিলনজ্যোতি নামঘৰত আসন গ্ৰহণ কৰি নাট্য বিষয়ক অনানুষ্ঠানিক আলোচনাত মিলিত হয়। প্ৰতিষ্ঠা দিৱসৰ অনুষ্ঠানটিত চিৰাজুলিৰ প্ৰবীণ অভিনেতা তথা নাট্য সন্মিলনৰ চিৰাজুলি শাখাৰ প্ৰাক্তন সভাপতি হেমন্ত কাকতি,চিৰাজুলি শাখা সাহিত্য সভাৰ সভাপতি হৰি প্ৰসাদ দাস,নাট্য সন্মিলনৰ আজীৱন সদস্য দুষ্মন্ত কুমাৰ সূত, শোণিতপুৰ জিলা নাট্য সন্মিলনৰ সাংগঠনিক সম্পাদক প্ৰণৱ শৰ্মা,কাৰ্যালয় সম্পাদক অনিল কুমাৰ নাথ,কাৰ্যনিৰ্বাহক সদস্য বাসু হাঁলৈ আৰু জিতেন বৰা, চিৰাজুলি শাখা নাট্য সন্মিলনৰ সভাপতি ৰবীন তাঁতী,কাৰ্যকৰী সভাপতি তথা কৃতি শিক্ষক ধ্ৰুৱজ্যোতি কাকতি,উপ-সভাপতি তথা অগ্ৰজ লেখক-সমালোচক শশধৰ বৈশ্য,শাখাৰ সম্পাদক তথা মিলনজ্যোতি নামঘৰ পৰিচালনা সমিতিৰ সম্পাদক ধৰণী কেওঁট,কৃতি শিক্ষক-ৰাজহুৱা কৰ্মী গুণদেৱ অধিকাৰী,শিক্ষক অচিন্ত্য শৰ্মা,শোণিতপুৰ জিলা যুৱ-ছাত্ৰ পৰিষদৰ ক্ৰীড়া সম্পাদক জয়নাল আবেদিন,পশ্চিম তেজপুৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক কুশল কুমাৰ নাথ,গাঁওৰক্ষী বাহিনীৰ সম্পাদক কমলে চন্দ,চিৰাজুলি শাখা লেখিকা সমাৰোহ সমিতিৰ সম্পাদিকা ধনদা শইকীয়া কটকীকে ধৰি কেইবাগৰাকীও নেতৃস্থানীয় ব্যক্তি উপস্থিত থাকে।



## ওৰাং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ব্লক একাউনটেন্ট বিশ্বজিৎ কলিতাৰ বিৰুদ্ধে ধৰ্ণা, কাৰ্যালয়ত তলা ওলমাই দিলে

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ২৮ছেপ্টেম্বৰ ঃ** ওদালগুৰি জিলাৰ ওৰাং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ব্লক একাউনটেণ্টৰ বিৰুদ্ধে আশা কৰ্মীৰ ধৰ্না কাৰ্য্যসুচী, আশা কৰ্মী সকলে প্ৰাপ্ত মাননী নোপোৱাত একাউণ্টৰ কাৰ্যলয়টো তলা লগাই দিয়া ঘটনাটো চাঞ্চল্যৰ সৃষ্টি হৈছে। ওদালগুৰি জিলাৰ মাজবাট ৰাজহ চক্ৰৰ অধীনস্থ ওৰাং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ২৭ চেপ্তেম্বৰত আশা কৰ্মী সকলে ব্লক একাউনন্টেট বিশ্বজিৎ কলিতাৰ বিৰুদ্ধে তেওঁলোকৰ প্ৰাপ্ত মাননী নিদিয়াৰ প্ৰতিবাদত কেন্দ্ৰটোৰ সন্মুখত ধৰ্না দি প্ৰতিবাদ সাব্যস্ত কৰে। আৰু আশা কৰ্মীসকলে ব্লক একাউন্টৰ কাৰ্য্যলয়টো তলা লগাই দিয়ে। আশা কৰ্মী সকলে ওৰাং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ব্লক একাউনটেন্ট বিশ্বজিৎ কলিতা মুৰ্দাবাদ,গে বেক,ওৰাঙৰ একাউন্টেন আমাক নালাগে,নালাগে আদিৰে ধৰ্না দিয়ে। ধৰ্নাৰ পিছত ওৰাং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা স্বাস্থ্য আৰু চিকিৎসা বিষয়া গৰাকীক আশা কৰ্মী সকলে এখনি স্মাৰক পত্ৰ প্ৰদান কৰে। বছৰ বছৰ ধৰি কভিডৰ মাননী,প্ৰাপ্য নিৰ্ধাৰিত মাননীখিনি নিদিয়াৰ বাবে আশা সকল ক্ষোভ প্ৰকাশ কৰিছে। উল্লেখিত মাননী দিয়াৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। অন্যথা ওদালগুৰি জিলাৰ উপায়ুক্ত কাৰ্য্যলয়ৰ ধৰ্না কাৰ্য্যসুচী গ্ৰহণ কৰিবলৈ বাধ্য হব আশা কৰ্মী সকলে সৰ্তক কৰি সকীয়াই দিছে। আনহাতে এই একাউনন্টেন গৰাকীয়ে কৰ্তব্য যোগদান কৰাৰ পিছৰে পৰা ওৰাং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা স্বাস্থ্য আৰু চিকিৎসা বিষয়া আৰু বিপিএমক কোনোধৰণৰ গুৰুত্ব প্ৰদান নকৰি একনায়কত্ব আৰু স্বেচ্ছাচাৰী ভাবে কাৰ্যপৰিচালনা কৰি থকাটো এতিয়া নিত্য নৈমিত্তিক স্বাভাৱিক ঘটনা হৈ পৰিছে। তৎস্বত্বেও সংশিষ্ট শীৰ্ষ বিষয়া সকলে নিৰব নিৰ্বিকাৰ ভূমিকা গ্ৰহণ কৰাৰ বাবে আশা সকলে মাননী আৰু প্ৰাপ্য সুবিধা আদিৰ পৰা বঞ্চিত,প্ৰতাৰিত হৈ আহিছে।

## নাবালকক হত্যাৰ অভিযুক্তক গ্ৰেপ্তাৰৰ দাবী মানকাচৰৰ সোণাপুৰত গঞাৰ উত্তাল প্ৰতিবাদ



**দৈনন্দিন বাৰ্তাৰ সেৱা, মানকাচৰ, ২৮ ছেপ্টেম্বৰ ঃ** নাবালকক হত্যা কৰা অভিযুক্তক গ্ৰেপ্তাৰৰ দাবীত আজি দুপৰীয়া মানকাচৰৰ বেকাৰ ডুবা গাৰঁৰ ৰাইজে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰাপ্ত অভিযোগ মতে, চলিত মাহৰ যোৱা দুই তাৰিখে মানকাচৰ থানাৰ অধীনস্থ বেকাৰ ডুবা গাৰঁৰ আব্দুৰ ৰহিমৰ নাবালক পুত্ৰ আনাৰুল ইছলাম(১৬)ক এটা দুৰ্বৃত্তৰ দলে অপহৰণ কৰি হত্যা কৰে। পাছত পৰিয়ালৰ লোকে মানকাচৰ থানাত এজাহাৰ দাখিল কৰাত উক্ত গাৰঁৰ ধাননি পথাৰৰ পৰা অৰ্ধ গলিত অৱস্থাত নাবালক জনৰ মৃত্যুদেহ উদ্ধাৰ হয়। কিন্তু ৰহস্যজনক জনক ভাৱে মানকাচৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ভাস্কৰ জ্যোতি দাসে ছাইদুল ইছলাম নামৰ এজন অভিযুক্তক গ্ৰেপ্তাৰ কৰি দায়িত্ব সামৰে। আনহাতে, ধনৰ বিনিময়ত মানকাচৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া গৰাকীয়ে উক্ত গোচৰত জড়িত থকা আন বাকী অভিযুক্ত সকলোক গ্ৰেপ্তাৰ নকৰাৰ অভিযোগ উত্থাপিত হৈছে। পাছত উপায়ন্তৰ হৈ ভুক্তভোগী পৰিয়ালৰ লগতে গঞা ৰাইজে আজি দুপৰীয়া মানকাচৰ আৰক্ষী মুৰ্দাবাদ, দোষীক গ্ৰেপ্তাৰ কৰক আদি শ-'গানেৰে সংবাদ মাধ্যমৰ জড়িয়তে ইয়াৰ সঠিক তদন্ত ক্ৰমে দোষীক কৰায়ত্ব কৰি জেল হাজোত লৈ প্ৰেৰণ কৰাৰ দাবী জনায়। শেহতীয়াকৈ ভুক্তভোগী পৰিয়ালৰ ন্যায়ৰ ক্ষেত্ৰত মানকাচৰ আৰক্ষীয়ে কেনেধৰণৰ ভূমিকা গ্ৰহণ কৰে এয়া পৰৱৰ্ত্তী সময়তহে হ'ব লক্ষ্যণীয়।

## তামুলপুৰত সদৌ অসম ভিত্তিত অসমীয়া আৰু বড়ো আধুনিক গীতৰ আধাৰত একক নৃত্য প্ৰতিযোগিতা

### ৭৭সংখ্যক তেঁতেলীগুৰি-কালাকুছি বাৰোৱাৰী শ্ৰীশ্ৰী লক্ষ্মী-মাইনাও পূজাৰ মহাৰজত জয়ন্তীৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২৮ ছেপ্টেম্বৰ ঃ** তামুলপুৰ জিলা সদৰৰ নিকটৱৰ্তী তেতেলীগুৰি -কালাকুছি ত ৭৭ সংখ্যক তেতেলীগুৰি-কালাকুছি বাৰোৱাৰী শ্ৰীশ্ৰী লক্ষ্মী আৰু মাইনাও পূজাৰ মহাৰজত জয়ন্তী উপলক্ষে সদৌ অসম ভিত্তিত অসমীয়া আৰু বড়ো আধুনিক গীতৰ আধাৰত সুকীয়া সুকীয়াকৈ একক নৃত্য প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অহা ১০ অক্টোবৰ ৰ দিনৰ দুই বজাত অনুষ্ঠিত হবলগীয়া প্ৰতিযোগিতাৰ বাবে ভৰ্তি মাচুল ১৫১টকা। বিজয়ী প্ৰথম প্ৰতিযোগীক মানপত্ৰসহ নগদ ৭,০০১টকা, দ্বিতীয় প্ৰতিযোগীক মানপত্ৰ সহ নগদ ৫,০০১ টকা আৰু বিজয়ী তৃতীয় প্ৰতিযোগীক মানপত্ৰসহ নগদ ৩,০০১ টকা প্ৰদান কৰা হ'ব। সকলোধৰণৰ যোগাযোগ ৭০০২৩-৫৪২৯৯ অথবা ৮০১১৯-১৬০৯৪ এইনম্বৰত কৰিবলৈ আহ্বান জনাইছে সাংস্কৃতিক বিভাগৰ সম্পাদক সোণেশ্বৰ কলিতাই।

## তাপাবড়ী চৰ আঞ্চলিক জাতীয় বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ বিয়োগত হাজোত শোকৰ ছাঁ

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২৮ ছেপ্টেম্বৰ ঃ** আজি কামৰূপ জিলাৰ হাজো সমষ্টিৰ অন্তৰ্গত বৰছলিৰ তাপাবড়ী গাঁওৰ মেধা সম্পন্ন যুৱক ছাহাজামাল আলী (২৩)ৰ মৃত্যু হয়। ২০১৭ ইং চনত বৰছলি আঞ্চলিক জাতীয় বিদ্যালয়ৰ পৰা ষ্টাৰ নম্বৰলৈ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা মেধা সম্পন্ন যুৱক গৰাকীয়ে আনন্দৰাম বৰুৱা জুনিয়ৰ কলেজ, হাজোৰ পৰা উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ চুড়ান্ত পৰীক্ষাতো সুখ্যাতিৰে উত্তীৰ্ণ হবলৈ সক্ষম হয়। অযুত সপোন দেখা যুৱক গৰাকীয়ে আৰ্থিক দৈন্যৰ বাবে উচ্চ শিক্ষা গ্ৰহণ কৰাৰ আগ্ৰহেৰে নিজৰ পাঠ্যক্ৰম অধ্যায়ন কৰাৰ ওপৰিও সমান্তৰাল ভাৱে গাঁওখনৰেই তাপাবড়ী চৰ আঞ্চলিক জাতীয় বিদ্যালয়ৰ প্ৰধান শিক্ষক হিচাপে কাম কৰিছিল। বিদ্যালয়খনত কৰ্মৰত ক্ষণত প্ৰতিগৰাকী শিক্ষাৰ্থীৰ লগতে ষ্টাফৰ লগত আছিল তেওঁ প্ৰিয়ভাজন। দীৰ্ঘদিন ধৰি দুৰাৰোগ্য ব্যাধিত ভূগিছিল তেওঁ। আজি বিয়লি ভাগত তেওঁৰ মৃত্যু হয়। ছাহাজামালৰ মৃত্যু খবৰে সমগ্ৰ হাজোৰ বৰছলিত শোকৰ ছাঁ পৰা পৰিলক্ষিত হয়। আজি সন্ধিয়া ৮.৩০বজাত তাপাবড়ী কবৰস্থানত সহস্ৰাধিক আত্মীয় স্বজন শুভাকাংক্ষীকৰ উপস্থিতিত শোকাকুল পৰিবেশত জানাজা সম্পন্ন কৰা হয়। ছাহাজামাল আলীৰ মৃত্যুত প্ৰাক্তন মন্ত্ৰী নুৰুল হুছেইন, আছুৰ উপদেষ্টা প্ৰকাশ চন্দ্ৰ দাস, এমট্ৰনৰ উপ প্ৰবন্ধক দিনামণি ভাণ্ডাৰ কায়স্থ, সাহিত্যিক তথা শিক্ষক ৰজত চন্দ্ৰ ভৰালী, অসম যুৱ পৰিষদ কামৰূপ জিলা সমিতিৰ সাধাৰণ সম্পাদক আতাউৰ ৰহমান, বৰছলি শাখা সাহিত্য সভাৰ সভাপতি ছামচুল হক, হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি প্ৰাণজিত দেউৰীয়া আৰু সাধাৰণ সম্পাদক আতিকুৰ ৰহমান, বঙালপাৰা গাঁও পঞ্চায়তৰ কাউন্সিলৰ লুটফৰ ৰহমান, বৰছলি আঞ্চলিক জাতীয় বিদ্যালয়ৰ সচিব আব্দুৰ ৰহিম, তাপাবড়ী চৰ আঞ্চলিক জাতীয় বিদ্যালয়ৰ সচিব জালালুদ্দিন আহমেদ, ছিদ্দিক আলী সোৱৰণি হাইস্কুলৰ প্ৰধান শিক্ষয়ত্ৰী কুলছুম বেগম, BTRCS ME স্কুলৰ প্ৰধান শিক্ষক ছাহজাহান আলী, বৰছলি শাখা ছাত্ৰ সন্থাৰ সভাপতি ৰুবুল হুছেইন আদি কৰি বিভিন্ন দল সংগঠন, অনুষ্ঠান প্ৰতিষ্ঠানৰ মুৰব্বীয়ে শোক প্ৰকাশ কৰি শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

## বৰপথাৰত দলীয় কাৰ্যসূচী লৈ বিত্তমন্ত্ৰী অজন্তা নেওগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপথাৰ, ২৮ ছেপ্টেম্বৰ ঃ** এক বিশেষ দলীয় কাৰ্যসূচী লৈ আজি পুৱাই সৰুপথাৰ বিধানসভা সমষ্টিৰ বৰপথাৰত উপস্থিত হয়হি অসম চৰকাৰৰ বিত্তমন্ত্ৰী অজন্তা নেওঁগ। উল্লেখ্য যে অহা ৮ আৰু ৯ অ'ক্টোবৰ তাৰিখে দুদিনীয়া কাৰ্যসূচীৰে অসম ভ্ৰমণলৈ আহিব দেশৰ গৃহমন্ত্ৰী অমিত শ্বাহ। গৃহমন্ত্ৰী গৰাকীৰ অসম ভ্ৰমণ সম্পৰ্কেদলীয় কৰ্মীৰ লগত মতবিনিময় আৰু সভালৈ নিমন্ত্ৰণ কৰিবলৈ উপস্থিত হয়হি মন্ত্ৰী গৰাকী। লগতে গুৱাহাটী খানাপাৰাস্থিত পশু চিকিৎসা খেলপথাৰত অহা ৮ অ'ক্টোবৰ তাৰিখে কেন্দ্ৰীয় গৃহমন্ত্ৰী গৰাকীয়ে সম্বোধন কৰিবলগীয়া বিশাল দলীয় বৈঠকত সৰুপথাৰ সমষ্টিৰ ছাৰিওটা মণ্ডলৰ সকলো স্তৰৰ কাৰ্যকৰ্তা সকলৰ উপস্থিত সম্পৰ্কে এক আলোচনাতো মিলিত হয় মন্ত্ৰী গৰাকী। ইপিনে বৰপথাৰত উপস্থিত হৈ সাংবাদিকৰে হোৱা মত বিনিময়ত এগৰাকী বিধায়কৰ সদিচ্ছাৰ ওপৰতে সমষ্টিৰ উন্নয়ণ নিৰ্ভৰ কৰেবুলি মন্তব্য কৰে মন্ত্ৰী অজন্তা নেওগে। লগতে ৰাজ্য খনৰ পথ উন্নয়ণৰ বাবে ১০,০০০.০০ ( দহ হাজাৰ) কোটিৰো অধিক টকা বাজেটত ধাৰ্য্য কৰা হৈছে বুলিও বিত্তমন্ত্ৰী গৰাকীয়ে প্ৰকাশ কৰে। তদুপৰি মুখ্যমন্ত্ৰীৰ পথ পকীকৰণ আঁচনি, মুখ্যমন্ত্ৰীৰ পথ নবীকৰণ আঁচনি, মুখ্যমন্ত্ৰীৰ দলং পকীকৰণ আঁচনিৰ জৰিয়তে ৰাজ্য খনৰ প্ৰতিটো সমষ্টিতে বাট-পথ আৰু পকী দলং নিৰ্মাণ হোৱাৰ কথা সদৰী কৰে মন্ত্ৰী গৰাকীয়ে। আনহাতে সৰুপথাৰ সমষ্টিৰ খৰাংপীড়িত কৃষকৰ বাবে আৱণ্টিত পুঁজি ঘূৰি যোৱা সম্পৰ্কত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত এইবিষয়ে জ্ঞাত নহয় বুলি কয় মন্ত্ৰী গৰাকীয়ে। উল্লেখ্য যে ৰাজ্যিক কেবিনেটে সৰুপথাৰ সমষ্টিৰ খৰাংপীড়িত কৃষকৰ বাবে ৫ কোটি টকাৰ সাহায্য প্ৰদানৰ অনুমোদন দিছিল যদিও সেই অনুমোদিত ধনৰ সম্পৰ্কে সাংবাদিকে প্ৰশ্ন কৰাত মন্ত্ৰী গৰাকীয়ে সেই বিষয়ে তেওঁৰ হাতত কোনো তথ্য নাই বুলি জানিব দিয়ে।

**Name Correction**

According to my Passport (No. G1305737) Wrongly recorded My Father's Name is Mohammed Nobi Hussain Mondal. But My Actual Father's Name is Nobi Hussain Mondal. Nobi Hussain Mondal and Mohammed Nobi Hussain Mondal is Same Person.

**Nobia Khatun**
Vill- No. 7 Bashbari,
Po- Tilpukhuri
Dist- Bongaigaon.

**Name Correction**

The credentials in my passport(No. H8574638) such as My name i.e- Mohammed Iear Ali Mondol, Father's name i.e- Md Ashkar Ali Mondol, Spouse name i.e- Nabia Khatun and DOB i.e-14/02/1958 are wrongly recorded in my passport. The correct names and DOB are as follows- Iear Ali Mondal, Ashkar Ali Mondal, Nobia Khatun, DOB- 30/01/1958. Iear Ali Mondal and Mohammed Iear Ali Mondol, Ashkar Ali Mondal and Md Ashkar Ali Mondol, Nobia Khatun and Nabia Khatun are same Person.

**IEAR ALI MONDAL**
Vill- No. 7 Bashbari,
P.o- Tilpukhuri
Dist- Bongaigaon.

**AFFIDAVIT**

My self Dwipen Chandra Rabha, SO-Lt. Kamala Kanta Rahha, and about-46 years, by Religion Hindu, Permanent resident of Village Gathiapara, P.O.- Dhonubhanga P.S.- Dhupdhara. Dist: Goalpara, Assam. In my School Ceriticate & School Identity Card my name has wrongly been recorded as Dwipon Chandra Rabha instead of Dwipen Chandra Rabha.

## নাজিৰাৰ অ' এন জি চি কেন্দ্ৰীয় বিদ্যালয়ত ৰাজভাষা পাখোৱাদা অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২৮ ছেপ্টেম্বৰ ঃ** নাজিৰা অ'এন জি চিস্থিত কেন্দ্ৰীয় বিদ্যালয়ত ৰাজভাষা পখোৱাদা অনুষ্ঠানৰ আজি বহু ধুমধামেৰে সামৰণি পৰে। সামৰণি অনুষ্ঠানত বিভিন্ন প্ৰতিযোগিতাৰ বিজয়ী প্ৰতিযোগীসকলক পুৰস্কাৰ আৰু মানপত্ৰ প্ৰদান কৰা হয়। উল্লেখযোগ্য যে ১৪ ছেপ্টেম্বৰৰ পৰা ২৮ ছেপ্টেম্বৰলৈকে অনুষ্ঠিত হোৱা এই অনুষ্ঠানৰ অন্তিম দিনাৰ সামৰণিত কবিতা আবৃত্তি, ৰচনা ৰচনা, শ্ৰুত লিখা, কেলিগ্ৰাফী, কবি আদালত আদি বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। চৰকাৰী ভাষাৰ সম্পাদক প্ৰতীক ৰাজ ৰয়েলে (পি জি টি হিন্দী) পযেকজোৰা কাৰ্যসূচীৰ পৰিচালনা কৰে। প্ৰতিযোগিতাসমূহত শিক্ষক, শিক্ষয়িত্ৰী, সমূহ কৰ্মচাৰীকে ধৰি সকলো ছাত্ৰ-ছাত্ৰীয়ে উৎসাহেৰে অংশগ্ৰহণ কৰে। অনুষ্ঠানটোৰ শলাগ লৈ ভাৰপ্ৰাপ্ত অধ্যক্ষ মুৰুলী মনোহৰে বহুমুলীয়া বক্তব্যৰে শিশুসকলক অনুপ্ৰাণিত কৰে। তেওঁ শিশুসকলক কয় যে এনে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিহে আমি শিক্ষাৰ সমান্তৰালভাৱে হিন্দী ভাষাৰ প্ৰকৃত গুৰুত্ব বুজি পোৱাই নহয়। শিক্ষাৰ আচল অৰ্থ হ'ল চৌদিশে বিকাশ। এই প্ৰতিযোগিতা সমূহে ছাত্ৰ-ছাত্ৰীসকলৰ হিন্দী ভাষাৰ জ্ঞান বৃদ্ধি কৰাই নহয়, তেওঁলোকৰ আত্মবিশ্বাস বৃদ্ধি কৰে। আত্ম-অনুশাসনৰ বাবেও এনে প্ৰতিযোগিতাসমূহ চলি থকাটো অতি প্ৰয়োজনীয় বুলি তেওঁ মন্তব্য কৰে। লগতে তেওঁ এই বিষয়বোৰত কেন্দ্ৰীয় বিদ্যালয় বিশেষ ভূমিকা গ্ৰহণ কৰি ৰাজ্যিক পৰ্য্যায়ৰ লগতে ৰাষ্ট্ৰীয় পৰ্য্যায়তো সুনাম অৰ্জন কৰিব বুলি আশা প্ৰকাশ কৰে। অনুষ্ঠানটোত প্ৰধান শিক্ষক তুলিকা মোহন গগৈ, কবিতা ফুকন, সংজ্ঞা সিং, ওম প্ৰকাশ ভাৰ্মা (টি জি টি শাৰীৰিক শিক্ষা), মনিষ কুমাৰ ভগত, জিতেন্দ্ৰ কুমাৰ, হৃদ্যেশ শুক্লা, সুনীল কুমাৰ, দুৰ্গা য়েৱালে, টিনা মীনা, গজেন্দ্ৰ সিং ধৰ্মেশ, অবিনাশ ভৰদ্বাজ, চন্দ্ৰেশ প্ৰসাদ, মনোজ কুমাৰ মিশ্ৰ, কাৰ্যালয়ৰ জ্যেষ্ঠ সচিবালয়ৰ সহায়ক চেলিম আলী, অনুজ গহলিয়ান, মুহিবুৰ ৰহমান আদিও উপস্থিত থাকে। হিন্দী টি জি টি জগদীপ সিঙে পযেকজোৰা কাৰ্য্যসূচী সফল কৰি তোলাৰ বাবে সকলোকে ধন্যবাদ জ্ঞাপন কৰে।



## লাহৰীঘাট মহাবিদ্যালয়ত ২৩তম্ নৱাগত আদৰণী সভা ষষ্ঠ ষাণ্মাসিকৰ আশীৰ্বাদ সভা সুকলমে সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৮ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট মহাবিদ্যালয়ত ২৩ তম নবাগত আদৰণি সভা ও ষষ্ঠম ষাণ্মাসিকৰ আশীৰ্বাদ সভাটিও সুকলমে সম্পন্ন হয়। দুদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হব লগা নবাগত আদৰণি সভাৰ প্ৰথম দিনা অৰ্থাৎ কালি পুৱা ৯ বজাত পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ছফিৰ উদ্দিন আহমেদে। ইয়াৰ পিছত বৃক্ষ ৰোপণ কাৰ্যসূচীৰ ৰূপায়ন কৰে মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ অধ্যাপক খুৰশ্বিদ আলম, অধ্যাপিকা ছেমিম আহমেদ আৰু চেনেহী দলেই। শিক্ষাৰ্থী সকলক লৈ সাংস্কৃতিক শোভাযাত্ৰাৰ কাৰ্যসূচী পৰিচালনা কৰে অধ্যাপক ড০ আনোৱাৰ হুছেইন মহম্মদ ওৱাহিদ আৰু চেলিম আহমেদে। ন-পুৰণি ছাত্ৰ ছাত্ৰী সকলৰ চিনাকি পৰ্ব অনুষ্ঠান "এনাজৰী" পৰিচালনা কৰে অধ্যাপক মজিবুৰ ৰহমান আৰু মামনি শইকীয়াই। দুপৰীয়া ১.৩০ বজাত মুকলি সভা অনুষ্ঠিত হয়। সভাখন সঞ্চালনা কৰে ভাৰপ্ৰাপ্ত অধ্যক্ষ ছফিৰ উদ্দিন আহমেদদেৰে। উদ্দেশ্য বাখ্যা কৰে মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদক ফৰিদুল ইছলামে। আদৰণি পৰ্বৰ আঁত ধৰে ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক মুক্তাৰ হুছেইনে। মুকলি সভাত স্নাতক শ্ৰেণীৰ প্ৰথম , দ্বিতীয় আৰু তৃতীয় বাৰ্ষিকৰ শিক্ষাৰ্থী সকলৰ পৰাও বক্তব্য ৰাখে। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ অধ্যাপক আৰু আমন্ত্ৰিত অতিথি সকলেও বক্তব্য আগবঢ়ায়। আজি মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সকলৰ দ্বাৰা গীত নৃত্য পৰিবেশন কৰাৰ পিছত দুপৰীয়া ১.৩০ বজাৰ পৰা আমন্ত্ৰিত শিল্পী বিষ্ণু শৰ্মা আৰু তন্ময়শ্ৰী বৰাৰ সুমধুৰ গীত পৰিৱেশনেৰে সাংস্কৃতিক অনুষ্ঠান চলিব। সাংস্কৃতিক অনুষ্ঠানটি উদ্বোধন কৰিব মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সম্পাদক আজিজুৰ ৰহমান বিল্লাই।

খাইৰুল ইছলাম ভূৰাগাঁও মৰিগাঁও

## জৰেগাঁৱত পথৰ কাষত গছপুলি ৰোপণ-পৰিচৰ্যা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছালাকাটি, ২৮ ছেপ্টেম্বৰ ঃ** চাৰিওফালে বন ধ্বংসৰ সলনি জৰেগাঁৰত গছপুলি ৰোপণ আৰু সংৰক্ষণত গুৰুত্ব আৰোপ কৰা হৈছে। বি টি আৰৰ সদৰ কোকৰাঝাৰ চহৰৰ পৰা পোন্ধৰ কিলোমিটাৰ আঁৰৰ কালীপুখুৰী ভি চি ডি চিৰ অন্তৰ্গত জৰেগাঁও খনৰ সংঘ, বিদ্যালয়, মঠ-মন্দিৰ, পথ-দলঙৰ কাষত দীৰ্ঘ বছৰৰ পৰা আম, জাম, কঠাল, তেতেলী, জলফাই, ঔটেঙা, লেতেকু, হৰিতকী, অগৰু, অৰ্জুন, আমলখি, নাহৰ, কৃষ্ণচূড়া, ৰাধাচূড়া, নিম, গমাৰী, শাল, চেগুন, তিতাচপা ইত্যাদি ঔষধি-সৌন্দৰ্য বৰ্ধন-ফলমূলৰ অবাধ গতিত ৰোপণ কৰা হৈছে। কেৱল ৰোপণতে সীমাবদ্ধ নাথাকি সময়ে সময়ে গছপুলি সমূহ আগুৰি ধৰা হাবি-জংঘল আঁতৰাই খাছা-জেওৰা সমূহ মেৰামতি আৰু সাৰ প্ৰয়োগ কৰা হয়। আজিও পথৰ কাষে কাষে ৰোপণ কৰা গছপুলিসমূহৰ গুৰি ছাফ কৰা, খাছা-জেওৰাসমূহ মেৰামতি কৰা আৰু মৰহি যোৱা গছপুলিৰ ঠাইত নতুন গছপুলি ৰোপণ আদি কাৰ্য ৰূপায়ণ কৰা হয়। বিশেষকৈ বাসুগাঁও-বালাগাঁও সংযোগী গড়কাপ্টানী পথ হৰিগাঁৰৰ পৰা জৰেগাঁও কিৰণ সংঘলৈ পথ মেৰিমতিৰ অন্তত দুয়োকাষে গছপুলি ৰোপণ কৰি দিয়ে। ৰোপণ কৰা গছপুলিসমূহ গাঁওখনৰ যুৱক ধনঞ্জয় ৰায় আৰু সতীশ চন্দ্ৰ ৰায়ে মুখ্য ভূমিকা গ্ৰহণ কৰি ৰোপণ আৰু পৰিচৰ্যা কৰে।

## ঐতিহ্যমণ্ডিত টিয়ামাৰী ভাগৱতী গোসাঁনী পীঠৰ দুৰ্গা পূজাৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ছয়গাঁও, ২৮ ছেপ্টেম্বৰ ঃ** পলাশবাৰী আৰু ছয়গাঁও সমষ্টিৰ সীমান্তৱৰ্তী অঞ্চল টিয়ামাৰী ভাগৱতী গোসাঁনী পীঠৰ ষোল্লশ শতিকাতে কাঠেৰে নিৰ্মিত, দেৱী মূৰ্তিৰে দেৱীপুজাৰ ব্যাপক প্ৰস্তুতি।হেজাৰ বছৰীয়া ঐতিহ্য পূৰ্ণ এখন বিশেষ দেৱী পূজা। শাৰদীয় দুৰ্গা পূজাৰ সমান্তৰালকৈ দক্ষিণ কামৰূপৰ কুলচী টিয়াঁমাৰীত চলিছে 'মাঁ ভগৱতী টিয়াঁমাৰী পূজাৰ' ব্যাপক প্ৰস্তুতি। পৰম্পৰাগত ভাবে শাৰদীয় দুৰ্গা পূজাৰ সময়তে একেলগে আৰম্ভ হয় শ্ৰী শ্ৰী মাঁ ভগৱতী টিয়ামাৰী গোসাঁনী পীঠৰ দেৱী পূজাও। প্ৰতিবছৰে দুৰ্গা পূজাৰ মহাসপ্তমিৰ দিনাৰ পৰা আৰম্ভ হয় শ্ৰী শ্ৰী মা ভগৱতী টিয়ামাৰী গোসানী দেৱীৰ পূজা।তাৎপৰ্য পূৰ্ন যে এই পূজাত মৃণ্ময় মূৰ্তিৰ বিপৰীতে শ-শ বছৰ পুৰনী কাঠৰ মূৰ্তি আৰু কলগছৰ পটুৱাৰ পৰা প্ৰস্তুত কৰা মুৰ্তিত সপ্তমিৰ পৰা দশমীলৈ পূজা-অৰ্চনা কৰা হয়। মা টিয়ামাৰী পূজাৰ লগতে একেলগে মানসা আৰু শিৱকো আৰোধনা কৰা হয় এই স্থানত।উল্লেখ যে- প্ৰবাদ অনুসৰি কুলচী টিয়ামাৰীৰ এই স্থানতে মাঁ ভগৱতীৰ বাঁও হাটখন পতিত হয় আৰু তেতিয়াৰ পৰাই দেৱীক শাৰদীয় সময়ত ব্যতিক্ৰমী ধৰণে পূজা-অৰ্চনা কৰি অহা হৈ শতিকা-শতিকা বছৰ জুৰি।



## ৰাশিফলত আজিৰ দিনটো

১২ আহিন, বৃহস্পতিবাৰ, ২৯ ছেপ্টেম্বৰ, ১৪২৯ ভাস্কৰাব্দ

সূৰ্যোদয়- ৫-১৮-২০, সূৰ্যাস্ত- ৫-১০-৪৪

■ **মেষ** ঃ আদৰ-আপ্যায়ন ■ **বৃষ** ঃ শৰীৰত কষ্ট ■ **মিথুন** ঃ শিল্পীৰ সুনাম ■ **কৰ্কট** ঃ নতুন আঁচনি ■ **সিংহ** ঃ ছাত্ৰ-ছাত্ৰীৰ সুনাম ■ **কন্যা** ঃ শৰীৰ সুস্থ ■ **তুলা** ঃ আত্মীয়ৰ সঁহাৰি ■ **বৃশ্চিক** ঃ চোৰৰ ভয় ■ **ধনু** ঃ শুভ কাৰ্যানুষ্ঠান ■ **মকৰ** ঃ ৰাজহুৱা

## পাতিদৰং মহাজনপাৰা পলাশৰতলত গুৰুজনাৰ আৱিৰ্ভাৱ মহোৎসৱ, হীৰক জয়ন্তী উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ২৮ ছেপ্টেম্বৰ ঃ** পাতিদৰং মহাজন পাৰা পলাশৰ তল শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ সৌজন্য ত গুৰুজনাৰ ৫৭৪ তম আৱিৰ্ভাৱ মহোৎসৱ আৰু সংঘৰ ৭৭ তম বাৰ্ষিক অধিবেশনৰ লগত সংগতি ৰাখি হীৰক জয়ন্তী উদযাপনৰ ব্যাপক প্ৰস্তুতি চলিছে। সেই লৈ অহা ৩ অ'ক্টোবৰ ৰ পৰা ৬ অ'ক্টোবৰ লৈ চাৰি দিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে মহাজন পাৰা পলাশৰ তল নামঘৰ প্ৰাংগনত অনুষ্ঠিত হবলগীয়া কাৰ্যসূচী অনুসৰি ৩ অ'ক্টোবৰত (সোমবাৰ) নামঘৰীয়া হৰিচৰণ বেজবৰুৱা ই বন্তি প্ৰজ্বলনেৰে কাৰ্যসূচীৰ আৰম্ভ হ'ব। পৰিবেশ নিকাকৰণ, বৃক্ষৰোপণ। ৰাতিপুৱা ৯ বজাত প্ৰয়াত হৰনাথ তালুকদাৰ সোঁৱৰণী তোৰণ উন্মোচন কৰিব ৰঙিয়া জিলা কোচ ৰাজবংশী সন্মিলনীৰ প্ৰাক্তন সভাপতি ধনেশ্বৰ ৰাজবংশী য়ে। ৰাতিপুৱা ৯:৩০ বজাত আন এখন তোৰণ প্ৰয়াত ধীৰেন্দ্ৰনাথ বেজবৰুৱা সোঁৱৰণী তোৰণ উন্মোচন কৰিব আদৰ্শ আঞ্চলিক হাইস্কুল বৰডাঙ্গেৰীকুছিৰ সহ: প্ৰধান শিক্ষক দেৱেন চন্দ্ৰ নাথে, আনখন তোৰণ পাতিদৰং গোবিন্দ গিৰি আঞ্চলিক শাখাৰ শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ তোৰণ উন্মোচন কৰিব বৃন্দাবন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা মঞ্জিতা পাটোৱাৰীয়ে। ৰাতিপুৱা ১০:৩০ বজাত অনুষ্ঠিত হ'ব ভাগৱত পাঠ।এই পাঠত অংশ লব ভোগীৰাম ৰাজবংশী য়ে। এই ভাগবত পাঠ অনুষ্ঠান ৰ পিছতে ১২ বজাত স্মৃতিগ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হ'ব। এক শৰণ ভাগৱতী সমাজ, ৰঙিয়া জিলা শাখাৰ প্ৰাক্তন সভাপতি হংসৰাম ৰাজবংশী য়ে উদ্ধোধন কৰা স্মৃতিগ্ৰন্থ উন্মোচনী সভাখনত সভাপতিত্ব কৰিব জ্ঞান পীঠ একাডেমী,লোচ মুক্তাপুৰৰ অধ্যক্ষ ড০ হংসধৰ শৰ্মাই , নিৰ্দিষ্ট বক্তা হিচাপে থাকিব শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘ পলাশবাৰী জিলা শাখাৰ প্ৰাক্তন শৰণ সদস্য মহেশ মহন্তৰ লগতে স্মৃতিগ্ৰন্থ খনি উন্মোচন কৰিব ৬৬ নং ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ড০পৰমানন্দ ৰাজবংশীয়ে। সন্ধিয়া বন্তি প্ৰজ্বলন, সান্ধ্য প্ৰসংগ।৮ বজাত বিষয় বাচনি সভা। ৪ অ'ক্টোবৰত(মঙ্গলবাৰ) ৰাতিপুৱা ৮ বজাত উদযাপন সমিতিৰ সভাপতি শান্ত ৰাজবংশী য়ে ধৰ্মধ্বজা উত্তোলন কৰা পিছতে ভাগৱত শোভাযাত্ৰা। সন্ধিয়া ৯ বজাত হ'বলগীয়া বৰ্ণাঢ্য সাংস্কৃতিক সন্ধিয়াৰ উদ্ধোধন কৰিব ধূনাৰতল জনজাতীয় প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দূৰ্গেশ্বৰ দাসে। এই অনুষ্ঠান ত জনপ্ৰিয় কণ্ঠশিল্পী অনুপম শইকীয়া আৰু মৌৰুচী বৰাই সংগীত পৰিবেশন কৰিব। ৫ অ'ক্টোবৰত(বুধবাৰ) প্ৰাতঃ প্ৰসংগ, ভাগৱত পাঠ ,দিনৰ ১২ বজাত ৮ নং মংগলদৈ লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ মাধৱ ৰাজবংশী য়ে উদ্ধোধন কৰিব লগা এই ধৰ্মালোচনী সভা খনত সভাপতিত্ব কৰিব শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘ ৰঙিয়া জিলা শাখাৰ সভাপতি নৰেশ্বৰ ডেকাই, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰাই নিৰ্দিষ্ট বক্তা, ভাৰতীয় জনতা পাৰ্টীৰ ৰাজ্যিক সভাপতি ভৱেশ কলিতা,অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, কমলপুৰ সমষ্টিৰ বিধায়ক সত্যব্ৰত কলিতাই বিশিষ্ট অতিথি, মুখ্য অতিথি হিচাপে শ্ৰীমন্ত শঙ্কৰদেৱ সঙঘৰ প্ৰাক্তন পদাধিকাৰ ভবেন্দ্ৰ নাথ ডেকা প্ৰমুখ্যে বহু কেইজন বিশিষ্ট ব্যক্তিয়ে আমন্ত্ৰিত অতিথি হিচাপে অংশগ্ৰহণ কৰিব।নিশা ১০ বজাত কাদম্বৰী ভ্ৰাম্যমাণ নাট্যদল ( শালমাৰা) ৰ দ্বাৰা নাট প্ৰদৰ্শীত হ'ব ।৬ অ'ক্টোবৰ ত (বৃহস্পতিবাৰ)প্ৰাতঃ প্ৰসংগ,নাম কীৰ্তন, দিনৰ ১২ বজাত ১ নং বৈনাৰাৰ নাগাৰা নামৰ শিল্পী লিপিকা কাকতি ৰ দলে নাম পৰিবেশন কৰিব। আবেলি ৫ বজাত পতাকা অৱতৰণেৰে কাৰ্যসূচীৰ সামৰণি পৰিব । গতিকে এই সমূহ কাৰ্যসূচী ত সকলো ভক্তপ্ৰান ৰাইজৰ উপস্থিতি সহায় সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে উদযাপন সমিতিৰ সভাপতি শান্ত ৰাজবংশী আৰু সম্পাদক তিলক ৰাজবংশীয়ে।

জাতি, মাটি আৰু দেশৰ সেৱাত
# দৈনন্দিন বাৰ্তা
২৯ ছেপ্তেম্বৰ, ২০২২ ■ বৃহস্পতিবাৰ ■ ১২ আহিন, ১৯৪৪ শক



### বিভিন্ন দলৰ পাঁচ শতাধিক কৰ্মীৰ তৃণমূল কংগ্ৰেছত যোগদান
## পানীৰ ওপৰত কৰ লগাই মানৰ অধিকাৰ খৰ্ব কৰিছে চৰকাৰে ঃ ৰিপুন বৰা



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৮ ছেপ্টেম্বৰ ঃ** নগাঁৰত আজি অনুষ্ঠিত হয় তৃণমূল কংগ্ৰেছৰ এক বৃহৎ যোগদান সভা। তৃণমূল কংগ্ৰেছৰ ৰাজ্যিকৰ সভাপতি ৰিপুন বৰাৰ উপস্থিতিত অনুষ্ঠিত হোৱা যোগদান সভাখনত বিভিন্ন দলৰ পাঁচ শতাধিক কৰ্মীয়ে তৃণমূল কংগ্ৰেছত যোগদান কৰে ।নগাঁও জিলাৰ যুৱ ব্যৱসায়ী ময়ূৰ মজুমদাৰৰ নেতৃত্বত যোগদান কৰে পাঁচ শতাধিক বিভিন্ন দলৰ কৰ্মীয়ে ।নগাঁও চহৰৰ কমলা দেৱী টোঁডী ভৱনত অনুষ্ঠিত যোগদান কাৰ্যসূচীত উপস্থিত থাকে তৃণমূল কংগ্ৰেছৰ ৰাজ্যিক সাংগঠনিক সম্পাদক অৰূপজ্যোতি ভূঞা, দিগন্ত ভূঞা, ৰাজ্যিক যুৱ তৃণমূল কংগ্ৰেছৰ সভাপতি বনদ্বীপ দত্ত, মিডিয়া বিভাগৰ সভাপতি দিলীপ শৰ্মা প্ৰমুখ্যে দলটোৰ বিষয়ববীয়াসকল। উল্লেখযোগ্য যে ইতিমধ্যে সমগ্ৰ অসমতে ব্যাপক তৎপৰতা আৰম্ভ কৰা ৰিপুন বৰা নেতৃত্বাধীন তৃণমূল কংগ্ৰেছে নগাঁও জিলাতো আজি বৃহৎ যোগদানৰ কাৰ্যসূচীৰে চমক সৃষ্টি কৰে ।যোগদান সভাত তৃণমূল কংগ্ৰেছৰ সভাপতি ৰিপুন বৰাই কয় যে বৰ্তমান সময়ত শাসক পক্ষৰ বিভিন্ন জনবিৰোধী কাৰ্যকলাপক প্ৰতিহত কৰিবৰ বাবে অসমত তৃণমূল কংগ্ৰেছ (ই) একমাত্ৰ শক্তিশালী বিৰোধী দল হিচাপে বিবেচিত হৈছে। আনহাতে তৃণমূল কংগ্ৰেছৰ সভাপতি ৰিপুন বৰাই পি এফ আই নিষিদ্ধ কৰা সন্দৰ্ভত সংবাদমাধ্যমৰ আগত কয় যে দেশৰ নিৰাপত্তাৰ ক্ষেত্ৰত কাৰো সৈতে আপোচ কৰা নাযায়। আইনে সকলো বিচাৰ কৰিব। সকলো ৰাজহুৱা কৰিব লাগে চৰকাৰে। আনহাতে পানীৰ ওপৰত চৰকাৰে কৰ আৰোপ কৰিব বিচৰা সন্দৰ্ভত ৰিপুন বৰাই কয় বিজেপি হৈছে পুঁজিপতিৰ চৰকাৰ ।পুঁজিপতিৰ কৰ ৰেহাই দি জনতাৰ ওপৰত কৰ আৰোপ কৰে এই চৰকাৰে। পানীৰ ওপৰত কৰ লগাই চৰকাৰে মানৱ অধিকাৰ খৰ্ব কৰা বুলি ৰিপুন বৰাই চৰকাৰক সমালোচনা কৰে।

## প্ৰধানমন্ত্ৰীৰ জন্মদিৱসৰ 'সেৱা পষেক' উপলক্ষে বিজেপি কৃষক মৰ্চাৰ ৰাজ্যজুৰি প্ৰদৰ্শনী সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ ছেপ্টেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিৱসৰ সৈতে সংগতি ৰাখি ভাৰতীয় জনতা পাৰ্টিয়ে দেশজুৰি ১৭ ছেপ্টেম্বৰৰ পৰা ২ অক্টোবৰলৈ 'সেৱা পষেক'ৰ আয়োজন কৰিছে। এই উপলক্ষ্যে পষেকটোত ৰক্তদান শিবিৰ, স্বচ্ছতা অভিযান, বিনামূলীয়া স্বাস্থ্য শিবিৰ, বৃক্ষৰোপণ, প্ৰবুদ্ধ ব্যক্তি সন্মিলন, জল সংৰক্ষণ আদি বিভিন্ন জনসেৱামূলক কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই সেৱা পষেকৰ অংশস্বৰূপে বিজেপি কৃষক মৰ্চাই ২৭ আৰু ২৮ ছেপ্টেম্বৰত দুদিনীয়াকৈ অসমৰ বিভিন্ন জিলাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ব্যক্তিত্ব আৰু কৃতিত্ব সম্পৰ্কত প্ৰদৰ্শনীৰ আয়োজন কৰে। কেন্দ্ৰীয়ভাৱে ভাৰতীয় জনতা পাৰ্টি, কৃষক মৰ্চাৰ ৰাজ্যিক সমিতি আৰু গুৱাহাটী মহানগৰ কৃষক মৰ্চাৰ উদ্যোগত বেজেৰা মণ্ডল কৃষক মৰ্চাৰ সহযোগত উত্তৰ গুৱাহাটীৰ দৌল গোবিন্দ মন্দিৰৰ কাষৰ লক্ষ্যধৰ চৌধুৰী প্ৰেক্ষাগৃহত ২৮ ছেপ্টেম্বৰ, বুধবাৰে এই প্ৰদৰ্শনী অনুষ্ঠিত হয়। কেন্দ্ৰীয় প্ৰদৰ্শনীত চৰকাৰী- বেচৰকাৰী বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে আটকধুনীয়া বিপণী স্থাপন কৰে। ইয়াৰ ভিতৰত আছে জালুকবাৰীৰ চৰকাৰী আয়ুৰ্বেদিক কলেজ, উদ্ভিদ বিজ্ঞান সঞ্চালকালয়, ৰাজ্য চৰকাৰৰ কৃষি বিভাগ আদি। বিজেপি অসম প্ৰদেশৰ সভাপতি ভবেশ কলিতাই প্ৰদৰ্শনীৰ দ্বাৰ উন্মোচন কৰাৰ লগতে প্ৰদৰ্শিত বিপণীৰ প্ৰবেশ দ্বাৰ উন্মোচন কৰে প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্টৰ পৰিচালন সঞ্চালক ৰিণিকি শৰ্মা ভূঞাই। এই প্ৰদৰ্শনীত উপস্থিত থাকে বিজেপিৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দিলীপ শইকীয়া, সাংসদ কুইন ওজা, কৃষক মৰ্চা অসম প্ৰদেশৰ সভাপতি দেৱজিৎ বৰা, কৃষক মৰ্চাৰ প্ৰভাৰী অশোক ভট্টৰায়, বিজেপিৰ ৰাজ্যিক উপসভাপতি জয়ন্ত দাস, কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ৰমেশ চন্দ্ৰ ডেকা, বিজেপি গুৱাহাটী মহানগৰৰ সভাপতি তপন দাস, কৃষক মৰ্চাৰ প্ৰাক্তন সভাপতি প্ৰফুল্ল বৰা, কৃষক মৰ্চাৰ উপসভাপতি ৰণজিৎ ভট্টাচাৰ্য, ভাস্কৰজ্যোতি দাস, কৃষক মৰ্চাৰ সাধাৰণ সম্পাদক নিবাৰণ লহকৰ, ইন্দ্ৰাণী তহবিলদাৰ, কৃষক মৰ্চাৰ সংবাদ মাধ্যমৰ ৰাজ্যিক আহ্বায়িকা অসমী বৰা, প্ৰীতম গোস্বামী, কৃষক মৰ্চাৰ গুৱাহাটী মহানগৰৰ সভাপতি সঞ্জীৱ সমৰ ডেকা । বিজেপি কৃষক মৰ্চা, অসম প্ৰদেশৰ সভাপতি দেৱজিৎ বৰাই সমাজৰ বিভিন্ন অংশৰ লোকে এই প্ৰদৰ্শনী উপভোগ কৰিবলৈ অহাৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে। উল্লেখ্য, জন্ম দিৱস উপলক্ষ্যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ বিজেপিৰ সকলো কাৰ্যকৰ্তাই পোষ্ট কাৰ্ড প্ৰেৰণ কৰে।




### উত্তৰ-পূব সীমান্ত ৰেলৱেৰ দ্বাৰা গ্ৰাহক সম্পৰ্ক উন্নত কৰাৰ বাবে বিভিন্ন পদক্ষেপ
## মালবাহী পৰিবহণৰ পৰিচালন অধিক বৃদ্ধিৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ ছেপ্টেম্বৰ ঃ** উত্তৰ পূব সীমান্ত ৰেলৱেই মাল পৰিবহণৰ উন্নতি আৰু উন্নত গ্ৰাহক সম্পৰ্ক প্ৰদান কৰাৰ বাবে আগষ্ট, ২০২২ মাহত কেইবাটাও পদক্ষেপ কাৰ্যকৰী কৰিছে। এই পদক্ষেপৰ ভিতৰত আছে বহিৰ্মুখী আৰু অন্তৰ্মুখী উভয় ট্ৰেফিক হেণ্ডুলিং কৰাৰ বাবে ষ্টেচন মুকলি কৰা হৈছে। গ্ৰাহকৰ সম্পৰ্ক উন্নত কৰাৰ অৰ্থে আৰু মাল পৰিবহণ অধিক বৃদ্ধি কৰাৰ বাবে, কাটিহাৰ মণ্ডলৰ বাথনাহা ষ্টেচন ০৫ আগষ্ট, ২০২২ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ দুই মাহৰ এক সময়সীমাৰ বাবে আয়ৰণ আৰু ষ্টীল কনচাইনমেন্টৰ (ক্ৰেন কনচাইনমেন্ট) পৰিবহণ হেণ্ডুলিং কৰাৰ অৰ্থে মুকলি কৰা হয়। ইয়াৰ পূৰ্বে এই ষ্টেচনটো পিঅ'এল পশুধন, বিস্ফোৰক আৰু ক্ৰেন কনচাইনমেন্টৰ বাহিৰে কয়লাসহ বহিৰ্মুখী আৰু অন্তৰ্মুখী উভয় সামগ্ৰী পৰিবহণ হেণ্ডুলিং কৰাৰ বাবে মুকলি কৰা হৈছিল। লামডিং মণ্ডলৰ ভৈৰৱী ষ্টেচন ২২ আগষ্ট, ২০২২ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ আয়ৰণ আৰু ষ্টীল কনচাইনমেন্টৰ (ক্ৰেন কনচাইন্টমেন্ট) পৰিবহণ হেণ্ডুলিং কৰাৰ অৰ্থে মুকলি কৰা হয়। ইয়াৰ পূৰ্বে এই ষ্টেচনটো কয়লা, পিঅ'এল, পশুধন, বিস্ফোৰক আৰু ক্ৰেন কনচাইনমেন্টৰ বাহিৰে সকলো সামগ্ৰী বহিৰ্মুখী আৰু অন্তৰ্মুখী উভয় পৰিবহণ হেণ্ডুলিং কৰাৰ অৰ্থে মুকলি কৰা হৈছিল। একদৰে লামডিং মণ্ডলৰ অধীনৰ কমলাজাৰী ষ্টেচনটো ২২ আগষ্ট, ২০২২ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ অতিৰিক্ত তিনি মাহৰ বাবে আয়ৰণ আৰু ষ্টীলৰ সামগ্ৰীৰ (ক্ৰেন কনচাইনমেন্ট) পৰিবহণ হেণ্ডুলিং কৰাৰ বাবে মুকলি কৰা হয়। ইয়াৰ পূৰ্বে এই ষ্টেচনটো পিঅ'এল, পশুধন বিস্ফোৰক আৰু ক্ৰেন কনচাইনমেন্টৰ বাহিৰে কয়লাসহ সকলো পন্য সামগ্ৰীৰ অন্তৰ্মুখী আৰু বহিৰ্মুখী পৰিবহণ হেণ্ডুলিং কৰাৰ বাবে মুকলি কৰা হৈছিল। উল্লেখযোগ্য যে উত্তৰ পূব সীমান্ত ৰেলৱেই পাব্লিক প্ৰাইভেট পাৰ্টনাৰশ্বিপৰ জৰিয়তে কিষাণগঞ্জ, কাটিহাৰ, পূৰ্ণিয়া, ৰাণীনগৰ জলপাইগুড়ী, চাংগ্ৰাবান্ধা, নিউ কোচবিহাৰ আদিৰ দৰে বিভিন্ন অঞ্চলত গুডচ্ শ্বেডসমূহৰ উন্নীতকৰণৰ কাম কৰি আছে। বালুৰঘাট, দেওতলা, বাথনাহা আদি এলেকাত গতি শক্তি টাৰ্মিনেলৰো স্থাপনৰ কাম আৰম্ভ হৈছে। ৰেলৱেত গ্ৰাহকৰ সম্পৰ্ক উন্নতকৰণ আৰু পাব্লিক প্ৰাইভেট পাৰ্টনাৰশ্বিপ প্ৰৱৰ্তনে মালবাহী ৰেলৰ লোডিং আৰু আনলোডিং বৃদ্ধি কৰাত সহায়ক হৈছে। ইয়াৰ পৰিণামস্বৰূপে অনাগত বছৰসমূহত উত্তৰ পূব সীমান্ত ৰে'লৱেৰ ৰাজহ উপাৰ্জন তাৎপৰ্যপূৰ্ণভাৱে বৃদ্ধি হ'ব।

Guwahati Metropolitan Development Authority
STATFED Building, Bhangagarh, Guwahati - 781005
Website: www.gmda.co.in Tel: 0361-2529650/9824
E-mail: ceo_gmda@yahoo.com Fax: 0361-2529991
No. GMDA/DEV/67/2021/203 Dated: 28-09-2022
**SHORT TENDER NOTICE**
Online Tender in Prescribed format from CPWD/ APWD registered Class I (A) or equivalent contractors are invited by the undersigned for the following works:

| Sl. No. | Name of Work | Amount |
|---|---|---|
| 1 | Fatasil Ambari Park at Guwahati (Balance Work) | ₹67,62,927/- |
| 2 | Development of Swahid Udyan at Fatasil, Guwahati (Balance Work) | ₹54,54,721/- |
| 3 | Nalinibala Devi Park at Guwahati (Balance Work) | ₹6,54,691/- |

Tender Document can only be seen and downloaded from **https://assamtenders.gov.in** portal from **01-10-2022**.
Sd/- (Kausar J. Hilaly, ACS)
Chief Executive Officer
Guwahati Metropolitan Dev. Authority
Bhangagarh, Guwahati - 05

### গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ত ভোটাধিকাৰৰ সজাগতা সভা
## এপিক আৰু আধাৰকাৰ্ড সংযোগ কৰাৰ বাবে আহ্বান



**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ ছেপ্টেম্বৰ ঃ** ভোটাধিকাৰ সম্পৰ্কে জনসাধাৰণৰ মাজত প্ৰয়োজনীয় সজাগতা সৃষ্টিৰ বাবে আজি কামৰূপ মহানগৰ জিলাৰ গুৱাহাটী বাণিজ্য মহাবিদ্যালয় প্ৰাঙ্গনত অসমৰ মুখ্য নিৰ্বাচনী বিষয়া নীতিন খাড়েৰ উপস্থিতিত এখন সজাগতামূলক সভা অনুষ্ঠিত হয়। মূলতঃ 'EPIC' আৰু আধাৰ কাৰ্ডৰ মাজত সংযোগ স্থাপনৰ বাবে জনসাধাৰণক আহ্বান জনোৱাৰ উদ্দেশ্যে আয়োজিত এই অনুষ্ঠানতে দুখন সজাগতামূলক এলইডি ভান ৰাজ্যৰ ৫০খন নিৰ্বাচনী জিলাৰ বিভিন্ন প্ৰান্তত চলাচলৰ বাবে শুভাৰম্ভ কৰা হয়। যুটীয়া মুখ্য নিৰ্বাচনী বিষয়া এমিলি বৰুৱা, অতিৰিক্ত উপায়ুক্ত মৃগাংক চৌধুৰী, নিৰ্বাচনী বিষয়া শেখৰণ ফুকনৰ উপৰি মহাবিদ্যালয় খনৰ অধ্যক্ষ, অধ্যাপক-অধ্যাপিকাসকল, ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থকা এই অনুষ্ঠানতে ন ভোটাৰসকলক ভোট প্ৰদানৰ বিষয়ে সজাগ কৰি তোলাৰ উদ্দেশ্যে বাটৰ নাট প্ৰদৰ্শন কৰা হয়। উল্লেখ্য, জনসাধাৰণক ভোটাধিকাৰৰ প্ৰতি আকৃষ্ট কৰাৰ অৰ্থে বিভিন্ন ঠাইত এই সজাগতামূলক বাটৰ নাট প্ৰদৰ্শন কৰাৰ ব্যৱস্থা কৰা হৈছে।

## পশ্চিম গুৱাহাটীৰ অসম-মেঘালয় সীমান্তৰে বাংলাদেশলৈ সৰবৰাহ কৰা অৱস্থাত গৰুসহ বাহন জব্দ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ ছেপ্টেম্বৰ ঃ** অৱশেষত ' সাৰ পালে কামৰূপ জিলাৰ পলাশবাৰী থানাৰ আৰক্ষী আৰু ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ দক্ষিণ কামৰূপৰ (আৰ এছ এছ ) ঝাৰোবৰী গোট। আজি পুৱাৰ ভাগত ছয়গাঁওৰ পৰা কুলসি হৈ ভিতৰুৱা পথৰে লোহাৰঘাটৰে পশ্চিম গুৱাহাটীৰ অসম - মেঘালয় সীমান্তৰে বাংলাদেশলৈ সৰবৰাহ কৰা অৱস্থাত এ এছ ০১ ডি ডি ৪৩৭৬ নম্বৰৰ এখন টাটা ডি আই বাহনত লোহাৰঘাটৰ সমীপৰ কোচপাৰা গাঁওত আঠোটা গৰু জব্দ কৰা হয়। প্ৰাপ্ত খবৰ মতে একাংশ সংবাদ মাধ্যমত পশ্চিম গুৱাহাটীৰ অসম - মেঘালয় সীমান্তৰ জিমিৰগাঁও, উমছুৰ হৈ মেঘালয়ৰে বাংলাদেশলৈ কিদৰে চোঁৰাংকৈ গৰু সৰবৰাহ কৰা হয় ,সেই সন্দৰ্ভত বিতংকৈ তথ্য সহকাৰে প্ৰকাশ পাইছিল। অৱশেষত সেই তথ্যৰ আধাৰত আজি পুৱা আৰ এছ এছৰ ঝাৰোৰবী গোট আৰু পলাশবাৰী থানাৰ এটা আৰক্ষীৰ দলে যুটীয়াভাৱে অভিযান কোচপাৰা নামৰ গাঁওখনত অভিযান চলাই গৰুসহ বাহনখন জব্দ কৰে। আনহাতে অভিযানকালত বাহনখনৰ চালক হজৰত আলী (৩৫) আটক কৰা হয়। সম্প্ৰতি গৰুসহ বাহনখন আৰু চালকজনক পলাশবাৰী থানাত ৰখা হৈছে। উল্লেখযোগ্য মহানগৰীৰ পৰা কিছু নিলগৰ পশ্চিম গুৱাহাটী সমষ্টিৰ অসম মেঘালয় সীমান্তৰ মাটাইখাৰ,উমছুৰ , জিমিৰগাঁও আদি অঞ্চলৰ বিভিন্ন পথৰে দিনৰ পোহৰতে চাৰিচকীয়া লঘু বাহন ঘাইকৈ ডি আই বা পিক আপ ভানৰে প্ৰায় নিয়মীয়াকৈ চোৰাংকৈ মেঘালয় হৈ বাংলাদেশলৈ কেনেকৈ কি পথৰে গৰু সৰবৰাহ হয় সেই বিষয়ে সংবাদ মাধ্যমত বিতংকৈ প্ৰকাশ পাইছিল । শেহতীয়াকৈ জানিব পৰা মতে গো সৰবৰাহকাৰী চক্ৰটোৰ নেতৃত্বত গুৱাহাটীৰ খানাপাৰাৰ জনৈক ছোহেল খান, লোহাৰঘাট বাগানৰ সমীপৰ নতুন চিমিনাৰ গমচেৰ আলী, ছয়গাঁও সম্পুপাৰাৰ মোহৰ আলী নামৰ তিনিজন মান গো মাফিয়া জড়িত হৈ আছে।




বৈংক অঁফ় বড়ৌদা Bank of Baroda
থানা চাৰিআলি শাখা
আৰ কে বি পথ, প্ৰথম মহলা, গোৰেংকা মাৰ্কেট, ডিব্ৰুগড়-৭৮৬০০১
যোগাযোগ নং- ০৩৭৩-২৩২০০১১, ই-মেইল ঃ vjdibr@bankofboroda.co.in

**দখলৰ জাননী (কেৱল স্থাৱৰ সম্পত্তিৰ বাবে)**

যিহেতু ঃ
তলত স্বাক্ষৰদানকাৰী বেংক অব বৰোদাৰ কৰ্তৃত্বশীল বিষয়া, চিকিউৰিটাইজেচন এণ্ড ৰিকনষ্টাকচন অব ফাইনেনচিয়েল এছেটছ এণ্ড এনফৰ্চমেণ্ট অব ছিকিউৰিটি ইণ্টাৰেষ্ট (দ্বিতীয়) এক্ট-২০০২ আৰু উক্ত আইনৰ ধাৰা-১৩(১২) ৰ ক্ষমতা প্ৰয়োগ কৰি, পঢ়ি উঠি ৰুল-৩ , ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফৰ্চমেণ্ট) ৰুলছ-২০০২ ৰ জৰিয়তে এখন দাবী জাননী জাৰি কৰা হৈছিল **১৩.০৫.২০২১** তাৰিখে ঋণ লওতা **শ্ৰী জয়ন্ত জ্যোতি গগৈ, শ্ৰী সিদ্ধাৰ্থ শংকৰ গগৈ আৰু শ্ৰীমতী বন্তী গগৈ** লৈ যাতে উপৰোক্ত জাননীত উল্লেখ থকা আদায় দিবলৈ থকা **ধনৰাশি ১৪,৩১,৩৬৫.৫৫ টকা (চৈধ্য লাখ একত্ৰিছ হাজাৰ তিনিশ পয়ষষ্ঠি টকা পচপন্ন পইচা কেৱল)** এই জাননী প্ৰাপ্তিৰ ৬০ দিনৰ ভিতৰত পৰিশোধ কৰাৰ বাবে।
ঋণ লওতাই উক্ত অনাদায় ধন পৰিশোধ কৰাত ব্যৰ্থ হোৱাৰ বাবে এই জাননীৰ জৰিয়তে ঋণীক আৰু ৰাইজক সাধাৰণভাৱে অৱগত কৰা হ'ল যে নিম্ন স্বাক্ষৰকাৰীয়ে তলত উল্লেখ কৰা সম্পদ নিজৰ দখললৈ আনিছে ওপৰোক্ত আইনৰ ধাৰা-১৩ ৰ উপ-ধাৰা (৪) ৰ ক্ষমতা প্ৰয়োগ কৰি, লগতে পঢ়ি উঠি বিধি-৮ অনুসৰি ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফৰ্চমেণ্ট) ৰুল-২০০২ অনুসৰি **২৬ ছেপ্টেম্বৰ, ২০২২ তাৰিখে।**
ঋণ লওতাক বিশেষভাৱে আৰু ৰাইজক সাধাৰণভাৱে অৱগত কৰা হ'ল যাতে উক্ত সম্পদৰ বিষয়ত কোনো ধৰণৰ লেনদেন কৰা নহয়, অন্যথা বেংক অব বৰোদাক আদায় দিবলৈ বাধ্য হ'ব **১৪,৩১,৩৬৫.৫৫ টকা (চৈধ্য লাখ একত্ৰিছ হাজাৰ তিনিশ পয়ষষ্ঠি টকা পচপন্ন পইচা কেৱল)** আৰু তাৰ ওপৰত সুত তাৰিখ ৩১-০৩-২০২১ ভিত্তিত।
উক্ত আইনৰ ধাৰা-১৩ ৰ উপ-ধাৰা (৮)ৰ ব্যৱস্থামতে সুৰক্ষিত সম্পত্তিসমূহ উপলব্ধ সময়ৰ ভিতৰত উদ্ধাৰ কৰাৰ বাবে ঋণীৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।

**স্থাৱৰ সম্পদৰ বিৱৰণ**

| আইটেম নং | ভূমিৰ বিৱৰণ | ভূমিৰ বিস্তাৰ/ এৰিয়া | ভূমিৰ অৱস্থান | চাৰিসীমা |
|---|---|---|---|---|
| ১ | ভূমিৰ সকলো অংশ আৰু সম্পদসহ দাগ নং- ৮৮৯, পট্টা নং- ১৭৭, বৰপথাৰ কোঁৱৰ গাঁও, জামিৰা মৌজা, ডাকঘৰ- জামিৰা, থানা- বৰবৰুৱা, জিলা- ডিব্ৰুগড়। | ০ বি-২ কে- ১০ এল অৰ্থাৎ ৭২০০ বৰ্গ ফুটৰ সমান | বৰপথাৰ কোঁৱৰ গাঁও, জামিৰা মৌজা, ডাকঘৰ- জামিৰা, থানা- বৰবৰুৱা, জিলা- ডিব্ৰুগড়। | **পূবে ঃ** এন এইচ-৩৭ **পশ্চিমে ঃ** উপপথ **উত্তৰে ঃ** প্ৰশান্ত বৰাৰ ভূমি **দক্ষিণে ঃ** উপপথ |

তাৰিখ ঃ ২৬.০৯.২০২২
স্থান ঃ ডিব্ৰুগড়
কৰ্তৃত্বশীল বিষয়া
বেংক অব বৰোদা

## চিচিবৰগাঁৱত চিআৰপিএফৰ জোৱানৰ আকস্মিক মৃত্যু
### ৰাষ্ট্ৰীয় মৰ্যাদাৰে অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিলাপথাৰ, ২৮ ছেপ্টেম্বৰ ঃ** ধেমাজি জিলাৰ চিচিবৰগাঁৰৰ সমীপৰ টকৌবাৰী গাঁৱৰ কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ জোৱান বিক্ৰমজিৎ চুতীয়াৰ কালি দুপৰীয়া আকস্মিকভাৱে মৃত্যু হোৱা ঘটনাই সমগ্ৰ অঞ্চলটোতে শোকৰ ছাঁ পেলাইছে ।জানিব পৰা অনুসৰি কাশ্মীৰত কৰ্মৰত হৈ থকা ১৬৩ বেটেলিয়ন চিআৰপিএফৰ জোৱানজনে ২৫ ছেপ্টেম্বৰত ছুটীত ঘৰলৈ আহিছিল। কালি দুপৰীয়া ঘৰত কাম কৰি থকা অৱস্থাতে হঠাতে বুকুৰ বিষ অনুভৱ কৰে। ততাতৈয়াকৈ বিক্ৰমজিতক পৰিয়ালৰ লোকে চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসালয়লৈ নিয়াৰ পথতেই মৃত্যুক সাবটি লয়। ৩৩ বছৰীয়া বিক্ৰমজিতে মৃত্যুৰ সময়ত পত্নীসহ তিনিগৰাকী কণ কণ কন্যাক ইহ সংসাৰত এৰি যায়। আজি মৰণোত্তৰ পৰীক্ষাৰ পিছত ঘৰলৈ অনা হয় বিক্ৰমজিতৰ নশ্বৰ দেহ এক শোকাকুল পৰিৱেশৰ মাজত ডিব্ৰুগড়ৰ পৰা অহা ১৭১চিআৰপিএফৰ ডিআইজিপি ৰাজীৱ ৰঞ্জন, দ্বিতীয় কমাণ্ডেণ্ট সঞ্জয় কুমাৰ সিংহ, সহকাৰী কমাণ্ডেণ্ট সঞ্জয় কুমাৰ ঝা, জিলা প্ৰশাসনৰ উপ-আৰক্ষী অধীক্ষক আবুটানি দলে, ইন্সপেক্টৰ অৰবিন্দ কুমাৰ তিৱাৰী, এছআই সুনীল বড়োসহ পৰিৱাৰ ,আত্মীয়-স্বজন, শ শ স্থানীয় লোকৰ উপস্থিতিত এক শোকাকুল পৰিৱেশৰ মাজত জোৱানসকলে ৰাষ্ট্ৰীয় মৰ্যাদাৰে অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰে।

## যোগীঘোপাত শোকাৱহ পথ দুৰ্ঘটনাত এজন নিহত

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ২৮ ছেপ্টেম্বৰ ঃ** বঙাইগাঁও জিলাৰ ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত পথ দুৰ্ঘটনাত এজন লোকৰ শোকাৱহ মৃত্যু হয় । মৃত লোকজন বৰপেটা জিলাৰ কলগাছিয়া থানাৰ জয়পুৰ গাঁৱৰ আমিৰ হুছেইন বুলি জনা গৈছে। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, লোকজনে গোৱালপাৰা দিশৰ পৰা এ এছ ১৯ ০৪০১ নম্বৰৰ মটৰ চাইকেলেৰে আহি থকা সময়তে যোগীঘোপা ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত একে দিশৰ আহি থকা এ এছ ০১ জে চি ২৯৫৬ নম্বৰৰ এখন ট্ৰাকে মটৰ চাইকেলত খুন্দা মাৰে । ফলত মৃত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয় । গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত মটৰচাইকেল আৰোহী লোকজনক স্থানীয় লোকৰ সহযোগত উদ্ধাৰ কৰি ততাতৈয়াকৈ ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ নিয়ে। চিকিৎসকে প্ৰাথমিক প্ৰদান কৰাৰ অন্তত অতি সংকটজনক অৱস্থাত গোৱালপাৰালৈ প্ৰেৰণ কৰে যদিও চিকিৎসালয়ত লোকজনৰ মৃত্যু হয়।

## অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ চিকিৎসক ডাঃ উৎপল দত্তৰ আত্মহনন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২৮ ছেপ্টেম্বৰ ঃ** অসম চিকিৎসা মহাবিদ্যালয়ৰ এনাষ্টাচিয়া বিভাগৰ সহযোগী অধ্যাপক ডাঃ উৎপল দত্তই আজি পুৱা আত্মহত্যা কৰাৰ ঘটনাই নগৰখন তীব্ৰ চাঞ্চল্য সৃষ্টি কৰিছে। ডিব্ৰুগড় দূৰদৰ্শন কেন্দ্ৰৰ সমীপৰ নিজা বাসগৃহৰ ড্ৰয়িং ৰুমত আত্মহত্যা চিকিৎসক গৰাকীৰ। পুৱা পৰিয়ালৰ লোকে চিপ লগাই আত্মহত্যা কৰা অৱস্থাত প্ৰত্যক্ষ কৰে চিকিৎসকজনৰ মৃতদেহটো।



ডিব্ৰুগড় আৰক্ষীয়ে ঘটনা সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে। আত্মহত্যাৰ কাৰণ জানিব পৰা নাই। প্ৰয়াত উৎপল দত্তৰ পত্নী ডাক্তৰ ঋতুৰ্পণ দত্ত অসম চিকিৎসা মহাবিদ্যালয়ৰে ফিজিঅ'লজী বিভাগৰ সহযোগী অধ্যাপিকা। মৃত্যুৰ সময়ত তেখেতে পত্নী, মাতৃ আৰু দুগৰাকী কন্যাক সংসাৰত এৰি গৈছে। মৃতদেহটো আৰক্ষীয়ে উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষা বাবে অসম চিকিৎসা মহাবিদ্যালয়ৰ হাস্পতাললৈ প্ৰেৰণ কৰিছে। ইফালে চিকিৎসকজনৰ আত্মহত্যাৰ কাৰণ জানিব পৰা নাই যদিও যোৱা কেইবাদিনৰে পৰা মানসিক অশান্তিত ভুগি আছিল বুলি জানিবলৈ দিছে চিকিৎসকে।

NEMCARE Group of Institutions
ESTD: 2017
Approved By: HFW Govt. of Assam, AICTE, PCI and INC Govt. of India, and IMA
Affiliated to: SSUHS, Govt. of Asssam, ASTU Govt. of Assam, ANC Govt of Assam
ADMISSION OPEN FOR 2022-23
OUR COURSES
❖ B Pharm ❖ BSc Nursing
❖ D Pharm ❖ GNM
❖ B Pharm (Lateral)
❖ Master in Hospital Administration
CALL NOW FOR MORE INFORMATION
*Special Scholarship Available
Education Loan Facilities Available
98540 07355
98540 07356
www.ngiguwahati.in
info@ngiguwahati.in
Campus: NH-37, Santipur, Mirza, Kamrup Asssam-781125
*T&C applicable

केनरा बैंक Canara Bank
भारत सरकार का उपक्रम A Government of India Undertaking
सिंडिकेट Syndicate
দখলৰ জাননী
(স্থাৱৰ সম্পত্তিৰ বাবে)
আঞ্চলিক কাৰ্যালয়, গুৱাহাটী
দ্বিতীয় মহলা, মেফেয়াৰ বিল্ডিং, জ্যোতিকুছি, হনুমান মন্দিৰৰ বিপৰীতে, লখৰা ৰোড, গুৱাহাটী, পিন-৭৮১০৩৪, অসম

যিহেতু, তলত স্বাক্ষৰদানকাৰী কানাড়া বেংকৰ কৰ্তৃত্বশীল বিষয়া, ছিকিউৰিটাইজেচন এণ্ড ৰিকনষ্টাকচন অব ফাইনেনচিয়েল অছেটছ এণ্ড এনফৰ্চমেণ্ট অব ছিকিউৰিটি ইণ্টাৰেষ্ট এক্ট-২০০২ (২০০২ ৰ আইন- ৫৪) আৰু ধাৰা ১৩(১২) ক্ষমতা প্ৰয়োগ কৰি আৰু পঢ়ি উঠি ৰুল-৩ ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফৰ্চমেণ্ট) ৰুলছ-২০০২ ৰ জৰিয়তে এখন দাবী জাননী জাৰি কৰা হৈছিল ঋণ লওতালৈ যাতে জাননীত উল্লেখিত ধনৰাশি পৰিশোধ কৰে এই জাননী প্ৰাপ্তিৰ ৬০ দিনৰ ভিতৰত। একাউণ্টৰ সবিশেষ তলত উল্লেখ কৰা ধৰণে ঃ-
ঋণ লওতাই এই ধনৰাশি পৰিশোধ কৰাত ব্যৰ্থ হ'ল, সেয়েহে এই জাননীৰ জৰিয়তে ঋণ লওতা আৰু সাধাৰণ ৰাইজক অৱগত কৰা হ'ল যে তলত স্বাক্ষৰকাৰীয়ে তলত বৰ্ণনা কৰা সম্পত্তি নিজৰ দখললৈ আনিছে ওপৰোক্ত আইনৰ ধাৰা ১৩(৪) প্ৰয়োগ কৰি, পঢ়ি উঠি বিধি- ৮ আৰু ৯ অনুসৰি, তলত উল্লেখ কৰা তাৰিখত তেওঁলোকৰ নামৰ বিপৰীতে।
ঋণ লওতাক বিশেষভাৱে আৰু সাধাৰণ ৰাইজক ইয়াৰ জৰিয়তে অৱগত কৰা হ'ল যে উক্ত সম্পত্তি বিষয়ত যাতে লেনদেন নকৰে। অন্যথা কানাড়া বেংকৰ সংশ্লিষ্ট শাখাত পৰিশোধ কৰিব লাগিব তলত উল্লেখ কৰা ধৰণে আদায় দিবলৈ থকা ধন আৰু তাৰ ওপৰত সুত আৰু ব্যয়সমূহ।
আইনৰ ধাৰা ১৩(৮) ৰ ব্যৱস্থা মতে সুৰক্ষিত সম্পত্তিসমূহ উপলব্ধ সময়ৰ ভিতৰত উদ্ধাৰ কৰাৰ বাবে ঋণীৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।

| ক) ঋণ লওতাৰ নাম খ) শাখাৰ নাম | দাবী জাননীৰ তাৰিখৰ ভিত্তিত অনাদায় ধনৰ পৰিমাণ | ক) দাবী জাননীৰ তাৰিখ খ) দখলৰ তাৰিখ | বেংকত বন্ধকী থকা সম্পদৰ সবিশেষ |
|---|---|---|---|
| ক) শ্ৰী জিতেন্দ্ৰ ডেকা, স্বত্তাধিকাৰীঃ মেচাৰ্ছ কে আই ডি চি হাৰ্ডওৱেৰ (খ) নলবাৰী | ২৬,১০,৬৭০.১২ টকা (চাৰিশ লাখ দহ হেজাৰ ছয়শ সত্তৰ টকা বাৰ পইচা কেৱল) আৰু তাৰ ওপৰত সুত আৰু ব্যয়সমূহ। | ক) ১৩.০৭.২০২২ খ) ২৭.০৯.২০২২ | **সম্পত্তি ১ ঃ** ভূমিৰ ই এম টি সহ পট্টা নং- ১৮৯,২০৬,২৩৬; দাগ নং-৩১৭,৩১৮ আৰু ৩১৯। পৰিমাপ হ'ল- ০১ বিঘা- ০২ কঠা- ০.৫ লেচা। অৱস্থিত আছে গাঁও- নং ২ নাথকুছি, মৌজা- নমাটি, জিলা- নলবাৰী, অসম। নামত আছে শ্ৰী বিভুতি ডেকাৰ। **এল এছ আৰ অনুসৰি চাৰিসীমা ঃ** উত্তৰে- নিলীমা মেধি, দক্ষিণে ঃ ৰমনী শৰ্মা আৰু হেম শৰ্মা, পূবে ঃ বাসুদেৱ শৰ্মা, পশ্চিমে ঃ টিহু ফিডাৰ ৰোড। **সম্পত্তি ২ ঃ** ভূমিৰ ই এম টি সহ এটা পট্টা নং-৩৩৮, দাগ নং- ২৮০। পৰিমাপ হ'ল ০ বিঘা-০৩ কঠা- ৫.৫লেচা। অৱস্থিত আছে গাঁও- নং ২ নাথকুছি, মৌজা- নমাটি, জিলা- নলবাৰী, অসম। নামত আছে শ্ৰী বিভুতি ডেকাৰ। **এল এছ আৰ অনুসৰি চাৰিসীমাঃ** উত্তৰে- স্বৰ্গীয় খগেন্দ্ৰ কলিতা, দক্ষিণে ঃ লক্ষীকান্ত গোস্বামী, পূবে ঃ টিহু ফিডাৰ ৰোড, পশ্চিমে ঃ লক্ষীকান্ত গোস্বামী। |
| ক) মঃ আজিবৰ আলি, স্বত্তাধিকাৰীঃ মেচাৰ্ছআমানুৰ বস্ত্ৰালয় (খ) নলবাৰী | ২৯,০৪,৬২৯.৬৪ টকা (উনত্ৰিশ লাখ চাৰি হাজাৰ ছয়শ উনত্ৰিশ টকা ছয়ষষ্ঠি পইচা কেৱল) আৰু তাৰ ওপৰত সুত আৰু ব্যয়সমূহ। | ক) ০৬.০৭.২০২২ খ) ২৭.০৯.২০২২ | ভূমিৰ ই এম টি, পৰিমাপ হ'ল ঃ ০৪ কঠা- ১৮ লেচা। আৱৰি আছে দাগ নংঃ ৪২২, কে পি পট্টা নংঃ ১৭৭। অৱস্থিত আছে গাঁওঃ বানাপুৰা, মৌজাঃ উত্তৰ বৰক্ষেত্ৰী, জিলাঃ নলবাৰী (অসম)। নামত আছে মঃ আজিবৰ আলি (এল এছ আৰ অনুসৰি)। **এল এছ আৰ অনুসৰি চাৰিসীমাঃ** উত্তৰে- সংৰক্ষিত, দক্ষিণে ঃ মিৰ হুছেইন, পূবে ঃ মহেন্দ্ৰ তালুকদাৰ, পশ্চিমে ঃ ফুলচান আলি। |

তাৰিখ ঃ ২৭.০৯.২০২২, স্থান ঃ গুৱাহাটী
কৰ্তৃত্বশীল বিষয়া, কানাড়া বেংক

দৈনন্দিন বাৰ্তা
জাতি, মাটি আৰু দেশৰ সেৰাত

দৈনন্দিন বাৰ্তা
জাতি, মাটি আৰু দেশৰ সেৰাত

সম্পাদকীয়

২৯ ছেপ্টেম্বৰ ■ ২০২২ ■ ১২ আহিন

# বজাৰৰ বয়-বস্তুৰ চ'ৰা দাম আৰু পূজাৰ উখল-মাখল

মাজত মাথোঁ চাৰিদিন বাকী শাৰদীয় দুৰ্গোৎসৱলৈ। ভাৰতৰ হিন্দুত্ববাদীসকলৰ আনন্দৰ, বিপদ-বিঘিনী তথা অপায়-অমংগলৰ পৰা ৰক্ষা পাবলৈ মা দেৱীৰ পূজা অৰ্চনাৰে পালন কৰি অহা অতীতৰ পৰা আজিলৈ আনন্দমুখৰ দুৰ্গোৎসৱলৈ। উলহ-মালহৰ অন্ত নাই। কিন্তু পূজাৰ বজাৰত পূজাৰ প্ৰাণ চঞ্চলতা নাই। ভিৰো নাই। বজাৰৰ চৰিত্ৰ সময়ে সময়ে সলনি হৈছে। বহুতৰ জীৱিকালৈ প্ৰত্যাহ্বানো আহিছে। ফাঁচী বজাৰ নাইবা ৰাজ্যৰ অন্য চহৰৰ তেনেধৰণৰ বজাৰত ভিৰ এতিয়া পৰিলক্ষিত হয় শ্বপিং মলসমূহত। বাক্সা জিলাৰ চকাদলৰ লোকে পূৰ্বে পূজাৰ বজাৰ কৰিবলৈ গুৱাহাটীলৈ আহিছিল। আজিকালি গুৱাহাটীলৈ অহাৰ সলনি জিলাৰ সদৰ নাইবা চহৰলৈ যায়। এসময়ত সৰু ল'ৰা-ছোৱালীক লৈ পিতৃ বা দেউতাকহঁতে ফাঁচীবজাৰলৈ গৈছিল। তাৰ পিছত শ্বপিং মলত বজাৰ কৰা আৰম্ভ কৰিলে। আজিকালি ওচৰতে মলবোৰ হোৱাত গুৱাহাটীলৈ গাঁৱৰ পৰা যোৱাৰ প্ৰয়োজন নোহোৱা হ'ল। খোদ গুৱাহাটী মহানগৰীখনতে বিভিন্ন অঞ্চলত বজাৰ বহিছে। সেয়ে দীঘলীয়া বাটকুৰি বাই ফাঁচী বজাৰলৈ গৈ বজাৰ কৰাৰ আৱশ্যক অনুভৱ নকৰে। বৰং সেইবোৰ অঞ্চলৰ মানুহৰ অভিযোগ মতে, ফাঁচী বজাৰত পূজাৰ কাপোৰ বিচাৰি ঘূৰি ফুৰিব লাগে অথবা সময়ৰ অপব্যয় হয়। সেয়েহে ইয়াত নিজৰ সাধ্যানুসৰি পচন্দ মতে সামগ্ৰী ক্ৰয় কৰিব পাৰি। দৰদামৰ কথাও নাথাকে। ফাঁচী বজাৰত ভিৰ, বিক্ৰী বহুত কমি গ'ল। এনেকৈ ভিন ভিন অঞ্চলৰ নগৰ-চহৰত গঢ়ি উঠা এনেবোৰ দোকানবোৰৰ বাবে নগৰ-চহৰত গঢ়ি উঠা দোকান তথা শ্বপিং মলৰ বাবে আমাৰ দৰে হাজাৰ হাজাৰ সাধাৰণ ব্যৱসায়ীৰ জীৱন জীৱিকালৈ ভাবুকি আহিছে। অনলাইন ব্যৱসায়ৰ ক্ৰমবৰ্ধিত জনপ্ৰিয়তাৰ বাবেও বজাৰৰ দোকানবোৰত বিক্ৰী কমিছে। ডাঙৰ ডাঙৰ ব্যৱসায়ীৰ সৈতে আমি কেনেকৈ প্ৰতিদ্বন্দ্বিতা কৰিম। শ্বপিং মলসমূহৰ শ্ৰেণী বিভাজন অনুসৰি সামগ্ৰীৰ দাম অনুসৰিহে তালৈ গ্ৰাহকৰ আগমন ঘটে। আগ্ৰাসী প্ৰচাৰ বিপণন, ৰেহাই আদিৰ বাবেও আগ্ৰহ হয় গ্ৰাহকৰ। কিন্তু পূজাৰ বতৰতো দুখন সমান্তৰাল পৃথিৱীত বসবাস কৰে জনসাধাৰণে। ৰাজ্যৰ বিভিন্ন অঞ্চলৰ পৰা কাম বিচাৰি অহা দিন হাজিৰা, গুদামত কাম কৰা, বাসিন্দাৰ ঘৰত নানা কাম কৰা লোকসকলে পুৱাৰ পৰা ৰাতিলৈ দৈনিক নিজৰ প্ৰয়োজনীয় সামগ্ৰী ক্ৰয় কৰিবলৈ পূজাৰ বতৰত পাহৰিব লগা হৈছে। দাইল, তেল, ৰন্ধন গেছৰ পৰা নিতৌ খাব লগা ঔষধ আদি ক্ৰয় কৰিবলৈ যিটো হাৰত দাম ঊৰ্দ্ধমুখী হৈছে সেইসকলে সেয়ে পূজাৰ আনন্দ উৎসৱৰ পৰা দূৰৈত থাকিব লগা হৈছে। নগৰ-চহৰ সকলো অঞ্চলতে বজাৰখনৰ ঊৰ্দ্ধ দামৰ কথাই বিশেষকৈ কৃষিজীৱীসকলে কোনোমতে পেট প্ৰৱৰ্তাই থকা ধন ভাগৰ পৰা পূজাৰ আনন্দ উৎসৱৰ কথা পাহৰি পেলাইছে। বানপানী-খহনীয়াই খেতিয়ক ৰাইজক যিদৰে ত্ৰাহি-মধূসূদন দেখুৱালে সেইসকলৰ বাবে পূজাৰ বজাৰখন এখন কংকাল বজাৰ হৈ পৰিছে। মুঠতে পূজা আহিছে, পূজাৰ এক হৈ চৈ আৰম্ভ হৈছে। ঠিকেই কোৰোনাৰ পিছত মহামাৰীৰ তাণ্ডৱ কিছু লাঘৱ হৈছে যদিও জনসাধাৰণৰ মুখত কিন্তু পূজাৰ ৰং-ধেমালিৰ আনন্দ বিৰিঙি উঠা নাই। তথাপিও দুৰ্গা দেৱীৰ শ্ৰীচৰণত মূৰ দোৱাই কোঙা বজাৰখনত এপাক ঘূৰিও পূজাৰ আনন্দ লভিবলৈ বণিক শ্ৰেণীৰ দোকানত সকলো শ্ৰেণীৰ মানুহে ভুমুকি মাৰিছে।

## সম্পাদকলৈ চিঠি

মতামতৰ বাবে সম্পাদক দায়ী নহয়

### ম'টিভেচনেল ভিডিঅ' আৰু আমিবোৰ

আমাৰ জীৱনলৈ বিভিন্ন সময়ত বিভিন্ন সমস্যা আহে। সেয়া আৰ্থিক, সামাজিক, শৈক্ষিক, দৈহিক, ব্যক্তিগত অথবা সামূহিক হ'ব পাৰে। আমি জীৱনলৈ অহা এই সমস্যাবোৰৰ লগত মোকাবিলা কৰিবলৈ নিজকে ম'টিভেট কৰি ৰাখিবলৈ বিভিন্ন ধৰণৰ উৎসৰ ব্যৱহাৰ কৰোঁ। সেয়া সংগীত, কিতাপ আদি হ'ব পাৰে। এতিয়া আমি ক'ব বিচৰা বিষয়টি উন্মোচন কৰি ক'ব বিচাৰোঁ যে বৰ্তমান সময়ত আমি নিজকে ম'টিভেট কৰি ৰাখিবলৈ ম'বাইলত বিভিন্ন ধৰণৰ ম'টিভেচনেল ভিডিঅ'ৰ সন্ধান কৰোঁ আৰু বিভিন্ন ব্যক্তিয়ে দিয়া ম'টিভেচনেল বক্তব্য, গান আদিৰ দ্বাৰা নিজকে ম'টিভেট কৰি ৰাখি নিজ লক্ষ্যত উপনীত হ'বলৈ অহোপুৰুষাৰ্থ চেষ্টা কৰোঁ। এয়া সম্পূৰ্ণৰূপে ধনাত্মক কথা। কিয়নো এই ভিডিঅ'বোৰে আমাক জীৱনত আগবাঢ়ি যোৱাত সহায় কৰে। কিন্তু কেতিয়াবা দেখা যায় যে প্ৰায়খিনি সময়তে এনে ম'টিভেচনেল ভিডিঅ'বোৰ চাই থকাটোৱে আমাৰ অভ্যাসত পৰিণত হৈ পৰা যেন অনুভৱ হয়। দিনৰ দিনটো ফোনত ম'টিভেচনেল ভিডিঅ' চাই নিজৰ কৰিবলগীয়া কামবোৰ থাকি যায়। যাৰ বাবে ম'টিভেচনেল ভিডিঅ'বোৰক আমি লাভজনকভাৱে ব্যৱহাৰ কৰাত কোনোবাখিনিত আমি ব্যৰ্থ হৈছোঁ যেন অনুভৱ হয়। গতিকে আমি ম'টিভেচনেল ভিডিঅ'বোৰৰ জৰিয়তে নিজক ম'টিভেট কৰি কৰিবলগীয়া কামবোৰ কৰি যোৱাত গুৰুত্ব আৰোপ কৰিব লাগে। এতিয়া আহিছোঁ অন্য এটা প্ৰসংগলৈ—ম'টিভেচনেল ভিডিঅ' চাই নিজক ম'টিভেট কৰি ৰাখিব নিশ্চিতভাৱে পৰাটো ভাল কথা, কিন্তু তাতোকৈ উত্তম কথাটো হ'ল আমি নিজেই নিজৰ ফালৰ পৰা, অন্তৰৰ নিভৃত কোণৰ পৰা নিজকে স্থায়ীভাৱে ম'টিভেট কৰিবলৈ চেষ্টা কৰাটো। তাৰবাবে প্ৰয়োজন আপুনি-মই কৰিব বিচৰা কামটোৰ প্ৰতি হৃদয়ৰ গভীৰতম কোণৰ পৰা থকা শ্ৰদ্ধা, বিবেক আৰু আত্মাৰ সম্পূৰ্ণ সমৰ্থন আৰু সততা, নিষ্ঠা, পৰিশ্ৰম আৰু একাগ্ৰতা। কোনোৱে হয়তো নুবুজিব যে আমি ম'টিভেচনেল ভিডিঅ'বোৰৰ প্ৰয়োজনীয়তা আৰু যুক্তিযুক্ততাত আঘাত কৰিছোঁ। আমি ক'ব বিচৰা মূল কথাটো হ'ল যে আমি ম'টিভেচনেল ভিডিঅ'বোৰৰ জৰিয়তে নিজক ম'টিভেট কৰি ৰখাৰ ওপৰি নিজকে নিজৰ ফালৰ পৰা অধিক শক্তিশালী আৰু ম'টিভেট কৰি ৰখাৰ বাবে যৎপৰোনাস্তি প্ৰয়াস কৰাটো। আহক, আপুনি, মই, আমি সকলোৱে নিজকে ম'টিভেট কৰা ৰাখি ভাল ভাল কথা চিন্তা কৰোঁ, ভাল ভাল কাম কৰোঁ আৰু সমাজখনৰ সুশৃংখলতা আৰু উন্নতিত নিজৰ অৰিহণা আগবঢ়াই জীৱনৰ প্ৰতিটো মুহূৰ্ত মহৎ কাৰ্যৰ প্ৰতি নিজকে অনুপ্ৰাণিত কৰি ৰাখোঁ।

■ বিজিত দাস
ফোন ঃ ৮৮২২৫৫৯৮১১

### লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**
'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

◆◆◆ *মেচিনগান আৰু গধুৰ অস্ত্ৰৰে সেনাই জধে-মধে গুলীচালনা কৰাত বিদ্যালয়ৰ শিক্ষাৰ্থীসকলক মাটিৰ তলত থকা সুৰক্ষিত কক্ষলৈ নিবলৈ চেষ্টা কৰা হয় যদিও ৬টি শিশুৱে প্ৰাণ হেৰুৱাই আৰু কে'বাজনো আহত হয়। স্কুলত আক্ৰমণ কৰাৰ পিছত কাষৰ গাঁৱতো সেনাই আক্ৰমণ কৰাত ১৩জন লোকৰ মৃত্যু হয় আৰু বহুজন আহত হয়। এই ঘটনাৰ প্ৰতিবাদ হোৱা বাবে সেনাই এতিয়া দাবী কৰিছে যে উক্ত স্কুল আৰু গাঁওখন সশস্ত্ৰ বিদ্ৰোহীৰ ঘাটি হৈ পৰা বাবে তেওঁলোকে আক্ৰমণ চলাইছিল* ◆◆◆

# গণতন্ত্ৰকামীক ফাঁচিৰ পিছত শিশুবধ ম্যানমাৰৰ জুণ্টাৰ



ইপাৰ-সিপাৰ

■ বেবী সোনোৱাল হাজৰিকা

ম্যানমাৰৰ পৰিস্থিতি বৰ্তমান চৰম পৰ্যায়ত উঠিছে। ধাৰাবাহিকভাৱে জুণ্টাই কিছু অমানৱীয় আৰু অমাৰ্জনীয় কৰ্ম-কাণ্ডত লিপ্ত হৈ আহিছে। গণতন্ত্ৰকামী নেত্ৰী সুকীৰ কাৰাদণ্ড, চাৰিজন গণতন্ত্ৰপন্থীক ফাঁচি দিয়াৰ পিছত এইবাৰ ম্যানমাৰৰ জুণ্টাই স্কুল আৰু গাঁৱত হেলিকপ্টাৰৰ পৰা নিৰ্বিচাৰ গুলীচালনা কৰি ৬টা স্কুলীয়া শিশুসহ মুঠ ১৩জনৰ প্ৰাণ লোৱাৰ লগতে ১৫জনক আহত কৰিলে। ১৬ ছেপ্টেম্বৰত ম্যানমাৰৰ দ্বিতীয় সৰ্ববৃহৎ চহৰ মাণ্ডালেৰ পৰা প্ৰায় ১১০ কিলোমিটাৰ দূৰৰ তবায়িনৰ লেট য়াট ক'ন গাঁৱত ম্যানমাৰৰ সেনাই এই আক্ৰমণ সংঘটিত কৰে। স্কুল কৰ্তৃপক্ষই ১৯ ছেপ্টেম্বৰত এই কথা ৰাজহুৱা কৰাৰ পিছতহে সেনাই আক্ৰমণৰ কথা স্বীকাৰ কৰিছে। বৌদ্ধ মঠৰ বিদ্যালয়খনত দুখন এমআই-৩৫ হেলিকপ্টাৰেৰে সেনাই হঠাৎ আক্ৰমণ চলায়। মেচিনগান আৰু গধুৰ অস্ত্ৰৰে সেনাই জধে-মধে গুলীচালনা কৰাত বিদ্যালয়ৰ শিক্ষাৰ্থীসকলক মাটিৰ তলত থকা সুৰক্ষিত কক্ষলৈ নিবলৈ চেষ্টা কৰা হয় যদিও ৬টি শিশুৱে প্ৰাণ হেৰুৱায় আৰু কে'বাজনো আহত হয়। স্কুলত আক্ৰমণ কৰাৰ পিছত কাষৰ গাঁৱতো সেনাই আক্ৰমণ কৰাত ১৩জন লোকৰ মৃত্যু হয় আৰু বহুজন আহত হয়। এই ঘটনাৰ প্ৰতিবাদ হোৱা বাবে সেনাই এতিয়া দাবী কৰিছে যে উক্ত স্কুল আৰু গাঁওখন সশস্ত্ৰ বিদ্ৰোহীৰ ঘাটি হৈ পৰা বাবে তেওঁলোকে আক্ৰমণ চলাইছিল।

উল্লেখযোগ্য যে ২০২১ চনৰ ১ ফেব্ৰুৱাৰীত আং চান ছ্যুকীৰ গণতান্ত্ৰিক চৰকাৰক ওফৰাই সেনাপ্ৰধান! ইঙে দেশখনৰ ক্ষমতা দখল কৰিছিল। ৰাষ্ট্ৰপ্ৰধান আৰু ছ্যুকীসহ গণতন্ত্ৰপন্থী নেতাসকল গৃহবন্দী আৰু গ্ৰেপ্তাৰ হ'বলগীয়া হৈছিল। লগতে গণতন্ত্ৰকামী বহু জনতাই সেনাৰ গুলীত মৃত্যুক সাৱটিবলগীয়া হৈছিল। পিছত পৰ্যায়ক্ৰমে সেনাৰ আদালতত বিচাৰ কৰি ছ্যুকীক বিদেশী ৱাকীটকী ব্যৱহাৰ কৰা আৰু কোৰোনাৰ প্ৰস্তাৱিত নীতি ভংগ কৰাৰ অপৰাধত দোষী সাব্যস্ত কৰি চাৰি বছৰৰ বাবে কাৰাদণ্ড দিয়া হয়।


গণতান্ত্ৰিক চৰকাৰক এনেদৰে অন্যায়ভাৱে বৰ্খাস্ত কৰা বাবে গণতন্ত্ৰকামী বহু ৰাষ্ট্ৰই ম্যানমাৰৰ সেনা শাসক জুণ্টা চৰকাৰক সমালোচনা কৰিছিল। আন্তৰ্জাতিক আদালতত সেনাপ্ৰধান ইঙৰ বিৰুদ্ধে বিচাৰো চলি আছে। আমেৰিকা, ইংলেণ্ডকে ধৰি বহু ৰাষ্ট্ৰই অৰ্থনৈতিক অৱৰোধো ঘোষণা কৰিছিল। তথাপি ইঙৰ গা-লৰা নাছিল। বৰ্তমানেও দেশখনত



অন্যায়-অত্যাচাৰ শেষ হোৱা নাই। দেশখনত এতিয়া অৰ্থনৈতিক অৱস্থা অতি শোচনীয় হৈ পৰিছে। দেশখনৰ এনে অৱস্থাৰ বিৰুদ্ধে বহু গণতন্ত্ৰকামী জনতাই প্ৰতিবাদ কৰিছে। সেইসকলৰ মাজৰ চাৰিজনক যোৱা ২৪ জুলাইত সামৰিক জুণ্টা চৰকাৰে ফাঁচি কাঠত ওলমালে। বিগত কে'বাদশক ধৰি ম্যানমাৰত মৃত্যুদণ্ডৰ শাস্তি হোৱা নাছিল। জুণ্টা চৰকাৰৰ সামৰিক আদালতে মৃত্যুদণ্ড দিয়া গণতন্ত্ৰপন্থী চাৰিজন হৈছে, ফিঅ' জেয়া থাঅ', কো জিমি, মায়ো অং আৰু অং থুৰা জাঅ'। ফিঅ' জেয়া থাঅ' আছিল এজন এমএলএ আৰু কো জিমি আছিল এজন লেখক। তেওঁলোকৰ লগতে গণতন্ত্ৰকামী মায়ো অং আৰু অং থুৰা জাওকো একেলগে মৃত্যুদণ্ড দিয়া হয় বুলি বাতৰি প্ৰকাশ পাইছে। তেওঁলোকৰ মৃত্যুদণ্ড কাৰ্যকৰী কৰাৰ আগতে পৰিয়ালৰ লগত অনলাইনত দেখা কৰাৰ আৰু কথা কোৱাৰ শেষ সুযোগ দিয়া হয়। ম্যানমাৰত সামৰিক আদালতৰ বিধান মতে, গ্ৰেপ্তাৰৰ পিছত দণ্ডপ্ৰাপ্তসকলক আৰু পৰিয়ালৰ লোকৰ সৈতে দেখা কৰাৰ সুযোগ দিয়া নহয়। গণতন্ত্ৰকামী চাৰিওজনৰ বিৰুদ্ধে দেশদ্ৰোহিতাৰ অভিযোগ অনা হৈছিল। তেওঁলোকে হেনো নৃশংস আৰু অমানৱিক সন্ত্ৰাসমূলক কৰ্মকাণ্ডৰ ষড়যন্ত্ৰ কৰিছিল। তেওঁলোক নিৰ্বাচিত চৰকাৰৰ নেত্ৰী আং ছান ছ্যুকীৰ অনুগামী আছিল। ম্যানমাৰৰ সামৰিক আদালতৰ এই শাস্তি ঘোষণাৰ পিছৰ পৰা আন্তৰ্জাতিক মহলত ব্যাপকভাৱে নিন্দা আৰু সমালোচনাৰ সন্মুখীন হৈছে জুন্টা চৰকাৰ। ৰাষ্ট্ৰসংঘই এই কাণ্ডৰ নিন্দা কৰি, এয়া জুন্টা চৰকাৰৰ জনগণৰ মাজত 'ভয় জগোৱাৰ এক জঘন্য প্ৰচেষ্টা' বুলি অভিহিত কৰিছে। ৰাষ্ট্ৰসংঘৰ মতে, ১৯৮৮ চনত ইয়াৰ আগতে ম্যানমাৰত শেষবাৰ ফাঁচি দিয়া হৈছিল। তাৰপিছত ৩৪ বছৰ পিছত জুন্টা চৰকাৰৰ সামৰিক আদালতে পুনৰ মৃত্যুদণ্ড কাৰ্যকৰী কৰিলে। ম্যানমাৰত গণতন্ত্ৰতো নায়েই। সেনা শাসনৰ তিক্ততা আৰু অৰ্থনৈতিক বিপৰ্যয়ৰ মাজেৰে বুকুত জীউটো লৈ দেশখনৰ জনতাই জীৱন ধাৰণ কৰি আছে। সেনা অভ্যুত্থানৰ সময়ত দেউতাকৰ কোলাত থকা সাতবছৰীয়া শিশু গুলীয়াই হত্যা কৰা সেনাই পুনৰ স্কুলীয়া শিশুৰ তেজেৰে হাত ৰাঙলী কৰিলে। নিৰীহৰ নিৰ্মমভাৱে প্ৰাণ লোৱা কাৰ্য অমাৰ্জনীয়। আন্তৰ্জাতিকভাৱে সকলোৱে তথা ৰাষ্ট্ৰসংঘই ম্যানমাৰৰ জুন্টা চৰকাৰৰ এনে অমানৱীয় কাৰ্যৰ সজোৰে প্ৰতিবাদ কৰা উচিত।

# মহামায়া দেৱী দুৰ্গা আৰু তেওঁৰ অন্যতম কুমাৰী পূজাৰ বিষয়ে

■ দুৰ্গাপ্ৰসাদ শৰ্মা



শৰৎ আহিছে মৰতলৈ, লগে লগে বৰষা ঋতুৰ ক'লা ডাৱৰ ক্ৰমে ক্ৰমে আকাশৰ পৰা আঁতৰিবলৈ আৰম্ভ কৰিছে। নৈ, বিললৈ শীতলতা আহিছে। বোকা পানী কমি লাহে লাহে ধৰালৈ আহিছে শৰতৰ স্বপ্ন ভৰা আশাৰ বতৰা, কঁহুৱা ফুলিছে, শেৱালি ফুলিছে আৰু ৰাতিবোৰ হৈ পৰিছে স্বপ্নালী। এই শৰতে লৈ আহে উৎসৱৰ বতৰা, তাৰ মাজতেই মহামায়া মা শ্ৰীশ্ৰী দুৰ্গা মৰতলৈ আগমন এই শৰততেই।

সনাতন হিন্দু ধৰ্মৰ বিশ্বাস অনুসাৰে আমাৰ পঞ্চ ভৌতিক দেহ অৰ্থাৎ ক্ষিতি, অৰ্ণ, তেজমৰুৎ আৰু ব্যাসৰ উৎকৰ্ষ সাধনৰ বাবে ত্ৰিকালজ্ঞ মনীষীসকলে পঞ্চভূতৰ গৰাকী গণেশ, সূৰ্য, বিষ্ণু শিৱ আৰু শক্তি এই পাঁচটা অৰ্থাৎ তামসত্য, সৌৰ, বৈষ্ণৱ, শৈৱ আৰু শাক্ত ৰূপে ভাগ কৰিছে। সেই অনুসাৰে প্ৰত্যেক ভাগৰ শাস্ত্ৰ অনুসাৰে প্ৰাঞ্জল পদ্ধতি লিপিবদ্ধ কৰি মানৱ সমাজক পূজা-অৰ্চনাৰ বাট দেখুৱাই গৈছে। সকলো ধৰণৰ উপাসনাৰ মূল লক্ষ্য হৈছে ভগৱান প্ৰাপ্তি। গতিকে বিভিন্ন সম্প্ৰদায়ে নিজৰ নিজৰ পদ্ধতিৰে ভগৱানৰ উপাসনা কৰে। যাক ভিন ভিন নামেৰে অভিহিত কৰিছে।

হিন্দু ধৰ্মৰ বিষ্ণু পুৰাণত উল্লেখ কৰা মতে যিজন বিষ্ণু, সেইজনেই শিৱ। যিজন শিৱ সেইজনেই দুৰ্গা। এওঁলোকৰ কোনে প্ৰভেদ পাই। অতীজৰ পৰাই ভাৰতবৰ্ষত শক্তি পূজা চলি আহিছে, পুৰুষ আৰু প্ৰকৃতি মিলিয়েই এই সংসাৰৰ চলিকা শক্তি। গতিকে হিন্দু ধৰ্মত পুৰুষ দেৱতাৰ লগতে স্ত্ৰী দেৱীসকলো সমানে পূজিতা হৈ আহিছে।

এই পূজা কেতিয়াৰ পৰা মৰতত আৰম্ভ হৈছিল তাৰ সঠিক তথ্য নাপালেও প্ৰাক ঐতিহাসিক কালৰ পৰাই যে প্ৰচলন হৈছিল তাক অনুমান কৰিব পাৰি। এই বিষয়ে ব্ৰহ্মবৈষ্ণৱ পুৰাণত দেৱীৰ অপূৰ্ব মহিমা বহুলভাৱে বৰ্ণনা প্ৰকাশ পাইছে। তাত উল্লেখ পোৱা মতে, সৃষ্টিৰ আদিতে শ্ৰীকৃষ্ণ প্ৰথমে গোলোকত আৰু তাৰ পাছত বৃন্দাবনৰ ৰাস মণ্ডলত দুৰ্গা দেৱীৰ পূজা কৰিছিল। দ্বিতীয়তে মধুকৈ ভৈক বধ কৰাৰ কাৰণে ব্ৰহ্মাই, তৃতীয়তে ত্ৰিমুৰাসুৰৰ দ্বাৰা লাঞ্চিত হৈ মহাদেৱে চতুৰ্থতে দুৰ্বাশাৰ দ্বাৰা শাপভ্ৰষ্ট হৈ ইন্দ্ৰনদ এৰিব লগীয়া হোৱাত ইন্দ্ৰই দেৱী দুৰ্গাৰ পূজা কৰিছিল। তাৰ পাছত মৰ্ত্যত মেধস মুনিৰ শিষ্য মহাৰাজ সুৰথ আৰু সমাধি বৈশ্যই মাটিৰ প্ৰতিমা সাজি দুৰ্গা দেৱীৰ পূজা কৰিছিল। কুৰুক্ষেত্ৰ যুদ্ধত জয়ী হ'বলৈ আৰু অজ্ঞাতবাস সফল হ'বলৈ শ্ৰীকৃষ্ণই পাণ্ডৱসকলক দুৰ্গা স্তৱ গাই ভগৱতীক আৰাধনা কৰিবলৈ দিহা দিছিল। চৈত্ৰৎবংশীয় অধিৰথৰ পুত্ৰক সুৰথে যি ভাগ পূজা কৰিছিল, সেই সময় আছিল বসন্ত কাল। গতিকে তেওঁ কৰা পূজা ভাগ বাসন্তী পূজা হিচাপে খ্যাত হ'ল। আৰু সেই পূজা ফাগুন-চ'ত মাহত বৰ্তমানেও অনুষ্ঠিত হৈ আছে। ৰামে অকাল বোধনেৰে যিভাগ পূজা কৰিছিল তেতিয়া শৰৎ কাল আছিল। সীতা উদ্ধাৰৰ অৰ্থে দেৱীক পূজা কৰাটো জৰুৰী হৈ পৰিল। লংকাৰ ৰজা ৰাৱণে সীতাক হৰণ কৰি লৈ গৈছিল তেতিয়া সীতাক উদ্ধাৰ কৰিবলৈ ৰামে নিদ্ৰাৰত দেৱীক অকাল বোধনেৰে আমন্ত্ৰণ কৰি পূজা সম্পন্ন কৰিছিল। তেতিয়াৰ পৰাই এই পূজা মৰতত শাৰদীয় দুৰ্গা পূজা হিচাপে প্ৰখ্যাত হৈ আজিও চলি আছে।

এনেদৰেই যুগে যুগে দেৱীয়ে বিভিন্ন অৱতাৰেৰে প্ৰভাৱ বিস্তাৰ কৰি আছে। জগত জননী মা দুৰ্গাৰ বিশ্ব বিমোহিনী ৰূপ তথা ধৰ্মই প্ৰাগ ঐতিহাসিক যুগৰ পৰাই হিন্দুসকলৰ লগতে অন্যসকলৰ মনোজগতত প্ৰভাৱিত কৰি আহিছে দেৱী দুৰ্গা, মহামায়া, তেৱেঁই চণ্ডী, যোগমায়া মহাশক্তি তথা আদ্যাশক্তি।

বিহন্মাৰদীয় পুৰাণৰ তৃতীয় অধ্যায়ত দেৱীৰ বিভিন্ন নাম তথা ৰূপৰ বৰ্ণনা এনেধৰণে দিছে—

'সেই শক্তিয়েই উমা লক্ষ্মী, ভাৰতী, গিৰিজা,
অম্বিকা, দুৰ্গা, ভদ্ৰকালী, চণ্ডী, মহেশ্বৰী, কৌমাৰী, বৈষ্ণৱী, বৰাহী, ঐন্দ্ৰী, ব্ৰহ্মী, বিদ্যা, অবিদ্যা মায়া তথা প্ৰকৃতি, বিষ্ণুৰ শক্তি স্বৰূপিনী এই দেৱীয়েই সমগ্ৰ জগত জুৰি আছে।'

তেনেকৈ শ্ৰীশ্ৰী চণ্ডীত দেৱী কৱচত ৩,৪৫ত কোন সময়ত দেৱীয়ে কি ৰূপ লৈছে তাৰ বৰ্ণনা তলত উল্লেখ কৰা হ'ল—

যথা

প্ৰথমং শৈলপুত্ৰীতি দ্বিতীয়ং ব্ৰহ্মচাৰিণী
তৃতীয়ং চণ্ডঘণ্টেতি কুষ্মাণ্ডেতি চতুৰ্থকম।
পঞ্চমং সুন্দমাতেতিষষ্ঠং কাত্যায়নী তথা
সপ্তমং কালৰাত্ৰতি মহা গৌৰীতি চাষ্টনম।।
ন বসং সিদ্ধিদাত্ৰী চা নৱদুৰ্গাং প্ৰকীৰ্ত্তিতা।
উক্তন্যেতানি নমানি ব্ৰহ্মানৈব মহাত্মনা।।

ওপৰত উল্লেখ কৰা কথাৰ পৰা এইটো প্ৰতীয়মান হয় যে দেৱী বিভিন্ন অৱতাৰেৰে বিৰাজিতা। সেই গতিকে তেওঁ বহুৰূপী হিচাপেও বিভূষিতা। তেওঁ সৰ্বাত্মিকা, সৰ্বশক্তি সমন্বিতা, সৰ্বব্যাপিনী আৰু সৰ্বস্ৰষ্টা। তেওঁ একাদশ ৰুদ্ৰ ৰূপে বিচৰণ কৰে। তেওঁ সকলোবিলাক বসুগণ আৰু বিষ্ণু প্ৰভৃতি আদিত্যক ধাৰণ কৰি মহাদেৱীৰূপে প্ৰখ্যাত হৈছে। ঠাই ভেদে মহাদেৱীৰ পূজাৰ লগত যোড়শ মাতৃকাৰ পূজাও সংযোজিত হৈছে। গৌৰী, পদ্মা, শশী, মেধা, সাৱিত্ৰী, জয়াবিজয়া, দেৱসেনা, স্বাহা, মাতা, লোকমাতা, ধৃতি, পুষ্টি তুষ্টি আৰু আত্মনঃ বুলি কুল দেৱতা ৰূপত দেৱী দুৰ্গাকেই পূজা-অৰ্চনা কৰা হয়। একেদৰে বিভিন্ন সময়ত বিভিন্ন ৰূপেৰে সহস্ৰাধিক নামেৰে আদ্যাশক্তি দেৱী মহামায়াই নিজৰ মাহাত্ম্য প্ৰকাশ কৰি আহিছে।

মহামায়া হৈছে ঈশ্বৰ শক্তি। ঈশ্বৰে এই শক্তিৰেই সৃষ্টি, সংহাৰ, জন্মলীলা আদি কাব্যকাৰ এৱেঁই জীৱন বন্ধনৰ পৰা মুক্তিদায়িকা।

এওঁ ব্ৰহ্মাত্মিকা, জগদ্ধাত্ৰী, কালী, দুৰ্গা এওঁৰ ৰূপ দেৱী ভাগৱতত, মহামায়াই ব্ৰহ্ম পৰমাত্মা আৰু ভগৱতী নামেৰে ব্যাপ্ত হৈছে। ৰুদ্ৰ যামলে এওঁক পৰম ব্ৰহ্ম বুলি কৈছে।

'ত্বমেকা পৰমব্ৰহ্মৰূপেন সিদ্ধা (ৰুদ্ৰবামল)

কালিকা পুৰাণত আকৌ জগদীশ্বৰেই মহামায়া নামেৰে অভিহিত।

তন্দ্ৰতা মহাদেৱীৰ পূজাৰ লগতে কুমাৰী দেৱী সকলো পূজিতা হৈ আহিছে এই কুমাৰী পূজা শ্ৰীশ্ৰী দুৰ্গা পূজাৰে এটা অংশ। কুমাৰীসকল হৈছে মহাদেৱী দুৰ্গাৰে ভিন্ন ৰূপ। প্ৰাচীন ধৰ্মগ্ৰন্থসমূহে দেৱী কুমাৰীক মহাকালীৰ অন্য এক ৰূপ বুলি বৰ্ণনা কৰিছে। যোগিনী তন্ত্ৰত কুমাৰী দেৱীৰ এটা আখ্যানৰ বৰ্ণনা এনে ধৰণৰ—

সৃষ্টিৰ আদিতে পৰম ব্ৰহ্মা বিষ্ণু এবাৰ ব্ৰহ্মাৰ শাপত পতিত হৈ সেই শাপৰ পৰা পৰিত্ৰাণৰ অৰ্থে মহাকালীৰ অষ্টাঘড়ী মহাবিদ্যামন্ত্ৰ একান্ত মনে জপ কৰিবলৈ আৰম্ভ কৰে। দহ হাজাৰ বছৰ এনেদৰে জপ কৰাৰ পাছত দেৱী মহাকালী সন্তুষ্ট হৈ বিষ্ণুক দেখা দিয়াৰ মুহূৰ্ততে বিষ্ণু শাপ মুক্ত হয়। কিন্তু বিষ্ণু শাপমুক্ত হোৱাৰ লগে লগে দেৱতাসকলৰ বিপদ আহিল। কাৰণ বিষ্ণুৰ সৰ্বনাশৰ মূৰ্ত প্ৰতীক স্বৰূপে বিষ্ণুৰ বুকুৰ পৰা কোলা নামৰ এটা ভয়াৰহ অসুৰৰ জন্ম হ'ল। এই কোলাসুৰে কোলা নৱাবত বাস কৰি অন্য অসুৰসকলৰ স'তে লগ লাগি স্বৰ্গত অত্যাচাৰ আৰম্ভ কৰে। কোলাসুৰ আৰু অন্য অসুৰে স্বৰ্গত অত্যাচাৰ আৰম্ভ কৰি দেৱতাসকলক স্বৰ্গচ্যুত্য কৰে। তদুপৰি কোলাসুৰে বিষ্ণুৰ বৈকুণ্ঠ ধাম আৰু ব্ৰহ্মাৰ কজলাসন অধিকাৰ কৰি চৰম অৰাজকতা সৃষ্টি কৰিলে, উপায়বিহীন দেৱতাসকলক বিষ্ণু আৰু ব্ৰহ্মাৰ পৰামৰ্শ মতে সকলো দেৱতাই মহাশক্তি মা মহাকালীক আৰাধনা কৰিবলৈ ধৰে। তেওঁলোকৰ কাতৰ প্ৰাৰ্থনাত দেৱী সন্তুষ্ট হৈ দেৱতাসকলক আশ্বাস দি তেওঁ কুমাৰী ৰূপে কোলাসুৰক বধ কৰি সকলো দেৱতাগণক সংকতৰ পৰা মুক্ত কৰিব।

সেই অনুসৰি দেৱীয়ে বিপ্ৰ কুমাৰীৰ বেশত কোলা নগৰত উপস্থিত হৈ কোলাসুৰক সাক্ষাৎ কৰি খাদ্য ভিক্ষা কৰিলে। কোলাসুৰে দেৱীক অন্তেষপুৰলৈ নি মণিমুক্তাখচিত আসনত বহুৱাই সুমিষ্ট আহাৰ খাবলৈ দিলে। কিন্তু দেৱীয়ে নিমিষতে সকলো আহাৰ খাই শেষ কৰি আৰু খাদ্য বিচাৰিলে। কোলাসুৰে অধিক খাদ্য দেৱীৰ আগত যোগান ধৰিলে কিন্তু এই খাদ্যও চকুৰপচাৰতে খাই শেষ কৰিলে যদিও সেই খাদ্যৰেও দেৱীৰ ভোক নুগুচাত অসুৰক আৰু অধিক খাদ্য বিচাৰিলে। তেতিয়া কোলাসুৰে দেৱীক যি মন যায় খাবলৈ অনুমতি প্ৰদান দিয়ে। অনুমতি পাই কুমাৰীৰূপী মহাকালীয়ে কোলাসুৰৰ সমস্ত হাতী, ঘোঁৰা, ৰথ সৈন্য সামন্ত, বন্ধু-বান্ধৱ আত্মীয়ৰ লগতে দৈত্যৰাজ কোলাসুৰকো খাই পেলালে। কোলাসুৰৰ মৃত্যুত দেৱতাসকল ৰক্ষা পৰিলত দেৱতাগণে মিলি দেৱীক কুমাৰীৰূপে পূজা কৰিবলৈ আৰম্ভ কৰে। তেতিয়াৰ পৰাই মৰ্ত্যত মনুষ্যসকলেও মহাকালীক কুমাৰীৰূপে পূজা কৰিবলৈ আৰম্ভ কৰে। যোগিনীতন্ত্ৰৰ মতেও প্ৰাচীন কালৰ পৰাই কুমাৰী পূজা প্ৰচলন আছিল।

কুমাৰীসকল হৈছে সৰ্ববিদ্যাত্মস্বৰূপা। গতিকে কুমাৰীক নৱ দুৰ্গাৰ জ্ঞান কৰা হয়। এই কুমাৰী পূজা দেৱী পক্ষৰ শুক্লা প্ৰতিপদৰ পৰা মহা নৱমী পৰ্যন্ত পূজা কৰা হয়। কুমাৰী পূজাত নগৰাকী কুমাৰীক পূজা কৰিব লাগে। তন্ত্ৰত উল্লেখ আছে — তলত উল্লেখ কৰা মন্ত্ৰৰ দ্বাৰা নৱদুৰ্গা ৰূপী কুমাৰীক পূজা কৰা হয়।

যথা -ও মন্ত্ৰক্ষৰময়ীং লক্ষ্মীং মাতৃনাং জনধাৰিনীং,
নৱদুৰ্গাত্মিকা সাক্ষাৎ কন্যা সাবাহয়া মৎহয়ং। (তন্ত্ৰ কুমাৰী পূজা)

কুমাৰী পূজাৰ ফল সকলো দেৱ-দেৱীক পূজা কৰাৰ সমান হয় বুলি কথিত আছে। অপুষ্পিতা কন্যাক কুমাৰী বুলি গণ্য কৰি নৱদুৰ্গা স্বৰূপা দেৱী হিচাপে পূজা-অৰ্চনা কৰা হয়। শাস্ত্ৰত উল্লেখ থকা মতে দুবছৰৰ পৰা দহ বছৰলৈ নগৰাকী কুমাৰীক পূজা কৰা হয়। আৰু তেওঁলোকৰ প্ৰাৰ্থনাৰ মন্ত্ৰও পৃথক পৃথক।

কুমাৰী পূজাৰ এটা বিশেষত্ব হ'ল এই পূজা সকলো পূজাস্থলীতে পালন কৰা হয়। যিহেতু দুৰ্গা পূজাৰ লগত ইয়াৰ অঙ্গাঙ্গী সমন্ধৰ কথা শাস্ত্ৰত উল্লেখ আছে। নৱৰাত্ৰী পালন কৰা ব্যক্তিসকলেও কুমাৰী পূজা কৰাৰো পৰিলক্ষিত হয়। কামাখ্যাত এই পূজা প্ৰায়ে অনুষ্ঠিত হয়। কামাখ্যাৰ কুমাৰী পূজা জগত বিখ্যাত। দুৰ্গা পূজাৰ লগত কুমাৰী পূজা কৰাটো উল্লেখ আছে। তদুপৰি কুমাৰী পূজা শাওণ আৰু ভাদ মাহৰ সংক্ৰান্তিৰ দিনাও কৰিব পাৰি। অম্বুবাচী নিবৃত্তিৰ দিনাও এই পূজা কৰাৰ বিধান আছে। যোগিনীতন্ত্ৰৰ মতে কুমাৰী পূজা ভক্তি ভাবেৰে কৰিলে মনৰ অভীষ্ট সিদ্ধি হয় বুলি উল্লেখ আছে।

সৃষ্টিৰ মূলতে হৈছে আদ্যাশক্তি, প্ৰকৃতি (নাৰী)। আদিম কালৰ পৰাই আসুৰিক শক্তিক পৰাভূত কৰিবৰ কাৰণে নাৰীৰ ওপৰত শক্তি প্ৰদান কৰা হৈছে। সেই শক্তিক জাগ্ৰত কৰিলেহে বৰ্তমান সমাজত আসুৰিক শক্তি নাশ হ'ব। আপাততঃ দৃষ্টিত এই বিষয়ৰ পৰা কুমাৰী পূজাৰ যথেষ্ট গুৰুত্ব আছে।

আয়ু ৰক্ষতু বৰাহী ধৰ্মাৰ ৰক্ষতু পাৰ্বতী
বশৎ কীৰ্তিন্বা, লক্ষ্মীঞ্চ সদা ৰক্ষতু বৈষ্ণৱী।
(শ্ৰীশ্ৰী চণ্ডী দেৱী)

ফোন ঃ ৯৫০৮২৯৭৬০৮



# দুৰ্গা পূজাৰ মৰ্মকথা

■ পৱন কুমাৰ বৰা

বৰ্তমান অফাৰৰ বতৰ, কাৰণ আনন্দৰ মায়া লৈ আহিছে দুৰ্গোৎসৱ। বিভিন্ন প্ৰতিষ্ঠানৰ ৰেহাই মূল্যই বা না না অফাৰে ক্ৰয়ৰ বাবে উৎসাহিত কৰে গ্ৰাহকক। সাজপাৰ, অলংকাৰ, গাড়ী, ম'বাইল, আদি সকলো ন ন অভিজাত সামগ্ৰীৰ পয়োভৰ। কিন্তু দুৰ্গা পূজা মানে জানো কেৱল নিজকে সজাই-পৰাই, ন সম্পদে চহকী কৰাৰ সময়। নাচ-গানেৰে মেলাত মতলীয়া হৈ মাত্ৰ আনন্দ কৰা।

মা দুৰ্গাৰ আৰাধনাকে কেন্দ্ৰ কৰি অনুষ্ঠিত হয় সকলোৱে হেঁপাহৰ বৃহত্তম ধৰ্মীয় আৰু সামাজিক উৎসৱ দুৰ্গা পূজা। শাস্ত্ৰ মতে আহিন মাহৰ শুক্ল পক্ষত বা চ'ত মাহৰ শুক্ল পক্ষত দুৰ্গা পূজা পালন কৰা হয়। বসন্ত কালৰ দুৰ্গা পূজাক বাসন্তী পূজা আৰু শৰৎ কালৰ দুৰ্গা পূজাক শাৰদীয় দুৰ্গা পূজা নামে জনাজাত। ভাৰতৰ পশ্চিমবংগ, অসম, ত্ৰিপুৰা বিহাৰ, ঝাৰখাণ্ড আৰু ওড়িশা আদি ৰাজ্যত দুগা পূজা পালন কৰে।

দেৱী দুৰ্গা হ'ল সৃষ্টিৰ আদি। দ'-আখৰে দৈত্য নাশ, 'উ'-কাৰে বিঘ্ননাশক, 'ৰেফ' ৰোগনাশক, 'গ'-আখৰে পাপনাশক, আৰু 'অ'-কাৰে ভয় তথা শত্ৰুনাশক। দৈত্য, বিঘ্ন, ৰোগ, পাপ আৰু ভয়-শত্ৰুৰ পৰা যিয়ে ৰক্ষা কৰে সেয়ে শক্তিৰূপা মা দুৰ্গা। পিতামহ ব্ৰহ্মা, ভগৱান বিষ্ণু আৰু ভগৱান শংকৰে তেখেতৰে শক্তিৰে এই সৃষ্টিৰ সৃজন, পালন-পোষণ আৰু সংহাৰ কৰে। মা দুৰ্গা দেৱীৰ ন ৰূপ । শাস্ত্ৰত বৰ্ণনা কৰা মতে সেইবোৰৰ নাম হ'ল-শৈলপুত্ৰী, ব্ৰহ্মচাৰিণী, চন্দ্ৰঘণ্টা, কুষ্মাণ্ডা, স্কন্দমাতা, কাত্যায়নী, কালৰাত্ৰি, মহাগৌৰী, সিদ্ধিদাত্ৰী।

ভগৱান ৰামচন্দ্ৰই ৰাৱণ বধৰ বাবে শৰৎ কালত দুৰ্গা দেৱীৰ পূজা কৰিছিল। ভগৱান ৰামে দেৱীক সন্তুষ্ট কৰিবলৈ নিজৰ চকু দিব ধৰিছিল। ৰাৱণ বধৰ মূল কাৰণ পৃথিৱীৰ মংগল আৰু ৰামে দেৱীক পূজা কৰিছিল ৰাৱণ বধ কৰি পৃথিৱীত ধৰ্ম ৰক্ষা কৰি মংগল সাধিবলৈ। মানৱ অৱতাৰৰূপী ভগৱান ৰামে দেখুৱাই গৈছিল নিজে ত্যাগ স্বীকাৰ কৰি দহৰ মংগল সাধনহে প্ৰকৃত দুৰ্গা পূজা।

আজি দুৰ্গোৎসৱৰ বাবে আনন্দ মেলা, পেণ্ডেল মণ্ডপ, আলোকসজ্জাত লাখ লাখ টকা খৰচ নকৰি, ৰোগীৰ ৰোগ নিবাৰণ, ভোকাতুৰক ভাত দিয়া, বস্ত্ৰহীনক বস্ত্ৰ দানৰ পৰম্পৰা গঢ়িব লাগিছিল। তেতিয়াহে মা দুৰ্গাক সন্তুষ্ট কৰা লগতে সমাজৰ মংগল কৰা হ'ব।

*ফোন ঃ ৮৬৩৮৯২৪৬৭৭*

# পাকা বেতবাৰী সংহত শিশু উন্নয়ন প্ৰকল্পত পোষণ মাহ উদ্‌যাপন



দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ২৮ ছেপ্টেম্বৰ ঃ জাকজমকতাৰে মঙলবাৰে দিনজোৰা কাৰ্যসূচীৰে বৰপেটা জিলাৰ সৰুক্ষেত্ৰী সমষ্টিৰ কয়াকুছিস্থিত পাকা বেতবাৰী সংহত শিশু উন্নয়ন প্ৰকল্প কাৰ্যালয়ত ৰাষ্ট্ৰীয় পোষণ মেলা আৰু ৰান্ধা প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। সজাগতা সভা, খাদ্য মেলা, ৰন্ধন প্ৰণালী প্ৰদৰ্শন, শোভাযাত্ৰা, সাংস্কৃতিক অনুষ্ঠানৰ লগতে কেইবাটাও ভিন্নধৰ্মী অনুষ্ঠান পৰিবেশন কৰা হয়। কালি অনুষ্ঠিত হোৱা ৰন্ধন প্ৰতিযোগিতাত কনবাহাৰ চক্ৰৰ কৰ্মীসকলে প্ৰথম, বৰবালা চক্ৰৰ কৰ্মীসকলে দ্বিতীয় আৰু কালৰাম চক্ৰৰ কৰ্মীসকলে তৃতীয় স্থান দখল কৰে। এই ৰন্ধন প্ৰতিযোগিতাত ইয়াৰ উপৰি নেউলাবস্তিয়া, পুত্তলাটাবাৰী চৌকামাৰী, ভকুৰভৰা, কয়াকুছি পাথাৰ আৰু বৰপিপুল চক্ৰৰ অংগনবাড়ী কৰ্মী আৰু সহায়িকাসকলে অংশগ্ৰহণ কৰে। মুকলি সভাত বৰবালা চক্ৰৰ কৰ্মীসকলে বাটিৰ নাটকৰ জৰিয়তে সকলোকে আকৰ্ষিত কৰে। এই কাৰ্যসূচীত বৰপেটা জিলাৰ অতিৰিক্ত উপায়ুক্ত গীতাশ্ৰী লাহিড়ী, পাকা বেতবাৰী সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া মমিতা চক্ৰৱৰ্তী, ভৱানীপুৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ স্বাস্থ্য বিষয়া ডাঃ দেৱজিৎ চৌধুৰী, জিলা সমন্বয়ক দিব্যজ্যোতি বৰ্মন, বেতকবাৰী স্বাস্থ্য ওৱাৰ্ড ঊষা চেটাৰৰ কাৰ্বেৰী শইকীয়া, সমাজকৰ্মী মমতাজ জাহান তালুকদাৰ, পোষণ সমন্বয়ক সৌৰভ কুমাৰ দাস, পোষণ সহায়ক নলীগোপাল গোস্বামী, তথ্য সংগ্ৰহকৰ্মী ছাইফুল ইছলাম খান আদিৰ লগতে কাৰ্যালয়ৰ অন্যান্য কৰ্মচাৰী, মুখ্য সেবিকাসকলে অংশগ্ৰহণ কৰে।

# বিদ্যালয়ৰ মূল পথেৰে ছাত্ৰ-ছাত্ৰীৰ বিপদ কঢ়িয়াই মাটি কঢ়িওৱা ট্ৰেক্টৰৰ আহ-যাহ

## একাংশই দেখিও নেদেখাৰ ভাও লোৱাত সচেতন অভিভাৱক আশ্চৰ্যান্বিত

দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২৮ ছেপ্টেম্বৰ ঃ দৰঙৰ উচ্চ শিক্ষাৰ অন্যতম আগশাৰীৰ শিক্ষানুষ্ঠান চেংেলীয়াঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ সম্প্ৰতি সময়ত আহ-যাহক লৈ একাংশ সচেতন অভিভাৱক বাৰুকৈ চিন্তান্বিত হৈ পৰিছে। প্ৰায় চাৰে তিনিশৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰা ইতিহাস পৃষ্ঠাত সুনাম থকা চেংেলীয়াঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত। পুৱা ৮ বাজিলেই বিদ্যালয়খনৰ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে প্ৰত্যেকেই চাইকেল চলাই বিদ্যালয়লৈ আহে। শাৰী-শাৰীকৈ নিয়মানুৱৰ্তিতা বজাই ৰাখি এক শোভাবৰ্দ্ধন পৰিবেশেৰে বিদ্যালয়লৈ যায়। খটখা-দুৰ্ম্মুনিচকী গড়কাপ্তানী পথৰ পৰা বিদ্যালয়লৈ যোৱা উল্লিখিত কেঁচা খলা-বমা পথছেৰোত ব্যক্তি বিশেষৰ পথাৰৰ পৰা মাটি কঢ়িওৱা ট্ৰেক্টৰে যাতায়াতৰ অনুপযুক্ত কৰি তোলাৰ পিছত ছাত্ৰ-ছাত্ৰীসকলে যমৰ কষ্ট ভুগি বিদ্যালয়লৈ আহ-যাহ কৰি থাকিবলগীয়া হৈ আহিছে। আশ্চৰ্যজনক কথা যে এনে সময়ত কিন্তু কোনো লোকৰ খেতিপথাৰৰ পৰা নিজ ঘৰলৈ মাটি কঢ়িওৱা ট্ৰেক্টৰৰ চলাচলে ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনলৈ চৰম ভাবুকি কঢ়িয়াই আনিছে। যাক লৈ শংকিত হৈ পৰিছে একাংশ অভিভাৱক। কোনোবাই বাধা দিবলৈ গ'লে গাত ৬-কিল পৰাৰ ভয়তে নিমাত হৈ থাকে সকলো। এই ক্ষেত্ৰত সচেতন মহলৰ দায়িত্ব আছে যদিও কিবা ক'লে বেয়া পাব পাৰে বুলি ভাবি থাকে ধৃতৰাষ্ট্ৰ। এনে সময়ত একাংশ সাহসী অভিভাৱকে ধন ঘটাৰ লালসাত ছাত্ৰ-ছাত্ৰীৰ জীৱনক তুচ্ছ জ্ঞান কৰি বিদ্যালয়ৰ মূল পথেৰে মাটি কঢ়িওৱা ট্ৰেক্টৰৰ আহ-যাহ চলিলে জিলা উপায়ুক্তক তড়িৎ বেগে অভিযোগ দিব বুলি স্পষ্ট কৰি দিছে। এই ক্ষেত্ৰত বিদ্যালয় পৰিচালনা সমিতি, অধ্যক্ষৰো গধুৰ দায়িত্ব আছে বুলি ক'ব খোজে এইসকল অভিভাৱকে। উল্লেখ্য যে ডেৰ বছৰ আগেয়ে বিদ্যালয়খনৰ অষ্টম শ্ৰেণীৰ কৃতী ছাত্ৰ নেকিবুৰ ৰহমান নামৰ ছাত্ৰজনে বিদ্যালয়লৈ গৈ থকা অৱস্থাত মাটি কঢ়িওৱা ট্ৰেক্টৰে খুন্দিয়াই নিহত কৰিছিল। যাৰ পৰা শিক্ষা সকলোৱে লোৱা উচিত বুলি সচেতন অভিভাৱকসকলে ক'ব খোজে।

# মাজুলীত বিজেপিৰ বিশেষ সাংগঠনিক সভাত অংশগ্ৰহণ মন্ত্ৰী সঞ্জয় কিষাণৰ

দৈনন্দিন বাৰ্তাৰ সেৱা, নামনি, মাজুলী, ২৮ ছেপ্টেম্বৰ ঃ এক দলীয় কাৰ্যসূচীত অংশগ্ৰহণৰ উদ্দেশ্যে মঙলবাৰে মাজুলীত উপস্থিত হয় চাহ জনগোষ্ঠী কল্যাণ আৰু শ্ৰম বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণ। মূলতঃ ৮ অক্টোবৰত বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জেপি নাড্ডা, গৃহমন্ত্ৰী অমিত শ্বাহৰ অসম ভ্ৰমণৰ কাৰ্যসূচী সফল কৰি তোলাৰ উদ্দেশ্যে মাজুলীৰে বিজেপি দলীয় নেতা-কৰ্মীসকলক সাজু কৰি তোলাৰ উদ্দেশ্যে মাজুলীত উপস্থিত হোৱা মন্ত্ৰীগৰাকীয়ে গড়মুৰ সত্ৰৰ বংশী গোপাল নাট্য মন্দিৰত এখন বিশেষ সাংগঠনিক সভাত অংশগ্ৰহণ কৰে। স্থানীয় বিধায়ক ভুবন গাম, জিলা বিজেপিৰ সভাপতি বীৰেন শইকীয়াৰ লগতে জিলাখনৰ দলটোৰ অন্যান্য নেতা-কৰ্মীয়ে অংশ লোৱা সভাত হ'বলগীয়া অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তোলাৰ বাবে মাজুলীৰ পৰা বৃহসংখ্যক নেতা-কৰ্মীৰ অংশগ্ৰহণৰ বাবে মন্ত্ৰীগৰাকীয়ে পোষকতা কৰে। পিছত সাংবাদিকৰ আগত মন্ত্ৰীগৰাকীয়ে কে'বাটাও তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। বিশেষকৈ ছয় জনগোষ্ঠীৰ জনজাতিকৰণ প্ৰসংগত সাংবাদিকে সোধা এক প্ৰশ্নৰ উত্তৰ দি মন্ত্ৰীগৰাকীয়ে কয় যে মুখ্যমন্ত্ৰীয়ে ৬ জনগোষ্ঠীৰ বিষয়ববীয়াৰ সৈতে আলোচনা কৰি বিষয়টো আন্তৰিকতাৰে লৈছে। বিভিন্ন জনগোষ্ঠীসমূহৰ বেলেগ বেলেগ কিছু সমস্যা আছে। গতিকে এই সমস্যাসমূহ অসমতে বহি সমাধান কৰাৰ প্ৰয়াস কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰ এইটো বিষয়ত একপ্ৰকাৰ সাজু হৈ আছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে কেন্দ্ৰীয় চৰকাৰে মৰাণ আৰু মটক জনগোষ্ঠীক জনজাতিকৰণ কৰিবলৈ ইংগিত প্ৰদান কৰিছে। ইয়াৰ উপৰিও কোচ-ৰাজবংশীসকলকো ঠাইভেদে জনজাতিকৰণৰ চিন্তা চলিছে। জনজাতিকৰণৰ বাবে আহোমসকলৰো কিছু সমস্যা আছে। চাহ জনগোষ্ঠী আদিবাসী লোকসকলৰো ক্ষেত্ৰতো কিছু সমস্যাই দেখা দিছে। চাহ জনগোষ্ঠীৰ কিছুসংখ্যকক জনজাতিকৰণ কৰিব পৰা হ'ব যদিও ইয়াৰে কিছুসংখ্যকক লৈয়ো সমস্যা আছে বুলি তেওঁ উল্লেখ কৰে। এই বিষয়বিলাক অসমতে আলোচনাৰ মাজেৰে সমাধান কৰি ল'লে সুবিধা হ'ব বুলি তেওঁ উল্লেখ কৰি এসময়ত ৬ জনগোষ্ঠীৰ জনজাতিকৰণৰ বাবে আন্দোলন কৰি ৰাজনীতিলৈ অহা মানুহ হিচাপে ময়ো ৬ জনগোষ্ঠীৰ জনজাতিকৰণৰ পোষকতা কৰো বুলি উল্লেখ কৰে। ইয়াৰ উপৰিও গেৰুকামুখৰ বৃহৎ নদী বান্ধ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে অসমৰ উন্নয়ন স্বাৰ্থত উদ্যোগো লাগিব বিদ্যুতো লাগিব বুলি উল্লেখ কৰি মন্ত্ৰী কিষাণে বৃহৎ জলবিদ্যুৎ প্ৰকল্পক আওপকীয়াকৈ সমৰ্থন কৰি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে।

## বগৰীবাৰীৰ আৰক্ষীৰ অভিযান হেৰ'ইনসহ ড্ৰাগছ সৰবৰাহকাৰী গ্ৰেপ্তাৰ

দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২৮ ছেপ্টেম্বৰ ঃ পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত বগৰীবাৰী আৰক্ষী থানাৰ এলেকাধীন মহামায়া চাৰিআলিত সোমবাৰে নিশা বগৰীবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ নেতৃত্বত আৰক্ষীৰ দলে এক গোপন সূত্ৰৰ ভিত্তিত অভিযান চলাই এজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰাৰ লগতে চাৰিটা প্লাষ্টিকৰ কণ্টেইনাৰ ভৰ্তি সন্দেহজনক হিৰোইন জব্দ কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত বাতৰি মতে, সোমবাৰে নিশা বগৰীবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া যতীশ দাসৰ নেতৃত্বত আৰক্ষীৰ দলে দৈনন্দিন তালাচী চলাই থকাৰ দৰে এক গোপন সূত্ৰৰ ভিত্তিত মহামায়া চাৰিআলিত এজন যুৱকক সন্দেহবশতঃ তালাচী চলোৱাৰ চাৰিটা কন্টেইনাৰত এই আপত্তিজনক নিশা জাতীয় সামগ্ৰীখিনি জব্দ কৰাৰ লগতে যুৱকজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। ড্ৰাগ্‌ছ সৰবৰাহৰ লগত জড়িত হৈ গ্ৰেপ্তাৰ হোৱা যুৱকজনৰ হৈছে মপিয়ুল হক(২৪)। ড্ৰাগ্‌ছ সৰবৰাহৰ লগত জড়িত যুৱকজনৰ ঘৰ পৰ্বতঝোৰা মহকুমাৰ কাজিগাঁও আৰক্ষী থানাৰ অন্তৰ্গত দামপুৰ দ্বিতীয়খন গাঁৱৰ নবিউৰ ৰহমানৰ পুত্ৰ বুলি আৰক্ষীৰ সূত্ৰত জানিবলৈ দিয়ে। আৰক্ষীয়ে জব্দ কৰা সন্দেহজনক হিৰোইনখিনিৰ সামগ্ৰীক ওজন হৈছে ৬,৯০০ গ্ৰাম বুলি জানিবলৈ দিয়ে। বগৰীবাৰী আৰক্ষী থানাৰ আৰক্ষীয়ে এই সংক্ৰান্তত ধৃত যুৱকজনক গ্ৰেপ্তাৰ কৰি সোধা-পোছা অব্যাহত ৰাখিছে।

জোনাইবাসীৰ বাবে সু-খবৰ...

# স্বামিত্ব আঁচনিৰ অধীনত জোনাইত ড্ৰোন প্ৰযুক্তিৰ জৰিয়তে বিশদ জৰীপ উদ্বোধন কৰে স্থানীয় সাংসদ আৰু বিধায়কে

দৈনন্দিন বাৰ্তাৰ সেৱা, জোনাই, ২৮ ছেপ্টেম্বৰ ঃ জোনাই ৰাজহ চক্ৰ অন্তৰ্গত অমৰপুৰ নাহৰ বৰগুলী গাঁৱত অসম চৰকাৰৰ স্বামিত্ব আঁচনিৰ অধীনত ড্ৰোন প্ৰযুক্তিৰ জৰিয়তে বিশদ জৰীপ কাৰ্যসূচী যোৱা মঙলবাৰে জোনাইৰ গালী উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত শুভ উদ্বোধন কৰে লক্ষীমপুৰ সমষ্টিৰ সাংসদ প্ৰদান বৰুৱা আৰু জোনাই সমষ্টিৰ বিধায়ক ভুবন পেগুৱে। আধুনিক ভূমি লেখা ব্যৱস্থাপনাৰ ক্ষেত্ৰত আদৰ্শ গাঁও সৃষ্টি কৰাৰ হেতুকে এই আঁচনিৰ জৰিয়তে জোনাই ৰাজহ চক্ৰৰ অন্তৰ্গত প্ৰায় ১২০খন গাঁৱৰ ৰাইজৰ ভূমি জৰীপৰ ব্যৱস্থা অহা তিনি-চাৰি মাহৰ ভিতৰত সম্পন্ন কৰাৰ বাবে ব্যৱস্থা হাতত লোৱা হৈছে। এই স্বামিত্ব আঁচনিৰ অধীনত ড্ৰোন প্ৰযুক্তিৰে বিশদ জৰীপ কাৰ্য শুভ উদ্বোধন কৰি স্থানীয় সাংসদ প্ৰদান বৰুৱা আৰু বিধায়ক ভুবন পেগুৱে জোনাইৰ দুখীয়া ৰাইজৰ এক বহুদিনীয়া সপোন পূৰণ হ'ব বুলি প্ৰকাশ কৰে আৰু লগতে বছৰ বছৰ ধৰি ভূমি পট্টাৰ পৰা বঞ্চিত হৈ থকা লাখ লাখ পৰিয়ালে ভূমিৰ অধিকাৰ লাভ কৰিবল সক্ষম হ'ব বুলি মন্তব্য কৰে। ইয়াৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ধন্যবাদ জনায় দুয়োজনে। অসমৰ বিভিন্ন ঠাইত আধুনিক ড্ৰোন প্ৰযুক্তিৰ জৰিয়তে ভূমিলেখা ব্যৱস্থাপনা ধেমাজি জিলাৰ জোনাই মহকুমাত প্ৰথমবাৰৰ বাবে যোৱা মঙলবাৰে শুভাৰম্ভ কাৰ্যসূচীত উপস্থিত থাকে ধেমাজি জিলাৰ অতিৰিক্ত উপায়ুক্ত উৎপল দলে, জোনাই মহকুমাৰ মহকুমাধিপতি প্ৰদীপ কুমাৰ দ্বিৰেদী, জোনাই ৰাজহ চক্ৰ বিষয়া ঋতুপল্লৱ বৰুৱা, জোনাই ৰাজহ চক্ৰৰ মণ্ডল অশ্বিনী পেগু, মিন্টু ৰেগন, কে'বাজনো পঞ্চায়ত প্ৰতিনিধি আৰু স্থানীয় ৰাইজ।

# নগাঁৱৰ পলাশনিত মাধ্যম আন্দোলনৰ শ্বহীদ অনিল বৰাৰ ৫০সংখ্যক স্মৃতি দিৱসৰ আয়োজন

দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ ছেপ্টেম্বৰ ঃ ১৯৭২ চনৰ মাধ্যম আন্দোলনে চলিত বৰ্ষত ৫০ বছৰত ভৰি দিছে। উক্ত আন্দোলনত সেই সময়ৰ সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক, সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক আৰু নগাঁও মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক তথা নগাঁও চহৰৰ পাৰ্শ্বৱৰ্তী পলাশনিৰ অনিল বৰা নামৰ ছাত্ৰ নেতাগৰাকী শ্বহীদ হয়। ১৯৭২ চনৰ ৭ অক্টোবৰত অবিভক্ত নগাঁও জিলাৰ হোজাইত প্ৰতিভাৱান ছাত্ৰ নেতা অনিল বৰাক দুৰ্বৃত্তই নৃশংসভাৱে হত্যা কৰিছিল। আনহাতে এইবাৰ শ্বহীদগৰাকীৰ জন্মগৃহ পলাশনি গাঁৱত শ্বহীদ অনিল বৰাৰ ৫০ বছৰীয়া স্মৃতি দিৱস উদ্‌যাপনৰ প্ৰস্তুতি চলিছে। পলাশনি সাংস্কৃতিক আৰু ক্ৰীড়া সন্থাৰ উদ্যোগত ৭ আৰু ৮ অক্টোবৰত পলাশনিত দুদিনীয়াকৈ শ্বহীদ অনিল বৰাৰ ৫০সংখ্যক স্মৃতি দিৱস উদ্‌যাপনৰ দিহা কৰা হৈছে। ৭ অক্টোবৰত পুৱা পতাকা উত্তোলনৰে শ্বহীদ দিৱসৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব। শ্বহীদবেদীত বন্তি প্ৰজ্বলন কৰিব শ্বহীদগৰাকীৰ ভাতৃ অপূৰ্ব কুমাৰ বৰাই। দিনৰ ১১ বজাত স্মৃতিগ্ৰন্থ উন্মোচন কৰিব উদ্যোগমন্ত্ৰী বিমল বৰাই। দুপৰীয়া নাম প্ৰসংগ আৰু বিয়লি সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। সন্ধিয়া স্থানীয় শিল্পীৰ দ্বাৰা 'সীতাহৰণ' অংকীয়া ভাওনা প্ৰদৰ্শন কৰা হ'ব। ভাওনা উদ্বোধন কৰিব বড়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামীয়ে। ৮ অক্টোবৰত পুৱা শিশুৰ বিভিন্ন অনুষ্ঠান অনুষ্ঠিত হোৱাৰ লগতে বিয়লি ভোলানাথ শইকীয়াৰ সঞ্চালনাত 'উচ্চ শিক্ষা আহৰণত অসমীয়া মাধ্যম অন্তৰায় নহয় শীৰ্ষক মুকলি আলোচনা-চক্ৰ অনুষ্ঠিত হ'ব। সন্ধিয়া প্ৰদৰ্শন হ'ব লগা মঞ্চনাটক 'বাঁজী' উদ্বোধন কৰিব নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাই। শ্বহীদ দিৱসৰ সমূহ কাৰ্যসূচীত ৰাইজৰ সহযোগিতা কামনা কৰিছে পলাশনি সাংস্কৃতিক আৰু ক্ৰীড়া সন্থাৰ সভাপতি সদানন্দ বৰা আৰু সম্পাদক বুলবুল বৰাই।

# হাটশিঙিমাৰী মহাবিদ্যালয়ৰ খেলপথাৰত অসমী শাৰদীয় মেলা-২০২২ আয়োজন

## জিলাখনৰ বহু আত্মসহায়ক গোটৰ অংশগ্ৰহণ

দৈনন্দিন বাৰ্তাৰ সেৱা, মানকাচৰ, ২৮ ছেপ্টেম্বৰ ঃ দক্ষিণ শালমাৰা মানকাচাৰ জিলাৰ হাটশিঙিমাৰী মহাবিদ্যালয়ৰ খেলপথাৰত তিনিদিনীয়া অসমী শাৰদীয় মেলা ২০২২ আয়োজন কৰে District Mission management unit, South Salmara mankachar assamৰ বিষয়ববীয়াসকলে। উক্ত মেলাখন আনুষ্ঠানিকভাৱে মুকলি কৰে দক্ষিণ শালমাৰা মানকাচাৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া এফ আৰ লস্কৰ আৰু জিলা গ্ৰামীণ জীৱিকা সেৱীৰ প্ৰকল্প বিষয়া ছৈয়দ মুফতি আলমে। জানিব পৰা মতে মেলাখন চলিত মাহৰ ২৮ ছেপ্টেম্বৰৰ পৰা ৩০ ছেপ্টেম্বৰলৈ চলিব। উক্ত মেলাখনত জিলাখনৰ বহুকেইটা আত্মসহায়ক গোটে বিভিন্ন দোকান-পোহাৰ দিয়ে। আত্মসহায়ক গোটৰ বিভিন্ন সদস্য/সদস্যাসকলে নিজ হাতে বনোৱা বিভিন্ন ঘৰৰ লাগতীয়াল সা-সামগ্ৰী তৈয়াৰ কৰি বিক্ৰী কৰা বুলি জানিব পৰা গৈছে। ইপিনে মেলাখনত আত্মসহায়ক গোটবোৰে নিজে দোকান দি ব্যৱসায় কৰি আৰ্থিকভাৱে টনকিয়াল হ'ব বুলি জিলা প্ৰকল্প বিষয়া জানিব দিয়ে। মেলাখন দিনৰ ১১ বজাৰ পৰা ৰাতি ৮ বজালৈ তিনিদিনৰ বাবে চলি থাকিব বুলি জানিব পৰা গৈছে।

# বিদ্যালয়ৰ আন্তগাঁথনি সন্দৰ্ভত ৰাজহুৱা সভা



দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিয়নি, ২৮ ছেপ্টেম্বৰ ঃ নকছাৰি পাঁচ চমুৱা গাঁৱত অৱস্থিত ৪০৫ নং চমুৱা প্ৰাথমিক বিদ্যালয়ত মঙলবাৰে দিনৰ ১২ বজাত বিদ্যালয়ৰ আন্তঃগাঁঠনিৰ সন্দৰ্ভত এখনি ৰাজহুৱা সভা অনুষ্ঠিত হয়। এই বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ তথা সমাজকৰ্মী দীপক বড়াৰ সঞ্চালনাত অনুষ্ঠিত সভাখনিৰ আঁত ধৰে প্ৰাক্তন ছাত্ৰ তথা বিশিষ্ট কবি প্ৰণৱ কুমাৰ গগৈয়ে। বিদ্যালয়ৰ প্ৰধান শিক্ষক বিলাল আলীয়ে উদ্দেশ্য ব্যাখ্যা আগবঢ়োৱা সভাখনত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে মৰিয়নি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে। ইয়াৰ লগতে ১৬নং উত্তৰ-পূব নকছাৰি গাঁও পঞ্চায়তৰ সভাপতি চন্দন গগৈ আৰু ৱাৰ্ড সদস্যা বৰ্ণালী বড়া গগৈয়ে সভাত ভাগ লয়। বিধায়কগৰাকীক বিদ্যালয় পৰিচালনা সমিতি, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু মাতৃ গোট আদি বিভিন্নজনে চেলেং চাদৰ আৰু গামোচাৰে আদৰণি জনায়। এই সভাত অংশ গ্ৰহণ কৰি প্ৰক্তন ছাত্ৰ-ছাত্ৰী তথা কে'বাগৰাকীও বিশিষ্ট ব্যক্তিয়ে বিদ্যালয়ৰ উন্নয়ন সন্দৰ্ভত গঠনমূলক পৰামৰ্শ আগবঢ়াই। স্থানীয় সমাজকৰ্মী অনন্ত গগৈ আৰু পৰিচালনা সমিতিৰ সভাপতি বিনোদ গগৈয়েও সভাত ভাগ লৈ বক্তব্য প্ৰদান কৰে। এই সভাতে বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে বিদ্যালয়ৰ চাৰিসীমা পকীকৰণ আৰু এখন আদৰণি জপনা তেওঁৰ উন্নয়ন পুঁজিৰ পৰা আগবঢ়োৱাৰ কথা ঘোষণা কৰে। এই ঘোষণাক আদৰণি জনাই গাঁওবাসীয়ে আনন্দ প্ৰকাশ কৰে। পঞ্চায়তৰ সভাপতিগৰাকীয়ে এই অনুদান অহা নৱেম্বৰ-ডিচেম্বৰ ভিতৰতে মুকলি কৰা হ'ব বুলি ৰাইজক অৱগত কৰে। জাতীয় সংগীতেৰে সামৰণি মৰা সভাখনিৰ সকলোলৈকে শলাগৰ শৰাই আগবঢ়াই শিক্ষক বিলাল আলীয়ে।

# অসম বহুমুখী সমবায় সমিতিৰ শিপিনীজ্যোতি আঁচনিৰ সপ্তম বৰ্ষপূৰ্তি উদ্‌যাপন

দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিয়নি, ২৮ ছেপ্টেম্বৰ ঃ অসম বহুমুখী সমবায় সমিতি মৰিয়নি শাখাই বিগত ত্ৰিশ বছৰ ধৰি বৃহত্তৰ মৰিয়নি অঞ্চলৰ ৰাইজক সেৱা প্ৰদান কৰি আহিছে। মৰিয়নি নগৰৰ লগতে গ্ৰাম্য আৰু চাহ বাগিচা অঞ্চলৰ ৰাইজক অৰ্থনৈতিক দিশত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত মুখ্য ভূমিকা গ্ৰহণ কৰি আহিছে। সমবায়খনে বিশেষকৈ গ্ৰামাঞ্চল আৰু বাগিচা অঞ্চলৰ মহিলাসকলক সঞ্চয়ৰ প্ৰতি আগ্ৰহ জন্মাই নিজকে স্বাৱলম্বী কৰি তুলিবলৈ সক্ষম হৈছে। ১৯৯৩-৯৪ চনতে ৰাইজৰ সহযোগত গঢ় লৈ উঠা এই এই অনুষ্ঠানটোৱে ৰাইজৰ সমাদৰ লাভ কৰি আহিছে। মৰিয়নি শাখাই 'শিপিনীজ্যোতি' আঁচনিৰ সংযোজন ঘটাই মহিলা সবলীকৰণৰ ক্ষেত্ৰত এক উৎকৃষ্ট নিদৰ্শন দাঙি ধৰিছে। ২০১৬ বৰ্ষৰ পৰাই এই আঁচনিৰ জৰিয়তে গ্ৰামাঞ্চলৰ বহু মহিলাই নিজকে অৰ্থনৈতিকভাৱে লাভ কৰি আহিছে। এই আঁচনিখনে সপ্তম বৰ্ষপূৰ্তি শাখা কাৰ্যালয়ত উদ্‌যাপন কৰে। মঙলবাৰে পুৱা বন্তি প্ৰজ্বলন, মহিলাসকলৰ উৰুলি আৰু মঙ্গল ধ্বনিৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। শাখা কাৰ্যালয়ত অনুষ্ঠিত এক চমু অনুষ্ঠানত বিশিষ্ট মহিলা তথা সমাজকৰ্মী অণিমা নেওগ, অৱসৰপ্ৰাপ্ত অধ্যাপিকা অৰুণা দত্ত, মণি গোস্বামী, বিউটী তামুলী, অৰুণা গগৈ, অনুৰূপা ফুকন, প্ৰেৰণা ফুকন, সুমিত্ৰা ঘোষ, ৰেণু বৰা, পৰিস্মিতা ফুকনৰ লগতে বহুসংখ্যক মহিলা আৰু শিপিনী উপস্থিত থাকি গঠনমূলক দিহা-পৰামৰ্শ আগবঢ়াই অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তোলে। শলাগৰ শৰাই আগবঢ়াই শাখা পৰিচালিকা হীমা বৰাই।

# জনজাতিকৰণৰ ক্ষেত্ৰত ৯০ শতাংশ কাম আগবাঢ়িছে কোচ-ৰাজবংশী জনগোষ্ঠীৰ

## আন জনগোষ্ঠীৰ জনজাতিকৰণৰ কাম আগবাঢ়িছে ৪০ শতাংশ

দৈনন্দিন বাৰ্তা সেৱা, চাপৰ, ২৮ ছেপ্টেম্বৰ ঃ অহা নৱেম্বৰ মাহত ছয় জনগোষ্ঠীৰ জন জাতিকৰণৰ চৰকাৰৰ সৈতে আলোচনা হ'ব। জন জাতিকৰণ এটি জ্বলন্ত সমস্যা ইয়াক আলোচনাৰ মাজেৰে সমস্যা সমাধান কৰিব লাগে। ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ সমস্যা সমাধান হ'লে অসমৰ এটি জ্বলন্ত সমস্যাৰ সমাধান হ'ব। ধুবুৰী জিলাৰ চাপৰ শালকোচাত আজি উপস্থিত হয় কে এ চিৰ মুখ্য পৰিষদ গোকুল বৰ্মণ। শালকোচা সমবায় সমিতিত ১০ লাখ টকা ব্যয়




সাপেক্ষে নিৰ্মাণ হ'বলগীয়া কামৰ উদ্বোধন কৰে মুখ্য পৰিষদগৰাকী। মুখ্য পৰিষদগৰাকীৰ লগত উপস্থিত থাকে ই এম কৰ্মেশ্বৰ ৰায়।

# ১ অক্টোবৰত দিনজোৰা বিস্তৃত কাৰ্যসূচীৰে ধেমাজি জিলা দিৱসৰ আয়োজন

দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ২৮ ছেপ্টেম্বৰ ঃ ধেমাজি জিলাত এইবেলি শাৰদীয় দুৰ্গোৎসৱত অধিক ৰহন সানি ১ অক্টোবৰত মহা ষষ্ঠীৰ দিনটোতে দিনজোৰা বিস্তৃত কাৰ্যসূচী হাতত লোৱা হৈছে বুলি জানিব পৰা গৈছে। সংবাদ মাধ্যমক জানিব দিয়া মতে জিলাখনৰ ৩৪সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে জিলা প্ৰশাসনৰ উদ্যোগত সেইদিনা পুৱা ৪.৩০ বজাত মাৰাথন দৌৰ প্ৰতিযোগিতাৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব। জিলা সমাজ কল্যাণ বিভাগ, ক্ৰীড়া বিভাগ আৰু ৰাষ্ট্ৰীয় জল বিদ্যুৎ নিগমৰ যৌথ সহযোগত আয়োজিত এই প্ৰতিযোগিতাৰ মূল বিষয় হৈছে "কন্যা সন্তানৰ সুৰক্ষা আৰু শিক্ষা"। পুৰুষ আৰু মহিলা উভয় শাখাৰ মাজত সুকীয়াকৈ আয়োজিত এই অৰ্ধ মাৰাথন দৌৰ প্ৰতিযোগিতাৰ বিজয়ী প্ৰথম তিনি গৰাকী প্ৰতিযোগী নগদ ১৫,০০০, ১০,০০০ আৰু ৫০০০ টকাৰে পুৰস্কৃত কৰা হ'ব বুলি জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই জনাইছে। এক বিজ্ঞপ্তিত তেওঁ কয় যে, বৰদলনি উন্নয়ন খণ্ড তিনিআলিত আৰম্ভ হৈ এই দৌৰ ধেমাজি কাছাৰী ময়দানত সামৰণি পৰিব। ইয়াত অংশগ্ৰহণ কৰিবলৈ আগ্ৰহীসকলক পুৱা ৪ বজাৰ পূৰ্বে উক্ত স্থানত হাজিৰ হ'বলৈ আহবান জনোৱা হৈছে। ইয়াৰ পিছতে পুৱা ৯ বজাত ধেমাজি কাছাৰী ময়দানৰ পৰা এটা বাৰেৰহনীয়া সাংস্কৃতিক সমদল উলিওৱা হ'ব। এই সমদলটি আনুষ্ঠানিকভাৱে মুকলি কৰিব ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। উক্ত খেলপথাৰতে দিনৰ ১১ বজাত অনুষ্ঠিত হবলগীয়া মুকলি সভা তথা বঁটা বিতৰণী অনুষ্ঠানত মন্ত্ৰী পেগুৰ উপৰি শ্ৰম মন্ত্ৰী তথা জিলাখনৰ অভিভাৱক মন্ত্ৰী সঞ্জয় কিষাণেও বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। বিয়লি উক্ত স্থানতে বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। অনুষ্ঠানত বিশিষ্ট কণ্ঠশিল্পী তৃষ্ণা দেৱী, মৌচম গগৈ আৰু ৰাকেশ ৰিয়ানেও অংশগ্ৰহণ কৰাৰ কথা। জিলা উপায়ুক্ত অসীম কুমাৰ ভট্টাচাৰ্যই সমূহ কাৰ্যসূচীতে সকলো শ্ৰেণীৰ ৰাইজৰ অংশগ্ৰহণ আৰু সহায়-সহযোগিতা কামনা কৰিছে।

# দক্ষিণ শালমাৰা মানকাচৰ জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি ৰাকিবুল ইছলামক ছাত্ৰ সন্থাৰ পৰা বহিষ্কাৰ

দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২৮ ছেপ্টেম্বৰ ঃ সোমবাৰে সদৌ দক্ষিণ শালমাৰা মানকাচৰ জিলা ছাত্ৰ সন্থাৰ এখন জৰুৰী কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। সভাৰ চূড়ান্ত সিদ্ধান্ত মৰ্মে দক্ষিণ শালমাৰা মানকাচৰ জিলা ছাত্ৰ সন্থাৰ উপ সভাপতি ৰাকিবুল ইছলামে সংগঠনৰ নিয়ম-নীতি উলংঘা কৰা আৰু অসামাজিক কাম-কাজ কৰাৰ বাবে ৰাকিবুল ইছলামক জিলা ছাত্ৰ সন্থাৰ উপ সভাপতিৰ লগতে ছাত্ৰ সন্থাৰ প্ৰাথমিক সদস্যৰ পৰাও বহিষ্কাৰ কৰে। এক প্ৰেছ বিবৃত্তি যোগে জিলা ছাত্ৰ সন্থাৰ সভাপতি শৰিফুল ইছলাম প্ৰধানী আৰু সাধাৰণ সম্পাদক নুৰ মহাম্মদ আহমেদে এই কথা জানিবলৈ দিয়ে।

# ধেমাজি বালিকা মহাবিদ্যালয়ৰ আছুৰ সমৰ্থিত প্ৰাৰ্থীৰ বৃহৎ জয়লাভ

দৈনন্দিন বাৰ্তাৰ সেৱা, ধেমাজি, ২৮ ছেপ্টেম্বৰ ঃ ধেমাজি জিলাৰ অগ্ৰণী শিক্ষানুষ্ঠান ধেমাজি বালিকা মহাবিদ্যালয়ৰ ২০২২-২০২৩ শিক্ষাবৰ্ষৰ ছাত্ৰী একতা সভা নিৰ্বাচনত সভানেত্ৰী, সাধাৰণ সম্পাদিকাকে ধৰি প্ৰতিটো পদতে আছু সমৰ্থিত প্ৰাৰ্থীয়ে জয়লাভ কৰে। সাধাৰণ সম্পাদিকা পদত লাকী দত্ত আৰু সাংস্কৃতিক সম্পাদিকা পদত হৰ্ষৰাণী লাহনে প্ৰতিদ্বন্দ্বিতা কৰি বৃহৎ ভোটত জয়লাভ কৰে। সভানেত্ৰী পদত ৰিছমিনা সন্দিকৈ, সহকাৰী সাধাৰণ সম্পাদিকা পায়েল দিহিঙীয়া, আলোচনী সম্পাদিকা বৃষ্টিশিখা গগৈ, ক্ৰীড়া সম্পাদিকা লিজাশ্ৰী কোঁৱৰ, ছাত্ৰী জিৰণি কোঠা সম্পাদিকা অন্তৰীকা বৰগোঁহাই, সমাজ সেৱা সম্পাদিকা মেইনী বৰগোহাঁয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰে। তেওঁলোকে জয়লাভ কৰা পাছতে আঞ্চলিক ছাত্ৰ সন্থাৰ কাৰ্যালয় শ্বহীদ উদ্যানত এখন শুভেচ্ছামূলক সভাৰ আয়োজন কৰা হয়। শুভেচ্ছামূলক সভাত উপস্থিত থাকে সদৌ ধেমাজি জিলা ছাত্ৰ সন্থাৰ সভাপতি দীপক শৰ্মা, জিলা ছাত্ৰ সন্থাৰ বিত্ত সম্পাদক জয়ন্ত বৰগোহাই, ধেমাজি আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি কৰুণজ্যোতি চেতিয়া, সাধাৰণ সম্পাদক ৰন্টু গগৈয়ে ছাত্ৰীসকলক মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ শৈক্ষিক উত্তৰণৰ হকে নিষ্ঠা-সততাৰে কাম কৰি যাবলৈ আহ্বান জনায়।

# দেশী জনগোষ্ঠীয় মঞ্চ অসমৰ মেন্দিপথাৰ আঞ্চলিক সমিতিৰ দ্বিতীয় দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন

দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২৮ ছেপ্টেম্বৰ ঃ দেশী জনগোষ্ঠীয় মঞ্চ অসমৰ অসম-মেঘালয় সীমান্ত মেন্দী পথাৰত মঙলবাৰে দেশী জনগোষ্ঠীয় মঞ্চৰ মেন্দী পথাৰ আঞ্চলিক সমিতিৰ সাধাৰণ সভা অনুষ্ঠিত হয়। পশ্চিম অসমৰ দেশী জনগোষ্ঠীয় লোকসকলে বৰ্তমান কেন্দ্ৰীয় সমিতিৰ সভাপতি শ্বেইখ হেদায়তুল্ল্যাহৰ বলিষ্ঠ নেতৃত্বত নামনি অসমৰ কামৰূপ জিলাকে ধৰি অবিভক্ত গোৱালপাৰা দেশী অত্যধূষিত অঞ্চলসমূহত এক অভূতপূৰ্ব আলোড়নৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছে। তাৰ পৰিপ্ৰেক্ষিতত মঙলবাৰে অসমৰ বিজেপি মিত্ৰজোঁট চৰকাৰে জনগোষ্ঠীটোৰ উত্থানত যথেষ্ট ভূমিকা অৱলম্বন কৰিছে। মেন্দী পথাৰ আঞ্চলিক সমিতিৰ সভাপতি ছপিকুল হক বিশ্বাসে জনোৱা মতে, বিস্তৃত কাৰ্যসূচীৰ অন্তত বিয়লি অনুষ্ঠিত হয় মুকলি সভা। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি বক্তৃতা প্ৰদান কৰে গোৱালপাৰা জিলা সমিতিৰ সভাপতি নুৰবকত সেখ, সাধাৰণ সম্পাদক মফিয়াল ৰহমান, কেন্দ্ৰীয় সাংস্কৃতিক আহ্বায়ক আজমল হক, যুৱ মঞ্চৰ সভাপতি আফজল হুছেইন, জিলা সংস্কৃতিক সম্পাদক আয়ুব আলীৰ উপৰিও কেইবাজনো মঞ্চৰ শীৰ্ষ পৰ্যায়ৰ নেতৃবৰ্গই ভাষণ প্ৰদান কৰে। ভাষণ প্ৰসংগত কেন্দ্ৰীয় সাংস্কৃতিক আহ্বায়ক আজমল হকে কয় যে পশ্চিম অসমৰ অবিভক্ত গোৱালপাৰা জিলাত বসবাস কৰা দেশী জনগোষ্ঠীয় লোকসকলে কোনো প্ৰব্ৰজিত জনগোষ্ঠী নহয়, দেশী লোকসকলৰ আছে সাতামপুৰুষীয়া কৃষ্টি-সংস্কৃতিৰ। তেওঁ আৰু কয় যে অসমত দেশীসকলৰ শিপা বহুত তললৈ আছে, ইয়াৰ অস্তিত্ব খৰ্ব কৰাৰ একতিয়াৰ কাৰো নাই। সভাত আগন্তুক বৰ্ষৰ বাবে ফৰহাদ আলীক সভাপতি আৰু মনছেৰ আলীক সাধাৰণ সম্পাদক হিচাপে লৈ এখন শক্তিশালী সমিতি গঠন কৰে। সহস্ৰাধিক ৰাইজৰ উপস্থিতিত সভাখন অনুষ্ঠিত হয় বুলি উদ্যোগতাসকলে সাংবাদিকক জানিবলৈ দিয়ে।

# খাৰুপেটীয়াত গাঁওবুঢ়াৰ বিৰুদ্ধে বোৱাৰী নিৰ্যাতনৰ অভিযোগ

দৈনন্দিন বাৰ্তাৰ সেৱা, ধুলা, ২৮ ছেপ্টেম্বৰ ঃ ৰাজ্যত দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে নাৰী নিৰ্যাতনৰ ঘটনা। এইবাৰ খাৰুপেটীয়াত সংঘটিত হৈছে বোৱাৰী নিৰ্যাতনৰ ঘটনা। অভিযোগ মতে দৰঙৰ খাৰুপেটীয়া আৰক্ষী থানাৰ অন্তৰ্গত ১ নং কুঁৱৰী পুখুৰী গাঁৱৰ গাঁওবুঢ়া আজিমুদ্দিন আৰু তেওঁৰ পুত্ৰ হাছেন আলীয়ে দীৰ্ঘদিনৰ পৰাই শাৰীৰিক-মানসিক অত্যাচাৰ চলাই আহিছে বোৱাৰী মমতাজ বেগমৰ ওপৰত। খাৰুপেটীয়া আৰক্ষী থানাৰ অন্তৰ্গত বাঢ়ৈপাৰা গাঁৱৰ ৰমজান আলীৰ কন্যা মমতাজ বেগমৰ সৈতে প্ৰায় ১৩ বছৰ পূৰ্বে সামাজিকভাৱে বিবাহ সম্পন্ন হয় কুঁৱৰী পুখুৰী গাঁৱৰ আজিমুদ্দিনৰ পুত্ৰ হাছেন আলীৰ সৈতে। বিবাহ সম্পন্ন হোৱাৰ ৪ বছৰ পিছৰ পৰাই যৌতুক বিচাৰি বোৱাৰীগৰাকীৰ ওপৰত শাৰীৰিক-মানসিক নিৰ্যাতন চলাই আহিছে স্বামীৰ পৰিয়ালে। শহুৰ, শাহু আৰু স্বামীয়ে মিলি শাৰীৰিক নিৰ্যাতন চলাই কেইবাবাৰো ঘৰৰ পৰা উলিয়াই দিয়ে যদিও ৰাইজ মেলত নিজৰ ভুল স্বীকাৰ কৰি বোৱাৰীগৰাকীক ঘৰলৈ নি পুনৰ নিৰ্যাতন চলায়। বোৱাৰীগৰাকীৰ পিতৃৰ পৰিয়ালে ঘৰ নিৰ্মাণ কৰিবলৈ ৮০ হাজাৰ টকাৰ উপৰিও গৰু-ছাগলী আদি বিভিন্ন সা-সামগ্ৰী দিয়াৰ পিছতো বোৱাৰীগৰাকীৰ ওপৰত নিৰ্যাতন চলাই থকাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে নিৰ্যাতিতাৰ পৰিয়ালে। যোৱা শুকুৰবাৰে দুপৰীয়া গাঁওবুঢ়া আজিমুদ্দিনে বোৱাৰী মমতাজ বেগমক আক্ৰমণ কৰি আঘাত কৰাৰ লগতে প্ৰাণে মৰাৰ চেষ্টা কৰাৰ অভিযোগ। অৱশেষত খাৰুপেটীয়া আৰক্ষী থানাত খবৰ দিয়াত আৰক্ষীৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ বোৱাৰীগৰাকীক উদ্ধাৰৰ লগতে চিকিৎসা কৰি পিতৃৰ পৰিয়ালক চমজাই দিয়ে। ঘটনা সন্দৰ্ভত খাৰুপেটীয়া আৰক্ষী থানাত এজাহাৰ দাখিল কৰি ন্যায় বিচাৰৰ দাবী জনাইছে ভোক্তভোগী বোৱাৰীগৰাকীয়ে।

# ৰঙিয়াৰ বিশিষ্ট সমাজকৰ্মী পংকজ লহকৰৰ পৰলোকপ্ৰাপ্তি

দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ২৮ ছেপ্টেম্বৰ ঃ ৰঙিয়াৰ বিশিষ্ট সমাজকৰ্মী, অসম আন্দোলনৰ সক্ৰিয় কৰ্মী, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ প্ৰাক্তন সাধাৰণ সম্পাদক, অসম গণ পৰিষদৰ ৰঙিয়া জিলা সমিতিৰ প্ৰাক্তন সভাপতি তথা সাধাৰণ সম্পাদক, ৰঙিয়া জিলা ক্ৰীড়া সন্থাৰ উপ-সভাপতি, ৰঙিয়া টাউন ক্লাবৰ উপ-সভাপতি, ৰঙিয়া বাৰোৱাৰী দুৰ্গা পূজা (পুৰণি মণ্ডপ) সমিতিৰ সাধাৰণ সম্পাদক তথা ৰঙিয়া পৌৰসভাৰ প্ৰাক্তন উপ-পৌৰপতি পঙ্কজ লহকৰৰ ৬৮ বছৰ বয়সত সোমবাৰে আবেলি ৩.৫৫ বজাত পৰলোকপ্ৰাপ্তি ঘটে। সন্ধিয়াৰ ভাগত প্ৰয়াত লহকৰৰ নশ্বৰদেহ অসম গণ পৰিষদৰ ৰঙিয়াস্থিত কাৰ্যালয়লৈ নি অন্তিম শ্ৰদ্ধা জনোৱাৰ পিছত ৰঙিয়া পৌৰসভাৰ কাৰ্যালয়লতো বিষয়া কৰ্মচাৰী সকলে নশ্বৰদেহত মাল্যৰ্পণ কৰে। প্ৰয়াত লহকৰৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰি ৰঙিয়াৰ বিভিন্ন দল-সংগঠন, ব্যক্তি বিশেষে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জনায়। মৃত্যুৰ সময়ত তেখেতে পত্নীৰ লগতে এগৰাকী পুত্ৰ আৰু এগৰাকী কন্যা সন্তানক এৰি থৈ যায়। পিছত ৰঙিয়া ৰাজহুৱা শ্মশানত অন্ত্যেষ্টিক্ৰিয়া সম্পাদন কৰা হয়।

# বৰ্ধিত বিদ্যুৎ মাচুলক লৈ কংগ্ৰেছ দলৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি শিৱসাগৰ, ২৮ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলা কংগ্ৰেছৰ উদ্যোগত কালি শিৱসাগৰ নগৰৰ কালীবাৰিস্থিত অসম শক্তি বিতৰণ কোম্পানী লিমিটেড চমুকৈ এপিডিচিএলৰ কাৰ্যালয়ত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। সমগ্ৰ ৰাজ্যত ব্যাপক হাৰত বৃদ্ধি পোৱা বিদ্যুৎ মাচুলৰ ব্যৱস্থাক বিৰোধ কৰি জিলা কংগ্ৰেছৰ সভাপতি মঞ্জীৱ গগৈৰ নেতৃত্বত শিৱসাগৰ জিলা কংগ্ৰেছৰ সদস্য সকলে এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে নগৰৰ কংগ্ৰেছ ভৱনৰ পৰা এক প্ৰতিবাদী সমদল বাহিৰ কৰি শক্তি মন্ত্ৰী নন্দিতা গাৰলোচা, অসম চৰকাৰ তথা এপিডিচিএলৰ বিৰুদ্ধে শ্লোগান দি বিদ্যুৎ মাচুল বৃদ্ধিৰ জড়িয়তে ৰাইজক মাধমাৰ দিয়াৰ ব্যৱস্থা বন্ধ কৰিবলৈ জিলা কংগ্ৰেছে দাবী জনায়। প্ৰতিবাদী কাৰ্যসূচী ৰূপায়নৰ লগতে বিদ্যুৎ মাচুল হ্ৰাস কৰিবলৈ এক স্মাৰক পত্ৰ প্ৰদান কৰি সভাপতি গগৈয়ে কয় যে চৰকাৰে অসমৰ প্ৰায় ৬৫ লাখ বিদ্যুৎ গ্ৰাহকৰ পৰা বিগত মাহবোৰত জোৰজুলুমকৈ অত্যধিক বিদ্যুৎ মাচুল সংগ্ৰহ কৰি আহিছে। স্মাৰ্ট মিটাৰৰ নামত এক অবৈধ ব্যৱসায় কৰি এতিয়া চৰকাৰে লগতে বিভাগে বিদ্যুৎ মাচুল বৃদ্ধিৰ বিষয়টো গা এৰা দি এজনৰ পৰা আনজনলৈ ঠেলিছে। কিয় হঠাৎ এইদৰে তিনি-চাৰি গুণ বিদ্যুৎ মাচুল বৃদ্ধি কৰা হৈছে সেই বিষয়ত চৰকাৰ, শক্তি বিভাগ অথবা এপিডিচিএলৰ হাতত কোনো স্পষ্ট উত্তৰ নাই। সেয়েহে কংগ্ৰেছ দলে এনে অবৈধ মাচুল ব্যৱস্থা বন্ধ কৰিবলৈ আজিৰ প্ৰতিবাদী কাৰ্যসূচীৰ জড়িয়তে চৰকাৰক দাবী জনায়।

## দুৰ্গা পূজাত পুৰস্কাৰ ঘোষণা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডুমডুমা, ২৮ ছেপ্টেম্বৰ ঃ** আগন্তুক দুৰ্গা পূজা উদযাপন সন্দৰ্ভত আলোচনা কৰাৰ অৰ্থে কালি ডুমডুমা ৰাজহ চক্ৰৰ অধীনস্থ দুৰ্গাপূজা সমিতিসমূহৰ মুল বিষয়ববীয়া সকলক লৈ ডুমডুমাৰ ৰাজহ চক্ৰ বিষয়া ৰমনময় ভৰদ্বাজৰ সঞ্চালনাত স্থানীয় মাৰোৱাৰী পঞ্চায়তী ভৱনত এখন সভা অনুষ্ঠিত হয়। সেই সভাতে ৰাজহ চক্ৰ বিষয়াগৰাকীয়ে ঘোষণা কৰে যে ডুমডুমা ৰাজহ চক্ৰৰ অন্তৰ্গত পূজা সমিতিসমূহৰ ভিতৰত ছটা বিষয়ত শ্ৰেষ্ঠ নিৰ্বাচিত হোৱা ক্ৰমে পূজা, প্ৰতিমা, মণ্ডপ, সাজসজ্জা, প্ৰতিমা বিসৰ্জন আৰু শৃঙ্খলাবদ্ধতা বিষয়ত পুৰস্কাৰ প্ৰদান কৰা হ'ব। এই বিশেষ পুৰস্কাৰসমূহৰ ভিতৰত এটা ডুমডুমা চেম্বাৰ্চ অৱ কমাৰ্চে, তিনিটা ৰাজকুমাৰ গাৰোদিয়াই তেওঁলোকৰ স্বৰ্গীয় পিতৃ-মাতৃৰ সোঁৱৰণত আৰু দুটা অৰুণজ্যোতি ডেকাই তেওঁলোকৰ স্বৰ্গীয় পিতৃ-মাতৃৰ সোঁৱৰণত দিব বুলি সভাখনতে ঘোষণা কৰাত সমজুৱাসকলে দাতাসকলক ধন্যবাদ জ্ঞাপন কৰে। ৰাজহ চক্ৰ বিষয়াগৰাকীয়ে তিনিচুকীয়া জিলা উপায়ুক্তৰ আহ্বানত যোৱা ১৩ ছেপ্টেম্বৰত তেখেতৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাখনত আলোচিত পূজাৰ দিনকেইটাত পূজা সমিতিসমূহে মানিবলগীয়া ২৬ টা দফাযুক্ত কাৰ্যবিবৰণীখন আজিৰ সভাখনত পাঠ কৰি শুনায় আৰু অতি সুকলমে দুৰ্গাপূজা যাতে সম্পন্ন হয় তাৰ প্ৰতি বিশেষ দৃষ্টি দিবলৈ চক্ৰটোৰ অধীনৰ পূজা সমিতিসমূহক অনুৰোধ জনায়। আজিৰ সভাখনত ৰাজহ চক্ৰ বিষয়া(সংলগ্ন) সুৰঞ্জিতা শৰ্মা, তিনি আৰক্ষী থানাৰ প্ৰভাৰী ক্ৰমে ডুমডুমাৰ দিব্যজ্যোতি দত্ত, কাকপথাৰৰ নবীন চেতিয়া আৰু ধলাৰ প্ৰমোদ দত্ত, ডুমডুমাৰ সমাজকৰ্মী অৰ্জুন বৰুৱা, চেম্বাৰ্চ অৱ কমাৰ্চৰ সভাপতি কিষনলাল পাৰিক, যুৱকৰ্মী দিলীপ প্ৰসাদ আদিয়ে বক্তব্য আগবঢ়াই নানা পৰামৰ্শ দিয়ে। জিলাৰ উপায়ুক্তই পূজামণ্ডপসমূহ নিশা ১০ বজাত বন্ধ কৰাৰ নিৰ্দেশ জাৰি কৰা বিষয়টো পুনঃ বিবেচনা কৰিবলৈ সভাত উপস্থিত থকা সকলো পূজা সমিতিয়ে অনুৰোধ জনাইছে।



## ছিপাঝাৰত নাগাৰা নামৰ ৪ শিল্পীক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২৮ ছেপ্টেম্বৰ ঃ** দৰঙী নাগাৰা নামক শুদ্ধ ৰূপত পৰিৱেশন কৰি জনপ্ৰিয় কৰি তোলা নাগাৰা নামৰ বিশিষ্ট পাঠক মোহন ভাইৰা বঁটাপ্ৰাপক ৰামচৰণ ভৰালী নাগাৰা নাম শিৰোমণি বঁটাপ্ৰাপক কৈলাস তালুকদাৰ, দৰঙী শিৰোমণি বঁটাপ্ৰাপক দুলুৰাম বড়ো আৰু প্ৰবীণ নাগাৰা বাদক হৰেকৃষ্ণ গোস্বামীক কালি দৰঙী কলাকৃষ্টি উন্নয়ন সংঘত আয়োজিত এক অনুষ্ঠানত উষ্ম সম্বৰ্ধনা জনোৱা হয়। ছিপাঝাৰ শংকৰ মাধৱ নাগাৰা নাম দলৰ সৌজনত আৰু জনপ্ৰিয় যুৱ পাঠক সুভাষ নাথৰ তত্ত্বাৱধানত গুৰু বন্দনাৰে আৰম্ভ হোৱা অনুষ্ঠানটিত উপস্থিত থাকি চাৰিওগৰাকী জ্যেষ্ঠ শিল্পী অভিভূত হৈ পৰে। দৰঙী কলাকৃষ্টি উন্নয়ন সংঘৰ সাধাৰণ সম্পাদক নৰকুমাৰ শইকীয়াই আদৰণী বক্তব্য দাঙি ধৰা তথা সংঘৰ সভাপতি কুলেন্দ্ৰ নাথ ডেকাই সঞ্চালনা কৰা সভাখনত ছিপাঝাৰ জনতা মহাবিদ্যালয়ৰ অধ্যক্ষ হৰেন ডেকাই পাঠক সুভাষ নাথ আৰু ৰিতুস্মিতা তালুকদাৰৰ 'ইৰাবানৰ জন্ম' কাহিনীৰ এটা নাগাৰা নামৰ শ্ৰব্য সংকলন উন্মোচন কৰে। ছিপাঝাৰ সাহিত্য সভাৰ সভাপতি চন্দ্ৰকান্ত নাথ, বিষ্ণু ৰাভা বঁটাপ্ৰাপক লোকশিল্পী দ্ৰোণ ভূঞা, নাগৰু দেৱেশ্বৰ শৰ্মা উপস্থিত থকা অনুষ্ঠানটিত সম্বৰ্ধনা গ্ৰহণ কৰি দৰঙত জন্ম হোৱা নাগাৰা নাম ক্ৰমাগতভাৱে ধ্বংসৰ ফালে ধাৱিত হোৱা বুলি আক্ষেপ প্ৰকাশ কৰি এই নাগাৰা নামক শুদ্ধ ৰূপত ধৰি ৰাখিবলৈ দৰঙী কলাকৃষ্টি উন্নয়ন সংঘক সম্বৰ্ধিত চাৰিওগৰাকী শিল্পীয়ে মুকলি আহবান জনায়।

# ফল-মূল, শাক-পাচলি খাই থাকিলে শৰীৰ সুস্থ হৈ থাকে ঃ কবিতা কাকতি কোঁৱৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম যোৰহাট, ২৮ ছেপ্টেম্বৰ ঃ** 'ফল-মূল আৰু শাক-পাচলি খাই থাকিলে শৰীৰ সুস্থ হৈ থাকে।' ৰাষ্ট্ৰীয় পোষণ মাহৰ লগত সংগতি ৰাখি সংহত শিশু উন্নয়ন উত্তৰ-পশ্চিম যোৰহাট প্ৰকল্পই খণ্ডটোৰ এলেকাভুক্ত অংগনৱাড়ী কেন্দ্ৰসমূহৰ সহযোগত ৪৫নেং পশ্চিম সৰুচৰাই গাঁও পঞ্চায়তৰ কাৰ্যালয়ৰ সভাকক্ষত ২৭ ছেপ্টেম্বৰত অনুষ্ঠিত কৰা গৃহিণী, কিশোৰী, পঞ্চায়তৰ ৰাজহুৱা সজাগতা সভাত অংশগ্ৰহণ কৰি এনেদৰে কয় যোৰহাটৰ অতিৰিক্ত উপায়ুক্ত (স্বাস্থ্য, সমাজ কল্যাণ) কবিতা কাকতি কোঁৱৰে। স্থানীয় বিধায়কৰ হৈ মনোৰঞ্জন গগৈয়ে বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি প্ৰকল্প বিষয়া মনোৰমা বৰদলৈয়ে কয়, ২০১৮ চনৰ পৰা প্ৰতিবছৰে ছেপ্টেম্বৰ মাহটো ৰাষ্ট্ৰীয় পোষণ মাহ ৰূপে দেশত পালন কৰি অহা হৈছে। পঞ্চম বৰ্ষৰ পোষণ মাহৰ লগত সংগতি ৰাখি ১ ছেপ্টেম্বৰৰ পৰা প্ৰতিদিনেই ক্ৰমে, গছপুলি ৰোপণ, পোষণ ভাটিকা, সজাগতা সমদল, কিশোৰীক সজাগ, গৰ্ভৱতী মহিলাই খাবলগীয়া খাদ্য প্ৰস্তুত, এনিমিয়াৰ সজাগতা, পৰীক্ষণ আৰু চিকিৎসা কৰোঁৱাৰ লগতে অন্যান্য কাৰ্যসূচী ৰূপায়ন কৰা হৈছে। এই স্থানত পুষ্টিৰ প্ৰদৰ্শনী, মহিলা, কিশোৰী, ৰাইজক সজাগ-সচেতন কৰাৰ উদ্দেশ্যে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। যোৰহাটৰ সহকাৰী আয়ুক্ত পৰিণীতা চক্ৰৱৰ্তীয়ে এগৰাকী গৰ্ভৱতী প্ৰষূতি মাতৃৰ লগতে কিশোৰী আৰু শিশুসকলৰ দৈনিক খাদ্যাভ্যাস আৰু কৰণীয়ৰ সম্পৰ্কে ৰাইজক বুজাই দিয়ে। সৰুচৰাই চাহ বাগিচা আদৰ্শ বিদ্যালয়ৰ অধ্যক্ষ প্ৰসাধন শৰ্মাই এই উদ্দেশ্যে উলিওৱা শোভাযাত্ৰা উদ্বোধন কৰে। সমদলৰ অন্তত অনুষ্ঠিত সভাত পুৰণিমাটি চিকিৎসালয়ৰ ৰাজীৱ শইকীয়া, তিতাবৰৰ শিক্ষক প্ৰদীপ কুৰ্মীয়ে বক্তব্য আগবঢ়ায়। কাকজান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা অৰ্চনা ভট্টাচাৰ্যই নিৰ্দিষ্ট বিষয়ত বক্তব্য আগবঢ়োৱা সভাখনত স্থানীয় পঞ্চায়তৰ সভাপতি প্ৰশান্ত বৰা, আঞ্চলিক সদস্য জ্যোতি বৰা, গোট সদস্যসকল, পশ্চিম যোৰহাট সাংবাদিক সংস্থাৰ সভাপতি ৰমেন শইকীয়া প্ৰমুখ্যে ভালেকেইগৰাকীয়ে বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে। প্ৰকল্পটোৰ অধীনস্থ মুখ্য সেৱীকাসকল, অঙ্গনৱাড়ী কেন্দ্ৰৰ কৰ্মী-সহায়িকাসকলৰ লগতে কাৰ্যালয়ৰ অচ্যুত কৃষ্ণ গগৈ, সুদৰ্শনা শইকীয়া আৰু স্থানীয় ভালেসংখ্যক লোক উপস্থিত থকা সভাখনৰ আঁত ধৰে মুখ্য সেৱিকা ৰূপামণি বৰা আৰু সুমিত্ৰা চুতীয়াই। ৰন্ধন প্ৰতিযোগিতাত প্ৰথম স্থান প্ৰাপ্ত বন্দনা বৰা, দ্বিতীয় স্থান প্ৰাপ্ত মনালিছা শইকীয়া, তৃতীয় স্থান প্ৰাপ্ত মামনি বৰাক বিশিষ্ট অতিথিসকলে মানপত্ৰসহ পুৰস্কাৰ প্ৰদান কৰে। অন্যান্য প্ৰতিযোগিতাত স্থান প্ৰাপ্ত সকলক পুৰস্কাৰ প্ৰদান কৰে সুমিত্ৰা চুতীয়াই। এই উদ্দেশ্যে পুৱাৰে পৰা অনুষ্ঠিত সাংস্কৃতিক অনুষ্ঠানত ৰাষ্ট্ৰীয় পোষণ মাহৰ লগত সংগতি ৰাখি প্ৰস্তুত কৰা নৃত্য-গীত, দিহানাম আদি পৰিৱেশন কৰে অঙ্গনৱাড়ী কেন্দ্ৰসমূহৰ কৰ্মী-সহায়িকা আৰু জড়িত লোকসকলে। উল্লেখ্য পঞ্চম বাৰ্ষিক ৰাষ্ট্ৰীয় পোষণ মাহৰ সামৰণি অনুষ্ঠান ৩০ ছেপ্টেম্বৰত সমগ্ৰ জিলা, ৰাজ্যৰ লগতে দেশত সামৰণি পৰিব।

## শ্ৰীমন্ত শংকৰ মিছন অন্ধ উচ্চ মাধ্যমিক বিদ্যালয়ৰ ৬৭সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৮ ছেপ্টেম্বৰ ঃ** উত্তৰ-পূৰ্ব ভাৰতৰ অন্যতম মানৱ সেৱাৰ অনুষ্ঠান শ্ৰীমন্ত শঙ্কৰ মিশ্যানৰ উদ্যোগত ১৯৬৮ চনত প্ৰতিষ্ঠা কৰা বড়মপুৰস্থিত শ্ৰীমন্ত শঙ্কৰ মিশ্যান অন্ধ উচ্চ মাধ্যমিক বিদ্যালয়ৰ ৬৭ সংখ্যক প্ৰতিষ্ঠা দিৱসটি দিনযোৱা কাৰ্য্যসূচীৰে আজি অনুস্থিত হৈ যায়। এই উপলক্ষে বিদ্যালয় প্ৰাঙ্গণত পুৱা চাফাই কাম, গছপুলি ৰোপণ, পতাকা উত্তোলন কাৰ্য্যসূচী সমাপন কৰাৰ পাছত বিয়লি ২-০০ বজাত মিশ্যনৰ নগাঁৱস্থিত মুখ্য কাৰ্য্যালয়ৰ লোকসেৱক হলধৰ ভূঞা সভাগৃহত মুকলি সভাখন অনুষ্ঠিত হৈ যায়। শ্ৰীমন্ত শঙ্কৰ মিশ্যানৰ সভাপতি প্ৰেমেশ্বৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাখনত উদ্দেশ্য ব্যাখ্যা কৰে মিশ্যনৰ যুটীয়া সম্পাদক প্ৰদীপ কুমাৰ শঞ্জইকীয়াই। শ্ৰীমন্ত শঙ্কৰ মিশ্যানৰ সাধাৰণ সম্পাদক বল্লদেৱ শৰ্ম্মাই আঁতধৰা সভাখনৰ আৰম্ভণিতে এটি দেশ প্ৰেমমূলক গীত পৰিবেশন কৰে মিশ্যনৰ বালভৱনৰ ট্ৰেন মীনাপ্ৰভা বৰাই। সভাত বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে বিশিষ্ট ক্ৰীড়া সংগঠক,অৱসৰপ্ৰাপ্ত শিক্ষক শশীন্দ্ৰ দেৱ মহন্ত আৰু শ্ৰীমন্ত শঙ্কৰ মিশ্যানৰ প্ৰাক্তন উপসভানেত্ৰী মাধন শঞ্জইকীয়াই। সভাত শ্ৰীমন্ত শঙ্কৰ মিশ্যানৰ সদস্য, বিশিষ্ট সমাজকৰ্ম্মী পল্লৱ বৰুৱা, ইন্দ্ৰমোহন বৰা, মুক্তি বৰা, ফনীধৰ বেজবৰুৱা, দিলীপ কুমাৰ বৰা আৰু হীৰণ্য বল্লভ গোস্বামীয়ে অংশ গ্ৰহণ কৰে। সভাত বিদ্যালয়খনৰ ছাত্ৰী একাদশী মণ্ডলে গীত পৰিবেশন কৰি সকলোকে মোহিত কৰে। পুৱা পতাকা উত্তোলন কৰে শ্ৰীমন্ত শঙ্কৰ মিশ্যানৰ সভাপতি প্ৰেমেশ্বৰ দাসে। শ্ৰদ্ধাঞ্জলি কাৰ্য্যসূচী শোভাৰম্ভ কৰে সমাজ সেৱিকা মাধন শঞ্জইকীয়াই আৰু বিদ্যালয়ৰ প্ৰতিষ্ঠাপক সভাপতি লোকসেৱক হলধৰ ভূঞা আৰু সম্পাদক ডাঃ ললিত কুমাৰ বৰুৱাৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে মিশ্যনৰ যুটীয়া সম্পাদক প্ৰদীপ কুমাৰ শঞ্জইকীয়া আৰু বিদ্যালয়খনৰ প্ৰধান শিক্ষয়িত্ৰী গুণ বৰাই। জাতীয় সংগীতেৰে সামৰণি পৰা সভাখনৰ অন্তত শলাগৰ শৰাই আগবঢ়াই যুটীয়া সম্পাদক প্ৰদীপ শঞ্জইকীয়াই।

## খুমটাই জয়া গগৈ কলেজত 'ৰাষ্ট্ৰীয় পুনিত সাগৰ কাৰ্যসূচী' ৰূপায়ন

**দৈনন্দিন বাৰ্তা সেৱা খুমটাই, ২৮ ছেপ্টেম্বৰ ঃ** খুমটাই জয়া গগৈ কলেজত ইয়াৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীগোটৰ উদ্যোগত কালি 'ৰাষ্ট্ৰীয় পুনিত সাগৰ অভিযান' উপলক্ষে মহাবিদ্যালয়ৰ চৌহদৰ লগতে একে চৌহদতে অৱস্থিত মীনপালনৰ বাবে ব্যৱহৃত পুখুৰীৰ চাৰিওকাষে এক চাফাই কাৰ্যসূচীৰ লগতে তাত ইতিমধ্যে ৰোপণ কৰা বহুবিধ বহুমূলীয়া গছপুলিৰ উপযুক্ত যতনৰ বাবে পদক্ষেপ হাতত লোৱা হয়। মহাবিদ্যালয়খনিৰ সংশ্লিষ্ট বাহিনী গোটৰ তত্ত্বৱধায়ক ড° জয়ন্ত ভট্টাচাৰ্যই উদ্বোধন কৰা এই 'চাফাই আৰু 'পুনিত সাগৰ অভিযান'ৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়াই চিনিয়ৰ কেডেট হীৰকজ্যোতি গগৈয়ে। কলেজ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী গোটৰ প্ৰায় ২৫ গৰাকী কেডেটে সক্ৰিয় সেৱা আগবঢ়োৱা এনে সুদূৰপ্ৰসাৰী পদক্ষেপক মহাবিদ্যালয় পৰিয়ালৰ লগতে স্থানীয় সচেতন মহলে শলাগ লৈছে।



## ভাটিগাঁৱত ৰাষ্ট্ৰীয় পোষণ মাহৰ সজাগতা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ২৮ ছেপ্টেম্বৰ ঃ** শিশু, কিশোৰী, গৰ্ভৱতী আৰু প্ৰসুতি মহিলাৰ পুষ্টিহীনতা দূৰ কৰি সুস্হ আৰু সবল কৰি তোলাৰ লক্ষৰে আৰম্ভ কৰা ৰাষ্ট্ৰীয় পোষণ মাহৰ অংশহিচাপে আজি অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ ৰহা সংহত শিশু উন্নয়ন প্ৰকল্পৰ এখন পোষণ সজাগতা সভাৰ আয়োজন কৰা হয়। প্ৰকল্পটোৰ অধীনত থকা সুকুমাৰী প্ৰাথমিক বিদ্যালয়ৰ চৌহদত থকা কেন্দ্ৰত আয়োজিত এই সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰি অংগনবাদী কৰ্মী সাবিত্ৰী মেধিয়ে পোষণ অভিযানৰ ওপৰত এক আলোকপাত কৰে।সভাখনত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি ৰহা সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া ডিম্বেশ্বৰ মহন্তই শিশু, কিশোৰ, মহিলাৰ পুষ্টিহীনতা দূৰ কৰাৰ বাবে লবলগীয়া যতন তথা স্বাস্থ্যসন্মত নীতি নিয়মৰ ওপৰত বিশদভাৱে আলোকপাত কৰি মাতৃগৰাকী সুস্হ সবল হলেহে পৰিয়ালটো সুস্হ হোৱাটো সম্ভৱ হয় বুলি কয়। কপিলী সংহত শিশু উন্নয়ণ প্ৰকল্প বিষয়া মল্লিকা চমুৱা, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ৰহা আঞ্চলিকৰ সম্পাদকনিলোৎপল হাজৰিকা, সাংবাদিক বুলন চন্দ্ৰ নাথ, পলাশ হাজৰিকা আদি উপস্থিত থাকি শিশু, কিশোৰী, গৰ্ভৱতী আৰু প্ৰসুতি মহিলাসকলৰ স্বাস্থ্যজনিত সমস্যাৰ সমাধানৰ ওপৰত বক্তব্য প্ৰদান কৰে। পোষণ সজাগতা উপলক্ষে পুষ্টিকৰ খাদ্য আৰু ভিটামিন যুক্ত আহাৰৰ ওপৰত এখন প্ৰদৰ্শনীও সাংবাদিক বুলন চন্দ্ৰ নাথে মুকলি কৰে।


## মৰিগাঁও জিলাৰ লাহৰীঘাটত সংঘটিত হৈছে ভয়ংকৰ ঘটনা

### ড্ৰাগ্‌ছ সেৱন কৰি যুৱকৰ মৃত্যুৰ সন্দেহ ৰাইজৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৮ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট থানাৰ অন্তৰ্গত কাঠনিত সংঘটিত হৈছে এক ভয়ংকৰ ঘটনা। ড্ৰাগছ সেৱন কৰি এজন যুৱকৰ মৃত্যু হোৱা বুলি স্হানীয় ৰাইজৰ সন্দেহ। হাতত বেজী আৰু ড্ৰাগছৰ খালি কৰ্ণেনাৰ সহ উদ্ধাৰ এজন যুৱকৰ মৃতদেহ ।আজি পুৱা কাঠানী গাওঁ পঞ্চায়তৰ বাৰাগুাত স্থানীয় ৰাইজে প্ৰত্যক্ষ কৰে যুৱক জনৰ মৃতদেহ। মৃত্যু যুৱকজন কাঠনী ব্ৰিজ ফাৰ্মৰ আশ্ৰাফুল ইছলাম বুলি জানিব পৰা গৈছে। উল্লেখযোগ্য যে ড্ৰাগছৰ বিৰুদ্ধে মৰিগাঁও আৰক্ষীয়ে বিভিন্ন সময়ত অভিযান চলাই আহিছে যদিও আজিও ড্ৰাগছৰ পৰা মুক্ত হোৱা নাই মৰিগাঁও জিলাৰ লাহৰীঘাট। লাহৰীঘাট আৰক্ষীয়ে মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ বাবে মৰিগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

## ব্ৰহ্মপুত্ৰ আবদ্ধ যাত্ৰীবাহী ফেৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, নামনি মাজুলী, ২৮ ছেপ্টেম্বৰ ঃ** মাজুলী নিমাতী ফেৰী সেৱাত এটাৰ পাছত আন এটা ঘটনা সংঘটিত হৈ আহিছে। কালি ব্ৰহ্মপুত্ৰৰ বালি চৰত আবদ্ধ হৈ ৰল যাত্ৰীবাহী ফেৰী এম ভি লোহিত। ঘটনা অনুসৰি বিয়লি ৩.৩০ বজাত নিমাতী ঘাটৰ পৰা কমলাবাৰী অভিমুখে আহি থকা অৱস্থাত হঠাৎ বালি চৰত লাগি আবদ্ধ হৈ পৰে যাত্ৰীবাহী ফেৰী খন। আভ্যন্তৰীণ জল পৰিবহণ বিভাগৰ এই ফেৰী খন বালি চৰত লাগি যোৱাত ফেৰী খনৰ কৰ্মচাৰী আৰু গুৰিয়ালে আবদ্ধ ফেৰীখন বালি চৰৰ পৰা উলিয়াই নিবৰ বাবে চেষ্টা কৰে যদিও বিফল হয়। ফেৰীখনত প্ৰায় শতাধিক যাত্ৰীসহ বহুকেইখন দুচকীয়া বাহন আছিল। মাজুলীৰ পৰা যোৱা এছ ডি আৰ এফ বাহিনীয়ে ফেৰীত আবদ্ধ যাত্ৰীসকলক উদ্ধাৰৰ অভিযান অব্যাহত ৰাখিছে। জল পৰিবহণ বিভাগৰ বিষয়াসহ অন্য ফেৰিও যাত্ৰীসকলক উদ্ধাৰৰ বাবে ৰাওনা হৈছে। মাজুলী জিলা প্ৰশাসনৰ তৎপৰতাত ফেৰীখনত আৱদ্ধ হৈ থকা যাত্ৰীসকলক নিৰাপদে উদ্ধাৰ কৰিবলৈ সক্ষম হয়। উল্লেখযোগ্য যে এইয়াই প্ৰথম নহয় নিমাতী মাজুলী ফেৰীত আগতেও এনে ধৰণৰ অঘটনা সংঘটিত হৈ আহিছে। মাজুলীবাসীৰ এতিয়া এটাই দাবী মাজুলী যোৰহাট সংযোগী দলঙৰ নিৰ্মাণৰ কাম শীঘ্ৰে খৰতকীয়া কৰক ।মুখ্যমন্ত্ৰীয়ে দলং খনৰ নিৰ্মাণৰ কাম শুভাৰম্ভনী কৰি মাজুলী বাসীৰ আগত চাৰি বছৰত নিৰ্মাণ কাৰ্য সম্পূৰ্ণ কৰা হব বুলি দিয়া প্ৰতিশ্ৰুতি পূৰণ কৰাক বুলি দাবী তুলিছে।



## মহামায়া বগৰীবাৰীত হিৰোইনসহ যুৱক আটক

দৈনন্দিন বাৰ্তাৰ সেৱা গৌৰীপুৰ, ২৭ ছেপ্টেম্বৰ ঃ- পৰ্বতঝোৰাৰ মহামায়াত হিৰোইন সহ এজনক গ্ৰেপ্তাৰ কৰি জেল হাজতলৈ প্ৰেৰণ কৰে আৰক্ষীয়ে। শেহতীয়াকৈ বি টি আৰৰ কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ বগৰীবাৰী আৰক্ষীয়ে এজন যুৱকক হিৰোইন সহ গ্ৰেপ্তাৰ কৰে। যুৱক জনৰ ঘৰ কাজিগাঁও আৰক্ষী থানাৰ অন্তৰ্গত আলমগঞ্জ নিকটবৰ্তী দামপুৰ দ্বিতীয় খণ্ড গাঁৱৰ নবিউৰ ৰহমানৰ পুত্ৰ মপিউল হক (২৪) বুলি জানিব পৰা গৈছে। উল্লেখ্য যে এক গোপন সূত্ৰৰ পমখেদি বগৰীবাৰী আৰক্ষীয়ে মহামায়া গেটৰ পৰা উক্ত যুৱকজনক গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে যুৱক জনৰ পৰা ৬.০০৯ গ্ৰাম হিৰোইন জব্দ কৰিবলৈ সক্ষম হয় বুলি আৰক্ষী সূত্ৰে প্ৰকাশ। বগৰিবাৰী আৰক্ষীয়ে যুৱকজনক কোকৰাঝাৰ জিলাৰ জেল হাজোত লৈ প্ৰেৰণ কৰে।

## হাজো সংহত শিশু বিকাশ প্ৰকল্পৰ কুলহাটী, চেঁচা, জাপিয়া, দামপুৰত ৰাষ্ট্ৰীয় পোষণ মাহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২৮ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ অন্তৰ্গত হাজোৰ কুলহাটী পাচগাওঁ পঞ্চায়তৰ কাৰ্যলয়ত অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ অন্তৰ্গত হাজো সংহত শিশু বিকাশ প্ৰকল্পৰ অধীনত কুলহাটী,চেঁচা,জাপিয়া,দামপুৰ চাৰিটাকৈ চক্ৰ ক্ৰমে ১৬,৫,১১,আৰু ৭ নং চক্ৰৰ সৌজন্যত ৰাষ্ট্ৰীয় পোষন মাহ ২০২২ " উদযাপন কৰা হ'য়। সেই অনুসৰি মুখ্য সেৱিকা নমিতা ডেকাই আঁত ধৰা এখনি সজাগতা সভা সম্পণ্ণ কৰা হ'য়।সভাত শিশু-কিশোৰী সকলৰ বিকাশৰ ক্ষেত্ৰত লব লগা যতন, পৰিষ্কাৰ পৰিচ্ছন্নতা মানি চলা, আইৰন সেৱন,প্ৰেৰণ সেৱা ,এনিমিয়া ৰোধ কৰা,আদি বিভিণ্ণ বিষয়ৰ ওপৰত গৰ্ভৱতী শিশু প্ৰসূতি মাতৃসকলক সজাগ কৰাৰ উদ্দেশ্যে সাৰুৱা বক্তব্য দাঙি ধৰে হাজো সংহত শিশু উণ্ণয়ন প্ৰকল্প বিষয়া ডঃ নছিউৰ ৰহমানে।তদুপৰি সভাত, বাটৰ নাট,শোভাযাত্ৰা,পোষন মেলা,ন-বোৱাৰী আদৰনি আদি কাৰ্যসূচীওঁ প্ৰদৰ্শন কৰা হৈছে। সজাগতামূলক সভাখনত মুখ্য সেৱিকা নিলুফাৰ ইয়াছমিন আহমেদ,ৰিংকু দাস ,চাফিনা ইয়াছমিন,চাৰ্য ঠাকুৰীয়া, পঞ্চায়ত সচীব দীপেন্দ্ৰ কুমাৰ কাকতি, অৱসৰী শিক্ষয়ত্ৰী সাৰদা ডেকা, সমাজ সেৱিকা পুতুলী মহন্ত,গাওঁবুঢ়া ৰাতুল কলিতাকে প্ৰমুখ্যে সংহত শিশু বিকাশ প্ৰকল্পৰ অধীনস্থ কুলহাটী, চেঁচা, জাপিয়া, দামপুৰ চাৰিটাকৈ চক্ৰৰ ৮৫ টা অংগনবাড়ী কেন্দ্ৰৰ প্ৰায় শতাধিক কৰ্মী সহায়িকা, আশাকৰ্মী, এএনএম তথা অঞ্চলটোৰ ৰাইজ উপস্থিত থাকে।

## যোৰহাট থিয়েটাৰৰ শাৰদীয় নাট্য নিবেদন 'পায়েঙৰ পানচৈ'

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম যোৰহাট, ২৮ ছেপ্টেম্বৰ ঃ** যোৰহাট থিয়েটাৰে শাৰদীয় পৰম্পৰা ৰক্ষা কৰি প্ৰতি বছৰৰ দৰে এইবাৰো নাট্যকাৰ প্ৰশান্ত কটকীৰ ৰচনা আৰু পবিত্ৰ বৰুৱা পৰিচালনাত যোৰহাটৰ ঐতিহাসিক যোৰহাট থিয়েটাৰ হলত অহা ৬ আৰু ৭ অ'ৌবৰত মঞ্চস্থ কৰিব "পায়েঙৰ পানচৈ" শীৰ্ষক এখন নাটক। উল্লেখ্য যে অৰণ্য মানৱ পদ্মশ্ৰী যাদৱ পায়েঙৰ জীৱন আৰু আবিষ্কাৰৰ বিষয়বস্তু লৈ লেখক তথা সাংবাদিক জিতু কলিতাই ২০১৪ চনত গুৱাহাটী চন্দ্ৰ প্ৰকাশৰ দ্বাৰা প্ৰকাশ কৰি উলিওৱা গ্ৰন্থ "অৰণ্য মানৱ পদ্মশ্ৰী ডঃ যাদৱ পায়েঙ" শীৰ্ষক গ্ৰন্থখনৰ আধাৰত নাটকখন মঞ্চস্থ হ'ব। নাটকখনত মুঠ ছয়জন শিল্পীয়ে অভিনয়ৰে নাট্যৰূপত কেনেকৈ সাংবাদিক জিতু কলিতাই সকলো দুখ-কষ্ট অতিক্ৰম কৰি ব্ৰহ্মপুত্ৰৰ মাজৰ জনশূন্য স্থানৰ পৰা যাদৱ পায়েঙক আবিষ্কাৰ কৰিছিল সেই সম্পৰ্কে সুন্দৰকৈ প্ৰদৰ্শন কৰিব। জিতু কলিতৰ যাদৱ পায়েঙৰ জীৱন সম্পৰ্কীয় এই গ্ৰন্থখন ইতিমধ্যো বহু বিদেশী ভাষলৈ অনুবাদ হৈ সমাদৰ লাভ কৰিছে। জানিব পৰা মতে পায়েঙৰ জীৱন সম্পৰ্কীয় এই গ্ৰন্থখনৰ বিষয়বস্তু বলিউদৰ (হিন্দী) বোলছবি এখনৰ বাবেও চুক্তিবদ্ধ হৈছে। যোৰহাটবাসী ৰাইজে এইবাৰ শাৰদীয় বতৰত 'পায়েঙৰ পানচৈ" চাবলৈ ইচ্ছুক সকলে ন্যুনতম নিৰিখত টিকট আগতীয়াকৈ ক্ৰয় কৰিবলৈ যোৰহাট থিয়েটাৰৰ উদ্যোক্তাসকলে আহবান জনাইছে।

## হাজোৰ কুলহাটীত সদৌ অসম ভিত্তিত দিহানাম প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২৮ ছেপ্টেম্বৰ ঃ** কুলহাটী ৰাইজৰ উদ্যোগত শতবাৰ্ষিকী দুৰ্গোৎসৱ ভাগ এইবেলি বিস্তৃত কাৰ্য্যসূচীৰে এঘাৰ দিনীয়াকৈ শুভাৰম্ভ হৈছে। তদুপলক্ষে প্ৰথম দিনা কুলহাটী দুৰ্গা মন্দিৰ চৌহদৰ পৰা উলিওৱা হ'য় এক বিশাল বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা। দ্বিতীয়া দিনা সদৌ অসম ভিত্তিক আধুনিক নৃত্য প্ৰতিযোগিতা, আজি তৃতীয় দিনা অসম ভিত্তিক দিহানাম প্ৰতিযোগিতা, চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিতৰে শিশুৰ পৰা বৃদ্ধলৈ সকলোৰে সহযোগিতা আগবঢ়োৱা বুলি উল্লেখ কৰে পূজা পৰিচালনা সমিতিৰ সাংস্কৃতিক বিভাগৰ সভাপতি মনোজ ভড়ালীয়ে। সমান্তৰালভাৱে নৱৰাত্ৰি উপলক্ষে দেৱীৰ ব্ৰহ্মচাৰিনী পূজা, শৈলপুত্ৰী পূজা ও আয়তীৰ নাম প্ৰসংগৰে এক আধ্যাত্মিক উখল মাখল পৰিৱেশৰ সৃষ্টি হ'য় পূজাস্থলীত।

# মৰাণ মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ মিলন সমাৰোহ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২৮ ছেপ্টেম্বৰ ঃ** যোৱা ২৪ আৰু ২৫ ছেপ্টেম্বৰত ঐতিহ্যমণ্ডিত মৰাণ মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ ন-পুৰণি ছাত্ৰ ছাত্ৰীৰ মিলন সমাৰোহখনি দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। ১৯৯০ চনত স্বীকৃতি লাভ কৰা মৰাণ মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ কেইবা শতাধিক ছাত্ৰ ছাত্ৰীক একেলগ কৰাৰ মানসেৰে প্ৰথমবাৰৰ বাবে মৰাণ মহাবিদ্যালয় শিক্ষাতত্ত্ব বিভাগ আৰু বিভাগৰ প্ৰাক্তন ছাত্ৰ ছাত্ৰীসকলৰ দ্বাৰা মিলন সমাৰোহখনি অনুষ্ঠিত হৈ যায়। মৰাণ কাৰেং সভাগৃহত অনুষ্ঠিত কাৰ্যসূচীৰ ২৪ চেপ্তেম্বৰত পুৱা অনুষ্ঠানটিৰ পতাকা উত্তোলন কৰে মৰাণ মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপিকা, সুলেখিকা কল্পনা বৰাই। মৰাণ মহাবিদ্যালয়ৰ অধ্যক্ষা ড° মিতালী কোঁৱৰে স্মৃতি তৰ্পন কাৰ্য্যসূচী সমাপন লগতে অনুষ্ঠানটিৰ শুভ উদ্বোধন কৰে। অনুষ্ঠানটিৰ সফলতা কামনাৰে বন্তি প্ৰজ্বলন কৰে মৰাণ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° ৰাজেন্দ্ৰ প্ৰসাদ বৰঠাকুৰে। প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ পঞ্জীয়নৰ পাছতেই শিক্ষাতত্ত্ব বিভাগৰ অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলে সমৱেত সংগীত পৰিৱেশনেৰে মিলন সমাৰোহৰ কাৰ্যসূচী আৰম্ভ হয়। ইয়াৰ পিছতে শিক্ষাতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপিকা ড° পূৰবী নাথ চলিহাৰ লগতে বিভাগৰ সহকাৰী অধ্যাপিকা জোৎস্না কামান টাইড আৰু ৰিণি সোণোৱালে প্ৰাক্তন ছাত্ৰ- ছাত্ৰীসকল আদৰণি জনায়। উদযাপন সমিতি সভাপতি তথা মৰাণ মহাবিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা আল্পনা গগৈ ভূএগুৰ সভাপতিত্বত অনুষ্ঠিত মিলন সমাৰোহ সভাত স্মৃতিগ্ৰন্থ " সমন্বয় সুবাস "ৰ শুভ উন্মোচন কৰে সাংবাদিক পেঞ্চনাৰ তথা মৰাণৰ জ্যেষ্ঠ সাংবাদিক বাছা বৰাই। উক্ত সভাত মৰাণ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা মীনাক্ষী পাত্ৰ, মৰাণ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা নীলিমা তালুকদাৰ, মৰাণ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° অসীমাভ দত্ত , ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক নবীন গগৈ, গ্ৰন্থাগাৰিক দ্বীপেন গগৈ , অধ্যাপিকা মামনি ফুকন বুঢ়াগোঁহাই, অৰ্থনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা




ড° নিশি বৰগোহাঁই, অশোক দত্ত, ড° ৰাজীৱ হাজৰিকা, ড° তুলসী সোণোৱাল, ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপিকা গীতিমা শইকীয়া, ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক নালন্দা সোণোৱাল, অংকশাস্ত্ৰ বিভাগৰ মুৰব্বী অধ্যাপিকা ৰাণুমণি বৰুৱা, উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা দেৱযানী পাটগিৰি, উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপিকা ড° ভানুপ্ৰভা শইকীয়া, বুৰঞ্জী বিভাগৰ অধ্যাপক তুলসী দাস, মহাবিদ্যালয় কাৰ্যালয় সহায়ক ৰাজকুমাৰ বৰুৱামহাবিদ্যালয় কাৰ্যালয় সহায়ক হৰেন ফুকন , মৰাণ চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ প্ৰশান্ত দত্ত, অৰুণোদয় সংবাদৰ সম্পাদক তথা জ্যেষ্ঠ সাংবাদিক ত্ৰৈলোক্য চেতিয়া , জ্যেষ্ঠ সাংবাদিক অৰুণ নাগ, সাংবাদিক প্ৰণৱ ডেকাবৰুৱা, যুৱ সাংবাদিক সঞ্জীৱ বৰাৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে। প্ৰাক্তন ছাত্ৰ- ছাত্ৰীৰ অন্তৰংগ আলাপ অনুষ্ঠানটি প্ৰাক্তন ছাত্ৰ ছাত্ৰী সকলে অতীত সোঁৱৰণ কৰাৰ লগতে কবিতা, সংগীত , নৃত্য প্ৰদৰ্শন কৰে। প্ৰাক্তন ছাত্ৰ সত্যৰঞ্জন বুঢ়াগোহাঁই আৰু প্ৰাক্তন ছাত্ৰী ৰেইনী ৰাজখোৱাৰ পৰিচালনাৰে সম্পন্ন হোৱা সাংস্কৃতিক অনুষ্ঠানত সৃষ্টিমূলক দলীয় নৃত্য, বিহু হুঁচৰি , বিভাগৰ ছাত্ৰসকলে গীত পৰিৱেশন কৰাৰ পিছতে প্ৰথম দিনৰ কাৰ্যসূচী অন্ত পৰে। ২৫ চেপ্তেম্বৰত পুৱা ৯ বজাত প্ৰাক্তন ছাত্ৰ ছাত্ৰীসকলৰ দ্বাৰা বৃক্ষ ৰোপণেৰে দিনটোৰ কাৰ্য্যসূচী আৰম্ভ হয়। শিক্ষাতত্ত্ব বিভাগৰ মুৰব্বী অধ্যাপিকা আল্পনা গগৈ ভূঞাৰ সঞ্চালনাত এখনি আলোচনা চক্ৰ অনুষ্ঠিত হয়। 'বৰ্তমান সময়ত ন-পুৰণি শিক্ষাৰ্থীৰ মিলন সমাৰোহৰ গুৰুত্ব আৰু প্ৰাসংগিকতা " শীৰ্ষক আলোচনা চক্ৰত সমল ব্যক্তি হিচাপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক ড° প্ৰাঞ্জল বুঢ়াগোহাঁইয়ে অংশগ্ৰহণ কৰে। মুকলি সভাখনিৰ সভাপতিত্ব কৰে মৰাণ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° অসীমাভ দত্তই। উক্ত সভাতেই শিক্ষাতত্ত্ব বিভাগৰ সকলো শিক্ষাগুৰুক সম্বৰ্দ্ধনা জ্ঞাপন কৰে প্ৰাক্তন ছাত্ৰ ছাত্ৰীসকলে। উক্ত সভাত মৰাণ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অনিল শইকীয়া, অসম চৰকাৰৰ অমল প্ৰভা দাস বঁটা বিজয়ী, উপন্যাস সম্ৰাজ্ঞী তথা মৰাণ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপিকা ইলা বৰগোহাঁই ইলা বৰগোহাঁই, মৰাণ মহাবিদ্যালয়ৰ ভুগোল বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক মুনীন বড়া, খোৱাং পিথুবৰ ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা সোণতৰা খনিকৰ, মৰাণ মহাবিদ্যালয়ৰ অধ্যাপিকা ড° নন্দিতা গগৈ, মহাবিদ্যালয়ৰ কাৰ্য্যালয় সহায়ক ক্ৰমে ৰবীন বৰা, ঈশ্বৰ বৰুৱা, ৰুদ্ৰ সন্দিকৈ, অৰূপ কমল দাস, বিশিষ্ট সমাজকৰ্মী হেম বড়া, লেঙেৰী চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ নীলকান্ত গগৈৰ লগতে মৰাণ মহাবিদ্যালয়ৰ শিক্ষক কৰ্মচাৰী, অঞ্চলটিৰ বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। উদযাপন সমিতিৰ মুখ্য সম্পাদক দেৱন সোণোৱালে সভাৰ শলাগৰ শৰাই আগবঢ়ায়। মৰাণৰ বিশিষ্ট সংগীত ব্যৱস্থাপক তথা ফিউজন ষ্টুডিঅ'ৰ স্বত্বাধিকাৰী ৰাজীৱ শৰ্মাই শুভ উদ্বোধন কৰা দ্বিতীয় দিনৰ সাংস্কৃতিক অনুষ্ঠানত অসমৰ জনপ্ৰিয় কন্ঠ শিল্পী নীল আকাশ, কুসুম কৈলাশ,মাধৱ ৰঞ্জন, মীৰদীপ, কৃষ্ণৰাজে গীত পৰিৱেশন কৰে। অনুষ্ঠানটিৰ সফল সামৰণি হোৱাত সহায় আগবঢ়োৱাৰ বাবে উদযাপন সমিতিৰ হৈ উদযাপন সমিতিৰ মুখ্য সম্পাদক দেৱন সোণোৱাল, যুটীয়া সম্পাদক জ্ঞানেন্দ্ৰ চুতীয়া, আৰু ত্ৰিদীপ গগৈয়ে সকলোকে ধন্যবাদ জ্ঞাপন কৰে।

## দেউৰী জাতীয় মঞ্চ আৰু সাংস্কৃতিক কেন্দ্ৰ তিনিমহলীয়া ভৱন প্ৰকল্প

# কেন্দ্ৰীয় চৰকাৰৰ আবেদন অনুমোদনৰ স্মাৰক-পত্ৰ দাখিল

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ ছেপ্টেম্বৰ ঃ** গুৱাহাটীৰ সোণাইঘূলীত অৱস্থিত দেউৰী জাতীয় মঞ্চ আৰু সাংস্কৃতিক কেন্দ্ৰ প্ৰকল্প ৰূপায়নৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ আবেদন জনোৱা হৈছে। এই আবেদন অনুমোদন জনাবলৈ অসমৰ মুখ্যমন্ত্ৰীৰ ওচৰত বুধবাৰে স্মাৰক পত দাখিল কৰা হৈছে। সভাপতি প্ৰদীপ কুমাৰ দেউৰী আৰু সম্পাদক ৰাজীৱ প্ৰসাদ দেউৰীয়ে স্বাক্ষৰ কৰা স্মাৰক পত্ৰত কোৱা হৈছে যে মহানগৰবাসী দেউৰী জনগোষ্ঠীৰ কাৰণে সোণাঘূলীত দেউৰী জাতীয় মঞ্চ আৰু বহুমুখী সাংস্কৃতিক প্ৰকল্প নিৰ্মাণ কাৰ্য বিগত কেইবা বছৰ ধৰি চলি আছে। কিন্তু পৰ্যাপ্ত পুঁজিৰ অভাৱত উক্ত মঞ্চ তথা বহুমুখী প্ৰকল্পৰ কাম আগবঢ়াব পৰা নাই। গতিকে কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰীলৈ সাহাৰ্য বিচাৰি আবেদন প্ৰেৰণ কৰা হৈছিল। উক্ত আবেদন দেউৰী স্বায়ত্ব শাসিত পৰিষদলৈ প্ৰেৰণ কৰে আৰু এটি টোকা সহ কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰালয়লৈ প্ৰেৰণ কৰিছে। ৰাজ্য চৰকাৰে যাৱতীয় অনুমতি টোকাসহ প্ৰেৰণ কৰা আবেদনৰ ক্ষেত্ৰতহে কেন্দ্ৰীয় জনজাতি পৰিক্ৰমা মন্ত্ৰালয়ে কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰে। গতিকে অসম চৰকাৰে দেউৰী জাতীয় মঞ্চৰ হকে এটি অনুমতি টোকা প্ৰেৰণ কৰিবলৈ মুখ্যমন্ত্ৰীৰ ওচৰত স্মাৰক পত্ৰ দাখিল কৰা হৈছে। এই স্মাৰক পত্ৰত দেউৰী জাতীয় মঞ্চ আৰু সাংস্কৃতিক প্ৰকল্প কেন্দ্ৰৰ বাবে ধাৰ্য কৰা পুঁজিৰ পৰিমাণ হ'ল ১৩,৮১,৭৮,০০০.০০ টকা প্ৰকল্প অনুসৰি জাতীয় মঞ্চৰ ভৱনটো তিনিমহলীয়া আৰ চি চি বিল্ডিং হিচাবে নিৰ্মাণ কৰা হ'ব বুলি জানিবলৈ দিয়ে দেউৰী জাতীয় মঞ্চৰ সভাপতি প্ৰদীপ কুমাৰ দেউৰী আৰু প্ৰচাৰ সম্পাদক এল এল দেউৰীয়ে।

# ধুবুৰী আদালত চৌহদত ই-সেৱা কেন্দ্ৰ মুকলি

### ৰাইজে সহজে জানিব পাৰিব গোচৰৰ সবিশেষ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২৮ ছেপ্টেম্বৰ ঃ** ধুবুৰী জিলা আদালত চৌহদত আজি এটা ই-সেৱা কেন্দ্ৰ মুকলি কৰা হয়। সৰ্বসাধাৰণ ৰাইজ আৰু অধিবক্তাসকলৰ সহায় হোৱাকৈ উচ্চতম ন্যায়ালয়ৰ ই-কমিটিৰ পৰামৰ্শ অনুসৰি স্থাপন কৰা ডিজিটেল কেন্দ্ৰটো আনুষ্ঠানিকভাৱে মুকলি কৰে ধুবুৰী জিলা আৰু সত্ৰ ন্যায়াধীশ পি চি কলিতাই। এই উপলক্ষে আয়োজিত এখন সভাত ধুবুৰী জিলা আৰু সত্ৰ ন্যায়াধীশ পি চি কলিতাই কয় যে ই-সেৱা কেন্দ্ৰ স্থাপন কৰাতো ধুবুৰীবাসীৰ বাবে অতি আনন্দৰ কথা। ইয়াৰ জৰিয়তে গোচৰীয়া আৰু অধিবক্তাসকলে অতি সহজে গোচৰৰ বৰ্তমান স্থিতি, মোকৰ্দমাৰ পৰৱৰ্তী তাৰিখ আদি বিভিন্ন বিষয় সন্দৰ্ভত অৱগত হ'ব পাৰিব। পৰ্যায়ক্ৰমে এই কেন্দ্ৰৰ জৰিয়তে গোচৰ সংক্ৰান্তীয় প্ৰমাণীকৃত নথি উপলব্ধ কৰা হ'ব। বিনামূলীয়া আইন সাহাৰ্য সেৱা লাভ কৰাৰ প্ৰক্ৰিয়াৰ বিষয়েও ৰাইজে এই কেন্দ্ৰত জানিব পাৰিব। তেওঁ কয় যে আদালত চৌহদৰ গেটৰ কাষতে স্থাপন কৰা কেন্দ্ৰটোৱে আদালতলৈ অহা ৰাইজৰ সমস্যাৰ বহুখিনি সমাধান কৰিব। সভাত ধুবুৰী পাৰিবাৰিক আদালতৰ প্ৰধান ন্যায়াধীশ বিজয়ালক্ষ্মী, প'ছকো আদালতৰ প্ৰধান ন্যায়াধীশ পলি কটকী আৰু ধুবুৰী উকীল সন্থাৰ সভাপতি এন আই চৌধুৰীয়েও ভাষণ প্ৰদান কৰি ই-সেৱা কেন্দ্ৰৰ প্ৰয়োজনীয়তা আৰু সুবিধাৰ বিষয়ে ব্যাখ্যা দাঙি ধৰে। সভাত কেবাগৰাকী ন্যায়িক বিষয়া, কেবাগৰাকী অধিবক্তা আৰু আদালতৰ কৰ্মচাৰীসকল উপস্থিত থাকে।

## বিশ্বনাথত গ্ৰামীণ জীৱিকা অভিযানৰ উদ্যোগত অসমী শাৰদীয় মেলা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২৮ ছেপ্টেম্বৰ ঃ** বিশ্বনাথ চাৰিআলিৰ ক্লক টাৱাৰৰ সমীপত অসম ৰাজ্যিক পৰিবহণ নিগমৰ বাছ আস্থানত আজিৰে পৰা তিনিদিনীয়াকৈ বিশ্বনাথ অসম গ্ৰামীণ জীৱিকা অভিযানে আয়োজন কৰিছে অসমী শাৰদীয় মেলা। বিশ্বনাথ জিলাৰ প্ৰায় ৩১খন বিপণীয়ে অংশগ্ৰহণ কৰিছে এই মেলাত। বিপণীসমূহত বিভিন্ন জাতি-জনগোষ্ঠীৰ সাজ-পোছাক, ঘৰত প্ৰস্তুত কৰা পিঠা, লাডু আৰু আচাৰকে ধৰি বিভিন্ন খাদ্য- সামগ্ৰী সুলভ মূল্যত উপলব্ধ কৰি তুলিছে গ্ৰাহকৰ বাবে।



*জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মুখ্য অভিযন্তাৰ কাৰ্যালয়ত অস্থায়ীভাৱে নিযুক্ত জলমিত্ৰসকলৰ প্ৰতিবাদী কাৰ্যসূচী, বুধবাৰে গুৱাহাটীত*

**খিলঞ্জীয়া আৰু বিদেশীৰ ক্ষেত্ৰত মহাসংঘৰ যুক্তি সত্য প্ৰমাণিত কৰিলে গৱেষকে**

# খিলঞ্জীয়াৰ ভিত্তি বছৰ ১৮২৬ আৰু বিদেশী-স্বদেশীৰ ভিত্তি বছৰ ১৯৫১

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৮ ছেপ্টেম্বৰ ঃ** আজি গুৱাহাটী প্ৰেছ ক্লাবত অসমৰ জাতি সংঘ- অসম সন্মিলিত মহাসংঘই বিশিষ্ট গৱেষক ড° ৰাতুল শইকীয়াক ৰাজহুৱা ভাৱে অভিনন্দন আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। শইকীয়াই তেওঁৰ 'সাংবিধানিক বিধি ব্যৱস্থাত অসমৰ জনগোষ্ঠী সমূহৰ সুৰক্ষাৰ ব্যৱস্থা - এক বিশ্লেষণাত্মক অধ্যয়ন' শীৰ্ষক গৱেষণা পত্ৰৰ জৰিয়তে ৰাষ্ট্ৰসংঘৰ নীতিৰ আধাৰত খিলঞ্জীয়াৰ ভিত্তি বছৰ ১৮২৬ আৰু সংবিধানৰ আধাৰত স্বদেশী-বিদেশীৰ ভিত্তি বছৰ ১৯৫১ ন্যায়সঙ্গত আৰু সত্য বুলি তথ্য আৰু বিশ্লেষণসহ প্ৰমাণিত কৰিলে। গুৱাহাটী বিশ্ববিদ্যালয়ে এই গৱেষণা পত্ৰৰ বাবে শইকীয়াক ডক্টৰেট ডিগ্ৰী প্ৰদান কৰে। গুৱাহাটী বিশ্ববিদ্যালয় আইন মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক ড° বিমল কুমাৰ বৈশ্যৰ তত্ত্বাৱধানত প্ৰস্তুত কৰা এই গৱেষণা পত্ৰখনক পশ্চিম বংগৰ দুগৰাকী বিশেষজ্ঞ পৰীক্ষক ক্ৰমে - পশ্চিম বংগ ৰাষ্ট্ৰীয় বিধি বিজ্ঞান বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° অৰূপ পোদ্দাৰ আৰু উত্তৰ বংগ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° গঙ্গোত্ৰী চক্ৰৱৰ্তীয়ে স্বীকৃতি প্ৰদান কৰাটোও এটা উল্লেখযোগ্য ঘটনা ৰূপে পৰিগণিত হৈ ৰ'ব। মহাসংঘৰ কাৰ্যকৰী সভাপতি মতিউৰ ৰহমানৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত মহাসংঘই শইকীয়াক এখন অভিনন্দন আৰু কৃতজ্ঞতা পত্ৰ প্ৰদান কৰে। সভাত মুখ্য অতিথি হিচাপে সদৌ অসম খিলঞ্জীয়া

### মহাসংঘই দিয়া খিলঞ্জীয়া আৰু অসমীয়াৰ সংজ্ঞাটি শুদ্ধ আৰু বিজ্ঞানসন্মত বুলি প্ৰতিষ্ঠা

ধৰ্মীয় সংখ্যালঘু পৰিষদৰ মুখ্য সভাপতি তথা গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জ্যেষ্ঠ অধিবক্তা কিৰণ কুমাৰ গগৈ আৰু বিশিষ্ট অতিথি হিচাপে সদৌ অসম আহোম সভাৰ সভাপতি উমাকান্ত কোঁৱৰে শইকীয়াৰ এই মহৎ কামৰ বাবে আন্তৰিক শুভেচ্ছা জনাই তেওঁৰ উত্তৰোত্তৰ উন্নতি কামনা কৰে। অসমীয়া জাতিৰ সংকট কালত শইকীয়াৰ এই গৱেষণা পত্ৰই জাতিক মাৰ্গ দৰ্শন কৰাব আৰু ভুল পথেৰে যোৱা সকলক শুদ্ধ পথ ল'বলৈ প্ৰেৰণা যোগাব বুলি আশা কৰে গগৈ আৰু কোঁৱৰে। শইকীয়াই গৱেষণা পত্ৰ প্ৰস্তুত কৰাৰ ক্ষেত্ৰত মতিউৰ ৰহমান ডাঙৰীয়াই আগবঢ়োৱা তথ্য আৰু যুক্তিৰ কথা কৃতজ্ঞতাৰে সোঁৱৰণ কৰে। সভাৰ আত ধৰে মহাসংঘৰ মহা সচিব পূৰ্ণানন্দ ৰাভাই। এই গৱেষণা পত্ৰত অসমৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ তথা অসমীয়া জাতিৰ সংজ্ঞা দাঙি ধৰাৰ লগতে বিপদাপন্ন জনগোষ্ঠীসমূহক সাংবিধানিক বিধি ব্যৱস্থাৰ ভিতৰত কেনেদৰে সুৰক্ষিত কৰিব পাৰি তাৰ বাবেও পৰামৰ্শ দাঙি ধৰিছে। আন্তঃৰাষ্ট্ৰীয় নীতিৰ আধাৰত ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীত (ইয়াণ্ডাবু সন্ধি) অসমত বসবাস কৰি থকা জনগোষ্ঠীসমূহৰ বৰ্তমানৰ বংশধৰ সকলকহে খিলঞ্জীয়াৰূপে অভিহিত কৰিছে। লগতে ১৮২৬ চনৰ ২৪ ফেব্ৰুৱাৰীৰ পিছত আৰু ১৯৫১ চনত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী প্ৰস্তুত কৰাৰ আগতে অসমলৈ অহা জনগোষ্ঠী সমূহক অ-খিলঞ্জীয়া ভাৰতীয় নাগৰিকৰূপে অভিহিত কৰিছে। এই গুৰুত্বপূৰ্ণ গৱেষণা পত্ৰখনৰ জৰিয়তে অসমৰ সকলো ৰাজনৈতিক দল আৰু জাতীয় সংগঠনবোৰে খিলঞ্জীয়া সকলৰ সুৰক্ষাৰ ক্ষেত্ৰত সঠিক দিশেৰে আগবাঢ়ি যাবলৈ অনুপ্ৰেৰণা লাভ কৰিব বুলি বিশ্বাস। অসমৰ জাতি সংঘ - অসম সন্মিলিত মহাসংঘৰ কাৰ্যকৰী সভাপতি মতিউৰ ৰহমানে গভীৰ ভাৱে আশা কৰে যে এই গৱেষণা পত্ৰই অসমৰ খিলঞ্জীয়া জনগোষ্ঠীসমূহক শুদ্ধ পথেৰে আগবাঢ়ি যাবলৈ সাহস আৰু প্ৰেৰণা যোগাব। এই গৱেষণা পত্ৰ খনৰ বাবে ড° শইকীয়াক আন্তৰিক অভিনন্দন আৰু কৃতজ্ঞতা জনোৱাৰ লগতে সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিছে মহাসংঘই। এই মহৎ কামৰ বাবে অসমৰ খিলঞ্জীয়া জনগোষ্ঠী সমূহে সদায় আপোনাক কৃতজ্ঞতাৰে সোঁৱৰণ কৰিব বুলি আন্তৰিকতাৰে আশা কৰে মহাসংঘই। সভাত দৈনন্দিন বাৰ্তা কাকতৰ মুখ্য সম্পাদক নৰেন হাজৰিকা প্ৰমুখ্যে বহু বিশিষ্ট ব্যক্তিও উপস্থিত আছিল।

# ৰাইডঙীয়াত ক্ষুদ্ৰ উদ্যোগৰ দক্ষতা আৰু উদ্যমিতাৰ প্ৰশিক্ষণ শিবিৰৰ শুভাৰম্ভণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বটদ্ৰৱা, ২৮ ছেপ্টেম্বৰ ঃ** ভাৰতীয় উদ্যমীতা সংস্থা উদ্যোগত স্বেচ্ছাসেৱী সংগঠন টাক্সৰ সহযোগত ৰাইডঙীয়াত পানী মেটেকাত পৰা প্ৰস্তুত কৰা সামগ্ৰী নিৰ্মাণৰ এটি প্ৰশিক্ষণ শিবিৰ আজিৰে পৰা আৰম্ভ হয়। ৰাজ্যৰ নৈ বিল, জলাশয়ত প্ৰচুৰ পৰিমাণে উপলব্ধ পানী মেটেকাৰ পৰা নিৰ্মিত বেগ, পুটলা, ফুলদানী আদি সামগ্ৰীৰ ৰাজ্য-বহিঃৰাজ্যৰ লগতে আন্তঃৰাষ্ট্ৰীয় বজাৰটো ব্যপক চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতীয় উদ্যমীতা সংস্থাই গ্ৰাম্যাঞ্চলৰ উদ্যমী লোকসকলক ইয়াৰ নিৰ্মাণৰ বাবে প্ৰশিক্ষণ প্ৰদান কৰি আহিছে। তাৰেই অংশ হিচাপে আজিৰে পৰা ৰাইডঙীয়াৰ মিহিৰাম আতা পুথিভঁড়ালত আৰম্ভ হৈছে পানী মেটেকাত পৰা সামগ্ৰী নিৰ্মাণৰ প্ৰশিক্ষণ। আই মাতৃ নিৰু বৰদলৈ বন্তি প্ৰজ্বলনেৰে শুভাৰম্ভ কৰা অনুষ্ঠানটিত ভাৰতীয় উদ্যমীতা সংস্থাৰ উত্তৰ পূৰৰ প্ৰকল্প বিষয়া প্ৰাঞ্জল ৰাজখোৱাই উপস্থিত ৰাইজক এই প্ৰশিক্ষণত অংশগ্ৰহণ কৰি কৌশলসমূহ আয়ত্ব কৰি নিজে স্বাৱলম্বী হোৱাৰ লগতে আন দহজনৰ আদৰ্শ হবৰ বাবে আহ্বান জনায়। জনপ্ৰিয় অভিনেতা গৌৰৱ বৰা, প্ৰকল্প সমন্বয়ক গৰিমা শৰ্মা, সাংবাদিক দিব্যজ্যোতি বৰুৱা, শংকৰজ্যোতি শৰ্মাই ভাষণ প্ৰদান কৰা অনুষ্ঠানটিত ৰাইডঙীয়া অঞ্চলৰ বোৱাৰী, যুৱতী সহ শতাধিক লোক উপস্থিত থাকে। উল্লেখ্য যে পানী মেটেকাত পৰা সামগ্ৰী নিৰ্মাণৰ এই প্ৰশিক্ষণ কাৰ্যসূচী এমাহজুৰি চলিব।

## ২১, ২২ অক্টোবৰত ডিমৌ আঞ্চলিক ছাত্ৰ সন্থাৰ বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২৮ ছেপ্টেম্বৰ ঃ** ডিমৌ আঞ্চলিক ছাত্ৰ সন্থাৰ বাৰ্ষিক অধিবেশনখন অহা ২১আৰু ২২ অক্টোবৰত দুদিনীয়া কাৰ্যসূচীৰে ডিমৌ জ্যোতিবিষ্ণু সাংস্কৃতিক প্ৰকল্প প্ৰেক্ষাগৃহত অনুষ্ঠিত কৰাৰ ব্যাপক প্ৰস্তুতি চলাইছে। বাৰ্ষিক অধিবেশনৰ লগত সংগতি ৰাখি ২১ অক্টোবৰত আন্তঃ বিদ্যালয় কুইজ প্ৰতিযোগিতা, চিত্ৰাংকণ প্ৰতিযোগিতা আৰু ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ লগতে বিজয়ী প্ৰতিযোগী সকলক মান পত্ৰ আৰু নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব। দ্বিতীয় দিনা অনুষ্ঠিত হ'ব প্ৰতিনিধি সভা আৰু সভাত ছাত্ৰ-ছাত্ৰী সকলৰ সুৰক্ষিত শৈক্ষিক ভৱিষ্যতৰ বাবে ছাত্ৰ সন্থাৰ আগন্তুক দিনৰ কাৰ্যপন্থাৰ লগতে ডিমৌ আৰু ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলৰ শৈক্ষিক, সামাজিক, অৰ্থনৈতিক ক্ষেত্ৰৰ বিভিন্ন সমস্যা আৰু সম্ভাৱনাৰ সন্দৰ্ভতো আলোচনা কৰা হ'ব। উক্ত সভাত উপস্থিত থাকিব সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা উদ্দীপজ্যোতি গগৈ আৰু কেন্দ্ৰীয় কাৰ্যনিৰ্বাচক সদস্য সমীৰণ ফুকন। সন্ধিয়ালৈ বিষয় বাচনি সভাৰ জৰিয়তে ডিমৌ আঞ্চলিক ছাত্ৰ সন্থাৰ নতুন কাৰ্যনিৰ্বাহ সমিতি গঠন কৰা হ'ব। উক্ত দুয়োটা দিনৰ সমূহ কাৰ্যসূচীতে ছাত্ৰ সন্থাৰ বিষয়ববীয়া আৰু সদস্য, সদস্যাসকলৰ উপস্থিতি একান্তই কামনা কৰিছে ডিমৌ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি গৌতম বড়া আৰু সম্পাদক পৱন বুঢ়াগোহাঁইয়ে।

**■ কপিলী সাহিত্য সভাৰ ত্ৰয়োদশ দ্বি-বাষিক অধিৱেশন সম্পন্ন ■**

# সাহিত্য-সংস্কৃতিয়ে এটা জাতি জীয়াই ৰাখিব পাৰে

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাটাছাৰকুছি আৰু বজালী, ২৮ ছেপ্টেম্বৰ ঃ** নৱগঠিত বজালী জিলাৰ মৰিপুৰ আনন্দপুৰস্থিত অসম সাহিত্য সভাৰ অন্যতম সক্ৰিয় আৰু শতদল শাখা কপিলী সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি যোৱা ২৪ আৰু ২৫ ছেপ্টেম্বত ২৮তম প্ৰতিষ্ঠা দিৱস তথা ত্ৰয়োদশ দ্বি-বাষিক অধিবেশন সম্পন্ন হয়। ১০৭গৰাকী আজীৱন সভ্য বিশিষ্ট সাহিত্য সভাৰ যোৱা ২৪ ছেপ্টেম্বৰ প্ৰতিষ্ঠা দিৱসত অসমসাহিত্য সভাৰ পতাকা উত্তোলন কৰি কপিলী সাহিত্য সভাৰ প্ৰতিষ্ঠাপক আৰু বৰ্তমানৰ সভাপতি, বিশিষ্ট শিক্ষবিদ, অৱসৰপ্ৰাপ্ত শিক্ষক তথা সমাজ কৰ্মী অনিল কুমাৰ দাসে কয় যে— সাহিত্য-সংস্কৃতিয়োই এটা জাতি জীয়াই ৰাখিব পাৰে। সেয়েহে সাহিত্যক জাতিৰ প্ৰাণ বুলি কোৱা হয়। প্ৰথম দিনৰ কাৰ্য্যসূচী ক্ৰমে পতাকা উত্তোলন পাছত ক্ৰমে বন্তি প্ৰজ্বলন কৰে উপ সভাপতি প্ৰফুল্ল চন্দ্ৰ কলিতাই, স্মৃতি তপৰ্ণ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক গৌৰীকান্ত বড়োয়ে। ইয়াৰ পাছত 'অসম সাহিত্য সভাৰ উন্নতিত আজীৱন সভ্যৰ ভূমিকা' শীৰ্ষক আলোচনা চক্ৰ উদ্বোধন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক ফণীধৰ ডেকাই। এই আলোচনা চক্ৰত অংশগ্ৰহণ কৰে বৰমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক বৈকুণ্ঠ কলিতা, শিক্ষক জগদীশ কলিতা, মন্মথ চন্দ্ৰ ডেকা আদিয়ে। ২৫ ছেপ্টেম্বৰ দ্বিতীয় দিনা অনুসৰি বিষয় বাছনি সভাত বিগত তিনিটা বছৰৰ হিচাপ পৰীক্ষকক প্ৰতিবেদন আৰু সম্ভদ্ধীয় প্ৰতিবেদন পাঠ কৰা হয়। এই সভাত অক্ষয় কুমাৰ ডেকাক সভাপতি, মহানন্দ নাথ আৰু মনোৰঞ্জন তালুকদাৰ উপ-সভাপতি প্ৰশান্ত কলিতাক সম্পাদক, ধীৰাজ নাথক সহকাৰী সম্পাদক হিচাপে লৈ এখন পোন্ধৰ জনীয়া পৰিচালনা সমিতি গঠন কৰা হয়। অনিল কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে প্ৰাক্তন সভাপতি মন্মথ চন্দ্ৰ ডেকাই আৰু নিৰ্দিষ্ট বক্তা আৰু বিশিষ্ট অতিথি ৰূপে অংশ গ্ৰহণ কৰে ক্ৰমে বৈকুণ্ঠ কলিতা আৰু চিত্তৰঞ্জন কলিতাই। সভাত জুনা নামৰ পাঠক তথা সুকনান্নী ওজা নৰেন্দ্ৰ ৰয় আৰু সুকনান্নী ওজাপালিৰ ডাইনী শালী জিতেন নাথক গামোচা, শৰাই আৰু মান পত্ৰেৰে সম্বধনা জনোৱা হয়।

## ৰঙাপৰাত কে'বাটাও উন্নয়নমূলক কামৰ উদ্বোধন বিধায়ক কৃষ্ণ কমল তাঁতীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ২৮ ছেপ্টেম্বৰ ঃ** শোণিতপুৰ জিলাৰ ৰঙাপৰাত বিগত কিছুদিন ধৰি বিজেপি নেতৃত্বাধীন চৰকাৰখনে বিভিন্ন উন্নয়নমূলক আঁচনিৰ ৰূপায়ণ কৰি অহাৰ মাজতে অলপতে শাৰদীয় উৎসৱৰ বতৰত ৰঙাপৰা সমষ্টিৰ যুৱ বিধায়ক কৃষ্ণ কমল তাঁতিয়ে কেইবাটাও উন্নয়নমূলক আঁচনিৰ শুভ উদ্বোধন কৰে। জানিব পৰা মতে সমষ্টিটোৰ বিধায়ক উন্নয়ন পুঁজিৰ পৰা আৱণ্টিত ৫ লাখ টকাৰে ৰঙাপৰাস্থিত সমন্বয় সমিতি কাৰ্যালয় নিৰ্মাণৰ বাবে যোৱা কালি আধাৰশিলা স্থাপন কৰি বিধায়কগৰাকীয়ে কয় যে সমষ্টিটোৰ ৰাইজে যি আশাৰে ভোট দি তেখেতক বিধায়ক নিৰ্বাচিত কৰিলে সেই মতে ৰাইজক দিয়া কথা অনুসৰি ৰাইজৰ আশা-আকাংক্ষা পূৰণত সদা প্ৰস্তুত থাকিব। ইয়াৰ লগতে বিধায়কগৰাকীয়ে গ্ৰহণ কৰা বলিষ্ঠ পদক্ষেপত ৰঙাপৰাস্থিত বিষ্ণু নামঘৰত নেদেখাজনৰ ওচৰত সেৱা জনাই অসম দৰ্শন আঁচনি আৱণ্টিত ২,৫০,০০০ টকা অনাময় ব্যৱস্থা নিৰ্মাণ সম্পূৰ্ণ হোৱা নৱনিৰ্মিত গৃহটিৰ দ্বাৰ মুকলি কৰে। বিধায়কগৰাকীয়ে এই কাৰ্যসূচীত ৰঙাপৰা খণ্ড উন্নয়ন বিষয়া বিভাগীয় অভিযন্তাৰ লগতে বহুকেইগৰাকী দলীয় কাৰ্যকৰ্তা আৰু কেইবাগৰাকীও বিশিষ্ট ব্যক্তি তথা ৰাইজ উপস্থিত থাকে।

## সাংবাদিক হাচিব উদ্দিনৰ পিতৃৰ বিয়োগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মোৰাঝাৰ, ২৮ ছেপ্টেম্বৰ ঃ** হোজাই জিলাৰ কপাহবাৰী মৌজাৰ অন্তৰ্গত পাবিজুৰী গাঁৱৰ স্থানীয় বাসিন্দা তথা সাংবাদিক হাচিব উদ্দিন তালুকদাৰৰ পিতৃৰ বিয়োগত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। জানিব পৰা মতে যমুনামুখ সমষ্টিৰ অসম গণ পৰিষদ দলৰ একালৰ সম্পাদক আৰু পাবিজুৰী গাঁওৰক্ষী বাহিনীৰ প্ৰতিষ্ঠাপক সম্পাদকৰ লগতে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ সভাপতি সম্পাদকৰ পদ অলংকৃত কৰি সমাজ সেৱাত জড়িত আছিল মৰহুম আব্দুল ছাত্তাৰ। সমাজৰ বিভিন্ন কামত জড়িত থকা ব্যক্তি গৰাকীয়ে আজি নিজ বাসগৃহত ইহলীলা সম্বৰণ কৰে। মৃত্যুৰ সময়ত আত্মীয়ৰ লগতে অসংখ্য গুণমুগ্ধক এৰি থৈ যায়। আজি সন্ধিয়াৰ ভাগত নিজ মহল্লাত জানাজাৰ নামাজ সম্পন্ন কৰা হয়।

## বকোত মহাপুৰুষ জনাৰ ৫৭৪সংখ্যক জন্মজয়ন্তী মহোৎসৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২৮ ছেপ্টেম্বৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মজয়ন্তী কামৰূপ জিলাৰ বকোত দুই দিনীয়া কাৰ্যক্ৰমণিকাৰে আয়োজন কৰা হৈছে। বকোস্থিত বকো আঞ্চলিক শ্ৰীমন্ত শঙ্কৰদেৱ নামঘৰ পৰিচালনা সমিতিৰ উদ্যোগত আৰু গুৰুজনাৰ জন্মোৎসৱ উদ্‌যাপন সমিতিৰ সহযোগত ৪ আৰু ৫ অক্টোবৰত বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰাৰ প্ৰস্তুতি চলিছে গুৰুজনাৰ জন্মোৎসৱ তিথি। বকো আঞ্চলিক শ্ৰীমন্ত শঙ্কৰদেৱৰ নামঘৰ পৰিচালনা সমিতিৰ সভাপতি, জ্যেষ্ঠ ধৰ্মপ্ৰাণ ব্যক্তি জনাৰ্দন অধিকাৰী, কাৰ্যকৰী সভাপতি থানেশ্বৰ ৰাভা আৰু সাধাৰণ সম্পাদক ৰঞ্জিত দলৈৰ লগতে জন্মোৎসৱ উদ্‌যাপন সমিতিৰ সভাপতি মনোৰঞ্জন কলিতা আৰু সম্পাদক প্ৰদীপ কলিতাই জনোৱা মতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শ আৰু সংস্কাৰকামী চিন্তাক শিৰত তুলি গুৰুজনাৰ পবিত্ৰ ৫৭৪সংখ্যক বৰ্ষৰ জন্মজয়ন্তী মহোৎসৱ উদ্‌যাপন সমাপন কৰা হ'ব। ইফালে বকো আঞ্চলিক শ্ৰীমন্ত শংকৰদেৱ নামঘৰ তদাৰক সমিতিৰ জয়দেৱ অধিকাৰীয়ে জনোৱা মতে গুৰুজনাৰ জন্মোৎসৱৰ কাৰ্যসুচী অনুসৰি ১৭ আহিনৰ দিনা পুৱা দহ বজাৰ পৰা আয়তীৰ ঘোষানাম প্ৰতিযোগিতা, চিত্ৰাংকন প্ৰতিযোগিতাকে ধৰি বহু কাৰ্যসূচী আয়োজন কৰা হ'ব। ইফালে সন্ধিয়া ধৰ্মীয় সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হ'ব। লগতে নামঘৰত বন্তি প্ৰজ্বলন কৰি আনুষ্ঠানিকভাৱে সমূহীয়াভাৱে নাম-প্ৰসংগ চলি থাকিব। ইফালে ১৮ আহিনৰ দিনা পুৱা ধৰ্মধ্বজা উত্তোলন কৰিব জ্যেষ্ঠ সমাজকৰ্মী তথা ধৰ্মপ্ৰাণ ব্যক্তি থানেশ্বৰ ৰাভাই। দিনৰ ভাগত ভাগৱত শোভাযাত্ৰা, নাম-প্ৰসঙ্গ, ভাগৱত পাঠ আয়োজন কৰা হ'ব আৰু সন্ধিয়া নামঘৰত বন্তি প্ৰজ্বলন কৰি নাম-প্ৰসংগ আৰু বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হ'ব। সাংস্কৃতিক অনুষ্ঠানত গোৱালপাৰা জিলাৰ ধনুভাঙাৰ থিয় নাম দল, শুৱালকুছিৰ মণি কাঞ্চন মুখা কৃষ্টিৰ প্ৰদৰ্শন লগতে বহুকেইজন প্ৰতিভাৱান শিল্পীৰ গীত-মাত পৰিবেশন কৰা হ'ব।

No. SSUHS/510/2022/6899

**EDUCATIONAL NOTICE**

**(GNM ENTRANCE EXAMINATION 2022 — URGENT)**

This is for general information of all concerned that the **Admit Cards** already issued for GNM Entrance Examination 2022 under Lakhimpur Zone from 27-09-2022 to 28-09-2022 are hereby cancelled due to unavoidable technical reasons. The students appearing in the GNM Entrance Examination 2022 from Lakhimpur Zone are hereby requested to download their fresh admit cards from 30-09-2022 onwards.

The students of Lakhimpur Zone who have already downloaded their admit cards from 27-09-2022 to 28-09-2022 are hereby requested to download their admit card again from 30-09-2022.

Registrar,
Srimanta Sankaradeva University
of Health Sciences

*Janasanyog/D/13137/22*

No.SDW.1231/2022-23/12/ 7948

**NOTICE INVITING TENDER**
**(Two Bid System)**

Sealed Tender in prescribed form with validity of 180 days affixing Court Fee stamp of Rs. 8.25 (Rupees Eight and paisa twenty Five ) only and Rs.500/- cost of Non Refundable Bid document from State Bank of India (Demand Draft) in favour of **"Director, Sericulture, Assam, Guwahati-22"** eventually to be drawn on P.W.D F-2 Form Tender agreement for the following works are invited from the Registered Contractor under APWD(Building) to be received on **25-10-2022 up to 1.00 P.M** and will be opened on the same date **at 2.00 P.M** in presence of the contractors or their authorized representative if the last date of receiving Tender is notified as Govt. holiday, the Tender will be received in the next working day. The Tender paper will be issued to the Contractors/Firms w.e.f. **01-10-2022 to 21-10-2022.**

The tender shall be submitted in 2(two) bid systems (Technical & Financial in separate envelope). Detail Terms & Conditions, Estimate may be seen in the office of the Directorate of sericulture, Assam, Guwahti-22, during the office hours.

| SI No | Name of works | Estimated Value | 2% E/M for General and 1% E/M for SC/ST/OBC/ MOB C etc. | Cost of Non Refundable Bid document from State Bank of India | Time of Completion |
|---|---|---|---|---|---|
| 1 | Repairing of Leakage of Boundary Wall (Western side) Khanapara Office Campus under the of Sericulture, Assam under the Scheme of SOPD-G for the year 2022-23 | Rs. 4,62,700/- | Rs.9,254/- for 2% and Rs.4,627/-for 1% | Rs. 500/- | 60 (Sixty days) from the date of issue of Formal Work Order |

Sd/-
Director
Sericulture, Assam, Guwahati-22

*Janasanyog/C/11016/22*

# তিতাবৰৰ নামচুঙীৰ অৰুণোদয় উচ্চ মাধ্যমিক বিদ্যালয়ত বিদায় সম্বৰ্ধনা সভা সম্পন্ন ঃ বিধায়ক-শিক্ষক-সাংবাদিকৰ অংশগ্ৰহণ

**প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক বিমান শইকীয়া, জ্যেষ্ঠ সহকাৰী শিক্ষক অতুল চন্দ্ৰ হাজৰিকা আৰু কৰ্মচাৰী লক্ষী বৰাক সম্বৰ্ধনা**




**দৈনন্দিন বাৰ্তাৰ সেৱা, তিতাবৰ, ২৮ ছেপ্টেম্বৰ ঃ** যোৰহাট জিলাৰ তিতাবৰ শিক্ষা খণ্ডৰ অন্তৰ্গত পশ্চিম তিতাবৰৰ নামচুঙী গাঁৱত ১৯৮১ চনতে প্ৰতিষ্ঠা হোৱা একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান অৰুণোদয় উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক বিমান শইকীয়া, জ্যেষ্ঠ সহকাৰী শিক্ষক অতুল চন্দ্ৰ হাজৰিকা আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী লক্ষী বৰাই চৰকাৰী বিধি অনুযায়ী অৱসৰ গ্ৰহণ কৰাত প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক, জ্যেষ্ঠ সহকাৰী শিক্ষক আৰু কৰ্মচাৰীগৰাকীক শিক্ষানুষ্ঠানখনৰ পৰা আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে আজি এখন সভা অনুষ্ঠিত হয়। বিদ্যালয় চৌহদৰ পৰাগজ্যোতি বৰুৱা ৰঙ্গমঞ্চত বিদ্যালয়খনৰ পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি ভোগেশ্বৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ আঁত ধৰে জ্যেষ্ঠ সহকাৰী শিক্ষক অপূৰ্ব শইকীয়াই। প্ৰধান শিক্ষক চন্দ্ৰকান্ত কলিতাই উদ্দেশ্য ব্যাখ্যাৰ লগতে বিদ্যালয়খনৰ উত্তৰণ, শৈক্ষিক পৰিৱেশ, আন্তঃগাঁথনি উন্নয়নৰ লগতে বিভিন্ন সম্যাৰাজী বিশ্লেষণ কৰা সভাত মুখ্য অতিথিৰূপে ভাষণ প্ৰদান কৰি তিতাবৰ বিধান সভা সমষ্টিৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱাই বিদায়ী শিক্ষক-কৰ্মচাৰী কেইগৰাকীলৈ অনাগত জীৱন কৰ্মমুখীতাৰে সমাজ হিতকৰ কৰ্মত জড়িত হৈ সুস্থ সমাজ গঢ়াত মনোনিৱেশ কৰিবলৈ আহ্বান জনায়। বিধায়কগৰাকীয়ে বিদ্যালয় চৌহদৰ পৰাগজ্যোতি বৰুৱা ৰঙ্গমঞ্চৰ প্ৰেক্ষাগৃহ নিৰ্মাণৰ বাবে বিধায়ক পুঁজিৰ তৰফৰ পৰা দুই লাখ টকা অনুদান আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক, লোক সংস্কৃতিৰ গৱেষক, সুবক্তা, সমাজহিতৈষী, সু-চিন্তাবিদ তথা গোলাঘাট জিলাৰ কমাৰবন্ধা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ দেৱেশ্বৰ গগৈয়ে শিক্ষাদানত শিক্ষাগুৰুৰ দায়িত্ব আৰু কৰ্তব্যৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা আহৰণত বিশেষকৈ মাতৃভাষাৰ শুদ্ধ প্ৰয়োগ সন্দৰ্ভত তত্ত্বগধূৰ ভাষণ প্ৰদান কৰে। গোলাঘাট সদৰ আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সম্পাদক প্ৰসন্ন শৰ্মা বিশিষ্ট অতিথিৰূপে ভাষণ প্ৰদান কৰা সভাত ধলৰসত্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষা নিৰদা বৰা, নামচুঙীৰ বিশিষ্ট নাগৰিক-সমাজকৰ্মী ৰতি বৰা, ধলৰসত্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি তথা চৰাইবাহী বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ৰাজেন হাজৰিকা, বিশিষ্ট অভিনেতা, সমাজকৰ্মী লাচিত দাস, মোহনাটিং চৰিয়াপথাৰ মিচিং গাঁও মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষকদ্বয় ক্ৰমে ধনীৰাম কছাৰী, নগেন্দ্ৰ নাথ বৰুৱা, মেলামাটি চৰকাৰী নিম্ন বুনিয়াদী বিদ্যালয়ৰ প্ৰধান শিক্ষক অনন্ত খনিকৰ, অসম ৰাজ্যিক অ'বিচি সংঘৰ সম্পাদক তথা 'দৈনন্দিন বাৰ্তা' গ্ৰুপৰ সদস্য, সাংবাদিক প্ৰসেনজিৎ ৰাজখোৱা আদি বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা গীত-নৃত্য পৰিৱেশন কৰি উপস্থিত সকলোকে মুগ্ধ কৰা গাম্ভীৰ্যপূৰ্ণ সভাখনত ২০১৩ চনত চৰকাৰীকৰণ হোৱা প্ৰতিষ্ঠা কালৰে পৰা ৩২ বছৰ অবৈতনিকভাৱে শিক্ষকতাৰ উপৰিও শিক্ষানুষ্ঠানখনৰ উত্তৰণত অশেষ ত্যাগ স্বীকাৰ কৰি ২০২১ চনৰ ৩১ জানুৱাৰীত অৱসৰ গ্ৰহণ কৰা প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক বিমান শইকীয়াৰ উপৰিও জ্যেষ্ঠ সহকাৰী শিক্ষক অতুল চন্দ্ৰ হাজৰিকা আৰু কৰ্মচাৰী লক্ষী বৰাক বিদ্যালয়খনৰ প্ৰধান শিক্ষক প্ৰমুখ্যে সমূহ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ সংসদ, বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ তৰফৰ পৰা ফুলাম গামোচা, চেলেং, গ্ৰন্থৰ টোপোলা আৰু প্ৰশস্তি পত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰে। তদুপৰি বিদ্যালয়খনৰ অধ্যয়নৰত আৰু একাংশ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু স্থানীয় শিক্ষানুষ্ঠানসমূহৰ লগতে কেইবাগৰাকী ব্যক্তিয়েও পৃথকে পৃথকে ফুলাম গামোচা, চেলেং, গ্ৰন্থৰ টোপোলা আৰু প্ৰশস্তি পত্ৰৰে সম্বৰ্ধনা জনায়। উল্লেখ্য যে ক'ভিড পৰিস্থিতি আৰু বিদ্যালয়খনৰ শিক্ষক-কৰ্মচাৰী অভাৱৰ লগতে শৈক্ষিক দিশৰ প্ৰতি লক্ষ্য ৰাখি প্ৰায় ডেৰ বছৰ পলমকৈ আয়োজন কৰা বিদায় সম্বৰ্ধনা সভাত তিতাবৰ প্ৰেছ ক্লাবৰ উপ-সভাপতি শশাংক দত্ত, সম্পাদক দুলাল কলিতাৰ উপৰিও বিদ্যালয়খনৰ সমূহ শিক্ষক-শিক্ষয়ত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু স্থানীয় শিক্ষানুৰাগী ৰাইজ উপস্থিত থাকে। সম্বৰ্ধনা গ্ৰহণ কৰি অৱসৰী প্ৰধান শিক্ষক, তিতাবৰ প্ৰেছ ক্লাবৰ সভাপতি তথা বিশিষ্ট নিবন্ধকাৰ বিমান শইকীয়াই বিদ্যালয় প্ৰতিষ্ঠাৰ সৈতে জড়িত ব্যক্তিসকলক শ্ৰদ্ধাৰে সোঁৱৰণ কৰাৰ লগতে সুদীৰ্ঘকাল অবৈতনিকভাৱে বিদ্যালয়খনৰ প্ৰতি আগবঢ়োৱা অৱদান আৰু এৰি অহা দিনৰ স্মৃতি ৰোমন্থন কৰি নষ্টালজিক হৈ পৰে। বিদায়ী জ্যেষ্ঠ সহকাৰী শিক্ষক অতুল চন্দ্ৰ হাজৰিকাই নিজৰ কৰ্ম জীৱন আৰু বিদ্যালয়খনৰ প্ৰতি আগবঢ়োৱা সেৱাৰ বিষয়ে ব্যক্ত কৰা সভাত স্থানীয় নাগৰিক থানেশ্বৰ বৰা প্ৰমুখ্যে কেইবাগৰাকী ব্যক্তিয়ে বক্তব্য প্ৰদান কৰে। এই সভাতে বিগত হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰী ক্ৰমে চয়নিকা বৰা, জুনুকা ৰাজখোৱা আৰু প্ৰণামিকা বৰাক ফুলাম গামোচা আৰু প্ৰশস্তি পত্ৰৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষক প্ৰমুখ্যে শিক্ষক-শিক্ষয়ত্ৰী, পৰিচালনা আৰু উন্নয়ন সমিতিৰ লগতে ছাত্ৰ সংসদৰ তৰফৰ পৰা অভিনন্দন জ্ঞাপন কৰে। জ্যেষ্ঠ সহকাৰী শিক্ষক অপূৰ্ব শইকীয়াই শলাগ জ্ঞাপনৰ পিছতে জাতীয় সংগীত পৰিৱেশনেৰে সভাখন সম্পন্ন হয়।

## প্ৰথম পৃষ্ঠাৰ পৰা—

# ৰঞ্জন দৈমাৰী ঃ অসম বন্ধত

ৰায়ত ক্ষুব্ধ হৈ আজি পুৱা ৫ বজাৰ পৰা সন্ধিয়া ৫ বজালৈ ২৪ ঘন্টীয়া অসম বন্ধৰ আহ্বান দিয়ে প্ৰাক্তন এনডিএফবিয়ে। প্ৰাক্তন এনডিএফবিৰ ২৪ ঘণ্টীয়া অসম বন্ধৰ প্ৰভাৱত ওদালগুৰি জিলা স্তব্ধ হৈ পৰে। বন্ধৰ ফলত টংলা, হৰিশিঙা, খৈৰাবাৰী, ভেৰগাঁও, ৰৌতা, মাজবাট, ওৰাং আদি অঞ্চলৰ হাট-বজাৰ, ব্যৱসায়িক প্ৰতিষ্ঠান, অফিচ, আদালত, বেংক, ডাক সেৱা বন্ধ হৈ পৰে। লগতে যাত্ৰীবাহী বাছ, সৰু সৰু যান-বাহনৰো চলাচল বন্ধ হৈ পৰে। শান্তি চুক্তি স্বাক্ষৰকাৰী এনডিএফবিৰ প্ৰতিষ্ঠাপক সভাপতি ৰঞ্জন দৈমাৰীৰ মুক্তিৰ দাবীত বুধবাৰে বন্ধৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে প্ৰাক্তন এনডিএফবি সদস্যসকলে। শান্তিৰ স্বাৰ্থত চুক্তি স্বাক্ষৰ কৰিবলৈ কাৰাগাৰৰ পৰা মুকলি কৰি পুনৰ চুক্তি স্বাক্ষৰৰ পাছত কাৰাগাৰত নিক্ষেপ কৰাত অঞ্চলটোলৈ শান্তি ঘূৰি নাহে বুলি উল্লেখ কৰে প্ৰাক্তন এনডিএফবি আৰু দৈমাৰীৰ ভগ্নী অঞ্জলি দৈমাৰীয়ে প্ৰকাশ কৰে। উল্লেখ্য, ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু বড়ো জনগোষ্ঠীৰ নেতৃবৰ্গৰ মাজত ২০২০ চনৰ ২৭ জানুৱাৰীত ঐতিহাসিক ত্ৰিপাক্ষিক বড়ো চুক্তি স্বাক্ষৰিত হয়। উক্ত চুক্তিত ভাৰত চৰকাৰৰ ফালৰ পৰা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু অসম চৰকাৰৰ ফালৰ পৰা অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু অসমৰ স্বাস্থ্য তথা বিত্তমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা উপস্থিত আছিল। আনপিনে বড়ো নেতৃবৰ্গৰ ভিতৰত নেচনেল ডেম'ক্ৰেটিক ফ্ৰণ্ট অৱ বড়োলেণ্ড চমুকৈ এনডিএফবিৰ গোবিন্দ বসুমতাৰী, ধীৰেন্দ্ৰ বড়ো, ৰঞ্জন দৈমাৰী, বি চাওৰাইগোৱা, অল বড়ো ষ্টুডেণ্ট ইউনিয়ন চমুকৈ এবছুৰ প্ৰমোদ বড়ো, বিটিচিৰ মুখ্য কাৰ্যবাহী বিষয়া হাগ্ৰামা মহিলাৰী আৰু ইউনাইটেড বড়ো পিপল অৰ্গেনাইজেচন বা চমুকৈ ইউবিপিঅ'ৰ প্ৰতিনিধিয়ে চুক্তি ৰূপায়ণত অংশ লয়। এই চুক্তিখনৰ পিছত কে'বাদশকো চলি অহা সশস্ত্ৰ বড়ো সংগ্ৰামখনৰ সামৰণি পৰিব বুলি আশা কৰা হৈছে। কিয়নো চুক্তিখন স্বাক্ষৰিত হোৱাৰ তিনি দিন পিছতেই এনডিএফবিৰ ১,৬১৫জন সংগ্ৰামীয়ে ৩০ জানুৱাৰী,২০২০-ৰ দিনা বৃহৎ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰৰ সৈতে আত্মসমৰ্পণ কৰিছিল। যিহেতু এই চুক্তিখন হৈছে বড়ো আৰু চৰকাৰৰ মাজত সম্পন্ন হোৱা তৃতীয়খন চুক্তি। ইয়াৰ পূৰ্বে ১৯৯৩ চনত আৰু ২০০৩ চনত বড়ো চুক্তি স্বাক্ষৰিত হৈছিল। ১৯৯৩ চনৰ চুক্তিখনৰ দ্বাৰা বড়োলেণ্ড স্বায়ত্তশাসিত পৰিষদ গঠন হৈছিল আৰু ২০০৩ চনৰ চুক্তিখনৰ জৰিয়তে অসমৰ চাৰিখন জিলা সামৰি বড়োলেণ্ড টেৰিটৰিয়েল এৰিয়া ডিষ্ট্ৰিকছ গঠন হৈছিল। কিন্তু পুনৰ বিটিচি অঞ্চলত বন্ধ সংস্কৃতি, অশান্তিৰ সৃষ্টি হ'বলৈ গৈ আছে। সেয়া কিন্তু ভৱিষ্যতৰ কাৰণে এটা ভয়ানক পৰিস্থিতি হ'বলৈ গৈ আছে। সেয়েহে আগন্তুক দিনত শান্তি ঘূৰাই অনাৰ স্বাৰ্থত চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰিব সেয়া সময়ত পৰিলক্ষিত হ'ব।

**এনডিএফবি ৰঞ্জন দৈমাৰীক যাৱজ্জীৱন কাৰাদণ্ড দিয়াৰ প্ৰতিবাদত গোৰেশ্বৰত সৰ্বাত্মক বন্ধ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৰেশ্বৰ ঃ** এনডিএফবিৰ প্ৰাক্তন প্ৰতিষ্ঠাপক সভাপতি ৰঞ্জন দৈমাৰীক নিম্ন আদালতে দিয়া যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায় গুৱাহাটী উচ্চ ন্যায়ালয়ে বাহাল ৰখা কাৰ্যক সমগ্ৰ বিটিআৰত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ৰঞ্জন দৈমাৰীক যাৱজ্জীৱন কাৰাদণ্ড দিয়াৰ প্ৰতিবাদত আজি এনডিএফবিৰ ২৪ ঘণ্টীয়া অসম বন্ধ আহ্বান জনোৱাত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে তামোলপুৰ জিলাৰ গোৰেশ্বৰত মিশ্ৰিত প্ৰভাৱ পৰিলক্ষিত হয়। অৱশ্য জিলাখনৰ মহৰিপাৰা, নাওকাটা, কেৰ্পাভিঠা, ঔসাৰী, কাউৰবাহা আৰু কেলেংচ'ক আদি অঞ্চলত বন্ধ সৰ্বাত্মক হয়। বন্ধৰ সময়ত কোনোধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত হোৱা নাই।

**প্ৰাক্তন এনডিএফবি নেতা ৰঞ্জন দৈমাৰীৰ মুক্তিৰ দাবীত দিয়া বন্ধত স্তব্ধ গোসাঁইগাঁও মহকুমা**

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও ঃ** এনডিএফবিৰ স্বয়ম্ভু সেনাধ্যক্ষ ৰঞ্জন দৈমাৰীক ২০০৮ বৰ্ষৰ ৩০ অক্টোবৰত ৰাজ্যত ধাৰাবাহিক বোমা বিস্ফোৰণৰ লগত জড়িত থকাৰ অপৰাধত নিম্ন আদালতে যাৱজ্জীৱন কাৰাদণ্ডিত কৰে। গুৱাহাটীৰ আদালতৰ ৰায়ৰ প্ৰতি ক্ষুব্ধ হৈ আজিপুৱা ৫ বজাৰ পৰা বিয়লি ৫ বজালৈ ২৪ ঘণ্টীয়া অসম বন্ধৰ আহ্বান দিয়ে প্ৰাক্তন এনডিএফবিয়ে। প্ৰাক্তন এনডিএফবিৰ ২৪ ঘণ্টীয়া অসম বন্ধৰ প্ৰভাৱে গোসাঁইগাঁও মহকুমা স্তব্ধ হৈ পৰে। বন্ধৰ ফলত মহকুমাটোৰ গোসাঁইগাঁও সদৰ চহৰকে ধৰি মহকুমাৰ শ্ৰীৰামপুৰ, কচুগাঁও, শিমুলটাপু, ভাওৰাগুৰি অঞ্চলৰ হাট-বজাৰ, ব্যৱসায়িক প্ৰতিষ্ঠান, অফিচ, আদালত, বেংক, ডাক সেৱা বন্ধ হৈ পৰে। যাত্ৰীবাহী বাছ, সৰু সৰু যান-বাহনৰো চলাচল বন্ধ হৈ পৰে। অৱশ্যে ৩১নং ৰাষ্ট্ৰীয় ঘাইপথত মালবাহী ট্ৰাক চলাচল পৰিলক্ষিত হয়।

**তামুলপুৰত এনডিএফবিৰ ২৪ ঘণ্টীয়া বন্ধ আংশিক**

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ ঃ** ২০০৮ চনৰ ৩০ অক্টোবৰৰ গুৱাহাটী, কোকৰাঝাৰ, বঙাইগাঁও, বৰপেটা জিলাত হোৱা ধাৰাবাহিক বোমা বিস্ফোৰণৰ নায়কৰূপে চিহ্নিত এনডিএফবিৰ প্ৰতিষ্ঠাপক সভাপতি ৰঞ্জন দৈমাৰীক গুৱাহাটী উচ্চ ন্যায়ালয়ে এক শুনানিযোগে যাৱজীৱন কাৰাদণ্ডৰে দণ্ডিত কৰাত তেওঁৰ মুক্তিৰ দাবীত শান্তি আলোচনালৈ অহা এনডিএফবিয়ে জনোৱা ২৪ ঘণ্টীয়া অসম বন্ধৰ প্ৰভাৱ তামুলপুৰ জিলা সদৰৰ তামুলপুৰত আংশিকভাৱে পৰা পৰিলক্ষিত হয়। পুৱাৰ ভাগত তামুলপুৰ জিলাৰ বিভিন্ন ঠাইত কিছু কিছু দোকান-পোহাৰ আৰু ব্যৱসায়িক প্ৰতিষ্ঠান আদি বন্ধ পৰিলক্ষিত হয় যদিও পলমকৈ সকলোৱে খোলা পৰিলক্ষিত হয়। অৱশ্যে জিলা সদৰৰ অন্যতম ব্যস্ত মটঙাপাৰ চ'কত দোকান-পোহাৰ, ব্যৱসায়িক প্ৰতিষ্ঠান আদি সম্পূৰ্ণ বন্ধ থাকে। ইফালে, মেডিকেল চ'ক, ঘগ্ৰাচ'ককে ধৰি চহৰখনৰ বহু ঠাইত দোকান-পোহাৰ আদি খোলা পৰিলক্ষিত হয়। অৱশ্যে চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান যান-বাহন আদি সম্পূৰ্ণ বন্ধ থকা পৰিলক্ষিত হয়। বন্ধৰ সময়ছোৱাত কোনোধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত হোৱাৰ বাতৰি পোৱা হোৱা নাই।

**প্ৰাক্তন এনডিএফবি আৰু বনচুয়ে আহ্বান জনোৱা ২৪ ঘণ্টীয়া অসম বন্ধত ওদালগুৰিত ব্যাপক প্ৰভাৱ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি ঃ** বিটিআৰ চুক্তি আৰু বিটিচিত নতুন চৰকাৰ গঠন হোৱাৰ পিছত সমগ্ৰ বিটিচিত বন্ধ সংস্কৃতিয়ে চিৰবিদায় লোৱা বুলি ৰাইজে ধাৰণা কৰিছিল আৰু প্ৰায় দুবছৰ পূৰ্বৰ পৰা বিটি চি বন্ধ হোৱা নাছিল। তেনেকৈয়ে সদৌ বড়ো ছাত্ৰ সন্থায়ো বন্ধ সংস্কৃতি উঠাই লোৱাৰ প্ৰস্তাৱ লৈছিল। কিন্তু বড়ো আন্দোলনত আগভাগ লোৱা প্ৰাক্তন এনডিএফবিৰ অধ্যক্ষ ৰঞ্জন দৈমাৰীৰ পুনৰ আজীৱন কাৰাদণ্ড ঘোষণা কৰাৰ পিছত ৰঞ্জন দৈমাৰীক বিনাচৰ্তে মুকলি কৰি দিয়াৰ দাবীত প্ৰাক্তন এনডিএফবিৰ আহ্বানত আৰু বড়ো নেচনেল ষ্টুডেণ্ট ইউনিয়ন, বড়ো ৱমেন জাষ্টিচ ফ'ৰাম, বড়ো পিপুলছ কমিটী ফৰ পিচ ইনিটিয়েটিভ আৰু ছ'চাইটী ফৰ ইণ্ডিজিনাচ পিপুলছ ৰাইটৰ সহযোগত ২৮ ছেপ্টেম্বৰৰ পুৱা ৫ বজাৰ পৰা ২৯ ছেপ্টেম্বৰৰ পুৱা ৫ বজালৈকে ২৪ ঘণ্টীয়া অসম বন্ধত ওদালগুৰিত ব্যাপক প্ৰভাৱ পৰা দেখা গৈছে। বন্ধৰ সময়ত দোকান-পোহাৰ বন্ধ থকাৰ লগতে যান-বাহনসমূহো বন্ধ থাকে। অৱশ্যে বন্ধৰ সমৰ্থকে শিক্ষাৰ ক্ষেত্ৰত বিশেষ দৃষ্টি ৰাখি স্কুলসমূহ খোলা ৰাখিবলৈ প্ৰেছ বিজ্ঞপ্তিত উল্লেখ কৰে। বন্ধৰ সময়ত ক'তো হিংসাত্মক ঘটনা সংঘটিত হোৱা খবৰ প্ৰাপ্ত হোৱা নাই। জিলাসমূহৰ সকলোধৰণৰ বিদ্যালয়ত পাঠদান নিয়মীয়াকৈ চলা দেখা গৈছে।

# লেফটেনেণ্ট জেনেৰেল

নিযুক্তি লাভ কৰিছে। জম্মু-কাশ্মীৰ আৰু উত্তৰ-পূৰ্বাঞ্চলত বিদ্ৰোহ-বিৰোধী অভিযানত ব্যাপক অভিজ্ঞতা থকা চৌহান এই পদত নিযুক্তি পোৱা প্ৰথমগৰাকী অৱসৰপ্ৰাপ্ত বিষয়া। চৰকাৰে চৌহানৰ নিযুক্তিৰ বাবে নিয়ম সলনি কৰাৰ কথা ঘোষণা কৰিবলৈ গেজেট অধিসূচনা জাৰি কৰিছে। ১৯৬১ চনৰ ১৮ মে'ত জন্মগ্ৰহণ কৰা লেফটেনেণ্ট জেনেৰেল অনিল চৌহানক ১৯৮১ চনত ভাৰতীয় সেনাৰ ১১ গোৰ্খা ৰাইফলছত নিযুক্তি দিয়া হৈছিল। তেওঁ ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা একাডেমী, খড়কবাছলা আৰু ভাৰতীয় সামৰিক একাডেমী, ডেৰাডুনৰ প্ৰাক্তন ছাত্ৰ। এজন মেজৰ জেনেৰেল হিচাপে তেওঁ উত্তৰ কমাণ্ডৰ বাৰামুলা খণ্ডত পদাতিক বিভাগক নেতৃত্ব দিছিল। লেফটেনেণ্ট জেনেৰেল হিচাপে তেওঁ উত্তৰ-পূৰ্বাঞ্চলত সেনাৰ কৰ্পছক নেতৃত্ব দিছিল। ২০১৯ চনৰ ছেপ্টেম্বৰ মাহৰ পৰা তেওঁ ইষ্টাৰ্ন কমাণ্ডৰ জেনেৰেল অফিচাৰ কমাণ্ডিং-ইন-চীফ আছিল আৰু ২০২১ চনৰ মে' মাহত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰিছিল। ৬৩ বছৰ বয়সত জেনেৰেল বিপিন ৰাৱাটৰ মৃত্যুৰ পিছত যোৱা বছৰৰ ৮ ডিচেম্বৰৰ পৰা এই পদটো খালী হৈ আছিল।

# বাল্যবিবাহ সম্পন্ন কৰিলেই

প্ৰয়োজনীয়তা অধিক। এগৰাকী নাৰী শিক্ষিত হ'লে এটা পৰিয়াল শিক্ষিত হ'ব। তেওঁ লগতে কয় যে কোনো কাৰণত যেন নিজৰ সন্তানৰ বিয়াৰ উপযুক্ত বয়স নোহোৱালৈকে বিয়া নিদিয়ে। বাল্যবিবাহ সম্পন্ন কৰিলেই যাব লাগিব জে'ললৈ। উক্ত সভাত জিলা সমাজ কল্যাণ বিষয়া ৰাজলক্ষ্মী দেউৰীয়ে গৰ্ভৱতী মহিলাসকলক উদ্দেশ্যি কয়, সন্তান গৰ্ভত থকা অৱস্থাত পুষ্টিকৰ খাদ্য গ্ৰহণ কৰিব লাগে, স্বাস্থ্যৰ যতন ল'ব, নিজ সন্তানক কম বয়সতে বিবাহপাশত আবদ্ধ নকৰিবলৈ নাৰী সমাজক আহ্বান জনায়। দলগাঁও শিয়ালমাৰী শিশু উন্নয়ন প্ৰকল্পৰ পৰিসংখ্যা সহায়ক নজিবুৰ ৰহমান, আৰিমাৰী গাঁও পঞ্চায়তৰ সভাপতি ৰফিকুল ইছলামৰ লগতে অঞ্চলটোৰ আশা কৰ্মী আৰু অংগনবাড়ী কৰ্মীসকল উপস্থিত থাকে। ৰফিকুল ইছলামৰ সভাপতিত্বত অনুষ্ঠিত সভাত পাঁচ শৰো অধিক লোকে অংশগ্ৰহণ কৰে।

# পাঁচ বছৰলৈ নিষিদ্ধ পপুলাৰ

ঘোষণা কৰিছে। সমগ্ৰ দেশজুৰি যোৱা কিছুদিন ধৰি সংগঠনটোৰ বিৰুদ্ধে কেন্দ্ৰীয় তদন্তকাৰী সংস্থাসমূহে চলাই থকা অভিযানৰ পিছত আজি কেন্দ্ৰীয় চৰকাৰে এই সিদ্ধান্ত গ্ৰহণ কৰে। আজি জাৰি কৰা এক চৰকাৰী জাননীত উল্লেখ কৰা হৈছে যে বেআইনী কাৰ্যকলাপ (প্ৰতিৰোধ) আইন (UAPA)ৰ অধীনত তাৎক্ষণিকভাৱে পপুলাৰ ফ্ৰণ্ট অৱ ইণ্ডিয়া আৰু ইয়াৰ সহযোগী সংগঠনসমূহক বেআইনী ঘোষণা কৰা হৈছে। বিবৃতিটোত পপুলাৰ ফ্ৰণ্ট অৱ ইণ্ডিয়াই ষ্টুডেণ্টছ ইছলামিক মুভমেণ্ট অৱ ইণ্ডিয়া (ছিমি), জামাত-উল-মুজাহিদীন বাংলাদেশ আৰু ইছলামিক ষ্টেট অৱ ইৰাক এণ্ড ছিৰিয়া (আইছিছ)ৰ সৈতে সম্পৰ্ক ৰক্ষা কৰি অহা বুলি উল্লেখ কৰা হৈছে আৰু কে'বাটাও অপৰাধমূলক আৰু সন্ত্ৰাসবাদী গোচৰত সংগঠনটো জড়িত থকাৰ প্ৰমাণ পোৱা গৈছে বুলি দাবী কৰিছে। গৃহ মন্ত্ৰালয়ে জাৰি কৰা জাননীখনত লগতে পপুলাৰ ফ্ৰণ্ট অৱ ইণ্ডিয়া আৰু ইয়াৰ সহযোগী সংগঠনসমূহে বেআইনী কাৰ্যকলাপত লিপ্ত হৈ দেশৰ অখণ্ডতা, সাৰ্বভৌমত্ব আৰু নিৰাপত্তাৰ প্ৰতি ভাবুকি কঢ়িয়াই অনাৰ উপৰিও শান্তি আৰু সাম্প্ৰদায়িক সম্প্ৰীতি বিঘ্নিত কৰাৰ সম্ভাব্য পৰিস্থিতিৰ সৃষ্টি কৰিছে বুলি উল্লেখ কৰে। সংগঠনটোৱে সমাজৰ এটা নিৰ্দিষ্ট অংশক মৌলবাদী হিচাপে গঢ়ি তোলাৰ বাবে এক গোপন কাৰ্যসূচী পৰিচালনা কৰি আহিছে আৰু দেশৰ সাংবিধানিক কৰ্তৃত্বৰ প্ৰতি সংগঠনটোৱে সম্পূৰ্ণ অসন্মান প্ৰদৰ্শন কৰে বুলিও বিবৃতিটোত দাবী কৰা হৈছে। বাহিৰৰ পৰা পুঁজি লাভ কৰাৰ লগতে কট্টৰ আদৰ্শগত সমৰ্থনৰ দ্বাৰা পপুলাৰ ফ্ৰণ্ট অৱ ইণ্ডিয়া দেশৰ আভ্যন্তৰীণ নিৰাপত্তাৰ বাবে এক ডাঙৰ ভাবুকি হৈ পৰিছে বুলি জাননীখনত গৃহ মন্ত্ৰালয়ে স্পষ্টকৈ উল্লেখ কৰিছে। উল্লেখ্য যে সন্ত্ৰাসবাদীৰ পুঁজিৰ সৈতে পপুলাৰ ফ্ৰণ্ট অৱ ইণ্ডিয়াৰ সম্পৰ্ক থকাৰ অভিযোগ তুলি নিয়াই দেশজুৰি সংগঠনটোৰ কাৰ্যালয় তথা কৰ্মীৰ বাসগৃহত অভিযান চলাই বহু বিস্ফোৰক তথ্য উদ্ধাৰ কৰা বুলি দাবী কৰিছিল। এই অভিযানৰ সময়ত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা পপুলাৰ ফ্ৰণ্ট অৱ ইণ্ডিয়াৰ তিনি শতাধিক সদস্যক গ্ৰেপ্তাৰ কৰা হৈছে। ২২ ছেপ্টেম্বৰ আৰু ২৭ ছেপ্টেম্বৰত নিয়া, এনফৰ্চমেণ্ট ডাইৰেক্টৰেট আৰু ৰাজ্যিক আৰক্ষীয়ে সংগঠনটোৰ বিৰুদ্ধে দেশজুৰি অভিযান চলায়। প্ৰথম পৰ্যায়ৰ অভিযানত সংগঠনটোৰ ১০৬গৰাকী সদস্যক গ্ৰেপ্তাৰ কৰাৰ বিপৰীতে দ্বিতীয় পৰ্যায়ৰ অভিযানত ২৪৭গৰাকী সদস্যক গ্ৰেপ্তাৰ কৰা হয়। অনুসন্ধানকাৰী সংস্থাসমূহে সংগঠনটোৰ বিৰুদ্ধে পৰ্যাপ্ত প্ৰমাণ লাভ কৰা বুলি দাবী কৰে আৰু ইয়াৰ ভিত্তিত পপুলাৰ ফ্ৰণ্ট অৱ ইণ্ডিয়াক নিষিদ্ধ কৰাৰ সিদ্ধান্ত লোৱা হয়। ইয়াৰ উপৰিও পপুলাৰ ফ্ৰণ্ট অৱ ইণ্ডিয়াৰ সহযোগী সংগঠন ৰিহাব ইণ্ডিয়া ফাউণ্ডেচন, কেম্পাছ ফ্ৰণ্ট অৱ ইণ্ডিয়া, অল ইণ্ডিয়া ইমামছ কাউন্সিল, নেচনেল কনফেডাৰেচন অৱ হিউমেন ৰাইটছ অৰ্গেনাইজেচন, নেচনেল অ'মেন ফ্ৰণ্ট, জুনিয়ৰ ফ্ৰণ্ট, এমপাৱাৰ ইণ্ডিয়া ফাউণ্ডেচন আৰু ৰিহেব ফাউণ্ডেচন, কেৰালাকো কেন্দ্ৰই নিষিদ্ধ ঘোষণা কৰিছে। উল্লেখ্য, ২২ ছেপ্টেম্বৰত নিয়া আৰু এনফৰ্চমেণ্ট ডাইৰেক্টৰেটে ১৫খন ৰাজ্যৰ প্ৰায় ৯৩ টা স্থানত পপুলাৰ ফ্ৰণ্ট অৱ ইণ্ডিয়াৰ বিৰুদ্ধে তালাচী চলাইছিল। এই ৰাজ্যকেইখন আছিল ক্ৰমে— কেৰালা, তামিলনাডু, কৰ্ণাটক, অন্ধ্ৰ প্ৰদেশ, তেলেংগানা, উত্তৰ প্ৰদেশ, ৰাজস্থান, দিল্লী, অসম, মধ্য প্ৰদেশ, মহাৰাষ্ট্ৰ, গোৱা, পশ্চিম বংগ, বিহাৰ আৰু মণিপুৰ। নিয়াসহ তদন্তকাৰী সংস্থাসমূহে দেশত সন্ত্ৰাসবাদী কাৰ্যকলাপক সমৰ্থন কৰাৰ অভিযোগত 'অপাৰেচন অক্টোপাছ'ৰ অধীনত পপুলাৰ ফ্ৰণ্ট অৱ ইণ্ডিয়াৰ সদস্যসকলৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিছিল।

**জামুগুৰিহাটত পিএফআইৰ লগত জড়িত থকাৰ সন্দেহত আৰক্ষী জোৱান আটক**

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট ঃ** ৰাজ্যজুৰি অসম আৰক্ষীয়ে পিএফআইৰ বিৰুদ্ধে অভিযান অব্যাহত ৰখাৰ মাজতে আজি জামুগুৰিহাটত পিএফআইৰ লগত জড়িত থকাৰ সন্দেহত আটক কৰা হয় এজন আৰক্ষীৰ জোৱানক। আটক কৰা আৰক্ষী জোৱানজনৰ নাম হৈছে আব্দুল ৰেজেক (২৪)। জামুগুৰিহাটৰ কুসুমটোলাস্থিত দ্বাদশ অসম আৰক্ষী বাহিনীৰ মুখ্য কাৰ্যালয়ত অসম আৰক্ষীৰ প্ৰশিক্ষণপ্ৰাপ্ত অৱস্থাত থকা জোৱানজনক আজি পুৱা জামুগুৰি আৰক্ষীয়ে আটক কৰে। কামৰূপ আৰক্ষীৰ তদন্তৰ ভিত্তিত জামুগুৰি আৰক্ষীয়ে আটক কৰা জোৱানজনক পিছত কামৰূপ আৰক্ষীক চমজাই দিয়ে। পিএফআইৰ লগত জড়িত থকাৰ সন্দেহত আটক হোৱা আব্দুল ৰেজেকৰ ঘৰ কামৰূপ জিলাৰ নগৰবেৰাত।

**বাক্সাৰ ভকুৱামাৰীত আৰক্ষী-প্ৰশাসনৰ অভিযান, পিএফআইৰ কাৰ্যালয় ছীল**

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰীঃ** ভাৰতবৰ্ষত পপুলাৰ ফ্ৰণ্ট অৱ ইণ্ডিয়া চমুকৈ পিএফআইকে ধৰি আঠটা সংগঠনক নিষিদ্ধ ঘোষণা কৰাৰ পিছতে বাক্সা জিলাৰ শালবাৰীত পিএফআইৰ বিৰুদ্ধে পুনৰ চলিল আৰক্ষী- প্ৰশাসনৰ তীব্ৰ অভিযান। বাক্সা জিলাৰ শালবাৰী মহকুমাৰ ভকুৱামাৰীত আজি বাক্সা আৰক্ষীৰ বৃহৎ দলে পিএফআইৰ কাৰ্যালয়ত চলায় অভিযান। অসম আৰক্ষীৰ বেটেলিয়ন কমাণ্ডেণ্ট উজ্জ্বলপ্ৰতিম বৰুৱা, শালবাৰী মহকুমাৰ মহকুমাধিপতি লক্ষ্যজোতি দাস, শালবাৰী মহকুমা আৰক্ষী বিষয়া সমীৰণ বৈশ্য, শালবাৰী থানাৰ আৰক্ষী বিষয়া ৰূপজ্যোতি দত্ত, আনন্দ বজাৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সমীৰণ ডেকাৰ লগতে বৃহৎ আৰক্ষীৰ দলে চলোৱা অভিযানত ৫খন পিএফআইৰ পতাকা, এখন ৰাষ্ট্ৰীয় পতাকা, কে'বাখনো বেনাৰ, চকী-মেজ, কাৰ্যালয়ত ব্যৱহৃত সামগ্ৰীৰ লগতে বহু আপত্তিজনক সামগ্ৰী উদ্ধাৰ কৰে। অভিযানৰ অন্তত মহকুমাধিপতি লক্ষ্যজ্যোতি দাসৰ উপস্থিতিত পাঁচ বছৰৰ বাবে ছীল কৰি দিয়া হয় ভকুৱামাৰী চ'কত ভাৰাঘৰত থকা পিএফআই কাৰ্যালয়টো। ভকুৱামাৰীৰ নুৰাল হকৰ দোকানঘৰত ভাৰাতীয়া হিচাপে বছৰ বছৰ ধৰি কাৰ্যালয় স্থাপন কৰি কাম-কাজ চলাই আহিছিল পপুলাৰ ফ্ৰণ্ট অৱ ইণ্ডিয়াৰ কৰ্মকৰ্তাই। উল্লেখ্য যে সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসম তথা বাক্সাৰ বিভিন্ন প্ৰান্তত নিয়া আৰু আৰক্ষীয়ে অভিযান চলাই ইতিমধ্যে গ্ৰেপ্তাৰ কৰিছে বহুকেইজন পিএফআই নেতা-সদস্যক।

**চৰকাৰৰ নিষিদ্ধকৰণৰ সিদ্ধান্ত মানি লৈ সংগঠন ভংগৰ কথা ঘোষণা পিএফআইৰ**

কেন্দ্ৰীয় চৰকাৰে পপুলাৰ ফ্ৰণ্ট অৱ ইণ্ডিয়াক পাঁচ বছৰৰ বাবে নিষিদ্ধ কৰাৰৰ পিছত আজি পিএফআয়ে কয় যে সংগঠনটোৱে কেন্দ্ৰৰ নিষেধাজ্ঞা মানি লৈছে আৰু সংগঠনটো ভংগ কৰি দিছে। গৃহ মন্ত্ৰালয়ে সংগঠনটোক সন্ত্ৰাসবাদীৰে সম্পৰ্ক ৰক্ষা আৰু ভাৰতবিৰোধী কাৰ্যকলাপৰ বাবে ৫ বছৰৰ বাবে নিষিদ্ধ কৰাৰ পদক্ষেপৰ পিছতে সংগঠনটো ভাঙি দিয়াৰ সিদ্ধান্তৰ বিষয়ে পিএফআয়ে ইয়াৰ সদস্যসকলক অৱগত কৰি এক বিবৃতিও জাৰি কৰিছে। বিবৃতিত কোৱা হৈছে 'সকলো পিএফআই সদস্য আৰু ৰাইজক জনোৱা হৈছে যে পপুলাৰ ফ্ৰণ্ট অৱ ইণ্ডিয়া (পিএফআই) ভংগ কৰা হৈছে। গৃহ দপ্তৰে পিএফআই নিষিদ্ধ কৰাৰ বাবে এখন জাননী জাৰি কৰিছে। দেশৰ আইন মানি চলা নাগৰিক হিচাপে, সংগঠনটোৱে এই সিদ্ধান্ত মানি লৈছে।' বিবৃতিটোত কেৰালাৰ পিএফআইৰ ৰাজ্যিক সাধাৰণ সম্পাদক আব্দুল সাত্তাৰে এনেদৰে কয়। আব্দুল সাত্তাৰে সকলো সদস্যকে এতিয়া নিষিদ্ধ সংগঠনটোৰ সৈতে সম্পৰ্কিত সকলো কাৰ্যকলাপ বন্ধ কৰিবলৈ অনুৰোধ জনাইছে। সাত্তাৰে আজি কেৰালাৰ কৰুণাগাপল্লীৰ পৰা গ্ৰেপ্তাৰ হোৱাৰ কেইঘণ্টামান পিছত ঘোষণা কৰিছিল যে সংগঠনটো এটা ফেচবুক পোষ্টৰ জৰিয়তে ঘোষণা কৰি ভংগ কৰা হৈছে।

# পাঁচদিনত মহানগৰীত উৰিব

বেলবৰণ। ৰাজ্যৰ লগতে গুৱাহাটী মহানগৰীত অনুষ্ঠিত হ'ব সৰু-ডাঙৰ প্ৰায় সাতশ পূজা। কে'বাখনো পূজাই গৰকিছে সোণালী, ৰূপালী বৰ্ষ। দৰ্শক-ভক্তক আকৰ্ষিত কৰিবলৈ উদ্যোক্তাসকল নামি পৰিছে অঘোষিত প্ৰতিযোগিতাত। হাতত লৈছে লাখ লাখ টকাৰ বাজেট। দেশ-বিদেশৰ মন্দিৰৰ আৰ্হিত সজাই তুলিছে মণ্ডপ। আছে চকু চাট মৰা আলোকসজ্জা। সৰু-বৰ ব্যৱসায়ীসকলে পেঁপা, বেলুনকে ধৰি খেলনা সামগ্ৰীৰে ভৰাই তুলিছে পূজাৰ চৌহদ। মহানগৰীৰ বিষ্ণুপুৰৰ পূজাই গৰকিলে ৭২ বছৰ। উদ্যোক্তাসকলেও প্ৰাণ ঢালি নামি পৰিছে। শিল্পীসকলে শেষ পৰশ দিছে। এইবাৰ বিষ্ণুপুৰৰ পূজা মণ্ডপ সজাই তোলা হৈছে লুম্বুনিৰ প্ৰসিদ্ধ বৌদ্ধ মন্দিৰৰ আৰ্হিত। বাজেট ধাৰ্য কৰা হৈছে ২৫ লাখ। লতাশিলৰ সাৰ্বজনীন দুৰ্গা পূজাই ৪০ বছৰত ভৰি দিছে। ১৪ লাখ বাজেটেৰে এইবাৰ মণ্ডপ সজাই তোলা হৈছে দক্ষিণ ভাৰতীয় মন্দিৰৰ আৰ্হিত। বিষ্ণুপুৰৰ আন এখন পূজাত দৰ্শকে নয়ন ভৰি চাব পাৰিব কম্বোডিয়াৰ বিখ্যাত 'অংকুৰ ৱাৰ্ট' মন্দিৰৰ আৰ্হি। উদ্যোক্তাসকলৰ বাজেট ২২ লাখ টকা। ছাত্ৰীবাৰী পূজা কমিটীয়ে ব্যতিক্ৰমী চিন্তাৰে কলম আৰু কাঠপেঞ্চিলেৰে নিৰ্মাণ কৰিছে দেৱীক। ১৫ লাখ টকা বাজেটৰ পূজা কমিটীয়ে এক অনন্য সোৱাদ দিবলৈ সম্পূৰ্ণ সাজু হৈ উঠিছে। আঠগাঁও পূজা কমিটীয়ে ১৮ লাখ টকাৰ বাজেটেৰে আকৰ্ষণীয়কৈ সজাই তুলিছে পূজা মণ্ডপ। মহানগৰীৰ মালিগাঁৱৰ ৰেষ্টকেম্প, পাণ্ডু, নুনমাটি, বামুণীমৈদাম, গীতানগৰ, গণেশগুৰি, বেলতলাকে ধৰি সৰু-বৰ পূজা কমিটীয়ে নিজস্ব চিন্তাধাৰাৰে দেৱীক মূৰ্ছনা কৰিবলৈ সাজু হোৱাৰ লগতে দৰ্শকৰো মন জয় কৰিবলৈ ন্যূনতম কৃপণালি কৰা নাই। উদ্যক্তাৰ আশা-সপোন পূৰণ কৰিবলৈ থলুৱাৰ লগতে পশ্চিমবংগৰ পৰা আমদানি কৰা শিল্পীসকলে ৰাতি-দিন এক কৰি মণ্ডপ নিৰ্মাণত ব্যস্ত হৈ পৰি অন্তিম পৰশ দিবলৈ সাজু হৈছে। একেদৰে মহানগৰবাসী সাজু হৈছে দেৱীক দৰ্শন কৰিবলৈ। দূৰ-দূৰণিৰ ব্যক্তিসকলে পৰিয়ালসহ নিজৰ পৰিয়াল-আত্মীয়ৰ সৈতে কটাবলৈ যোৱাৰ বাবে সাজু হৈছে। বিগত দুটা বছৰৰ পিছত এইবেলি সকলোৱে আনন্দমনেৰে শাৰদীয় পূজা উপভোগ কৰিবলৈ সাজু হৈছে। চৰকাৰে পূজা সুকলমে অনুষ্ঠিত হোৱাৰ স্বাৰ্থত আৰক্ষীৰ লোকসকলৰ ছুটী ২৫ অক্টোবৰ পৰ্যন্ত বাতিল কৰিছে। প্ৰশাসনেও ইতিমধ্যে জাৰি কৰিছে কেতবোৰ নীতি-নিয়ম। উদ্যোক্তাসকলক নিয়মসমূহ মানি চলিবলৈ প্ৰশাসন তথা আৰক্ষী প্ৰশাসনে কঠোৰ নিৰ্দেশ দিছে। মুঠতে সকলো সাজু দেৱীৰ চৰণত এগছি বন্তি জ্বলাই আশীৰ্বাদ ল'বলৈ।

# ফাৰ্মাচিষ্ট দিৱস, ফাৰ্মাচী

কৰ্তব্য, দায়িত্ব আৰু স্বাস্থ্য সেৱাত তেওঁলোকৰ এই যি গুৰুত্ব এই সকলোবোৰ কথা ৰাইজৰ মাজলৈ উলিয়াই নি জনসাধাৰণক এই বিষয়ে বুজাবলৈ, জনাবলৈয়ে ২০০৯ চনৰ পৰাই এই দিৱস পালন কৰি অহা হৈছে। মোৰ বোধেৰে এতিয়া আৰু জনসাধাৰণক বুজাবলৈ একো নাই। জনসাধাৰণে ভালকৈয়ে এই বিষয়ে বুজি পাইছে, বিশেষকৈ অসমত। নহ'লেনো অতি কম দিনৰ ভিতৰতে কাঠফুলাৰ দৰে য'তে-ত'তে ইমানবোৰ ব্যক্তিগত খণ্ডত ফাৰ্মাচী শিক্ষানুষ্ঠান গঢ় লৈ উঠেনে? নতুন প্ৰজন্মৰ মধ্যমীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত ফাৰ্মাচিষ্ট হ'বলৈ হেতা-ওপৰা লাগেনে? বিশেষকৈ মধ্যবিত্ত শ্ৰেণীটোৰ মাজত। আনকি এতিয়া ৫৯-৬০ বছৰীয়া বৃদ্ধজনেও পিছ দুৱাৰেদি হ'লেও ফাৰ্মাচিষ্ট হিচাপে নিজৰ নামটো পঞ্জীয়ন কৰাৰ প্ৰতিযোগিতাত নামি পৰিছে। কিয়নো সকলোৱে এতিয়া বুজি পাইছে যে ফাৰ্মাচী শিক্ষাৰে শিক্ষিত ছাত্ৰজন কেতিয়াও নিবনুৱা হৈ নাথাকে। চৰকাৰী বা বেচৰকাৰী য'তেই হওক ক'ৰবাত নহয় ক'ৰবাত কৰ্মসংস্থান লাভ কৰিবই। নকৰিলেও কোনো কথা নাই। আত্মসংস্থাপনৰ সুবিধা আছে। আত্মসংস্থাপনৰ জৰিয়তে নিজে সংস্থাপিত হৈ আন দুজনকো সংস্থাপন দিব পৰাৰ ক্ষমতা এজন ফাৰ্মাচিষ্টৰ থাকে। কথাবোৰ আজিৰ প্ৰজন্মই বুজাৰ লগতে সাধাৰণ ৰাইজেও ভালকৈয়ে বুজি পাইছে। বুজি পোৱা নাই যদি চৰকাৰেহে কথাবোৰ আজিও বুজি নাপালে। চৰকাৰে এতিয়াও বুজি নাপালে যে ফাৰ্মাচী শিক্ষাই ৰাজ্যৰ নিবনুৱা সমস্যা সমাধান কৰিব পাৰে, ৰাজ্যখনক আৰ্থিক দিশত আগুৱাই নিব পাৰে, সবল কৰিব পাৰে। বুজি পালেনো চৰকাৰে ফাৰ্মাচী শিক্ষাক গুৰুত্ব নিদিয়াকৈ থাকিব পাৰেনে? চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি যিটো সময়ত যাৰ যেনেকৈ মন তেনেকৈ ব্যৱসায় ভিত্তিত ফাৰ্মাচী শিক্ষানুষ্ঠান খুলি আছে সেই সময়ত সেই তাহানিতে চৰকাৰী খণ্ডত প্ৰতিষ্ঠা কৰা তিনিখন ফাৰ্মাচী শিক্ষানুষ্ঠানতে চৰকাৰ সীমাবদ্ধ থাকেনে? মেডিকেল কলেজ কিন্তু কে'বাখনো প্ৰতিষ্ঠা কৰা হ'ল, কিন্তু ফাৰ্মাচী শিক্ষানুষ্ঠান এখনো নহ'ল কিয়? হয়তো চৰকাৰে এতিয়ালৈ স্বাস্থ্য সেৱাত ফাৰ্মাচিষ্টৰ যি এক গুৰুত্বপূৰ্ণ ভূমিকা থাকে তাক আজিলৈকে বুজিয়ে নাপালে? ফাৰ্মাচিষ্টৰ যি দায়িত্ব সেয়া ফাৰ্মাচিষ্টৰ বাহিৰে আনৰ দ্বাৰা কৰোৱাটো অকল আইনবিৰোধীয়ে নহয়, জনস্বাস্থ্যৰ বাবেও এক বিপজ্জনক কথা, সেই কথাও চৰকাৰে বুজি নাপালে। নহ'লেনো মেডিকেল কলেজ হাস্পতালৰ নিচিনা হাস্পতালবোৰতো ফাৰ্মাচিষ্টৰ পদ সৃষ্টি নকৰাকৈ থাকেনে? কথাবোৰ এতিয়া চৰকাৰক বুজায় কোনে? আমি কিন্তু এই শিতানৰ পৰা বহুবাৰ চৰকাৰক বুজাবলৈ চেষ্টা কৰিছিলোঁ, সফল নহ'লোঁ। আচলতে এইক্ষেত্ৰত সকলো ফাৰ্মাচিষ্টৰে গাৰ্জেনস্বৰূপ ফাৰ্মাচী পৰিষদে এক বলিষ্ঠ ভূমিকা ল'ব পাৰিলেহেঁতেন। অন্তত ফাৰ্মাচী আইন সুৰক্ষাৰ স্বাৰ্থত। কিন্তু দুৰ্ভাগ্যবশতঃ ফাৰ্মাচিষ্টৰ পঞ্জীয়ন আৰু নৱীকৰণতে ফাৰ্মাচী পৰিষদৰ কাম- কাজ সীমাবদ্ধ থাকিল, বৃত্তিটোৰ উন্নয়নৰ হকে ফাৰ্মাচী পৰিষদে কিবা কাম কৰা আজিলৈকে চকুত নপৰিল।

অতীজত ফাৰ্মাচী শিক্ষাটো এটা চাৰ্টিফিকেট ট্ৰেইনিং ক'ৰ্ছ আছিল, তাৰপাছত আহিল দুবছৰীয়া ডিপ্ল'মা ক'ৰ্ছ। অৰ্থাৎ ফাৰ্মাচিষ্ট হ'বলৈ কমেও দুবছৰীয় ডিপ্ল'মা পাঠ্যক্ৰম উত্তীৰ্ণ হোৱাটো বাধ্যতামূলক হ'ল। লগে লগে বন্ধ হৈ গ'ল আগৰ চাৰ্টিফিকেট ট্ৰেইনিং ক'ৰ্ছ। হয়তো ইয়াৰ বাবেই চৰকাৰৰ ঘৰতো ফাৰ্মাচিষ্টসকলৰ পদমৰ্যাদা কিছু উন্নত হ'ল, দৰমহাৰ গাঁথনি অলপ সলনি হৈ কিছু উন্নত হ'ল। তাৰপাছত স্নাতক (B pharm) আৰু স্নাতকোত্তৰ (M pharm) ফাৰ্মাচী শিক্ষাত উচ্চ শিক্ষা সংযোজন কৰা হ'ল যদিও আগৰ ডিপ্ল'মা ক'ৰ্ছটো বন্ধ নহ'ল আৰু সেয়ে আজিও ফাৰ্মাচিষ্ট হোৱাৰ ন্যূনতম অৰ্হতা ডিপ্ল'মাই থাকিল। ফলত ফাৰ্মাচিষ্টসকলৰ পদমৰ্যাদাও সেই আগৰ দৰেই থাকিল। অথচ আমাৰ ওচৰ-চুবুৰীয়া দেশ বাংলাদেশৰ নিচিনা দেশতো ফাৰ্মাচিষ্ট হোৱাৰ ন্যূনতম অৰ্হতা স্নাতক কৰা হৈছে। আমাৰ দেশতো স্নাতক কৰাৰ কথা আছিল, ডিপ্ল'মা ক'ৰ্ছটো বন্ধ কৰাৰ কথা আছিল যদিও এক অজ্ঞাত কাৰণত আজিলৈকে সেয়া হৈ নুঠিল। ফলত লোকচান সকলোৱে হ'ল। নিজৰ প্ৰাপ্যৰ পৰা সকলোৱে বঞ্চিত হ'ল বিশেষকৈ চৰকাৰী খণ্ডত। কিয়নো চৰকাৰী খণ্ডত উচ্চ শিক্ষিত ফাৰ্মাচিষ্টসকলৰ সংস্থাপনৰ বাবে বিশেষ কোনো ব্যৱস্থা নথকাত ডিপ্ল'মা ফাৰ্মাচিষ্টসকলৰ বাবে থকা পদসমূহতে স্নাতক আৰু স্নাতকোত্তৰ ফাৰ্মাচিষ্টসকলেও ইন্টাৰভিউসমূহত অৱতীৰ্ণ হ'ব ধৰিলে। ফলত ডিপ্ল'মা ফাৰ্মাচিষ্টসকলে উচ্চ শিক্ষিত ফাৰ্মাচিষ্টসকলৰ সৈতে স্বাভাৱিকতে ফেৰ মাৰিব নোৱাৰা হ'ল আৰু লাহেলাহে চাকৰিবোৰ তেওঁলোকৰ হাতলৈ গৈ থাকিল আৰু ডিপ্ল'মা ফাৰ্মাচিষ্টসকল বঞ্চিত হৈ থাকিল। কিন্তু তেওঁলোকে চাকৰিটো পালে ঠিকেই, কিন্তু পদটো যিহেতু ডিপ্ল'মাৰ বাবেহে আছিল, তেওঁলোক উচ্চশিক্ষিত হ'লেও দৰমহা ডিপ্ল'মাৰেই লৈ থাকিব লগীয়া হ'ল। শিক্ষা অনুযায়ী উপযুক্ত দৰমহাৰ পৰা তেওঁলোক আজিও বঞ্চিত থাকিবলগীয়া হৈ থাকিল। চাৰ্টিফিকেট ক'ৰ্ছটো বন্ধ কৰি দিয়াৰ দৰে ডিপ্ল'মাও বন্ধ কৰি ফাৰ্মাচিষ্টৰ ন্যূনতম অৰ্হতা স্নাতক কৰা হ'লে হয়তো আজিৰ এই অৱস্থাৰ সৃষ্টি নহ'লহেঁতেন। ফাৰ্মাচী শিক্ষাত নৱতম সংযোজন হ'ল Pharm D অৰ্থাৎ Doctor of pharmacy.

ছবছৰীয়া এক পাঠ্যক্ৰম। আজি যিটো পৰিস্থিতি চলি আছে পৰিস্থিতি এনেকৈয়ে চলি থাকিলে অদূৰ ভৱিষ্যতে যে এইসকলেও ডিপ্ল'মাৰ বাবে সৃষ্টি কৰা পদবোৰতেই চাকৰিৰ বাবে আবেদন নকৰিব তাৰ কোনো নিশ্চয়তা নাই। তেতিয়া কিন্তু ফাৰ্মাচী শিক্ষা আৰু বৃত্তিটোৰ বাবে এক ট্ৰেজেডী হ'ব। নিঃসন্দেহে উচ্চ শিক্ষিত ফাৰ্মাচিষ্টসকলৰ বাবে চৰকাৰী খণ্ডত তেনেকৈ কৰ্মসংস্থানৰ সুবিধা নাথাকিলেও ব্যক্তিগত খণ্ডত বা ঔদ্যোগিক খণ্ডত তেওঁলোকৰ বাবে ঢেৰ সুবিধা আছে। কিন্তু চৰকাৰী খণ্ডৰ স্বাস্থ্য সেৱাত এইসকল উচ্চ শিক্ষিত ফাৰ্মাচিষ্টক নিয়োগৰ ব্যৱস্থা নকৰালৈকে সমাজত ফাৰ্মাচিষ্টসকলৰ স্থান বিশেষ কোনো উন্নত নহয়। গতিকে ফাৰ্মাচিষ্টৰ পদমৰ্যাদা উন্নত আৰু সাধাৰণ ৰাইজক এক উন্নত আৰু নিৰাপদ স্বাস্থ্য সেৱা দিয়াৰ স্বাৰ্থত এওঁলোককো স্বাস্থ্য ক্ষেত্ৰত বিভিন্ন পদ সৃষ্টি কৰি নিয়োগৰ ব্যৱস্থা কৰাটো উচিত। এইক্ষেত্ৰত বাৰু ভাৰতীয় ফাৰ্মাচী পৰিষদৰ কৰণীয় একো নাইনে? চৰকাৰী খণ্ডতো এই উচ্চ শিক্ষিত ফাৰ্মাচিষ্টসকলক নিয়োগৰ ব্যৱস্থা কৰিবলৈ চৰকাৰক হেঁচা দিব নোৱাৰেনে? নে শিক্ষা খণ্ডত উচ্চ শিক্ষা সংযোজন কৰাই একমাত্ৰ তেওঁলোকৰ কাম? সেই উচ্চশিক্ষিত ফাৰ্মাচিষ্টসকল সমাজৰ ক'ত সংস্থাপিত হ'ব, তেওঁলোকৰ পৰা সাধাৰণ ৰাইজ কেনেদৰে উপকৃত হ'ব, এই বিষয়েও ফাৰ্মাচী পৰিষদে চিন্তা-চৰ্চা কৰা তেওঁলোকৰ কাম নহয় নেকি? যদি এনেকৈয়ে থাকে পৰিস্থিতি ভৱিষ্যতে উচ্চ শিক্ষাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ মোহ ভংগ হ'লেও আচৰিত হ'বলগীয়া একো নাথাকিব। পশ্চিমীয়া দেশবোৰৰ স্বাস্থ্যখণ্ডত নিয়োগ কৰাৰ দৰে আমাৰো দেশৰ স্বাস্থ্য সেৱাতো তেওঁলোকক নিয়োগ কৰাৰ ব্যৱস্থা কৰিব নোৱাৰিনে? গতিকে ভাৰতীয় ফাৰ্মাচী পৰিষদলৈ আমাৰ অনুৰোধ দেশৰ প্ৰতিখন জিলা পৰ্যায়ৰ চিকিৎসালয়ত 'ক্লিনিকেল ফাৰ্মাচিষ্ট'ৰ পদ সৃষ্টি কৰিবলৈ চৰকাৰক সৈমান কৰক, লগতে নাৰ্ছিং হোমবোৰতে একোজন ক্লিনিকেল ফাৰ্মাচিষ্ট ৰাখিবলৈ বাধ্য কৰাৰ ব্যৱস্থা কৰক। তেতিয়াহে সমাজত ফাৰ্মাচিষ্টসকলৰ পদমৰ্যাদা কিছু উন্নত হোৱাৰ লগে লগে ৰাইজেও এক উন্নতমানৰ আৰু নিৰাপদ স্বাস্থ্য সেৱা লাভ কৰিব বুলি আমি ভাবোঁ।



# অসমৰ দিনজানত প্ৰতিৰক্ষা

প্ৰকাশ কৰা অনুসৰি,প্ৰতিৰক্ষা মন্ত্ৰী সিঙৰ স'তে দেশৰ স্থল সেনাৰ সেনাধ্যক্ষ, জেনেৰেল মনোজ পাণ্ডে আৰু ইষ্টাৰ্ণ কমাণ্ডৰ লেফটেনেণ্ট জেনেৰেল আৰ পি কলিতা আৰু অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীক ভাৰত চীন সীমান্তৰ আন্তঃগাঁথনি উন্নয়নৰ লগতে সামৰ্থ বিকাশ আৰু কাৰ্যকৰী প্ৰস্তুতিৰ বিষয়ে অৱগত কৰা হয়। প্ৰতিৰক্ষা মন্ত্ৰীয়ে দেশৰ পূব প্ৰান্তৰত দেশৰ সেনাৰ আন্তঃগাথঁনিৰ কাৰ্যকৰী প্ৰস্তুতিৰ বিষয়ে পৰ্যালোচনা কৰে। এই ভ্ৰমণৰ সময়ত প্ৰতিৰক্ষা মন্ত্ৰীক সীমান্তৰ সন্মুখত নিয়োজিত সুৰক্ষা বাহিনীৰ কাৰ্যক্ষমতা বৃদ্ধিৰ বাবে অত্যাধুনিক সামৰিক সঁজুলি আৰু প্ৰযুক্তিৰ ব্যৱহাৰৰ বিষয়েও অৱগত কৰা হয়।প্ৰতিৰক্ষা মন্ত্ৰী সিঙে অহা কাইলৈ গুঞ্জসীমান্তৰ সন্মুখৰ শিৰিৰ সমূহ ভ্ৰমণ কৰি অভিযানিক প্ৰস্তুতি সন্দৰ্ভত বুজ লব আৰু ইয়াত নিয়োজিত সেনাৰ স'তে মত বিনিময় কৰিব। তেওঁ অৰুণাচল প্ৰদেশৰ স্থানীয় ইদু মিচিমি জনগোষ্ঠীৰ বাৰ্ষিক ট্ৰেকিং আথু পপু সন্দৰ্ভত দ্বিতীয় ধৰ্মীয় অভিযানৰ সদস্যসকলৰ স'তেও মত বিনিময় কৰিব।উল্লেখযোগ্য যে এই অনুষ্ঠান বাহিৰা প্ৰাপ্তিৰ অংশ হিচাপে ২০২১ ৰ পৰা সেনাই সহায় কৰি আহিছে আৰু স্থানীয় লোকসকলক সমৰ্থন আৰু পৰ্যটনৰ বিকাশৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে।তেওঁ প্ৰত্যাহ্বানমূলক পৰিস্থিতিত কাম আগবঢ়োৱা অতিৰিক্ত বাহিনীয়ে আগবঢ়োৱা বিশেষ সেৱা আৰু মহিলা শক্তিৰ সেৱাক যথেষ্ট প্ৰশংসা কৰে।

# মুখ্যমন্ত্ৰীলৈ মুকলি চিঠি

কওঁতে আমি উচ্চশিক্ষিত তথাপি আমিও তেখেতসকলৰ নিচিনা অসহায়। গতিকে এই পোষ্টটোৰ জৰিয়তে আপোনাৰ দৃষ্টি আকৰ্ষণ কৰাৰ প্ৰয়াস কৰিলোঁ। মামা আপুনি আমাৰ আৰ্তনাদ বুজি উঠক আৰু আমাক জীৱনদান দিব পৰাকৈ সহায় কৰক।

আপোনাৰ নিয়োগ মেলাত আমাৰ নিচিনা একাংশ উচ্চশিক্ষিত প্ৰাৰ্থীয়ে নিযুক্তি-পত্ৰখন হাতত তুলি লোৱাৰ সৌভাগ্য গোটাব নোৱাৰিলোঁ। আমি বেছিভাগে ভিতৰুৱা গাঁৱৰ দুখীয়া ঘৰৰ পৰা বহু কষ্টৰে উচ্চশিক্ষাৰ মুখ দেখিছোঁ। কলেজ শিক্ষক হোৱাৰ সপোনেৰে দিন-ৰাতি একাকাৰ কৰি পঢ়া-শুনা কৰি নেট, শ্লেট আৰু পিএইচডি ইত্যাদি অৰ্জন কৰিছোঁ। আমি কলেজ শিক্ষকৰ বাবে প্ৰয়োজন হোৱা যোগ্যতা অৰ্জন কৰা সময়খিনিত অসমৰ কলেজসমূহত খুব কমসংখ্যক অধ্যাপকৰ পদ ওলোৱা বাবে আমি সংস্থাপন নোপোৱাকৈ ৰৈ গ'লোঁ। আপুনি মুখ্যমন্ত্ৰী হোৱাৰ পাছত আজিৰ তাৰিখত যথেষ্টসংখ্যক কলেজ শিক্ষকৰ নিযুক্তি হৈ আছে যদিও নৱাগত প্ৰাৰ্থীসকলৰ লগত ফেৰ মাৰিব নোৱাৰা হৈছোঁ। আমাৰ নিচিনা বহুসংখ্যক অৰ্হতাসম্পন্ন প্ৰাৰ্থীয়ে কোনোমতে টিউচন কৰি জীৱিকা নিৰ্বাহ কৰি আছে। একাংশই বিভিন্ন চৰকাৰী কলেজত ৫-৬ হাজাৰ টকা পাৰিশ্ৰমিকত ঠিকাভিত্তিক বহুবছৰ ধৰি অধ্যাপনা কৰি আছে। যদিও আমি দীৰ্ঘদিন ধৰি লাঞ্চিত-বঞ্চিত জীৱন কটাই আছিলোঁ তথাপি কেতিয়াও হতাশ হোৱা নাছিলোঁ। কাৰণ আপোনাৰ নিচিনা দূৰদৰ্শী আৰু বিচক্ষণশীল মুখ্যমন্ত্ৰী এজনে আমাক সংস্থাপন নিদিয়াকৈ নাথাকে বুলি মনতে আশা পুহি ৰাখিছিলোঁ। উচ্চশিক্ষা অৰ্জন কৰি উঠি দুচকুত অনেক সপোন পুহি ৰাখিছিলোঁ যে বহু কষ্টৰে অৰ্জন কৰা জ্ঞানেৰে অসমৰ শিক্ষাজগতখন আলোকিত কৰিম। কিন্তু বাস্তৱত আজি ঘৰে ঘৰে গৈ চাহ-বিস্কুট খাই টিউচন পঢ়াবলগীয়া হৈছে। সোনকালে ক'ৰবাত চাকৰি এটা পাই যাম বুলি বুঢ়া মা-দেউতাক মিছা আশ্বাস দি দি ভাগৰি গৈছোঁ।

নিজৰ গাঁওখনৰ মানুহবোৰে যেতিয়া বহু আশাৰে চাকৰি কেতিয়া হ'ব বুলি সুধি থাকে তেতিয়া হতাশা-নিৰাশাই ছানি ধৰে। শিক্ষকতাৰ কাম কৰি থকাৰ বাবে যিকোনো জীৱিকাৰ পথ বাছি ল'ব নোৱাৰাও হৈছোঁ। মামা, আটাইতকৈ দুখলগা কথা হ'ল যে যেতিয়া আমি পঢুৱা ছাত্ৰ-ছাত্ৰীৰ লগত একেটা পদত সাক্ষাৎকাৰ দি আমি সিহঁতৰ লগত ফেৰ মাৰিব নোৱাৰোঁ। আমাৰ নেট, পিএইচডি আৰু অভিজ্ঞতা থকাৰ পিছতো সিহঁতৰ তুলনাত আমি বহুত পিছত। কাৰণ সিহঁতৰ কেৰিয়াৰত নম্বৰখিনি বহুত বেছি।

মামা, আপুনি অপ্ৰাদেশীকৃত কলেজত বহুত মানুহক টিউটৰ হিচাপে নিযুক্তি দিছে আৰু বহুতৰ চাকৰি নিয়মীয়াকৰণো কৰিছে। তেখেতসকলৰ বহুতৰে প্ৰয়োজনীয় অৰ্হতা নথকা সত্ত্বেও আপুনি কেৱল মানৱীয়তাৰ খাতিৰত সংস্থাপন দিছে। আমি সকলো অৰ্হতাৰে পুষ্ট, গতিকে আমাক সংস্থাপন কৰক।

মামা, আমাৰ বেদনাখিনি এবাৰ বুজি পোৱাৰ চেষ্টা কৰক। আপোনাৰ ভৰিত ধৰি অনুৰোধ কৰিছোঁ যে আমাক জীয়াই থকাৰ উপায় দিয়ক। সকলো নিয়ম-নীতি আৰু আইন কানুনৰ উৰ্ধ্বত গৈ এবাৰ মানৱীয় দৃষ্টিভংগীৰে আমাৰ পিনে চাই আমাক এটা সুযোগ দিয়ক। সদ্যসমাপ্ত বৃহৎসংখ্যক অধ্যাপক নিযুক্তিৰ পাছত অন্ততঃ শেষবাৰৰ বাবে হ'লেও আমাৰ নিচিনা পুৰণি প্ৰাৰ্থীসকলৰ বাবে কিবা উপায় অৱলম্বন কৰক। মামা, আমিও এইখন অসমৰে মানুহ, গতিকে আমাৰ ওপৰতো কৃপা কৰক যাতে অনাগত সময়ত যি অল্পসংখ্যক পদ ওলাব সেইখিনিত অন্ততঃ ফেৰ মাৰি চাকৰি এটাকৈ পাব পাৰোঁ। মামা, আমি নেট-পিএইচডি সম্পন্ন প্ৰাৰ্থী, গতিকে আমাক নিযুক্তি দিলে পঢ়া-শুনাৰ গুণগত মান ধৰি ৰখাৰ ক্ষেত্ৰত আপোনাক কেতিয়াও নিৰাশ নকৰিম বুলি প্ৰতিশ্ৰুতি দিলোঁ। সাক্ষাৎ কৰাৰ সুযোগ পোৱা হ'লে আপোনাৰ ভৰিত ধৰি আমাৰ বেদনাখিনিৰ কথা ক'লোঁ হয়।

মামা, সদৌশেষত হাতযোৰ কৰি প্ৰাৰ্থনা কৰিলোঁ আপুনি সোনকালে আমাৰ পুৰণি প্ৰাৰ্থীসকলৰ বাবে চিন্তা কৰে যেন।

ইতি—
এজন উচ্চশিক্ষিত নিবনুৱা
ড° বীৰেন শইকীয়া
ফোন ঃ ৯৫৭৭৩০৮৪০

# ডিমা হাচাওত এতিয়া শান্তিৰ পৰিৱেশ ঃ মুখ্যমন্ত্ৰী

আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উল্লেখ্য যে বৰষুণৰ পানী সংৰক্ষণৰ ব্যৱস্থা, পুথিভঁৰাল আদিকে ধৰি বিভিন্ন সুবিধাৰে সমৃদ্ধ এই ছাত্ৰী নিবাসটোত ২০২১-২২ বৰ্ষৰ পি এম কে কে কে যোজনাৰ অধীনত প্ৰায় ১ কোটি ৯০ লাখ টকাৰে নিৰ্মাণ কৰা হৈছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি উমৰাংচু ভ্ৰমণকালতে লেংচেৰুইত শ্ৰীমতী যমুনা দেৱী সৰস্বতী বিদ্যা মন্দিৰৰ নৱনিৰ্মিত ভৱনৰো শুভ উদ্বোধন কৰাৰ লগতে এখন জনসভাতো অংশগ্ৰহণ কৰে। এই জনসভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই সমগ্ৰ ডিমা হাচাও জিলাত এতিয়া শান্তিৰ পৰিৱেশ বিৰাজ কৰিছে বুলি মন্তব্য কৰে। তেওঁ কয় যে ২০১২ চনত ডি এইচ ডিৰ দুয়োটা গোটৰ সৈতে স্বাক্ষৰিত ত্ৰি-পাক্ষিক চুক্তিয়ে জিলাখনলৈ কিছু আশাৰ ৰেঙণি কঢ়িয়াই আনিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ নেতৃত্বত ২০২১ চনৰ ডিচেম্বৰ মাহত ডিমাচা নেশ্যনেল লিবাৰেশ্যন আৰ্মিৰ সকলোবোৰ কেডাৰে আত্মসমৰ্পণ কৰাৰ ফলত পাহাৰীয়া জিলাখনলৈ স্থায়ী শান্তি ঘূৰি আহিছে যাৰ বাবে জিলাখনত এতিয়া সকলো জাতি-জনগোষ্ঠীৰ লোকে শান্তিপূৰ্ণভাৱে বসবাস কৰিব পাৰিছে। ২০২১ চনৰ পিছত জিলাখনত বহুকেইটা উন্নয়নমূলক আঁচনি আৰম্ভ হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে কেইমাহ মানৰ পূৰ্বে মান্দৰদিচাত বেম্ব' ইণ্ডাষ্ট্ৰিয়েল পাৰ্কৰ আধাৰশিলা স্থাপন কৰাৰ উপৰি কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে ১২০ মেগাৱাট শক্তি সম্পন্ন নামনি-কপিলীত জলবিদ্যুৎ প্ৰকল্প নিৰ্মাণৰ কামো শুভাৰম্ভ কৰিছে। মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে যে হাফলং তিনিআলিৰ পৰা নামনি হাফলঙলৈ ৯০ কিলিমিটাৰ দৈৰ্ঘ্যৰ নতুন ৰাস্তা এটা নিৰ্মাণৰ কাম শীঘ্ৰে আৰম্ভ হ'ব। তেনেদৰে লংকাৰ পৰা উমৰাংচুলৈ সমগ্ৰ পথছোৱাৰ উন্নীতকৰণৰ কাম এবছৰৰ ভিতৰত সম্পূৰ্ণ হ'ব। উমৰাংচুত পৰ্যটনৰ প্ৰচুৰ সম্ভাৱনা আছে বুলিও মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয় যে পথ যোগাযোগ ব্যৱস্থা, ম'বাইল নেটৱৰ্ক ব্যৱস্থা উন্নীত হ'লে অঞ্চলটোলৈ যথেষ্ট সংখ্যক পৰ্যটকৰ আগমন ঘটিব। সমগ্ৰ ডিমা হাচাও জিলাৰ পথ যোগাযোগ ব্যৱস্থা উন্নীতকৰণৰ বাবে ৰাজ্য চৰকাৰে যাৱতীয় প্ৰস্তুতি চলাই আছে আৰু এই সম্বন্ধে অঞ্চলটোৰ জনসাধাৰণে শীঘ্ৰেই ভাল খবৰ লাভ কৰিব বুলিও তেওঁ কয়। আগন্তুক প্ৰায় ৬-৭ মাহ মানৰ ভিতৰত উমৰাংচুত ৰাজ্যিক কেবিনেট বৈঠক অনুষ্ঠিত কৰাৰ উদ্যোগ লোৱা হ'ব বুলিও তেওঁ সদৰি কৰে। ৰাজ্য চৰকাৰে শেহতীয়াকৈ প্ৰদান কৰা বৃহৎ সংখ্যক চৰকাৰী পদৰ নিযুক্তিত ডিমা হাচাও জিলাৰ কেইবাগৰাকী প্ৰাৰ্থী অন্তৰ্ভুক্ত হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ পদসমূহত নিযুক্তিৰ ক্ষেত্ৰত ৫ শতাংশ আসন পাৰ্বত্য জনজাতীয় লোকৰ বাবে সংৰক্ষিত যদিও ডিমা হাচাও আৰু কাৰ্বি আংলং জিলাত যথেষ্ট সংখ্যক যুৱক-যুৱতীয়ে এনে পদত নিযুক্তিৰ বাবে আবেদন নকৰাৰ পৰিপ্ৰেক্ষিতত সংৰক্ষিত এনে বহু পদ এতিয়াও খালী হৈ আছে। ইয়াৰ পৰিপ্ৰেক্ষিততে তেওঁ পাহাৰীয়া জিলা দুখনৰ যুৱক-যুৱতীসকলক শিক্ষাত অধিক মনোনিৱেশ কৰি ৰাজ্য চৰকাৰৰ চাকৰিসমূহত আবেদনৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে সৰস্বতী বিদ্যা মন্দিৰসমূহক প্ৰকৃতাৰ্থত একোটা বিদ্যাৰ মন্দিৰ বুলি অভিহিত কৰে। তেওঁ কয় যে ৰাষ্ট্ৰ ভক্তি নথকা ব্যক্তি এগৰাকী আত্মা নথকা শৰীৰ সদৃশ। সৰস্বতী বিদ্যা মন্দিৰত বিদ্যাদানৰ সমান্তৰালকৈ বৰ্ণাঢ্য ভাৰতীয় সংস্কৃতি তথা ভাৰত মাতাৰ জয়গান কৰা হয়। সমগ্ৰ ডিমা হাচাও জিলাত অধিক সংখ্যক সৰস্বতী বিদ্যা মন্দিৰ স্থাপনৰ পোষকতা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে এনে বিদ্যালয় স্থাপনৰ দিশত যাৱতীয় সহায়-সহযোগিতা আগবঢ়াব। মুখ্যমন্ত্ৰীয়ে পাহাৰীয়া জিলাখনৰ যুৱক-যুৱতীসকলে যাতে ৰাজ্যৰ আন আন ঠাইলৈ গৈও চাকৰি কৰাত অসুবিধা বোধ নকৰে আৰু ৰাজ্যৰ অন্যপ্ৰান্তৰ লোকৰ সৈতে মত-বিনিময় বা বাৰ্তালাপ কৰাত সহজবোধ কৰে তাৰ সুবিধাৰ্থে সৰস্বতী বিদ্যা মন্দিৰ পৰিচালনা সমিতি আৰু ডিমা হাচাও স্বায়ত্ত শাসিত পৰিষদক অঞ্চলটোৰ শিক্ষানুষ্ঠানসমূহৰ পাঠ্যক্ৰমত অসমীয়া বিষয় অন্তৰ্ভুক্ত কৰিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীৰ উমৰাংচুৰ এই জনসভাত শক্তি বিভাগৰ মন্ত্ৰী নন্দিতা গাৰ্লোছা, ডিমা হাচাও স্বায়ত্ত শাসিত পৰিষদৰ মুখ্যকাৰ্যবাহী সদস্য দেবলাল গাৰ্লোছা, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, শিক্ষা বিকাশ পৰিষদ, দক্ষিণ অসম প্ৰান্তৰ উপাধ্যক্ষ অপূৰ্ব কুমাৰ নাথ, সৰস্বতী বিদ্যা মন্দিৰ পৰিচালনা সমিতি, ডিমা হাচাওৰ মাৰ্গ দৰ্শক ড° আৰ নেওমে, জিলা উপায়ুক্ত নাজৰিন আহমেদ আদিকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

### কেন্দ্ৰীয় কৰ্মচাৰীলৈ পূজাৰ উপহাৰ মোদী চৰকাৰৰ

# ৪% বাঢ়িল মৰগীয়া বানচ, উপকৃত হ'ব ৪৭.৬৮ লাখ কৰ্মচাৰী আৰু ৬৮.৬২ লাখ পেন্সনাৰ





**নতুন দিল্লী, ২৮ ছেপ্টেম্বৰ ঃ** কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী আৰু পেন্সনাৰসকলৰ বাবে দুৰ্গা পূজাৰ উৎসৱৰ বতৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে দিলে আনন্দৰ বতৰা। বুধবাৰে কেন্দ্ৰীয় কেবিনেটে কৰ্মচাৰী আৰু পেন্সনাৰসকলৰ বাবে মৰগীয়া বানচ চাৰি শতাংশ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সিদ্ধান্ত চলিত বৰ্ষৰ এক জুলাইৰ পৰা কাৰ্যকৰী হ'ব। ইয়াৰ ফলত প্ৰত্যক্ষভাৱে লাভান্বিত হ'ব কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগত কৰ্মৰত ৪৭.৬৮ কৰ্মচাৰী আৰু ৬৮.৬২ শতাংশ অৱসৰী কৰ্মচাৰী। বুধবাৰে গ্ৰহণ কৰা এই সিদ্ধান্ত অনুসৰি তেওঁলোকৰ বেছিক পে পূৰ্বৰ ৩১ শতাংশৰ পৰা ৩৮ শতাংশ পৰ্যন্ত বৃদ্ধি পাব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অৰ্থনৈতিক পৰিক্ৰমা বিভাগৰ কেবিনেট সমিতিয়ে কৰ্মচাৰী আৰু পেন্সনাৰসকলৰ কাৰণে মৰগীয়া বানচ বৃদ্ধিৰ সিদ্ধান্ত চূড়ান্ত কৰিছে। দেশত বিভিন্ন অত্যাৱশ্যকীয় সামগ্ৰীৰ বৰ্ধিত মূল্যৰ সৈতে কৰ্মচাৰীসকলে মোকাবিলা কৰিবৰ বাবে এনেদৰে মৰগীয়া বানচ বৃদ্ধি কৰা হৈছে বুলি ঘোষণা কৰিছে। আনহাতে এক জুলাইৰ পৰা কাৰ্যকৰী হ'ব লগা মৰগীয়া বানচৰ বৰ্ধিত নিৰিখ কেৱল এটা কিস্তিতে বকেয়া হিচাপে আদায় দিয়া হ'ব। চৰকাৰৰ এই সিদ্ধান্তৰ ফলত মৰগীয়া বানচৰ বাবে অতিৰিক্ত ধনৰ ব্যয় হ'ব ৬,৫৯১.৩৬ কোটি টকা প্ৰতি বছৰে। ইফালে যোৱা জুলাই মাহৰ পৰা আগন্তুক বৰ্ষৰ ফেব্ৰুৱাৰী মাহলৈকে আঠ মাহৰ কাৰণে মৰগীয়া বানচৰ বিপৰীতে ব্যয় হ'ব ৪,৩৯৪.২৪ কোটি টকা। কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ে এই কথা প্ৰকাশ কৰিছে। উল্লেখ্য যে ইয়াকে লৈ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী আৰু পেন্সনাৰসকলৰ বাৰ্ষিক মৰগীয়া বানচৰ বাবে ব্যয় হ'ব ১২,৮৫২.৫৬ কোটি টকা। আনহাতে যোৱা জুলাই মাহৰ পৰা আগন্তুক বৰ্ষৰ ফেব্ৰুৱাৰী মাহলৈকে মুঠ আঠ মাহৰ কাৰণে মৰগীয়া বানচৰ কাৰণে ব্যয় হ'ব ৮,৫৬৮.৩৬ কোটি টকা। উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী আৰু অৱসৰীসকলৰ বাবে প্ৰতি বছৰে এক জানুৱাৰী আৰু এক জুলাই তাৰিখে মৰগীয়া বানচ আৰু মৰগীয়া সাহায্য বৃদ্ধি কৰা হয়। এই বৃদ্ধিৰ সিদ্ধান্ত সচৰাচৰ প্ৰতি বছৰে মাৰ্চ আৰু ছেপ্টেম্বৰ মাহত ঘোষণা কৰা হয়। পূৰ্বে যোৱা মাৰ্চ মাহত কেন্দ্ৰীয় কেবিনেটে কৰ্মচাৰীসকলে মৰগীয়া বানচ তিনি শতাংশ বৃদ্ধিৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল। ফলত যোৱা এক জানুৱাৰীৰ পৰা মৰগীয়া বানচৰ নিৰিখ পূৰ্বৰ ৩১ শতাংশৰ পৰিৱৰ্তে ৩৪ শতাংশলৈ বৃদ্ধি পাইছিল। সেই সময়ত তিনি মাহৰ বাবে বকেয়া আদায় দিব লগা হৈছিল। কিন্তু এইবাৰ আগন্তুক ফেব্ৰুৱাৰী মাহ পৰ্যন্ত আঠ মাহৰ কাৰণে মৰগীয়া বানচৰ বকেয়া আদায় দিব লাগিব। সপ্তম দৰমহা আয়োগৰ প্ৰতিবেদন অনুসৰি দৰমহাৰ মূল গাঠনিৰ ওপৰ নিৰ্ভৰ কৰি মৰগীয়া বানচ ৭২০ টকাকৈ বৃদ্ধি কৰা হয় ১৮ হাজাৰ টকা পৰ্যন্ত বেচিক পে' লাভ কৰাসকলে। আনহাতে ২৫ হাজাৰ টকা লৈকে বেচিক পে' লাভ কৰা সকলে মৰগীয়া বানচ হিচাপে ১ হাজাৰ টকাকৈ প্ৰতি মাহে লাভ কৰিব। একেদৰে যিসকলে বেচিক পে' হিচাপে ৫০ হাজাৰ টকা লাভ কৰে, তেওঁলোকৰ বাবে মাহে দুহাজাৰকৈ; যিসকলে বেচিক পে' হিচাপে এক লাখ টকা লাভ কৰে তেওঁলোকে মাহে চাৰি হাজাৰ টকাকৈ মৰগীয়া বানচ লাভ কৰিব। এই নিৰিখ প্ৰস্তাৱিত চাৰি শতাংশ মৰগীয়া বানচ বৃদ্ধিৰ সিদ্ধান্ত কাৰ্যকৰী হ'লে লাভ কৰিব। উল্লেখ্য যে সপ্তম দৰমহা আয়োগে কৰ্মচাৰীসকলৰ মৰগীয়া বানচ ১৭ শতাংশ বৃদ্ধিৰ নিৰ্দেশ প্ৰদান কৰিছিল। কিন্তু ক'ভিডৰ সংক্ৰমণৰ সময়ছোৱাত যোৱা ডেৰ বছৰ ধৰি মৰগীয়া বানচ বৃদ্ধি কৰা হোৱা নাছিল। শেহতীয়াকৈ বিগত বৰ্ষৰ জুলাই মাহত মৰগীয়া বানচ ১১ শতাংশ, অক্টোবৰ মাহত তিনি শতাংশ বৃদ্ধিৰ সিদ্ধান্ত লোৱা হৈছিল। একেদৰে চলিত বৰ্ষৰ জানুৱাৰী মাহৰ পৰা তিনি শতাংশ মৰগীয়া বানচ বৃদ্ধি আৰু যোৱা জুলাই মাহৰ পৰা চাৰি শতাংশ মৰগীয়া বানচ বৃদ্ধিৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। যাৰ বাবে ২০২১ বৰ্ষত কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী আৰু পেন্সনাৰসকলৰ বাবে স্থিৰ থকা মৰগীয়া বানচ ৩১ শতাংশৰ পৰিৱৰ্তে ২০২২ বৰ্ষৰ জুলাই মাহৰ পৰা এই নিৰিখ ৩৮ শতাংশলৈ বৃদ্ধি পাইছে। কেন্দ্ৰীয় কেবিনেটৰ এই সিদ্ধান্ত আজি সদৰী কৰে মন্ত্ৰী অনুৰাগ ঠাকুৰে।






*দিল্লীৰ এজন গ্ৰাহকে নিজৰ পিতৃৰ বাবে এটা লেপটপ ক্ৰয় কৰিছিল ফ্লিপকাৰ্টৰ পৰা, কিন্তু লেপটপৰ সলনি ঘড়ী চাবোনৰ বাকচ এটাহে আহিল, ইতিমধ্যে প্ৰৱঞ্চনাৰ গোচৰ ৰুজু কৰিছে যুৱকজনে*

## তিনি মাহলৈ বৃদ্ধি হ'ল প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনা



**নতুন দিল্লী, ২৮ ছেপ্টেম্বৰ ঃ** কেন্দ্ৰীয় কেবিনেটে বুধবাৰে গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি তিনি মাহলৈ বৃদ্ধি কৰা হৈছে প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনা আঁচনিৰ ম্যাদ। সেই অনুসৰি চলিত বৰ্ষৰ অক্টোবৰ, নৱেম্বৰ আৰু ডিচেম্বৰ মাহ পৰ্যন্ত বাহাল থাকিব এই আঁচনি। ক'ভিড সংক্ৰমণৰ সময়ত দেশৰ দুখীয়া লোকসকলৰ বাবে প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনা আঁচনি ৰূপায়ণ কৰা হৈছে। সেই অনুসৰি প্ৰতিটো দুখীয়া পৰিয়ালৰ প্ৰতিজন ব্যক্তিৰ বাবে মাহত পাঁচ কেজিকৈ খাদ্য সামগ্ৰী বিনামূলীয়াকৈ যোগান ধৰা হৈছিল। সাধাৰণতে পাঁচ কেজিকৈ চাউল বা ঘেঁহু যোগান ধৰা হৈছিল। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন, অন্তোদয়া অন্ন যোজনা আঁচনি আৰু ডিবিটি অৰ্থাৎ প্ৰত্যক্ষভাৱে হিতাধিকাৰীলৈ পুঁজি প্ৰদান ব্যৱস্থাৰ অধীনত এই গৰীব কল্যাণ যোজনা কাৰ্যকৰী কৰা বুলি প্ৰকাশ পাইছে। ইয়াৰ বাবে চতুৰ্থ পৰ্যায়লৈকে ৩.৪৫ লাখ কোটি টকা ব্যয় কৰা হৈছে এই আঁচনিৰ বাবে। আনহাতে এইখন আঁচনিৰ সপ্তম পৰ্যায়লৈকে ৰূপায়ণৰ কাৰণে ৪৪,৭৬২ কোটি টকাৰ অতিৰিক্ত ব্যয়সহ মুঠ ৩.৯১ লাখ কোটি টকা আটাইকেইটা পৰ্যায়ৰ কাৰণে ব্যয় ধাৰ্য কৰা হৈছে। উল্লেখ্য যে এই আঁচনিৰ প্ৰথম পৰ্যায় সূচনা হৈছিল ২০২০ বৰ্ষৰ এপ্ৰিল মাহৰ পৰা নৱেম্বৰ মাহলৈ মুঠ আঠ মাহৰ কাৰণে। আঁচনিখনৰ তৃতীয়, চতুৰ্থ আৰু পঞ্চম পৰ্যায় ৰূপায়ণ হৈছিল ২০২১ বৰ্ষৰ মে' মাহৰ পৰা ২০২২ বৰ্ষৰ মাৰ্চ মাহলৈকে। আনহাতে ষষ্ঠ পৰ্যায় ৰূপায়িত হৈ আছে ২০২২ বৰ্ষৰ এপ্ৰিল মাহৰ পৰা চলিত ছেপ্টেম্বৰ মাহলৈকে। আনহাতে আঁচনিখনৰ সপ্তম পৰ্যায় ৰূপায়ণ কৰা হ'ব চলিত বৰ্ষৰ অক্টোবৰ মাহৰ পৰা ডিচেম্বৰ মাহ পৰ্যন্ত। এই আঁচনিৰ জৰিয়তে বিনামূলীয়াকৈ চাউল বা ঘেহু যোগান ধৰি থকা হৈছে।

## ৰাহুল গান্ধীক কাষতে পাই উচুপি উঠিল যুৱতী

### অব্যাহত আছে ভাৰত জোড়ো যাত্ৰা

**নতুন দিল্লী, ২৮ ছেপ্টেম্বৰ ঃ** কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ নেতৃত্বত দক্ষিণ ভাৰতৰ ১২খন ৰাজ্যত অব্যাহত আছে ভাৰত জোড়ো যাত্ৰা। বুধবাৰে কেৰালাত উপস্থিত হোৱা এই যাত্ৰাৰ ১৮ দিন হৈছে। কেন্দ্ৰৰ শাসকীয় বিজেপি চৰকাৰে দেশৰ জনগণক ধৰ্ম, জাতি, উচ্চ-নীচ আদিৰ বিভিন্ন বিভাগত বিভাজিত কৰা বুলি অভিযোগ উত্থাপিন কৰি কংগ্ৰেছে সমন্বয়ৰ কাৰণে এই যাত্ৰা আৰম্ভ কৰা বুলি প্ৰচাৰ চলোৱা হৈছে। দক্ষিণৰ বাৰখন ৰাজ্যত ৩৫৭০ কিলোমিটাৰ পথ অতিক্ৰম কৰিবৰ বাবে ১৫০ দিনৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। যোৱা ৭ ছেপ্টেম্বৰত তামিলনাডুৰ কন্যাকুমাৰীৰ পৰা আৰম্ভ কৰা এই যাত্ৰাৰ সামৰণি পৰিব জম্মু-কাশ্মীৰত। ইফালে দহ ছেপ্টেম্বৰত কেৰালাত প্ৰৱেশ কৰি ৰাজ্যখনৰ ৪৫০ কিলোমিটাৰ দৈৰ্ঘ অতিক্ৰম কৰিছে। অহা এক অক্টোবৰৰ পিছত কৰ্ণাটকত প্ৰৱেশ কৰিব ভাৰত জোড়ো যাত্ৰাৰ প্ৰতিনিধিসকল। আনহাতে বুধবাৰে দেখা গ'ল এক আৱেগিক মুহূৰ্ত। দিনটোৰ কাৰ্যসূচী আৰম্ভ হৈছিল পাণ্ডিকাৰ স্কুলৰ চৌহদৰ পৰা দিনৰ ১০.৩০ বজাত। কংগ্ৰেছ নেতা ৰাহুল গান্ধীক ওচৰৰ পৰা চাবলৈ দৌৰী আহিল এগৰাকী অনুগামী যুৱতী। প্ৰথমে হাঁহি-তামাচা কৰি পিছত আনন্দৰ আতিশয্যত উচুপি উচুপি কান্দি উঠা দেখা গ'ল। এই দৃশ্যই উপস্থিত থকা বহুতকে হৰ্ষ-বিষাদৰ মাজলৈ ঠেলি দিয়া বুলিব পাৰি। ইতিমধ্যে এই মুহূৰ্তৰ ফটো আৰু ভিডিঅ' ভাইৰেল হৈ পৰিছে সংবাদ মাধ্যমৰ লগতে সামাজিক মাধ্যমতো।



## মৃত অংকিতা ভাণ্ডাৰীক ধৰ্ষণৰ প্ৰমাণ নাই মৰণোত্তৰ প্ৰতিবেদনত



**নতুন দিল্লী, ২৮ ছেপ্টেম্বৰ ঃ** অংকিতা ভাণ্ডাৰী নামৰ এগৰাকী ১৯ বছৰীয়া যুৱতীক ঋষিকেশৰ এখন হোটেলৰ স্বত্বাধিকাৰীয়ে ধৰ্ষণ আৰু হত্যা কৰা বুলি উঠা অভিযোগে দেশজুৰি তোলপাৰ লগাইছিল। যুৱতীগৰাকী নিৰুদ্দিষ্ট হোৱাৰ এসপ্তাহৰ পিছত এটা নলাৰ পৰা মৃতদেহ উদ্ধাৰ কৰা হৈছিল। পিছত বিজেপি নেতাৰ মালিকাধীন উক্ত হোটেলখন বুলড'জাৰ লগাই ভাঙি দিয়া হৈছিল। কিন্তু মৃতদেহ মৰণোত্তৰ পৰীক্ষা কৰাৰ পিছত তেওঁক ধৰ্ষণ কৰাৰ কোনো প্ৰমাণ চিকিৎসকে লাভ কৰিবলৈ সক্ষম হোৱা নাই। অংকিতাৰ আঙুলি ভাঙি দিয়াৰ লগতে দুই হাত বিকল কৰি দিয়া বুলি মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনত প্ৰকাশ পাইছিল। পিছত গধুৰ সামগ্ৰীৰে মূৰত আঘাত কৰি হত্যা কৰা বুলি প্ৰকাশ পাইছে। ইতিমধ্যে বিনোদ আৰ্য নামৰ বিজেপি নেতাজনক বহিষ্কাৰ কৰা হৈছে আৰু তেওঁৰ পুত্ৰ পুলকিত আচাৰ্যক গ্ৰেপ্তাৰ কৰা হৈছে। এখন ৰিজ'ৰ্টত ৰিচেপচনিষ্ট হিচাপে কৰ্মৰত হৈ থকা অৱস্থাত অংকিতা ভাণ্ডাৰীয়ে স্থানীয় কলেজত অধ্যয়ন কৰি আছিল। নিজৰ পঢ়াৰ খৰচ উলিয়াবৰ বাবে উক্ত ৰেষ্টুৰেণ্টত তদৰ্থ ভিত্তিত কাম কৰি আছিল। অভিযোগ অনুসৰি বিজেপি নেতাজনৰ পুত্ৰ পুলকিত আৰ্যই ৰিজ'ৰ্টখনৰ একাংশ বিশেষ অতিথিক বিশেষধৰণে সেৱা আগবঢ়াবলৈ নিৰ্দেশ দিছিল। অৰ্থাৎ যৌনাচাৰৰ বাবে প্ৰলোভিত কৰিছিল। কিন্তু যুৱতী অংকিতাই এই কাৰ্য কৰিবলৈ সন্মতি নহ'ল। ইয়াৰ বাবেই ৰেষ্টুৰেণ্টৰ গৰাকীয়ে তেওঁক অত্যাচাৰ কৰি হত্যা কৰা বুলি পৰিয়ালৰ লোকে অভিযোগ কৰিছে। পিছত মৃতদেহ এটা নলাত পেলাই দিয়া হৈছিল। এই ঘটনাই সমগ্ৰ ঋষিকেশ অঞ্চলত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে আৰু স্থানীয় ৰাইজে অপৰাধীক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিবলৈ দাবী জনোৱা দেখা গৈছে।

## আকৌ সিদ্ধান্ত সলনি, দিগ্বিজয় সিঙে ৩০ ছেপ্টেম্বৰত দাখিল কৰিব কংগ্ৰেছৰ সভাপতি পদৰ মনোনয়ন



**নতুন দিল্লী, ২৮ ছেপ্টেম্বৰ ঃ** ৰাজস্থানৰ মুখ্যমন্ত্ৰী অশোক গেহলটে কংগ্ৰেছৰ সভাপতি পদত নিৰ্বাচনৰ পৰা নিজকে আঁতৰাই নিয়াৰ পিছত গান্ধী পৰিয়ালৰ ঘনিষ্ঠ অন্য এজন নেতা দিগ্বিজয় সিঙে পুনৰবাৰ নিৰ্বাচনী ময়দানত ঠিয় দিছে। মধ্যপ্ৰদেশৰ তিনিবাৰৰ মুখ্যমন্ত্ৰী তথা বৰ্তমান ৰাজ্যসভাৰ সাংসদ দিগ্বিজয় সিঙে প্ৰথমে সভাপতি পদৰ বাবে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব বুলি ঘোষণা কৰিছিল। কিন্তু গান্ধী পৰিয়ালে দিগ্বিজয়ৰ পৰিৱৰ্তে ৰাজস্থানৰ মুখ্যমন্ত্ৰী অশোক গেহলটক সমৰ্থন কৰা বুলি প্ৰকাশ পাইছিল। গতিকে গেহলটৰ সমৰ্থনত দিগ্বিজয়ে প্ৰতিদ্বন্দ্বিতা নকৰাৰ সিদ্ধান্ত লৈছিল। ইয়াৰ বিপৰীতে শেহতীয়াকৈ অশোক গেহলটৰ আসন্ন বিদায়ৰ কাৰণে ৰাজস্থানৰ ৯২ জন কংগ্ৰেছ বিধায়কে সমূহীয়াভাৱে পদত্যাগ কৰিবলৈ সাজু হৈছিল। কংগ্ৰেছৰ সভাপতি পদ দখল কৰিলেও গেহলটক মুখ্যমন্ত্ৰী হিচাপে এইসকল বিধায়কে বিচাৰিছে। অন্যথা শচীন পাইলট বা অন্য নেতাক তেওঁলোকে গ্ৰহণ নকৰে বুলি ঘোষণা কৰিছিল। কিয়নো ৰাজস্থান চৰকাৰৰ বিৰুদ্ধে এবছৰৰ পূৰ্বে শচীন পাইলটে বিদ্ৰোহ ঘোষণা কৰিছিল। বিজেপিত যোগদানৰ বাবে পাইলট প্ৰস্তুত হৈছিল। পূৰ্বে উপ-মুখ্যমন্ত্ৰী হিচাপে পাইলটক নিযুক্ত কৰি ৰখা হৈছিল যদিও পিছত তেওঁক অপসাৰণ কৰা হৈছিল। পাইলটে কংগ্ৰেছৰ বিৰুদ্ধে ঠিয় হোৱাৰ অভিযোগ আনি বৰ্তমানৰ ৯২ বিধায়কে মুখ্যমন্ত্ৰীৰ পদত তেওঁক সমৰ্থন নকৰে বুলি স্পষ্ট ভাষাৰে ব্যক্ত কৰিছে। গতিকে ৰাজস্থআনত কংগ্ৰেছৰ মাজত দেখা দিয়া এই বিদ্ৰোহ আৰু বিসম্বাদৰ বাবে হাইকমাণ্ডে অশেন্দ্ৰাক গেহলটক নিৰ্বাচনী মচনদৰ পৰা আঁতৰাই ৰাখিলে। তেনেস্থলত সভাপতি পদৰ বাবে পুনৰ আগুৱাই আহিল দিগ্বিজয় সিং। প্ৰাপ্ত তথ্য মতে মঙলবাৰে নিশাৰ ভাগত দিল্লীত উপস্থিত হৈছে দিগ্বিজয় সিং। কংগ্ৰেছৰ সূত্ৰ অনুসৰি পৰৱৰ্তী সভাপতি পদৰ বাবে দিগ্বিজয় সিঙৰ উপৰিও কে চি বেণুগোপাল আৰু মল্লিকাৰ্জুন খাৰ্গেৰ নাম চৰ্চাত আছে। কেৰালাৰ সাংসদ শচী থাৰুৰে সভাপতি হোৱাৰ ইচ্ছা প্ৰকাশ কৰিছে যদিও কংগ্ৰেছৰ গান্ধী পৰিয়ালৰ সমৰ্থকসকলে তেওঁক সমৰ্থন কৰা নাই। তথাপি অহা ৩০ ছেপ্টেম্বৰত শচী থাৰুৰ আৰু দিগ্বিজয় সিঙে একেদিনাই মনোনয়ন পত্ৰ দাখিল কৰাৰ কথা। অহা ১৭ অক্টোবৰত ভোটগ্ৰহণ আৰু ১৯ অক্টোবৰত ভোট গণনা কৰা হ'ব। কংগ্ৰেছৰ এই সাংগঠনিক নিৰ্বাচনক লৈ ইতিমধ্যে দলটোৰ মাজত বিভিন্ন শিবিৰ, লবী আৰু প্ৰতিক্ৰিয়া দেখা গৈছে।



*মালয়েছিয়াৰ টুইনটাৱাৰৰ আৰ্হিত পশ্চিমবংগৰ কল্যাণী অঞ্চলত আয়োজন কৰা দুৰ্গা পূজাৰ মণ্ডপ এনেদৰে আকৰ্ষণীয় ৰূপত সজাই তোলা দেখা গৈছে, এই মণ্ডপৰ উচ্চতা ১৪৮ ফুট আৰু ৭০ জন কৰ্মীয়ে তিনি মাহ ধৰি নিৰ্মাণ কাৰ্যত ব্যস্ত আছিল বুলি পূজা আয়োজক সমিতিয়ে প্ৰকাশ কৰিছে*

## ছোনিয়া গান্ধীক সাক্ষাৎ কৰিলে মুখ্যমন্ত্ৰী অশোক গেহলটে কংগ্ৰেছৰ সভাপতি পদৰ দৌৰত অৱতীৰ্ণ হৈ পিছুৱাই আহিব লগা হ'ল ৰাজস্থানৰ মুখ্যমন্ত্ৰীজন



**জয়পুৰ, ২৮ ছেপ্টেম্বৰ ঃ** ৰাজস্থানৰ মুখ্যমন্ত্ৰী অশোক গেহলটে বুধবাৰে কংগ্ৰেছৰ অধ্যক্ষ ছোনিয়া গান্ধীক সাক্ষাৎ কৰা বুলি প্ৰকাশ পাইছে। অৱশ্যে এই সাক্ষাতৰ ফলাফল বৰ্তমানলৈকে জানিব পৰা হোৱা নাই। অশোক গেহলটে কংগ্ৰেছৰ সভাপতি পদত অধিষ্ঠিত হ'বলৈ মনোনয়ন পত্ৰ দাখিলৰ বাবে সাজু হৈছিল। কিন্তু ৰাজ্যখনৰ কংগ্ৰেছ বিধায়কসকলে বিধানসভাৰ অধ্যক্ষ চিপি যোশীৰ ওচৰত যোৱা দেওবাৰে পদত্যাগপত্ৰ দাখিল কৰিছিল। ইয়াৰ উদ্দেশ্য আছিল এয়ে যে যদিহে গেহলটক মুখ্যমন্ত্ৰী পদৰ পৰা অপসাৰণ কৰা হয় তেনেহ'লে তেওঁলোকে কংগ্ৰেছ দল ত্যাগ কৰিব। কংগ্ৰেছ বিধায়কৰ এই স্থিতিয়ে দলটোক সংকটৰ মাজলৈ ঠেলি দিয়া দেখা গ'ল। কিয়নো ৰাহুল গান্ধীয়ে স্পষ্ট কৰিছিল যে দলত এক ব্যক্তি এক পদ নীতি অনুসৰি অশোক গেহলটে সভাপতি পদ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰী হৈ থাকিব নোৱাৰিব। গতিকে পৰৱৰ্তী কাৰ্যপন্থা কি হ'ব, সভাপতি পদৰ বাবে মনোনয়ন দাখিল কৰিব নে নকৰে, ইত্যাদি বিষয়বোৰ নিস্পত্তি কৰিবলৈ ছোনিয়া গান্ধীক সাক্ষাৎ কৰা বুলি প্ৰকাশ পাইছে। উল্লেখ্য যে ২০২০ বৰ্ষৰ জুন মাহত শচীন পাইলটে বিদ্ৰোহ ঘোষণা কৰাৰ বাবে এইসকল বিধায়কে পৰৱৰ্তী মুখ্যমন্ত্ৰী হিচাপে পাইলটক সমৰ্থন নকৰে বুলি স্পষ্ট কৰিছে। ১০২জন বিধায়কৰ মাজৰ পৰা পৰৱৰ্তী মুখ্যমন্ত্ৰী বাচনি কৰিবলৈ দাবী কৰা হৈছে। গতিকে বিষয়টো এতিয়া অধিক জটিল হৈ পৰা দেখা গৈছে।




*চকুত নীলা চছমা আৰু দেহত নতুন পোছাক পৰিধান কৰি দুচকীয়া বাহনত ভ্ৰমণ কৰা এটা কুকুৰৰ ফটোৱে দৃষ্টি কাঢ়িছে বিভিন্নজনৰ, মুহূৰ্ততে ভাইৰেল হৈ পৰা এই ভিডিঅ' সংগ্ৰহ কৰিছিল বাইকখনৰ পিছে পিছে এখন গাড়ীত গৈ থকা এজন ব্যক্তিয়ে*

### ২০৪৭ চনত ভাৰতক ইছলামিক ৰাষ্ট্ৰ কৰাৰ ষড়যন্ত্ৰত লিপ্ত পি এফ আই

# কেন্দ্ৰই নিষিদ্ধ ঘোষণাৰ পিছতে পি এফ আইলৈ দৰদ প্ৰকাশ সাংসদ ৱাইচিৰ

**হায়দৰাবাদ, ২৮ ছেপ্টেম্বৰ ঃ** ভাৰতৰ স্বাধীনতাৰ শতবৰ্ষ অতিক্ৰমৰ সময়ত দেশখন ইছলামিক ৰাষ্ট্ৰ হিচাপে পৰিৱৰ্তন কৰিবলৈ মুছলমান মৌলবাদী আৰু সন্ত্ৰাসবাদীয়ে বহিঃৰাষ্ট্ৰৰ সহযোগত ষড়যন্ত্ৰ কৰি আহিছিল। পপুলাৰ ফ্ৰণ্ট অব ইণ্ডিয়া নামৰ সংগঠনটোৱে এইক্ষেত্ৰত আগভাগ লৈছিল। শেহতীয়াকৈ নিয়াৰ দ্বাৰা দেশৰ প্ৰায় সকলো ৰাজ্যতে পি এফ আইৰ বিৰুদ্ধে অভিযান চলোৱাৰ সময়ত উদ্ধাৰ হৈছে এই ভয়ংকৰ তথ্য। গতিকে কেন্দ্ৰীয় চৰকাৰে বুধবাৰে নিষিদ্ধ ঘোষণা কৰিছে পি এফ আইনামৰ ইছলামিক মৌলবাদী সংগঠনটো। ইতিমধ্যে নিয়া, অৰ্ধসামৰিক বাহিনী আৰু আৰক্ষীৰ জৰিয়তে চলোৱা অভিযানত দুই শতাধিক পি এফ আই সদস্য গ্ৰেপ্তাৰ কৰা হৈছে। হায়দৰাবাদৰ সাংসদ আছাদুদ্দিন ৱাইচিয়ে এই কাৰ্য নিন্দা কৰিছে। তেওঁ কয় যে প্ৰতিজন মুছলমান যুৱকক গ্ৰেপ্তাৰ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে ষড়যন্ত্ৰ কৰিছে। গতিকে কেন্দ্ৰৰ এই সিদ্ধান্ত তেওঁ বিৰোধিতা কৰি যাব বুলি ঘোষণা কৰিছে।





# ব্যক্তিগতভাৱে পানী যোগানৰ ব্যৱস্থা কৰি লোৱাসকলৰ ওপৰত চৰকাৰী কৰ

## সৰৱ বিৰোধী দলপতি দেৱব্ৰত শইকীয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২৮ ছেপ্টেম্বৰ ঃ** কৰ-কাটলৰ ভৰত ইতিমধ্যে জুৰুলা হোৱা অসমবাসীৰ ওপৰত আন এক মাধমাৰ শোধাই বি জে পি নেতৃত্বাধীন ৰাজ্য চৰকাৰে এতিয়া ব্যক্তিগত ভাৱে পানী যোগানৰ ব্যৱস্থা কৰি লোৱা সকলৰ ওপৰত কৰ আৰোপ কৰা কাৰ্যৰ সৰৱহে পৰিছে অসম বিধান সভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়া। বৰ্তমান সময়ত চৰকাৰে খোৱাপানীৰ সুব্যৱস্থা কৰিব নোৱাৰাৰ বাবে বেছিভাগ ব্যক্তিয়েই ব্যক্তিগত ভাৱে অৰ্থ ব্যয় কৰি মটৰ লগাই নিজাববীয়াকৈ পানী যোগানৰ ব্যৱস্থা কৰিবলগীয়া হৈছে। তাৰ ওপৰত কৰ লগোৱা কাৰ্য শোষণৰ বাহিৰে আন একো নহয়। এই ক্ষেত্ৰত সৰৱ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি অসম বিধান সভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই কয়, সকলোৰে বাবে বিশুদ্ধ খোৱা পানীৰ যি আঁচনিৰ কথা চৰকাৰে বাৰে বাৰে দোহাৰে, তাৰ অধীনত নগৰ অঞ্চল, গ্ৰাম্যাঞ্চল সকলোতে অতি সোনকালে বিশুদ্ধ খোৱা পানী নলযোগে দিয়াৰ ব্যৱস্থা কৰিব লাগে। এইক্ষেত্ৰত চৰকাৰৰ বিফলতাক গৰিহণা দি বিৰোধী দলপতি গৰাকীয়ে কয় যে, ২০১১ আৰু ২০১৫ চনত সম্পূৰ্ণ হ'বলগীয়া গুৱাহাটীৰ পানী যোগান আঁচনিৰ বিভিন্ন পৰ্যায়ত থকা দুৰ্নীতিৰ বাবে চৰকাৰে এতিয়াও সম্পূৰ্ণ ভাৱে ৰূপায়ণ কৰিব পৰা নাই। বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই তামিলনাডুৰ প্ৰসংগ উল্লেখ কৰি কয় যে, কেন্দ্ৰীয় জলশক্তি বিভাগে ঘোষণা কৰা নিয়মৰ বিপৰীতে তামিলনাডু চৰকাৰে ইতিমধ্যে ঘোষণা কৰিছে যে , ভূ - গৰ্ভস্থ পানীৰ ব্যৱস্থাপনা আৰু নিষ্কাশনৰ বাবে ইতিমধ্যে থকা নিয়মাৱলী ৰাজ্য চৰকাৰৰ পৰা পৰৱৰ্তী জাননী নোপোৱালৈকে ৰাজ্যখনত অব্যাহত থাকিব। কিন্তু তাৰ বিপৰীতে অসম চৰকাৰে ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰৰ লগত সুৰ মিলাই জনতাক মাধ্যমৰ দিবলৈ উদ্যত হৈছে। সেয়েহে তামিলনাডু চৰকাৰে যেনেকৈ কেন্দ্ৰীয় আইন প্ৰযোজ্য কৰা নাই। অসম চৰকাৰেও সেই একেই ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই দাবী জনাইছে। শেহতীয়াভাৱে প্ৰতিবেদন অনুযায়ী গুৱাহাটীৰ প্ৰায় ৩০ শতাংশ পৰিয়ালেহে নলৰ পানী লাভ কৰি আছে। আনহাতে আনবোৰে ব্যক্তিগত পানী যোগানকৰ্তা বা টিউবৱেলৰ ওপৰত নিৰ্ভৰশীল। সংকটৰ মোকাবিলা কৰিবলৈ আৰু গুৱাহাটী মেট্ৰ'পলিটান এলেকালৈ খোৱা পানী যোগান ধৰাৰ বাবে অসম চৰকাৰে মুখ্য পানী যোগান প্ৰকল্প হাতত লৈছিল যদিও সেইবোৰ আজিপৰ্যন্ত অসম্পূৰ্ণ হৈ আছে। শূন্য সহনশীলতাৰ ইতিমধ্যে ধোৱাচাঙত তোলা বি জে পি নেতৃত্বাধীন চৰকাৰৰ দিনত গেমনৰ পানী যোগান আঁচনিৰ নামত প্ৰকল্প আৰম্ভণ হ'ল, পুজি আহিল, কেলেংকাৰী হ'ল, পাইপ পুতিলে, গাত খান্দিলে কিন্তু পানীও নাহিল আৰু কেলেংকাৰীৰ তদন্তও নহ'ল বুলি ৰাজ্য চৰকাৰক তীব্ৰ ভাষাৰে সমালোচনা কৰে বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই।



## গহপুৰ মহকুমা মাছ বেচা-কিনা সমবায় সমিতিৰ লিঃৰ বাৰ্ষিক অধিৱেশন

**দৈনন্দিন বাৰ্তা সেৱা, গহপুৰ, ২৮ ছেপ্টেম্বৰ ঃ** গহপুৰ মহকুমা মাছ বেচা-কিনা সমবায় সমিতি লিঃৰ বাৰ্ষিক সাধাৰন সভাখনি আজি দিনজোৰা কাৰ্যসূচীৰে বৰঘূলিস্থিত সমবায় সমিতিৰ নিজা কাৰ্যালয় প্ৰাঙ্গণত অনুস্থিত হৈ যায় ।উল্লেক্ষ যে,২৭ ছেপ্টেম্বৰ ২০১৭ তাৰিখে দায়িত্বভাৰ গ্ৰহণ কৰা মাছ বচা-কিনা সমবায় সমিতি লিঃৰ সম্পাদক কমল দাসে সভাত উপস্থিত লিমিটেডৰ প্ৰায় তিনি শতাধিক অংশীদাৰ ৰাইজক সভাৰ আৰম্ভণিতে বিগত পাঁচটা বছৰৰ খতিয়ান দাঙি ধৰি কয় যে,অতিজৰে পৰা গহপুৰ দৈনিক "বৈকুণ্ঠ বজাৰ "ৰ এটি সৰু কোঠাত সমিতিৰ কাম কাজ চলাই অহা হৈছিল যদিও বৰ্তবান এই সমিতিখনে নগৰ খনৰ অসম -অৰুনাচল সংযোগী পুৰনি পথ বড়িগাওঁ তিনিআলিত সমিতিৰ নিজা পুঁজীৰে ব্যৱসায়ীক গৃহ আৰু গহপুৰৰ স্থানীয় বিধায়ক উৎপল বৰাৰ ব্যক্তিগত প্ৰচেষ্টাৰে বৰঘূলীত ২৬যত২ দীঘ-পুতলৰ এটি আটক ধূনীয়া সমিতিৰ নিজা ঘৰ আৰু সমিতিৰ নিজা পুঁজিৰে কাৰ্যালয় চৌহদৰ দেৱাল নিৰ্মাণ কৰিবলৈ সক্ষম হয় ।লিমিটেডৰ স্থায়ী সভাপতি ত্ৰৈলোক্য হাজৰিকাই সভাপতিত্ব কৰা সভাখনিত বিশ্বনাথ জিলাৰ পঞ্জীয়ন কাৰ্যালয়ৰ জ্যেষ্ঠ পৰিৰ্শক সঞ্জীৱ কুমাৰ গোস্বামী আৰু কনিষ্ঠ পৰিদৰ্শক কৃষ্ণ বৰুৱাই অংশ গ্ৰহণ কৰে । ইয়াৰ পাছতে বিগত কাৰ্যকালৰ সভাপতিয়ে পদত্যাগ কৰাৰ লগে লগে নতুন সমিতি নিৰ্বাচনৰ কাম আৰম্ভ হয় ।মনকৰিবলগীয়া যে,যোৱা ১৬ ছেপ্টেম্বৰলৈকে নতুন সমিতি নিৰ্বাচনৰ মনোনয়ন দাখিলৰ অন্তিম দিন ধাৰ্য্য কৰা হৈছিল । উল্লেক্ষ যে উক্ত সভাত অনাগত ২০২৭ চনলৈকে কোনে সভাপতি- সম্পাদকৰ দায়িত্ব পৰিচালনা কৰিব তাক উপস্থিত অংশীদাৰী ৰাইজে নিৰ্বাচন নকৰি এখন ১৮ জনীয়া সদস্য-সদস্যা নিৰ্বিচন কৰে ।নিৰ্বাচিত সদস্য-সদস্যা সকল ক্ৰমে ত্ৰৈলোক্য হাজৰিকা,কমল দাস,পুনেধৰ দাস,সূৰ্বণ দাস, তৰুন কাকতি,কনপাই দাস,অনিল দাস,অনন্ত দাস,নিৰুদ দাস,উকিল দাস,দীঘলা দাস,সৰুলৰা দাস,বাবুল দাস,মনোজ দাস,ফনীধৰ দাস,বিনন্দ কাকতি,ৰূপজ্যোতি দাস আৰু জয়মতী দাস ।উল্লেক্ষ যে,পৰবৰ্তী কাৰ্যকৰী সভাই সভাপতি,সম্পাদক নিৰ্বাচন কৰাৰ লগতে পূৰ্নাঙ্গ গহপুৰ মহকুমা মাছ বেচা- কিনা সমবায় সমিতি লিঃ গঠন কৰা হ'ব বুলি জানিবলৈ দিয়ে ।নিতুল বৰা গহপুৰ।

## শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাংসাৰি, ২৮ ছেপ্টেম্বৰ ঃ** বিগত বৰ্ষৰ দৰে এইবেলিও গুৱাহাটীৰ দুৰ্গাসৰোবৰস্থিত শংকৰ মাধৱ প্ৰতিভা কেন্দ্ৰৰ উদ্যোগত আৰু পশ্চিম গুৱাহাটীৰ দুৰ্গা সৰোৱৰ, পশ্চিম শান্তিপুৰ, ভূতনাথ, কালীপুৰ, নামনি কামাখ্য আৰু নীলাচলপুৰৰ ৰাইজৰ সহযোগত শ্ৰীমন্ত শংকৰ ক্ষেত্ৰত মহাপুৰুষ জনাৰ ৫৭৪ সংখ্যক জন্মোৎসৱ ভাগি দুৰ্গাসৰোবৰত তিনিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। অহা ৪, ৫ আৰু ৬ অ'েবৰত আয়োজন কৰা এই জন্মোৎসৱৰ কাৰ্যসূচী অনুসৰি ৪ অ'েবৰত ৰাতিপুৱাই অনুষ্ঠানৰ শুভাৰম্ভ কৰাৰ পিছত দিনৰ ১১ মান বজাৰ পৰা সুৰেন্দ্ৰনাথ চৌধুৰীৰ সোঁৱৰণত অসম ভিত্তিত বৰগীত প্ৰতিযোগিতা আৰু হৰিকৃষ্ণ দাস আৰু বনলতা দাসৰ সোঁৱৰণত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ৫ অ'েবৰত ঊষা কীৰ্তন, ধৰ্মধ্বজা উত্তোলন, ভাগৱত লৈ নগৰ কীৰ্তন, সাংস্কৃতিক শোভাযাত্ৰা আৰু সন্ধিয়া ভাওনা, নাট-নৃত্য আদি সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হোৱাৰ লগতে ৬ অ'েবৰত আই মাতৃ সকলৰ নাম কীৰ্ত্তনৰ উপৰিও ধৰ্মীয় অন্যান্য কাৰ্যসূচীৰে অনুষ্ঠানৰ সমাপ্তি ঘটিব। জন্মোৎসৱৰ কাৰ্যসূচীত আয়োজিত বৰগীত আৰু চিত্ৰাংকন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ ৯৪৩৫০৪৬৮৪১য৯৪৩৫১৯৮৪৫৬ ফোন নম্বৰত যোগাযোগ কৰিবলৈ মহোৎসৱৰ আয়োজক সমিতিয়ে ইচ্ছুক ৰাইজক আহ্বান জনাইছে।

## ঢেকীয়াজুলিত প্ৰধান শিক্ষকৰ প্ৰহাৰত আঘাতপ্ৰাপ্ত ছাত্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ঢেকীয়াজুলি, ২৮ ছেপ্টেম্বৰ ঃ** ঢেকীয়াজুলি আৰক্ষী থানা এলেকাৰ লুলুকাই গাঁৱৰ অৰবিন্দ বিদ্যা নিকেতন উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ অমানবীয় কাণ্ড।বিদ্যালয়ৰ পৰিক্ষা হলৰ ভিতৰতে লাঠিৰে প্ৰসাৰ কৰি নৱম শ্ৰেণীৰ ছাত্ৰৰ পিঠিৰ বাকলি এৰোৱাৰ অভিযোগ প্ৰধান শিক্ষকৰ বিৰুদ্ধে।উল্লেখ্য যে ঢেকীয়াজুলি আৰক্ষী থানা এলেকাৰ লুলুকাই গাঁৱস্থিত অৰবিন্দ বিদ্যা নিকেতনত ২৬ চেপ্টেম্বৰ তাৰিখে পৰিক্ষা চলিথকা অৱস্থাতে বিদ্যালয়খনত নৱম শ্ৰেণীত অধ্যয়নৰত দেৱাশিস মিত্ৰ নামৰ নৱম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ গৰাকীক উক্ত বিদ্যালয়খনৰে প্ৰধান শিক্ষক ৰাখাল চাক্লাদাৰে লাঠিৰে পিঠিত অতি নিৰ্মমভাৱে প্ৰসাৰ কৰাৰ অভিযোগ উত্থাপন হৈছে ।শিক্ষকগৰাকীৰ এনে অমানবীয় কাণ্ডই এতিয়া অঞ্চলজুৰি তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।এই সংক্ৰান্তত ছাত্ৰগৰাকীৰ মাতৃয়ে ন্যায় বিছাৰি ঢেকীয়াজুলি আৰক্ষী থানাত ইতিমধ্যে এজাহাৰ দাখিল কৰিছে।এজাহাৰত উল্লেখ কৰা অনুসৰি ছাত্ৰজনে পৰিক্ষা দি থকা অৱস্থাত প্ৰধান শিক্ষকগৰাকীয়ে কোনো কাৰণ নোহোৱাকৈ ছাত্ৰজনক অতি নিৰ্মমভাৱে বেতেৰে পিঠিত প্ৰসাৰ কৰে গুৰুত্ব ভাৱে আঘাতপ্ৰাপ্ত কৰে।ফলত ছাত্ৰজন আঘাতপ্ৰাপ্ত হোৱাত পৰিক্ষাৰ পৰা বিৰত হবলগীয়া হয়।আনকি এই সংক্ৰান্তত ছাত্ৰজনৰ মাতৃয়ে বিদ্যালয়ত ঘটনা বিবৰণ জানিবলৈ যাওঁতে মাতৃ গৰাকীৰ লগতো প্ৰধান শিক্ষকগৰাকীয়ে অভব্য আচৰণ কৰাৰ কথা এজাহাৰত উল্লেখ কৰিছে।এই ক্ষেত্ৰত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সভাপতি ৰাণা প্ৰতাপ বৰুৱাই ঘটনাৰ উচিত তদন্তৰ দাবী উত্থাপন কৰিছে।



## লাহৰীঘাট চক্ৰ বিষয়াৰ কাৰ্যালয়ত জিলা দিৱস

**দৈনন্দিন বাৰ্তাৰ সেৱা ভূৰাগাঁও, ২৮ ছেপ্টেম্বৰ ঃ** আজি লাহৰীঘাট ৰাজহ চক্ৰ কাৰ্যালয়ত চক্ৰ বিষয়া স্বৰাজ ভাৰত লাগাচুৰ সঞ্চালনাত আগন্তুক ১৪ আৰু ১৫ অ'েবৰত হবলগীয়া মৰিগাঁও জিলা দিৱসৰ কাৰ্যসূচী জিলাৰ অন্য ঠাইৰ লগতে লাহৰীঘাটতো উদযাপন কৰাৰ লক্ষৰে এখনি প্ৰস্তুতি সভা অনুষ্ঠিত হয়। সভা খনত লাহৰীঘাট প্ৰেছ ক্লাৱৰ সকলো সাংবাদিক, বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ বিষয় ববীয়া সকল, আমছুৰ কৰ্ম কৰ্তা, বিশিষ্ট সমাজ সেৱক সকলৰ উপৰিও বহু লোক উপস্থিত আছিল। সভা খনত এই দিশত বহু সকৰাত্মক আলোচনাৰ অন্তত ২১ জনীয়া সদস্যৰে এখন আহ্বায়ক সমিতি গঠন কৰা হয়। লগতে স্মৃতি গ্ৰন্থ প্ৰকাশনৰ বাবে লাহৰীঘাট প্ৰেছ ক্লাৱৰ সভাপতি বিষ্ণু ডেকা আৰু প্ৰবক্তা ছাইফুল ইছলামক দায়িত্ব দিয়া হয়। অৱশ্যে অহা ১ অ'েবৰ শনিবাৰে বিতং ভাৱে আলোচনা কৰিবলৈ আৰু আদৰণি সমিতি গঠন কৰাৰ উদ্দেশ্যে লাহৰীঘাট ব্লকত আৰু এখন সভা অনুষ্ঠিত হব বুলি সিদ্ধান্ত লোৱা হয়। সকলো শুভাকাঙ্ক্ষী ব্যক্তি সকলৰ উপস্থিতি কামনা কৰা হৈছে।




## ৰঙিয়াত ৰক্তদান শিবিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ২৮ ছেপ্টেম্বৰ ঃ** স্বেচ্ছাসেৱী সংস্থা সাধনাৰ উদ্যোগত তথা জিএমচি হাস্পাতাল আৰু ৰঙিয়া অসামৰিক চিকিৎসালয়ৰ সহযোগত মঙলবাৰে ৰঙিয়াত ৰক্তদান শিবিৰ অনুষ্ঠিত কৰা হয়।অসহায় ৰোগী সকলৰ সহায় কৰাৰ উদ্দেশ্যে আয়োজন কৰা ৰক্তদান শিৱিৰৰ আৰু বিনামূলীয়া স্বাস্থ্য পৰীক্ষণ শিৱিৰৰ উদ্বোধন কৰে স্বস্তি হাস্পাতালৰ পৰিচালন সঞ্চালক ডাঃ হীতেন্দ্ৰ কলিতাই।উক্ত শিৱিৰত প্ৰায় ২৫ গৰাকী পুৰুষ আৰু মহিলাৰ লগতে এছ এছ বি ৰ জোৱান সকলেও ৰক্তদান কৰে।যোগাচাৰ্য জ্যোতিষ কলিতাই আতধৰা উক্ত কাৰ্যসূচীৰ সমান্তৰালভাৱে মধুমেহ আৰু ৰক্তচাপৰ বিনামূলীয়া পৰীক্ষণ কৰা হয়।প্ৰতিজন ৰক্তদাতাকে ৰঙিয়া অসামৰিক চিকিৎসালয় আৰু উদ্যোক্তা সংস্থাটোৰ ফালৰ পৰা লঘু আহাৰ প্ৰদান কৰা হয়।

## বোকাখাত মহকুমা পালনাম সমিতিৰ মাণ্ডলিক সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বোকাখাত, ২৮ ছেপ্টেম্বৰ ঃ** ২৪ ছেপ্টেম্বৰত বোকাখাত মহকুমা পালনাম সমিতিৰ কাৰ্যকৰী সভাপতি তথা বোকাখাত মণ্ডলৰ সভাপতি পোনাৰাম গগৈৰ সভাপতিত্বত সমিতিৰ মুখ্য সম্পাদক দেবানন্দ বড়াৰ উদ্দেশ্য ব্যাখ্যাৰে ম'হমাইকী গাঁও ৰঙ্গমঞ্চত বোকাখাত মণ্ডলৰ এখনি গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। মণ্ডলটিৰ অধিনস্থ তিনিখন আঞ্চলিক সমিতিৰ লগতে উক্ত আঞ্চলিকৰ অন্তৰ্গত নামঘৰ সমূহৰ প্ৰতিনিধি বৰ্গক লৈ অনুষ্ঠিত হোৱা এই সভাত কেন্দ্ৰীয় সমিতিৰ কেইবাগৰাকী বিষয়ববীয়াই অংশ গ্ৰহণ কৰে। সভাত বোকাখাত মহকুমা পালনাম সমিতিৰ লক্ষ্য- উদ্দেশ্য, সামাজিক-সাংস্কৃতিক, আধ্যাত্মিক আৰু সাংগঠনিক দিশৰ লগতে সমিতিৰ আগন্তুক বাৰ্ষিক পালনাম-ভাগৱত পাঠৰ ওপৰত বিশদ আলোচনা অনুষ্ঠিত হয়। আলোচনাত অংশ গ্ৰহণ কৰি সমিতিৰ সভাপতি বিনন্দ চন্দ্ৰ বৰুৱাই সামগ্ৰিক দিশৰ ওপৰত তথ্যগধূৰ বক্তব্য দাঙি ধৰে। বোকাখতীয়া সমাজিক- সাংস্কৃতিক আৰু ধৰ্মীয় ক্ষেত্ৰখনৰ অন্যতম জাতীয় অনুষ্ঠান বোকাখাত মহকুমা পালনাম সমিতিৰ উত্তৰণৰ ক্ষেত্ৰত সভাপতি গৰাকীয়ে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষ সকলো শ্ৰেণী ৰাইজৰ পূৰ্ণ সহযোগিতা কামনা কৰে। সমিতিৰ মুখ্য সম্পাদক দেবানন্দ বড়াৰ লগতে বিত্ত উপসমিতিৰ সম্পাদক শৰৎ ৰঞ্জন ফুকন, পত্ৰিকা সম্পাদনা সমিতিৰ সভাপতি সম্পাদক যথাক্ৰমে প্ৰফুল্ল দত্ত আৰু গিৰিশ ফুকনে নিজ নিজ বিভাগৰ ওপৰত বক্তব্য ৰখাৰ লগতে যথাক্ৰমে লক্ষেশ্বৰ শইকীয়া, দধীৰাম নাথ, বসন্ত দত্ত, ভানু বৰুৱা, ৰুবুল শইকীয়া, মনোৰঞ্জন সেন, বিদ্যাধৰ শইকীয়া, পৱিত্ৰ বৰঠাকুৰ,ঘনশ্যাম বৰা, অপূৰ্ব হাজৰিকা, নৰেণ বৰা, আদিয়ে সামাজিক-সাংস্কৃতিক আৰু সাংগঠনিক দিশৰ ওপৰত গঠনমূলক দিহা পৰামৰ্শ আগবঢ়ায়। বোকাখতীয়া সমাজ ব্যৱস্থাক সামগ্ৰিকভাৱে প্ৰতিষ্ঠিত কৰাৰ মানসেৰে প্ৰাণপাই উঠা, একালৰ লব্ধপ্ৰতিষ্ঠিত ব্যক্তিসকলৰ ত্যাগৰ ফচল - 'বোকাখাত মহকুমা পালনাম সমিতি'ৰ অনিষ্ট সাধনত ব্ৰতীহোৱা যি কোনো অপশক্তিকেই ৰেহাই নিদিবৰ বাবে সভাই সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে সামাজিক-সাংস্কৃতিক আৰু সাংগঠনিক দিশত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে।



## অনাঁতাৰ শিল্পী দুৰ্গেশ্বৰ শইকীয়ালৈ নৃত্যাঞ্জলি বঁটা-২০২২

**দৈনন্দিন বাৰ্তাৰ সেৱা কাকজান, ২৮ ছেপ্টেম্বৰ ঃ** যোৰহাট জিলাৰ টীয়কৰ শিমলুগুৰি মৌজাৰ ঔগুৰি ঘোঁৰাছোৱা হাবিগাঁও নিবাসী, অনাতাঁৰ শিল্পী দুৰ্গেশ্বৰ শইকীয়া বায়নলৈ আগবঢ়োৱা হৈছে এইবৰ্ষৰ 'নৃত্যাঞ্জলি বঁটা।' ৰাষ্ট্ৰীয় পৰ্যায়ত খ্যাতিসম্পন্ন নৃত্যাঞ্জলি একাডেমীৰ পৰিচালন সঞ্চালক অভিজিত বৰুৱা লোক শিল্পীগৰাকীৰ বাসগৃহত উপস্থিত হৈ সংস্কৃতিৰ সাধক গৰাকীক বঁটা প্ৰদান কৰাৰ কথা আনুষ্ঠানিকভাৱে অৱগত কৰি বঁটা গ্ৰহণৰ বাবে আমন্ত্ৰণ জনায়। অহা ৩ অ'েবৰৰ সন্ধ্যা টীয়কত অনুষ্ঠিত হ'বলগা এক গুৰুগম্ভীৰ অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হ'ব। উল্লেখ্য যে নৃত্যাঞ্জলি একাডেমীয়ে প্ৰতিবছৰে টীয়ক সমষ্টিৰ এগৰাকী প্ৰচাৰবিমুখ শিল্পীক নৃত্যাঞ্জলি বঁটা প্ৰদান কৰি আহিছে। এইবাৰ দুৰ্গেশ্বৰ শইকীয়া বায়ন নিৰ্বাচিত হোৱাত ৰজাঘৰীয়াৰ দৃষ্টিত যুগ যুগ ধৰি উপেক্ষিত শিল্পীগৰাকীৰ ওপজা গাঁৱত আনন্দৰ জোৱাৰ উঠিছে। কোৱা প্ৰয়োজন যে দুৰ্গেশ্বৰ শইকীয়া টোকাৰী গীতৰ স্বীকৃতিপ্ৰাপ্ত অনাতাঁৰ শিল্পী হোৱাৰ উপৰি এগৰাকী বৰবায়ন হিচাপেও সমাদৃত।

## জামুগুৰিহাটত মন্ত্ৰী পীযূষ হাজৰিকা

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ২৮ ছেপ্টেম্বৰ ঃ** ৮ অক্টোবৰৰ দিনা ইতিমধ্যে গুৱাহাটীত নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হৈ উঠা ৰাজ্যিক বিজেপিৰ নৱনিৰ্মিত কাৰ্যলয়ৰ উদ্বোধনী অনুষ্ঠানলৈ চতিয়া সমষ্টিৰ বিজেপিৰ নেতা কৰ্মীসকলক আমন্ত্ৰণ জনাবলৈ চতিয়া সমষ্টিৰ জামুগুৰিহাটত উপস্থিত হয়হি অসম চৰকাৰৰ জলসম্পদ বিভাগৰ মন্ত্ৰী পিয়ুষ হাজৰিকা। 'কন্যকা ' দুগ্ধ উৎপাদন কেন্দ্ৰৰ মুখ্য কাৰ্যালয়ত চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাৰ উপস্থিতিত মন্ত্ৰী গৰাকীয়ে দলীয় কৰ্মকতা সকলৰ লগত এক আলোচনাত মিলিত হোৱাৰ পাছত ৰাজ্যিক কাৰ্যালয়ৰ উদ্বোধনী অনুষ্ঠানৰ উপৰিও কেইবাটিও গুৰুত্বপূৰ্ণ কাৰ্যসূচী অনুষ্ঠিত হ'ব লগা উক্ত দিনটোত চতিয়া সমষ্টিৰ পৰা পাঁচ শতাধিক দলীয় কৰ্মী উপস্থিত থাকিব বুলি মন্তব্য কৰে অসম চৰকাৰৰ গুৰুত্ব পূৰ্ণ বিভাগৰ মন্ত্ৰী গৰাকীয়ে।প্ৰায় এক ঘন্টাৰো অধিক সময় ধৰি জামুগুৰিহাটত দলীয় নেতা কৰ্মীসকলৰ লগত আলোচনাত মিলিত হোৱা মন্ত্ৰী গৰাকীয়ে ৮ অ'েবৰ গুৱাহাটীৰ অনুষ্ঠানত প্ৰায় ৩৫য৪০ হাজাৰৰো অধিক দলীয় কাৰ্যকৰ্তা উপস্থিত থাকিব বুলিও জানিবলৈ দিয়ে।

## কুসুমপুৰ ক্ষুদ্ৰ চেঁচা দুৰ্গা পূজাত আধুনিক নৃত্য প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কমলপুৰ, ২৮ ছেপ্টেম্বৰ ঃ** কমলপুৰ সমষ্টিৰ অন্তৰ্গত কুসুমপুৰত কুসুমপুৰ ক্ষুদ্ৰচেচাঁ দুৰ্গা পূজা অহা ১ অ'েবৰৰ পৰা ৫ দিনীয়া কাৰ্যসূচীৰে আয়োজন কৰিছে। পূজাৰ কাৰ্যসূচীসমূহ সুচাৰুৰূপে চলাই নিয়াৰ বাবে সন্ত দাসক সভাপতি, সুনিল ডেকাক উপ সভাপতি, জ্যোতিষ দাস, পংকজ ডেকাক সম্পাদক আৰু নৃপেন শৰ্মাক কোষাধ্যক্ষ হিচাপে লৈ এখন শক্তিশালী সমিতিও গঠন কৰিছে। ১ অ'েবৰ তাৰিখে সন্ধিয়া দেৱীৰ বোধন, আমন্ত্ৰণ আৰু অধিবাসেৰে কাৰ্যসূচী আৰম্ভ কৰি ৫ অ'েবৰত সন্ধিয়া ৬ বজাত প্ৰতিমা লৈ শোভাযাত্ৰা আৰু বিসৰ্জনেৰে পূজাৰ সামৰণি পেলাব। পূজাৰ লগত সংগতি ৰাখি ৩ অ'েবৰ তাৰিখে সাংস্কৃতিক সন্ধিয়া কাৰ্যসূচীৰ আয়োজন কৰিছে। কাৰ্যসূচীৰ শুভাৰম্ভনি কৰিব অসম ৰাজ্যিক বিজেপিৰ অ'বিচি মৰ্চাৰ সম্পাদক দিগম্বৰ পাঠকে। সাংস্কৃতিক সন্ধিয়াত হবলগীয়া আধুনিক নৃত্য প্ৰতিযোগিতাৰ উদ্বোধক হিচাপে উপস্থিত থাকিব মধ্য কামপীঠ মহাবিদ্যালয় ৰ অধ্যাপক দেৱজিত দাস। নৃত্য প্ৰতিযোগিতাৰ পুৰস্কাৰ সমূহ এনেধৰণৰ প্ৰথম পুৰস্কাৰ প্ৰয়াত ধীৰমালা কলিতা সোঁৱৰণী বঁটা আৰু নগদ ধন ৫০০১য- টকা, দ্বিতীয় পুৰস্কাৰ প্ৰয়াত ৰছিৰ আলী সোঁৱৰণী বঁটা আৰু নগদ ধন ৩০০১য- টকা আৰু তৃতীয় পুৰস্কাৰ প্ৰয়াত অজিত ডেকা সোঁৱৰণী বঁটা আৰু নগদ ধন ২০০১য- টকা।

## ১ অক্টোবৰত ধেমাজি জিলা দিৱসৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিলাপথাৰ, ২৮ ছেপ্টেম্বৰ ঃ** ধেমাজি জিলাত অহা ১ অ'েবৰৰ মহা ষষ্ঠীৰ দিনটোতে জিলা দিৱস উপলক্ষে দিনজোৰা বিস্তৃত কাৰ্যসূচী হাতত লোৱা হৈছে। জিলাখনৰ ৩৪ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে জিলা প্ৰশাসনৰ উদ্যোগত সেইদিনা পুৱা ৪.৩০ বজাত মাৰাথন দৌৰ প্ৰতিযোগিতাৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হ'ব। জিলা সমাজ কল্যাণ বিভাগ, ক্ৰীড়া বিভাগ আৰু ৰাষ্ট্ৰীয় জল বিদ্যুৎ নিগমৰ যৌথ সহযোগত আয়োজিত এই প্ৰতিযোগিতাৰ মূল বিষয় হৈছে "কন্যা সন্তানৰ সুৰক্ষা আৰু শিক্ষা"। পুৰুষ আৰু মহিলা উভয় শাখাৰ মাজত সুকীয়াকৈ আয়োজিত এই অৰ্ধ মাৰাথন দৌৰ প্ৰতিযোগিতাৰ বিজয়ী প্ৰথম তিনি গৰাকী প্ৰতিযোগী নগদ ১৫,০০০, ১০,০০০ আৰু ৫০০০ টকাৰে পুৰস্কৃত কৰা হ'ব বুলি জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই জনাইছে। এক বিজ্ঞপ্তিত তেখেতে কয় যে , বৰদলনি উন্নয়ন খণ্ড তিনিআলিত আৰম্ভ হৈ এই দৌৰ ধেমাজি কাছাৰী ময়দানত সামৰণি পৰিব। ইয়াত অংশগ্ৰহণ কৰিবলৈ আগ্ৰহী সকলক পুৱা ৪ বজাৰ পূৰ্বে উক্ত স্থানত হাজিৰ হ'বলৈ আহঞ্ববান জনোৱা হৈছে। ইয়াৰ পিছতে পুৱা ৯ বজাত ধেমাজি কাছাৰী ময়দানৰ পৰা এটা বাৰেৰহনীয়া সাংস্কৃতিক সমদল উলিওৱা হ'ব। এই সমদলটি আনুষ্ঠানিকভাৱে মুকলি কৰিব ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে। উক্ত খেলপথাৰতে দিনৰ ১১ বজাত অনুষ্ঠিত হবলগীয়া মুকলি সভা তথা বঁটা বিতৰণী অনুষ্ঠানত মন্ত্ৰী পেগুৰ উপৰি শ্ৰমমন্ত্ৰী তথা জিলাখনৰ অভিভাৱক মন্ত্ৰী সঞ্জয় কিষাণেও বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব। বিয়লি উক্ত স্থানতে বৰ্ণাঢ্য সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। অনুষ্ঠানত বিশিষ্ট কন্ঠশিল্পী তৃষ্ণা দেৱী, মৌচম গগৈ আৰু ৰাকেশ ৰিয়ানেও অংশগ্ৰহণ কৰাৰ কথা। জিলা উপায়ুক্ত অসীম কুমাৰ ভট্টাচাৰ্যই সমূহ কাৰ্যসূচীতে সকলো শ্ৰেণীৰ ৰাইজৰ অংশগ্ৰহণ আৰু সহায়-সহযোগিতা কামনা কৰিছে। তেওঁ সকলোকে শাৰদীয় দুৰ্গোৎসৱৰ শুভেচ্ছাও জ্ঞাপন কৰিছে।

## ধুবুৰীত স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্ত মহন্ত

### ১২ অক্টোবৰ তৰাষ্ট্ৰপতিয়ে চিকিৎসা মহাবিদ্যালয়ৰ শুভ উদ্বোধন কৰিব

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২৮ ছেপ্টেম্বৰ ঃ** ধুবুৰী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ত উপস্থিত স্বাস্থ্য মন্ত্ৰী গৰাকী। চিকিৎসা মহাবিদ্যালয়ৰ প্ৰথম Governing Body সভাত অংশগ্ৰহণ স্বাস্থ্য মন্ত্ৰী গৰাকীৰ। সভাৰ অন্তত সংবাদ মাধ্যমৰ আগত মন্তব্য প্ৰকাশ কৰে স্বাস্থ্য মন্ত্ৰী গৰাকীয়ে । অহা ১২ অ'েবৰৰ দিনা ধুবুৰী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ৰ শুভ উদ্বোধন কৰিব । শুভ উদ্বোধন কৰিব ভাৰত বৰ্ষৰ ৰাষ্ট্ৰপতি দ্ৰোপদী মুৰ্মুয়ে । ৰাষ্ট্ৰপতিয়ে যিহেতু চিকিৎসা মহাবিদ্যালয় খন উদ্বোধন কৰিব সেয়া অতি গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হৈছে। চিকিৎসা মহাবিদ্যালয় খনত অহা ১ নৱেম্বৰৰ পৰা পাঠদান আৰম্ভ হ'ব । এই শিক্ষা বৰ্ষত চিকিৎসা মহাবিদ্যালয় খনত এশ গৰাকী ছাত্ৰ-ছাত্ৰীক নামভৰ্তি কৰা হ'ব। চিকিৎসা



মহাবিদ্যালয় খনত পাঠ দান দিব পৰাকৈ সকলো প্ৰস্তুতি সম্পূৰ্ন কৰি তোলা হৈছে । আজি অনুষ্ঠিত সভা খনৰ জড়িয়তে ১২ তাৰিখৰ কাৰ্যসূচী ৰূপায়নৰ প্ৰস্তুতি সম্পৰ্কে আলোচনা কৰা হয়। আনহাতে স্বাস্থ্য মন্ত্ৰী কেশব মহন্ত সাংবাদিক ৰ আগত কয় এইবাৰ লোকসভা নিৰ্বাচনৰ ফলাফল বেলেগ হ'ব । এই নিৰ্বাচনত বিজেপেয়ে নিজৰ দলটোক লৈ প্ৰস্তুতি চলাইছে । অহা লোকসভা নিৰ্বাচনত মিত্ৰজোটে ১৩ টা লোকসভা সমষ্টিত বিজয় সাব্যস্ত কৰিব।

## ধুবুৰীত বিশ্ব জলাতংক ৰোগ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ২৮ ছেপ্টেম্বৰ ঃ** বিশ্ব জলাতংক ৰোগ দিৱস উপলক্ষ্যে ধুবুৰী জিলাৰ স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালকৰ প্ৰেক্ষাগৃহত সংহত ৰোগ নিৰীক্ষণ কাৰ্যসূচী আৰু ৰাষ্ট্ৰীয় জলাতংক ৰোগ নিয়ন্ত্ৰণ কাৰ্য্যক্ৰমৰ অধীনত বিশ্ব জলাতংক ৰোগ দিৱস পালিত হয়। এইবাৰ বিশ্ব জলাতংক ৰোগ দিৱসৰ মূল মন্ত্ৰ হৈছে " সকলোৰে বাবে সুস্বাস্থ্য: জলাতংক ৰোগ ৰোধ ২০৩০ চনৰ ভিতৰত জলাতংক ৰোগ দুৰ কৰাত সহায় কৰক । জলাতংক ৰোগ কেনকৈ বিয়পে আৰু জন্তুৰে কামুৰিলে কি কৰা উচিত আৰু কি কৰা অনুচিত আদি বহল ভাবে সংহত ৰোগ নিৰীক্ষণ কাৰ্যসূচীৰ জিলা তত্তাধ্যওক বিষয়া আৰু জিলা পশু চিকিৎসা বিষয়া আলোচনা কৰে। আজিৰ সভাত ধুবুৰী জিলাৰ স্বাস্থ্য বিভাগৰ দায়িত্বত থকা অতিৰিক্ত উপায়ুক্ত, স্বাস্থ্য বিভাগৰ অতিৰিক্ত মুখ্য চিকিৎসা বিষয়া, লগতে সংহত ৰোগ নিৰীক্ষণ কাৰ্যসূচী ৰ কৰ্ম কৰ্তা আৰু ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ বিষয়া কৰ্মচাৰী সকল উপস্থিত থাকে।



## ৭২খন গাঁৱৰ ৰাইজে পালন কৰিব শংকৰদেৱৰ জয়ন্তী

### ব্ৰহ্মপুত্ৰৰ খকন্দগুৰিত গুৰু জয়ন্তীৰ বৃহৎ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ২৮ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলাৰ অন্তৰ্গত অবিভক্ত বৃহত্তৰ ব্ৰহ্মপুত্ৰ অঞ্চলৰ খকন্দগুৰিত ৭২ খন গাঁৱৰ ৰাইজ একত্ৰিত হৈছে শঙ্কৰদেৱৰ জন্ম জয়ন্তী উপলক্ষে। অঞ্চলটোৰ সাহিত্য-সংস্কৃতিৰ বৃহৎ অনুষ্ঠান ব্ৰহ্মপুত্ৰ আঞ্চলিক ক্ৰীড়া আৰু সাংস্কৃতিক সংস্থাৰ উদ্যোগত খকন্দগুৰিৰ শ্বহীদ কমলামিৰি ক্ষেত্ৰত ৮-৯ অ'েবৰ তাৰিখে বৰ্ণাঢ্য কাৰ্যক্ৰমনিকাৰে আয়োজন কৰা হৈছে জগতগুৰু শঙ্কৰদেৱৰ ৫৭৪সংখ্যক জন্ম জয়ন্তী। ৮ অক্টোবৰত অঞ্চলটোৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিৰ দ্বাৰা গছপুলি ৰোপণ কৰাৰ পিছত গুৰুজয়ন্তী স্থলীৰ মুখ্য তোৰণ উন্মোচন কৰিব পুৰণিমাটি আঁহতগুৰি সত্ৰৰ সত্ৰাধিকাৰ ৰমেশ চন্দ্ৰ গোস্বামীয়ে । শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ গোলাঘাট জিলা সমিতিৰ সদস্য গুনন্দ ভৰালীয়ে নামঘৰৰ দ্বাৰ উন্মোচন কৰাৰ পিছত কৰা হ'ব গুৰু আসন প্ৰতিষ্ঠা আৰু নামপ্ৰসংগ। পুৱা ১০.৩০ বজাত শ্বহীদ স্মৃতি খকন্দগুৰি বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক দিগন্ত কুমাৰ দত্তই মূল মঞ্চ উদ্বোধন কৰাৰ পিছত সমগ্ৰ অঞ্চলটিৰ শিক্ষানুষ্ঠান সমূহৰ ছাত্ৰ-ছাত্ৰীসকলক কেন্দ্ৰ কৰি অনুষ্ঠিত হ'ব এক বিশেষ বক্তৃতানুষ্ঠান। খুমটাইৰ জয়া গগৈ মহাবিদ্যালয়ৰ অধ্যাপক ডঞ্জ পঙ্কজ ভূঞাৰ সঞ্চালনাৰ অনুষ্ঠানটি উদ্বোধন কৰিব দেৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিষয় শিক্ষক ডঞ্জ দেৱজিত বৰুৱাই। গুৱাহাটীৰ বিশিষ্ট শঙ্কৰী সংস্কৃতিৰ গৱেষক প্ৰভাত চন্দ্ৰ দাসে মুখ্য বক্তা হিচাপে ভাষণ আগবঢ়াব 'বিশ্বায়নিক সময়ত শঙ্কৰদেৱ চৰ্চা : এক বিদ্যায়তনিক অৱলোকন' বিষয়ত । সন্ধ্যা ভাগৰ পৰা সদৌ অসম ভিত্তিত অনুষ্ঠিত হ'ব বৰগীত আৰু দিহানাম প্ৰতিযোগিতাৰ । অৱসৰপ্ৰাপ্ত শিক্ষক ৰেৱকান্ত বৰাই বৰগীত প্ৰতিযোগিতা আৰু অৰূপ কুমাৰ বৰাই উদ্বোধন কৰিব দিহানাম প্ৰতিযোগিতাৰ। ৯ অক্টোবৰ তাৰিখে পুৱা ৮.৩০ বজাত কৰা হ'ব ধৰ্মধ্বজা উত্তোলন। বিভিন্ন সাংস্কৃতিক দলৰ অংশগ্ৰহণেৰে পুৱা ৯ বজাত কৰা হ'ব ভাগৱত সহ সাংস্কৃতিক শোভাযাত্ৰা। খুমটাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াই উদ্বোধন কৰিব এই শোভাযাত্ৰা। বিয়লিভাগত অনুষ্ঠিত হ'ব মুকলি সভা। ব্ৰহ্মপুত্ৰ আঞ্চলিক ক্ৰীড়া আৰু সাংস্কৃতিক সংস্থাৰ সভাপতি অতুল কুমাৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া সভাখনিত উদযাপন সমিতিৰ সভাপতি দেৱকান্ত সেনাপতিয়ে প্ৰদান কৰিব আদৰণি ভাষণ । কোচবিহাৰ পশ্চিমবংগৰ মধুপুৰ সত্ৰৰ ধৰ্মাচাৰ্য মাধৱদেৱ মহন্তই বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিবলগীয়া সভাখনিত নিৰ্দিষ্ট বক্তাৰ ভাষণ আগবঢ়াব শ্ৰীমন্ত শঙ্কৰদেৱ সঙ্ঘৰ মাজুলী জিলাৰ প্ৰচাৰ সম্পাদক মাধৱ পেগু। আনহাতে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব গোলাঘাট জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ডঞ্জ সমীৰণ বৰা, দেৰগাঁও ৰাজহ চক্ৰৰ চক্ৰ বিষয়া চিৰঞ্জিত দাস, গোলাঘাট উত্তৰ শিক্ষাখণ্ডৰ খণ্ড শিক্ষা বিষয়া সজাগজ্যোতি বৰুৱা, দেৰগাঁও আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ময়ুৰজিৎ গগৈ । গুৰু জয়ন্তীৰ অন্তিম কাৰ্যসূচী হিচাপে প্ৰদৰ্শন কৰা হ'ব এখনি মহাপুৰুষীয়া আৰ্হিৰ নাট। ব্ৰহ্মপুত্ৰ অঞ্চলৰ শিশু শিল্পীসকলৰ দ্বাৰা প্ৰদৰ্শিত হ'বলগীয়া 'ৰাম পৰাজয়,সীতা পাতালে গমন 'নাটখনি উদ্বোধন কৰিব বিশিষ্ট শঙ্কৰী সংস্কৃতিৰ সাধক পৱিত্ৰ প্ৰাণ বৰাই। সমগ্ৰ অনুষ্ঠানটিক কেন্দ্ৰ কৰি ব্যাপক প্ৰস্তুতি চলাইছে উদযাপন সমিতিয়ে ।নামঘৰ নিৰ্মাণ কৰি মণিকূট স্থাপনৰ লগতে ৰাইজক আপ্যায়নৰ বাবে সাজু কৰিছে বৃহৎ ভোজনালয়। অঞ্চলটোৰ জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সংকীৰ্ণতা পাহৰি সকলো একত্ৰিত হৈ দলে-বলে কৰিছে সকলোবোৰ। শঙ্কৰদেৱৰ আদৰ্শৰাজি নৱপ্ৰজন্মৰ সন্মুখত সুস্থিৰভাৱে উপস্থাপন কৰাৰ লক্ষ্যৰে সমন্বয়ৰ বতৰা লৈ আয়োজন কৰা শঙ্কৰদেৱৰ জন্ম জয়ন্তীৰ সমূহ কাৰ্যসূচীত ৰাইজৰ সহযোগিতা কামনা কৰিছে ব্ৰহ্মপুত্ৰ আঞ্চলিক ক্ৰীড়া আৰু সাংস্কৃতিক সংস্থাৰ লগতে উদযাপন সমিতিয়ে।

## চলন্তাপাৰাত হৰেন্দ্ৰ চন্দ্ৰ কলিতা সোঁৱৰণী ট্ৰফী ফুটবল খেল

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, যোগীঘোপা, ২৮ ছেপ্টেম্বৰ ঃ** যোগীঘোপাৰ চলন্তাপাৰা আঞ্চলিক ক্ৰীড়া সংঘৰ উদ্যোগত চলন্তাপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত চলি থকা স্বাধীনতাৰ মুক্তি যুঁজাৰু হৰেন্দ্ৰ চন্দ্ৰ কলিতা সোঁৱৰণী ট্ৰফী ফুটবল প্ৰতিযোগিতাখনৰ আজি অন্তিমখন কোৱাটাৰ ফাইনেল খেল অনুষ্ঠিত হয় । প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত তীব্ৰ উত্তেজনাপূৰ্ণ কোৱাটাৰফাইনেল খেলত কৰুৱাভাসা কৃষিজ্যোতি সন্থাই ৩-১ গলত বৰমাৰ উদয়শ্ৰী স্পোৰ্টচ ক্লাৱক পৰাজিত কৰি ছেমিফাইনেল খেল খেলাৰ যোগ্যতা অৰ্জন কৰে। অহা ২৯ ছেপ্টেম্বৰত প্ৰথমখন ছেমিফাইনেল বকো এফ চি কামৰূপ মুখামুখি হ'ব কোকৰাঝাৰ এফ চিৰ দলটোৰ লগত আৰু ৩০ ছেপ্তেম্বৰত দ্বিতীয় খন ছেমিফাইনেল খেল কৰুৱাভাসা কৃষিজ্যোতি সন্থা আৰু বসন গাৱঁ স্পোৰ্টচ এচোছিয়েশ্যনৰ মাজত অনুষ্ঠিত হ'ব বুলি ক্ৰীড়া সন্থাৰ সভাপতি ৰমেন দাস আৰু সম্পাদক ইক্ৰামুল হকে জনাইছে।



ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজত অনুষ্ঠিত প্ৰথম টি-২০ত উইকেট দখলৰ পিছত ভাৰতীয় খেলুৱৈৰ উল্লাস

# প্ৰয়াস ট্ৰফীৰ চূড়ান্ত বিজয়ী আপাৰ আসাম এফ চি

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, মাৰ্ঘেৰিটা, ২৮ ছেপ্টেম্বৰ ঃ** মাৰ্ঘেৰিটা মহকুমাৰ লিডু বাজাৰ হাইস্কুল খেলপথাৰত আয়োজিত সদৌ অসম প্ৰয়াস ট্ৰফী প্ৰাইজ মানি ফুটবল লীগ প্ৰতিযোগিতাখনি মঙলবাৰে সফল ভাৱে সামৰণি পৰে । ফুটবল প্ৰতিযোগিতাখনি মাৰ্ঘেৰিটা জিলা ক্ৰীড়া সন্থাৰ সহযোগত আৰু লিডুৰ এটি অন্যতম অগ্ৰণী স্বেচ্ছাসেৱী অনুষ্ঠান প্ৰয়াসৰ উদ্যোগত লিডু বজাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ খেল পথাৰত অনুষ্ঠিত কৰা হৈছিল। প্ৰয়াস ট্ৰফী প্ৰাইজ মানি ফুটবল লীগ প্ৰতিযোগিতাখনিৰ চূড়ান্ত খেলখনত আসাম এফ চি আৰু দুলিয়াজানৰ হিমাল ক্লাবৰ মাজত অনুষ্ঠিত হৈ যায় ।চূড়ান্ত খেলখনত আপাৰ আসাম এফ চিয়ে ১-০ গলৰ ব্যৱধানত দুলিয়াজানৰ হিমাল ক্লাবক পৰাভূত কৰি প্ৰয়াস ট্ৰফী লাভ কৰিবলৈ সক্ষম হয়। মেন অৱ দ্য টুৰ্ণামেন্টৰ খিতাপ লাভ কৰে আপাৰ আসাম এফ চিৰ ত্ৰিদেৱ গৰ্কিয়ে ।অসমৰ বিভিন্ন প্ৰান্তৰ যোল্লটা ফুটবল দলে প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰিছিল। সামৰণি ও বঁটা বিতৰণী অনুষ্ঠানটোত বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকে তিনিচুকীয়া জিলা সাংবাদিক সন্থাৰ সম্পাদক ৰাণাজ্যোতি নেওগ ।প্ৰাক্তন বিশিষ্ট ফুটবল খেলুৱৈ ভানু চক্ৰৱৰ্তী , নেলচন তাচা , অনুপ বিশ্বাস মাৰ্ঘেৰিটা জিলা ক্ৰীড়া সন্থাৰ কাৰ্যকৰী সভাপতি বাপী সৰকাৰ সম্পাদক সত্য কাকতী ফুটবল সম্পাদক ৰমজান আলি যুৱ সমাজসেৱক ধীৰাজ সোণোৱাল দিপক চেতিয়া সাংবাদিক তপন দে হেমন্ত গগৈ আদিও অতিথি ৰূপে উপস্থিত থাকে ।ভাৰতৰ ৰাষ্ট্ৰীয় সংগীত পৰিৱেশনৰ পাছতে অতিথিসকলৰ সৈতে চিনাকিপৰ্ব আৰম্ভ কৰা হয়।

### দক্ষিণ এছিয়া জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতা

# একক, ডাবলছ, মিক্সড ডাবলছৰ ছেমিফাইনেলত ভাৰতৰ শ্বাটলাৰ

**গুৱাহাটী, ২৮ ছেপ্টেম্বৰ ঃ** অসম বেডমিণ্টন সন্থাৰ উদ্যোগত গুৱাহাটীত চলি থকা দক্ষিণ এছিয়া জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ ১৫ আৰু ১৭ বছৰ অনূৰ্ধ্বৰ দলে মিক্সড টীম ইভেণ্টৰ সোণ লাভ কৰাৰ পাছত এতিয়া একক, ডাবলছ আৰু মিক্সড ডাবলছ শাখাতো সুন্দৰ প্ৰদৰ্শন কৰি ছেমিফাইনেলত স্থান নিশ্চিত কৰিছে। প্ৰতিযোগিতাৰ ছেমিফাইনেল মেচসমূহ কাইলৈ অনুষ্ঠিত হ'ব। ১৫ বছৰ অনূৰ্ধ্বৰ মিক্সড ডাবলছ শাখাৰ প্ৰথমখন ছেমিফাইনেলত ভাৰতৰ প্ৰতীক কৌণ্ডিল্য আৰু নিশা কৌড় ভাট'য়ে খেলিব শ্ৰীলংকাৰ বিৰুদ্ধে। আনহাতে আনখন ছমিফাইনেলত ভাৰতৰ অভিনৱ গাৰ্গ, আৰু তনবী ৰেড্ডী আন্দলুৰিয়ে খেলিব নেপালৰ বিৰুদ্ধে। ইফালে, ১৭ বছৰ অনূৰ্ধ্বৰ মিক্সড ডাবলছ শাখাৰ প্ৰথমখন ছেমিফাইনেলত ভাৰতৰ ছাৰাছৰাট সংস্কাৰ আৰু আইছানি তিৱাৰীয়ে খেলিব শ্ৰীলংকাৰ বিৰুদ্ধে। এই শাখাৰ আনখন ছেমিফাইনেলত ভাৰতৰ প্ৰনয় ছেট্টিগৰ আৰু ৰামু ৰুজুলা মুখামুখি হ'ব শ্ৰীলংকাৰে আনটো যুটিৰ। ইফালে, ১৫ বছৰ অনূৰ্ধ্বৰ ছোৱালীৰ একক শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে ভাৰতৰ নিশা কৌড় ভাট'য়ে আৰু তনবী ৰেড্ডী আন্দলুৰি। উভয়ৰে প্ৰতিদ্বন্দী হ'ব নেপালৰ শ্বাটলাৰ। আনহাতে, ১৭ বছৰ অনূৰ্ধ্বৰ ছোৱালীৰ একক শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে ভাৰতৰ আইছানি তিৱাৰী আৰু ৰামু ৰুজুলা। উভয়ৰে প্ৰতিদ্বন্দী হ'ব শ্ৰীলংকাৰ। ইফালে, ১৫ বছৰ অনূৰ্ধ্বৰ ল'ৰা একক শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে ভাৰতৰ প্ৰতীক কৌণ্ডিল্য আৰু অভিনৱ গাৰ্গ। উভয়ৰে প্ৰতিদ্বন্দী হ'ব বাংলাদেশৰ শ্বাটলাৰ। আনহাতে, ১৭ বছৰ অনূৰ্ধ্বৰ ল'ৰা একক শাখাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছে ভাৰত ৰছাৰাছৰাট সংস্কাৰ, প্ৰনয় ছেট্টিগৰে। তেওঁলোকৰ প্ৰতিদ্বন্দী বাংলাদেশ আৰু শ্ৰীলংকাৰ। ইফালে, ১৫ বছৰ অনূৰ্ধ্বৰ ছোৱালীৰ ডাবলছ শাখা ছেমিফাইনেলত প্ৰৱেশ কৰিছে ভাৰতৰ নিশা কৌড় ভাট'য়ে আৰু তনবী ৰেড্ডী আন্দলুৰিয়ে। তেওঁলোকে খেলিব ভূটানৰ বিৰুদ্ধে। আনখন ছেমিফাইনেল শ্ৰীলংকা-মালদ্বীপৰ মাজত হ'ব। আনহাতে, ১৭ বছৰ অনূৰ্ধ্বৰ ছোৱালীৰ ডাবলছ শাখা ছেমিফাইনেলত প্ৰৱেশ কৰিছে ভাৰতৰ আইছানি তিৱাৰী আৰু ৰামু ৰুজুলা। তেওঁলোকৰ প্ৰতিদ্বন্দী শ্ৰীলংকাৰ হোৱাৰ বিপৰীতে আনখন ছেমিফাইনেলত মুখামুখি হ'ব ভূটান-নেপাল। ইফালে, ১৫ বছৰ অনূৰ্ধ্বৰ ল'ৰাৰ ডাবলছ শাখা ছেমিফাইনেলত প্ৰৱেশ কৰিছে ভাৰতৰ প্ৰতীক কৌণ্ডিল্য আৰু অভিনৱ গাৰ্গ,। তেওঁলোকে খেলিব মালদ্বীপৰ বিৰুদ্ধে। আনখন ছেমিফাইনেল ভূটান-নেপাল মাজত হ'ব। আনহাতে, ১৭ বছৰ অনূৰ্ধ্বৰ ল'ৰাৰ ডাবলছ শাখা ছেমিফাইনেলত প্ৰৱেশ কৰিছে ভাৰতৰ ছাৰাছৰাট সংস্কাৰ আৰু প্ৰনয় ছেট্টিগৰে,। তেওঁলোকৰ প্ৰতিদ্বন্দী ভূটানৰ হোৱাৰ বিপৰীতে আনখন ছেমিফাইনেলত মুখামুখি হ'ব বাংলাদেশ-শ্ৰীলংকাৰ মাজত।

## মধ্য অসম শক্তি উত্তোলন প্ৰতিযোগিতা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, নগাঁও, ২৬ ছেপ্টেম্বৰ ঃ** নগাঁও জিলা শক্তি উত্তোলন সন্থাৰ উদ্যোগত, নগাঁও পুলিচ নিৰেশ প্ৰেক্ষাগৃহত আয়োজিত প্ৰথম মধ্য অসম স্কোৱাট শক্তি উত্তোলন প্ৰতিযোগিতা কালি সুচাৰুৰূপে সম্পন্ন হৈ যায়। দুই কুৰিৰেৌ অধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে বিশিষ্ট সমাজসেৱক অনিল শৰ্মাই। উভয় শাখাতে অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনত শ্ৰেষ্ঠ দলৰ সন্মান নগাঁও দলে লাভ কৰাৰ উপৰি পুৰুষ শাখাত 'ষ্ট্ৰং মেন' হিচাপে নগাঁৰৰ বিদ্যুৎ বৰা আৰু মহিলা শাখাত 'ষ্ট্ৰং ৱমেন' হিচাপে নগাঁৰৰে বিন্তী বৰা নিৰ্বাচিত হয়। বিভিন্ন ওজন শাখাত অনুষ্ঠিত প্ৰতিযোগিতাখনৰ আন ফলাফলসমূহৰ প্ৰথম স্থানপ্ৰাপ্ত খেলুৱৈসকল হ'ল— পুৰুষ ঃ ক্ৰমে ৫৩ কিলোগ্ৰাম শাখাত চুমন চেত্ৰী (কাৰ্বি আংলং), ৬৬ কিঃগ্ৰামত কৃষ্ণাগ কাকতি (নগাঁও), ৭৪ কিঃ গ্ৰামত ৰাজ ভৌমিক (হোজাই), ৮২ কিঃগ্ৰামত অৰিন্দম কোঁৱৰ (নগাঁও), ৯৩ কিঃগ্ৰামত পঙ্কজ দাস (শুৱালকুছি), ১০৫ কিঃগ্ৰামত মুক্তি শ্যাম (কাৰ্বিআংলং) আৰু ১০৫ কিঃগ্ৰামৰ উৰ্দ্ধৰ শাখাত বিদ্যুৎ বৰা (নগাঁও)। আনহাতে মহিলাৰ ক্ৰমে ৫৫ কিঃগ্ৰাম শাখাত জছমি বেইপি (কাৰ্বি আংলং), ৬৪ কিঃগ্ৰাম শাখাত বিন্তী বৰা (নগাঁও) আৰু ৬৪ কিলোগ্ৰামৰ উৰ্ধ্বৰ শাখাত লিন্দা চিতলহওৱে ( কাৰ্বি আংলং) প্ৰথম স্থান অধিকাৰ কৰে। প্ৰতিযোগিতাখনত উপস্থিত থাকি নগাঁৰৰ আৰক্ষী অধীক্ষক লীনা দলেই খেলুৱৈসকলক উদ্দেশ্যি দিয়া গঠনমূলক ভাষণত ড্ৰাগছৰ পৰা আঁতৰি থকাৰ লগতে ড্ৰাগছৰ বিৰুদ্ধে জনমত গঠন কৰাৰ বাবেও আহ্বান জনায়। প্ৰতিযোগিতাৰ অন্তত নগাঁৰৰ উপ-পৌৰপতি সীমান্ত বৰা, সন্থাৰ সভাপতি অসীম ভাৰাল, সম্পাদক অৰূপ বৰা, সমাজ সেৱক অনিল বাৰেক, সুব্ৰত পাল, কিশোৰ দাস, মুকুল ৰয় প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে বঁটা বিতৰণত অংশ লয়।

# আজি গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াৰ উদ্বোধনী অনুষ্ঠান

**আহমেদাবাদ, ২৮ ছেপ্টেম্বৰ ঃ** ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াৰ খেল ইতিমধ্যে আৰম্ভ হৈছে যদিও কাইলৈহে প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে মুকলি হ'ব। উল্লেখ্য যে কাইলৈ আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত ভাৰতীয় অলিম্পিক ক্ৰীড়া আন্দোলনৰ শ্ৰেষ্ঠতম প্ৰতিযোগিতা ৰাষ্ট্ৰীয় ক্ৰীড়াৰ ৩৬ সংখ্যক সংস্কৰণৰ উদ্বোধনী অনুষ্ঠান। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী মুখ্য অতিথি হিচাপে উপস্থিত থাকিব মেগা উদ্বোধনী অনুষ্ঠানত। ইফালে, কাইলৈৰ এই উদ্বোধনী অনুষ্ঠানত অসমৰ ৫০ জনীয়া এটা দলে অংশ ল'ব। অসম দলৰ ধ্বজা বাহক হিচাপে থাকিব দেশৰ নৱাগত চাঞ্চল্য ৰাষ্ট্ৰীয় অভিলেখৰ গৰাকী দৌৰবিদ অম্লান বৰগোহাঁই। আজি এই বিষয়ে অৱগত কৰিছে

### অসমৰ ধ্বজ্জাবাহক অম্লান-নয়ণমণি

অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰে। ইতিমধ্যে গৈ আহমেদাবাদত উপস্থিত হোৱা সম্পাদক লক্ষ্য কোঁৱৰে লগতে জনাই যে বাৰ্মিংহাম কমনৱেলথ গেমছত দেশক ঐতিহাসিক সোণৰ পদক দিয়া লন বল খেলুৱৈ অসম কন্যা নয়নমণি শইকীয়াও মহিলা এথলীট হিচাপে অসম দলৰ ধ্বজ্জা বাহক হ'ব। উল্লেখ্য যে ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত এথলেটিকছৰ পৰা অসমে চাৰিটা স্বৰ্ণ পদক আশা কৰিছে। ইয়াৰে দুটা পদক আশা কৰা হৈছে অম্লানৰ পৰাই। গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত ১০০ আৰু ২০০ মিটাৰ দৌৰত অসমৰ হৈ খেলিব ৰাষ্ট্ৰীয় অভিলেখ গঢ়া অম্লানে। সেয়েহে পুৰুষৰ ১০০ আৰু ২০০ মিটাৰ দৌৰৰ সোণৰ পদক অম্লানে লাভ কৰিব বুলি আশাবাদী লক্ষ্য কোঁৱৰো। উল্লেখ্য যে গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াৰ এথলেটিকছত হিমা আৰু অম্লানৰ লগতে অসমৰ এটা ছজনীয়া দলে খেলিব। অম্লানে ১০০ মিটাৰ ১০.২৫ ছেকেণ্ডৰে তথা ২০০ মিটাৰ ২০.৫২ ছেকেণ্ডৰে ইতিমধ্যে নতুন ৰাষ্ট্ৰীয় অভিলেখ গঢ়িছে। সেয়ে সকলো থিকে থাকিলে এথলেটিকছত অম্লানৰ পৰা অসমৰ দুটা স্বৰ্ণ পদক নিশ্চিত। ইফালে, যোৱানিশা অনুষ্ঠিত হয় চলিত ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াৰ প্ৰথমখন জি টি চি চিৰ সভা। এই সভাত অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰৰ লগতে অসম দলৰ চিফ দ্যা মিছন ৰাজ কাকতিয়ে অংশ লয়।

### পুনৰ প্ৰফেচল বক্সিঙত যোৰহাট অভিজিত বৰুৱা সাফল্য

# আন্তঃৰাষ্ট্ৰীয় মঞ্চত জিলিকিল অসম সন্তান



**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, যোৰহাট, ২৮ ছেপ্টেম্বৰ ঃ** পুনবাৰ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত উজ্জ্বলি উঠিল অসম সন্তান অভিজিত বৰুৱা ।অভিজিত বৰুৱা এই সাফল্যত এতিয়া সমগ্ৰ অসম লগতে জন্মস্থান যোৰহাটত উচাহ বন্যা বোৱা পৰিলক্ষিত হৈছে। থাইলেণ্ডৰ বেংককত অনুষ্ঠিত হোৱা আন্ত: ৰাষ্ট্ৰীয় পেছাদাৰী প্ৰফেছনেল বং প্ৰতিযোগিতাত অভিজিত বৰুৱাই নিজৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰি দেশ মাতৃ নাম বিদেশ মাটিত সোণালী আখৰে লিপিবদ্ধ কৰিলে । ভাৰতক প্ৰতিনিধিত্ব কৰি পুনৰ অসমৰ নাম জিলিকাই তোলা অভিজিত বৰুৱাই থাইলেণ্ডৰ দুধৰ্ষ ব'াৰ "বামডেট জুমপাং"ক KNOCK OUT তথা পৰাজিত কৰে ।ইতিমধ্যে কেবাগৰাকীক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায় খেলুৱৈক পৰাস্ত কৰি এতিয়া পেছাদাৰী প্ৰফেছনেল বঙিত উজ্জ্বলি উঠাৰ লগতে ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত এক চিনাকি নাম হৈ পৰিছে অভিজিত বৰুৱা। ।সৰু পৰাই খেলৰ প্ৰতি ধাউতি থকা অভিজিত বৰুবাই খালী ভৰিয়ে খোজ কাঢ়ি ৰেকৰ্ড গঢ়ি তুলিছিল,ক্ৰীড়া ক্ষেত্ৰত দেখুওৱা অনবদ্য প্ৰদৰ্শন আৰু নিজ একাগ্ৰতা বলত অসম আৰক্ষীত চাকৰি লাভ কৰা বৰুৱাই সেই লোভনীয় চাকৰি ত্যাগ কৰি পেছদাৰী প্ৰফেছনেল ব্ৰ'ঙিত মনোনিৱেশ কৰি আজি বিশ্বদৰবাত জিলিকি উঠিবলৈ সক্ষম হৈছে ।আজি যুৱ সমাজৰ মাজত প্ৰফেছনেল ব্ৰঙি আৰু অভিনৱ ক্ৰীড়া শৈলীবাবে তেওঁ জিলিকি থাকিবলৈ সক্ষম হৈছে। আজি থাইলেণ্ডত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় পেছদাৰী প্ৰফেছনেল ব্ৰ'ঙিত থাইলেণ্ড দুধৰ্ষ ব'াৰ "বামডেট জুমপাঙক পৰাস্ত কৰি অভিজিত বৰুৱা বুজাই দিলে কষ্ট তথা সাধনা কৰিলে অসম্ভৱকো সম্ভৱ কৰি তুলিব পাৰি ।আজি অভিজিত বৰুৱা সাফল্য বাবে তেওঁ অনুৰাগীসকলে ফটকা ফুটাই আনন্দ কৰাৰ পৰিলক্ষিত হয় ।সদায় দেশ মাতৃ নাম উজ্জ্বলাই তুলিবলৈ সকলোৰে নেদেখা জনৰ ওচৰত প্ৰাৰ্থনা জনায়।

# জাগীৰোডৰ যুৱক হৰ কুমাৰ দাসে লাভ কৰিছে ৰয়েল মিষ্টাৰ ইণ্ডিয়াৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ খিতাপ



**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, জাগীৰোড, ২৮ ছেপ্টেম্বৰ ঃ** উৰুখা পঁজাৰ পৰা ৰাষ্ট্ৰীয় পৰ্যায়ত জিলিকিছে জাগীৰোডৰ এজন যুৱক। জাগীৰোড সমষ্টিৰ কুমাৰবড়ী গাঁৱৰ অতি দৰিদ্ৰ পৰিয়ালৰ যুৱক হৰ কুমাৰ দাসে আজুৰি আনিবলৈ সক্ষম হৈছে ৰয়েল মিষ্টাৰ ইণ্ডিয়াৰ খিতাপ। গোৱা, কেৰেলা, তামিলনাডু, ছিকিম আদি প্ৰায় ১২খন ৰাজ্যই অংশগ্ৰহণ কৰা প্ৰতিযোগিতাত অসমক প্ৰতিনিধিত্ব কৰি যুৱকজনে কঢ়িয়াই আনিবলৈ সক্ষম হৈছে এই সফলতা। বিগত ২০ ছেপ্তেম্বৰত ৰাজস্থানৰ জয়পুৰত ৰয়েল প্ৰডাকচন হাউচৰ উদ্যোগত অনুষ্ঠিত হোৱা মডেলিং আৰু ডান্সৰ এক অনুষ্ঠানত এই খিতাপ লাভ কৰিবলৈ সক্ষম হয় যুৱকজনে। দিন হাজিৰা কৰা মাতৃৰ পুত্ৰই অৰ্জন কৰা এই সাফল্যত উৎফুল্ল হৈ পৰিছে পৰিয়ালৰ লগতে স্থানীয় লোক সকল । অৱশ্যে নিজৰ ঘৰখনত বিদ্যুৎ সংযোগ নথকাৰ বাবেই বিভিন্ন সময়ত সমস্যাৰ সন্মুখিন হৈ আহিছে এইগৰাকী প্ৰতিভাৱান যুৱকে । তথাপিও হাৰ মনা নাই হৰ কুমাৰ দাসে । উল্লেখ্য যে, ইয়াৰ পূৰ্বেও ৰাইজিং ষ্টাৰ অফ আচাম, মিষ্টাৰ প্ৰজ্ঞা অফ আচাম আৰু নৰ্থইষ্ট ৰয়েল ফেচন গেমত প্ৰথম ৰানাৰ্চআপৰ খিতাপ অৰ্জন কৰি জাগীৰোডৰ লগতে সমগ্ৰ মৰিগাঁও জিলা তথা অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে হৰ কুমাৰ দাস নামৰ যুৱকজনে।

## প্ৰাইজমানী ফুটবল প্ৰতিযোগিতা

**গুৱাহাটী, ২৮ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ পলাশতল কাছমাৰী হাইস্কুল খেলপথাৰত অহা দুই অক্টোবৰৰ পৰা কাছমাৰী আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত এখনি প্ৰাইজমানি ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। এই উপলক্ষে কাছমাৰী আঞ্চলিক ক্ৰীড়া সন্থাৰ সাধাৰণ সভাই বিগত বৰ্ষসমূহৰ দৰে এইবাৰো ফুটবল প্ৰতিযোগিতাখন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণৰে সম্প্ৰতি ব্যাপক প্ৰস্তুতি আৰম্ভ কৰিছে। সন্থাৰ কাৰ্যকৰী সভাপতি হেমন্ত কোঁৱৰৰ পৌৰহিত্যত ইতিমধ্যে অনুষ্ঠিত হোৱা সাধাৰণ সভাখনত উপদেষ্টা অমিয় কুমাৰ ডেকা, চন্দ্ৰমোহন ডেকা, কণ্ঠিৰাম ৰাজা, দিলীপ ডেকা, সম্পাদক স্বৰূপ ডেকা, যুটীয়া সম্পাদক প্ৰাঞ্জল ডেকা আৰু কোষাধ্যক্ষ বসন্ত দুৱৰা আদি উপস্থিত থাকি এইবাৰৰ প্ৰতিযোগিতা বিগত বৰ্ষতকৈ আৰু অধিক সফলতাৰে অনুষ্ঠিত কৰিবলৈ ৰাইজৰ সহায়-সহযোগিতা বিচাৰিছে। উল্লেখ্য যে, প্ৰতিযোগিতাৰ চেম্পিয়ন আৰু ৰাৰ্ণাছ আপ দলৰ লগতে শ্ৰেষ্ঠ শৃংখলাবদ্ধ দল, শ্ৰেষ্ঠ খেলুৱৈ আৰু সৰ্বোচ্চ গলদাতাকো নগদ ধনৰে পুৰস্কৃত কৰা হ'ব।

# মইনবৰীত ভগৱান চন্দ্ৰ অধিকাৰী-আবুল হুছেন সোঁৱৰণী প্ৰাইজমানী ফুটবল প্ৰতিযোগিতা শুভাৰম্ভ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, কলগাছিয়া, ২৮ ছেপ্টেম্বৰ ঃ** বৰপেটা জিলাৰ মইনবৰীত আজিৰে পৰা আৰম্ভ হয় স্বৰ্গীয় ভগৱান চন্দ্ৰ অধিকাৰী আৰু আবুল হুছেন সোঁৱৰণী প্ৰাইজমানী ফুটবল প্ৰতিযোগিতা। মইনবৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত মইনবৰী যুৱ মঞ্চৰ সৌজন্যত অনুষ্ঠিত হোৱা উদ্বোধনী খেলখন চুৱাবাৰী টি চাপৰ ষ্টাৰ ক্লাব আৰু মইনবৰী আঞ্চলিক এফ চি দলৰ মাজত অনুষ্ঠিত হয়। খেলখন শুভ উদ্বোধন কৰে বৃহত্তৰ মইনবৰী অঞ্চলৰ গৌৰৱ প্ৰাক্তন উপ-আৰক্ষী অধীক্ষক ওমৰ আলীয়ে। মইনবৰী গাওঁ পঞ্চায়তৰ সভাপতি ও খেল পৰিচালনা সমিতিৰ সভাপতি হাছান আলীৰ সভাপত্বিত খেলৰ শুভ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে মন্দিয়া আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী কুলছুমা খাতুন, অৱসৰপ্ৰাপ্ত শিক্ষক ক্ষিতীশ চন্দ্ৰ সাহা, মইনবৰী সমবায় সমিতিৰ



সম্পাদক কন্দৰ্প অধিকাৰী, ৭৬ নং মইনবৰী গাওঁ পঞ্চায়তৰ অভিযন্তা কিৰণময় কলিতা, মইনবৰী সমবায় সমিতিৰ সভাপতি আবুল কালাম আজাদ,গাওঁ প্ৰধান তাহেৰ মণ্ডল, খেল পৰিচালনা সমিতিৰ উপ-সভাপতি মতিউৰ ৰহমান, খেল পৰিচালনা সমিতিৰ কাৰ্যকৰী সভাপতি জাহাংগীৰ আলম, সম্পাদক হাফিজুৰ ৰহমান ভূঞাৰ লগতে খেল পৰিচালনা সমিতিৰ সমূহ সদস্য তথা কেইবাজনো বিশিষ্ট ব্যক্তি। খেলখন উদ্বোধনী কৰাৰ পূৰ্বে অনুষ্ঠানটোত উপস্থিত থকা বিশিষ্ট অতিথি আৰু সাংবাদিক সকলক মিয়া আৰু অসমীয়া ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। প্ৰথম ৰাউণ্ডৰ তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক প্ৰথম খেলখনত নিৰ্ধাৰিত সময়লৈকে ৩-২ গ'লৰ ব্যৱধানত চুৱাবাৰী টি চাপৰ ষ্টাৰ ক্লাৱক পৰাস্ত কৰি মইনবৰী আঞ্চলিক এফ চি দলে জয়ী হয়। এই আকৰ্ষনীয় প্ৰাইজমানী ফুটবল খেলখন অনুষ্ঠিত কৰাৰ বাবে বৃহত্তৰ অঞ্চলৰ ক্ৰীড়াপ্ৰেমী ৰাইজ আৰু বিশিষ্ট ব্যক্তি সকলে উদ্বোগক্তা সকলক ধন্যবাদ জ্ঞাপন কৰে। হাজাৰ হাজাৰ দৰ্শকে খেলখন উপভোগ কৰি যথেষ্ট উৎফুল্ল হোৱা দেখা যায়। বৃহত্তৰ মইনবৰী অঞ্চলৰ পৰা উঠি অহা নৱ প্ৰজন্মই যাতে প্ৰতিষ্ঠিত খেলুৱৈ হৈ সুনাম কঢ়িয়াই আনিব পাৰে তাৰ বাবেও প্ৰাক্তন উপ-আৰক্ষী অধীক্ষক ওমৰ আলীয়ে আহ্বান জনায়।



কংগ্ৰেছী বিধায়ক জাকিৰ হুছেইন সিকদাৰক প্ৰত্যাহ্বান চতিয়াৰ বিধায়ক পদ্ম হাজৰিকাৰ

# খিলঞ্জীয়াৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ বৰপেটাতো খোলা হ'ব 'কন্যকা'ৰ দৰে কৃষি পাম

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ২৮ ছেপ্টেম্বৰ ঃ** চতিয়া সমষ্টিৰ জামুগুৰিহাটত বিধায়ক পদ্ম হাজৰিকাৰ একক প্ৰচেষ্টাত গঢ় লৈ উঠা 'কন্যকা' কৃষি পামৰ জৰিয়তে সমাজৰ নহয় আচলতে বিধায়ক পদ্ম হাজৰিকাৰ ব্যক্তিগত পুঁজি শক্তিশালী হোৱা বুলি কংগ্ৰেছী বিধায়ক জাকিৰ হুছেইন সিকদাৰে বিধানসভাৰ মজিয়াত মন্তব্য কৰাৰ পাছত কংগ্ৰেছী বিধায়কগৰাকীৰ বিৰুদ্ধে সৰৱ হৈ উঠিছে বিধায়ক পদ্ম হাজৰিকা। খিলঞ্জীয়াৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ অবৈধ বেদখলকাৰীৰ কবলৰ পৰা মুক্ত কৰা মাটিত 'কন্যকা' গঢ়ি তুলি জাতি-মাটি-ভেটি সুৰক্ষিত কৰা বুলি মন্তব্য কৰি চতিয়াৰ বিধায়কগৰাকীয়ে প্ৰয়োজন হলে খিলঞ্জীয়াৰ স্বাৰ্থ সুৰক্ষিত কৰিবলৈ বৰপেটাতো 'কন্যকা' দৰে কৃষি পাম গঢ়ি তোলা হ'ব বুলি কৈ কংগ্ৰেছী বিধায়ক জাকিৰ হুছেইন সিকদাৰক প্ৰত্যাহ্বান জনায়। কন্যকাৰ আৰ্হিত গৰুখুঁটি প্ৰকল্প নিৰ্মাণ কৰিবলৈ ৰাজ্যৰ মুখ্যমন্ত্ৰীগৰাকীয়ে তেওঁক দায়িত্ব দিয়াৰ পাছতেই এচাম লোকৰ তেওঁ টাৰ্গেট হৈ পৰা বুলি উল্লেখ কৰি এইচাম লোকে খিলঞ্জীয়াৰ স্বাৰ্থ সুৰক্ষিত কৰিবৰ বাবে পদ্ম হাজৰিকাই চলোৱা কৰ্মমুখী যাত্ৰাত বাধা প্ৰদান কৰিবলৈ উঠিপৰি লগা বুলি উল্লেখ কৰে বিধায়ক গৰাকীয়ে। কন্যকাৰ বাবে আবন্টন হোৱা ধনৰ কোনো লুকঢাক হোৱা নাই বুলি উল্লেখ কৰি বিধায়ক হাজৰিকাই কন্যকাৰ ঊৰ্ধ্বমুখী যাত্ৰাক কোনো শক্তিয়েই বাধা দিব নোৱাৰে বুলি মন্তব্য কৰি হাতী গৈ থকা সময়ত কুকুৰে ভুকিলেও হাতীয়ে কেতিয়াও উভতি নাচাই বুলি আওপকীয়াকৈ কটাক্ষ কৰে কংগ্ৰেছী বিধায়ক জাকিৰ হুছেইন সিকদাৰক। জামুগুৰিহাটৰ শান্তিপুৰত থকা 'কন্যকা'ৰ দুগ্ধজাত সামগ্ৰী উৎপাদন কেন্দ্ৰৰ কাৰ্যালয়ত আজি চতিয়াৰ বিধায়কগৰাকীয়ে খিলঞ্জীয়াৰ স্বাৰ্থক প্ৰাধান্য দিয়া চৰকাৰখনৰ দিনত 'কন্যকা'ই খিলঞ্জীয়াৰ কৰ্মমুখী যাত্ৰাৰ বাবে লোৱা পদক্ষেপত চকু নিদি নিজৰ সমষ্টিত বিধায়ক পুঁজিৰ ধন, পঞ্চায়তৰ পুঁজি সঠিকভাৱে ব্যৱহৃত হৈছে নে নাই সেই বিষয়ত কংগ্ৰেছী বিধায়ক জাকিৰ হুছেইন সিকদাৰক নজৰ ৰখা দৰকাৰ বুলিহে মন্তব্য কৰে বিধায়ক পদ্ম হাজৰিকাই।



## খাগৰিজান মহাবিদ্যালয়ত আনন্দ ৰাম ঢেকিয়াল ফুকনৰ জন্ম দিৱস উদ্‌যাপন

# অসমীয়া ভাষা সাহিত্য সুৰক্ষাৰ ক্ষেত্ৰত ঢেকিয়াল ফুকনৰ অৱদান অনবদ্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৮ ছেপ্টেম্বৰ ঃ** অখিল ভাৰতীয় সাহিত্য পৰিষদৰ উদ্যোগত, পৰিষদৰ নগাঁও জিলা শাখা সমিতি আৰু খাগৰিজান মহাবিদ্যালয়ৰ যৌথ সহযোগত অসমীয়া ভাষাৰ পুনৰ প্ৰতিষ্ঠাপক আনন্দৰাম ঢেকিয়াল ফুকনৰ জন্ম দিৱসৰ লগত সংগতি ৰাখি খাগৰিজান মহাবিদ্যালয়ৰ সভাকক্ষত আজি স্মৃতিচাৰণ আৰু গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে আনন্দৰাম ঢেকিয়াল ফুকনৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰা হয়। বন্তি প্ৰজ্বলন কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° ৰমেশ নাথে। এটি বৰগীতেৰে আৰম্ভ হোৱা সভাখনত কে'বাগৰাকী বিশিষ্ট লোকে অংশগ্ৰহণ কৰে। অখিল ভাৰতীয় সাহিত্য পৰিষদৰ ৰাজ্যিক সমিতিৰ কাৰ্যকৰী সভাপতি দেৱেশ্বৰ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সভাত 'অসমীয়া জাতীয় জীৱনলৈ আনন্দৰাম ঢেকিয়াল ফুকনৰ অৱদান' শীৰ্ষক বক্তৃতা প্ৰদান কৰে আকাশবাণী নগাঁও কেন্দ্ৰৰ জ্যেষ্ঠ ঘোষক চিদানন্দ দেৱগোস্বামীয়ে। বক্তৃতা প্ৰদান কৰি গোস্বামীয়ে আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন দৰ্শনৰ ব্যাখ্যা কৰাৰ লগতে ফুকনৰ জন্ম লগ্নৰ ইতিহাস দাঙি ধৰে। ভাষণ প্ৰসংগত গোস্বামীয়ে কয়- ঢেকিয়াল ফুকন এজন আধুনিক মনৰ ব্যক্তি আছিল। নিজৰ অতি চমু জীৱন কালত আনন্দৰাম ঢেকিয়াল ফুকনে অসমীয়া ভাষা সাহিত্যৰ সুৰক্ষাৰ বাবে আগবঢ়াই যোৱা অৱদান মন কৰিবলগীয়া। ব্ৰিটিছৰ অধিনত কাম কৰিও তেওঁ জাতীয় চিন্তা আৰু চেতনাক সদায় অগ্ৰাধিকাৰ দিছিল। অসমীয়া ভাষা সাহিত্যৰ সুৰক্ষাৰ ক্ষেত্ৰত ঢেকিয়াল ফুকনৰ অৱদান অন্যবদ্য আছিল। সভাখন উদ্বোধন কৰি দিয়া ভাষণত অখিল ভাৰতীয় সাহিত্য পৰিষদৰ ৰাজ্যিক সমিতিৰ মুখ্য উপদেষ্টা ধীৰেন শৰ্মাই কয়- অসমীয়া ভাষা প্ৰাচীন আৰু বলিষ্ঠ ভাষা। অসমীয়া ভাষা সাহিত্য ঐতিহ্যপূৰ্ণ। এটা ভাষা বলিষ্ঠ ভাষা হ'বলৈ হ'লে ২০০ বছৰ আগৰ পৰা ৰূপ ৰেখা তৈয়াৰ হ'ব লাগিব। কে'বাশতিকাৰ আগতেই অসমীয়া ভাষাৰ ৰূপৰেখা তৈয়াৰ হৈছিল। আনন্দৰাম ঢেকিয়াল ফুকনৰ কথা উল্লেখ কৰি শৰ্মাই কয়- তেওঁৰ অন্তৰত আধুনিক মনৰ চিন্তা প্ৰবাহিত হৈছিল। সভাত নগাঁও জিলা সাহিত্য সভাৰ সভাপতি পৰাণ কুমাৰ বৰুৱা আৰু প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা, অখিল ভাৰতীয় সাহিত্য পৰিষদৰ নগাঁও জিলা সমিতিৰ সভাপতি ড° দিলীপ শৰ্মা আদিয়ে অংশ গ্ৰহণ কৰে। সভাতেই ড° দিলীপ শৰ্মাৰ 'ধৰ্ম ঔৰ সংস্কৃতি কে উত্থান মে মহাপুৰুষ শংকৰদেৱ কা অনন্য যোগদান' আৰু চন্দ্ৰকান্ত শইকীয়াৰ 'প্ৰস্তৰ পুৰুষ' নামৰ গ্ৰন্থ দুখন উন্মোচন কৰা হয়।

## অসম ভিত্তিত আয়োজিত কবিতা পাণ্ডুলিপি প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

# দ্বিতীয় স্থানত টংলাৰ জয়ন্ত দাস

**দৈনন্দিন বাৰ্তাৰ সেৱা, টংলা, ২৮ ছেপ্টেম্বৰ ঃ** অসম কবি সমাজৰ স্বীকৃতি প্ৰাপ্ত জিলা শাখা দৰং জিলা কবি সমাজে আয়োজন কৰা অসম ভিত্তিত কবিতা পাণ্ডুলিপি প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হয়ঞ্ছ। ঘোষিত ফলাফল অনুসৰি যুটীয়াভাৱে দ্বিতীয় স্থান লাভ কৰে ওডালগুৰি জিলাৰ জয়ন্ত দাসে। প্ৰয়াত হেড মাষ্টৰ গোপী কান্ত শৰ্মা সোঁৱৰণী কাব্য বঁটাৰে তেখেতক সন্মান জনোৱা হ'ব। উক্ত প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰিছে বোকাখাটৰ মনালিছা শইকীয়া আৰু দ্বিতীয় স্থান যুটীয়াভাৱে লাভ কৰিছে দৰং জিলাৰ লুজোৰাৰ হৰেশ্বৰী বৰুৱাই।বঁটা সন্মান আগবঢ়াইছে ক্ৰমে ৰাজীৱ শৰ্মা,বিনয় শৰ্মা আৰু ডাঃ কমলা কান্ত শৰ্মাঞ্জই।বটাঁৰ লগত থাকিব নগদ ধন, স্মাৰক,শৰাই আৰু গ্ৰন্থৰ টোপোলা। দৰং জিলা কবি সমাজৰ সভাপতি চন্দ্ৰ প্ৰসাদ শইকীয়া, সম্পাদক জয়ন্ত ৰাজবংশীয়ে জনোৱা অনুসৰি বটাঁ সমূহ প্ৰদান কৰা হ'ব চলিত বৰ্ষৰ ডিচেম্বৰ মাহত।কবি ,যুৱ ব্যৱসায়ী জয়ন্ত দাসে লাভ কৰা সাফল্যই ওদালগুৰি জিলাত আনন্দৰ বন্যা বৈছে। টংলা সাহিত্য সভাৰ সভাপতি গৌৰী শংকৰ দাস ,সম্পাদক দিবাকৰ বৰা ,টংলা কবি সন্মিলনৰ সভাপতি খগেন্দ্ৰ নাথ বৰা ,সম্পাদক জ্যোতি প্ৰসাদ কলিতা ,ওদালগুৰি জিলা সাহিত্য সভাৰ যুৱ সংসদৰ আহ্বায়ক নাৰায়ণ ডেকা ,সম্পাদক অৰূপ বড়ো ,আসাম প্ৰেছ কৰেছপণ্ডেণ্টছ ইউনিয়ন চমুকৈ আপকু'ৰ ওদালগুৰি জিলা সমিতিৰ সম্পাদক ফটিক নন্দন ৰাভা ,শ্ৰীমন্ত শংকৰদেৱ সত্ৰ, টংলাৰ সভাপতি বলিৰাম ডেকা ,সম্পাদক গৌতম কুমাৰ দাস, ৫৭৪ সংখ্যক গুৰু জয়ন্তী উদযাপন সমিতিৰ সভাপতি দেৱ কুমাৰ দাস,সম্পাদক ডিম্বেশ্বৰ ডেকাই জয়ন্ত দাসক উষ্ম অভিনন্দন জ্ঞাপন কৰিছে।

# বঢ়মপুৰৰ চলচলিত মাৰ্বলৰ স্থায়ী দুৰ্গা প্ৰতিমা স্থাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২৮ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত চলচলি ব্ৰাহ্মণ গাঁৱত আজি মাৰ্বলৰ দুৰ্গা প্ৰতিমাৰ প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠান অনুষ্ঠিত হয়। ২৭ বছৰ গৰকা আয়তীসকলৰ দ্বাৰা চম্পাৱতী জলপ্ৰপাতৰ পৰা জল আৰোহণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়াৰ পিছতে পতাকা উত্তোলন কৰে চলচলি সাৰ্বজনীন দুৰ্গা পূজা সমিতিৰ স্থায়ী সভাপতি, সমাজকৰ্মী লীলাধৰ বৰাই। ইয়াৰ



চলচলিৰ স্থায়ী পূজা মণ্ডপত এইবাৰ স্থায়ী প্ৰতিমা স্থাপন কৰাৰ লগে লগে স্বাভাৱিকতে স্থানীয় ৰাইজৰ মাজত বিশেষ উৎসাহ-উদ্দীপনা পৰিলক্ষিত হৈছে। ইফালে, এইবাৰ আটকধুনীয়াকৈ সজাই-পৰাই তোলা হৈছে পূজা মণ্ডপটি। মাৰ্বলৰ প্ৰতিমাৰে প্ৰাণ প্ৰতিষ্ঠা সমাৰোহৰ লগত সংগতি ৰাখি পুৱা পিছতে বেদজ্ঞ পণ্ডিতৰ দ্বাৰা মাৰ্বলৰ স্থায়ী দুৰ্গা প্ৰতিমাৰ লগতে কাৰ্তিক, গণেশ, লক্ষ্মী, সৰস্বতীৰ প্ৰতিমাত প্ৰাণ প্ৰতিষ্ঠা কৰা হয়। দুপৰীয়া ভাগত বঢ়মপুৰ সমষ্টিৰ বিধায়ক জিতু গোস্বামী উপস্থিত হৈ ভক্তিপ্ৰাণ ৰাইজক সহযোগিতা আগবঢ়োৱাৰ লগতে এক আদৰণী সভাত অংশগ্ৰহণ কৰে। পূজা সমিতিৰ অন্যতম বিষয়ববীয়া দুলেন শৰ্মাই আঁত ধৰা সভাখনত বিধায়কগৰাকীয়ে সাৰ্বজনীন দুৰ্গা পূজা মন্দিৰটোৰ ভৱিষ্যতে আৰু অধিক জিলিকাই তোলা হ'ব বুলি ঘোষণা কৰে। ইয়াৰ পিছতে নিশালৈ আৰতি অনুষ্ঠিত হয়। আজি প্ৰাণ প্ৰতিষ্ঠা হোৱা এই স্থায়ী দুৰ্গা পূজা মণ্ডপত অহা ১ অক্টোবৰৰ পৰা দুৰ্গা পূজা অনুষ্ঠিত হোৱাৰ লগতে পূজাৰ পিছত প্ৰত্যেক দিনাই মণ্ডপটো ভক্তিপ্ৰাণ ৰাইজৰ বাবে মুকলি থাকিব বুলি জানিবলৈ দিয়ে উদ্‌যাপন সমিতিয়ে। আজিৰ এই প্ৰাণ প্ৰতিষ্ঠা সমাৰোহত উদ্‌যাপন সমিতিৰ সমূহ বিষয়ববীয়া, মণ্ডপ নিৰ্মাণ সমিতি আৰু বিজেপিৰ বঢ়মপুৰ মণ্ডলৰ বিষয়ববীয়াসকলে অংশগ্ৰহণ কৰে। উল্লেখ্য যে বিধায়ক জিতু গোস্বামীয়ে বিধায়ক পুঁজিৰ পৰা স্থায়ী মণ্ডপটি নিৰ্মাণৰ কাৰণে পাঁচ লাখ টকা অনুদান আগবঢ়োৱাৰ লগতে মাৰ্বলৰ মূৰ্তিৰ বাবদ ব্যক্তিগতভাৱেও অৰ্থ সাহায্য আগবঢ়ায়।

# পালহাজীত অগপত যোগদান দুই সহস্ৰাধিকৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ২৮ ছেপ্টেম্বৰ ঃ** সংখ্যালঘু অধ্যুষিত অঞ্চলত অসম গণ পৰিষদৰ সাংগঠনিক ভেটি সুদৃঢ় কৰাৰ বাবে তৎপৰতা বৃদ্ধি কৰিছে। বৰপেটাৰ পালহাজীত কেশৱ মহন্তৰ উপস্থিতিত গাঁও পঞ্চায়তৰ প্ৰতিনিধিসহ দুই সহস্ৰাধিকৰো অধিক লোকৰ অগপত যোগদান কৰিছে। অগপ-বিজেপি মিত্ৰজোঁটৰ ৰণকৌশল অনুসৰি অগপই সংখ্যালঘু অধ্যুষিত অঞ্চলসমূহত সভা-সমিতি অনুষ্ঠিত কৰি ব্যাপকভাৱে সংখ্যালঘু লোকক অগপত যোগদান কৰাই থকা হৈছে। মূলতঃ পঞ্চায়ত আৰু লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি অগপই আৰম্ভ কৰা সাংগঠনিক তৎপৰতাৰ অংশ হিচাপে বুধবাৰে বৰপেটা বিধান পৰিষদৰ উদ্যোগত আৰু অগপ আজাদ আঞ্চলিক সমিতিৰ সহযোগত বৃহৎ যোগদান সভা অনুষ্ঠিত হয়।মন্ত্ৰী কেশৱ মহন্ত, বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য, ফণীভূষণ চৌধুৰী, তাৰাপ্ৰসাদ দাস, গুণীন্দ্ৰ নাথ দাস, কুমাৰ দীপক দাস, ভূপেন ৰয় আদি নেতাসকলৰ উপস্থিতিত গাঁও পঞ্চায়তৰ নিৰ্বাচিত জনপ্ৰতিনিধিসহ প্ৰায় দুই সহস্ৰাধিক সংখ্যালঘু সম্প্ৰদায়ৰ লোকে অগপত যোগদান কৰে। বুধবাৰে যোগদান সমাৰোহত অংশগ্ৰহণ কৰা মন্ত্ৰী কেশৱ মহন্তই মূলতঃ পঞ্চায়ত আৰু লোকসভা নিৰ্বাচনক লক্ষ্য কৰি সাংগঠনিক তৎপৰতা আৰম্ভ কৰাৰ কথা প্ৰকাশ কৰে। বিশেষকৈ আগন্তুক পঞ্চায়ত নিৰ্বাচনত ধুবুৰী, গোৱালপাৰা, বৰপেটাকে ধৰি নামনি অসমত অগপই এটা বিশেষ প্ৰভাৱ পেলাব বুলি দাবী কৰে । ইপিনে, লোকসভা নিৰ্বাচনত অগপই বৰপেটা আসনখন



লাভ কৰিবনে নে বিজেপিয়ে নিজা প্ৰাৰ্থী থিয় কৰায় তাক লৈ সৃষ্টি হৈছে বৃহৎ প্ৰশ্নৰ। অৱশ্যে বৰপেটাৰ আসনখন অগপক এৰি দিব বুলিয়েই আশাবাদী মন্ত্ৰী কেশৱ মহন্ত।

# লাহৰীঘাটত চুৰি হোৱা জুৱেলাৰী দোকানৰ আ-অলংকাৰ উদ্ধাৰ যোৰহাটত

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ২৮ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাটৰ মাজমজিয়াত বিগত কিছুদিন আগত সংঘটিত হৈছিল এক চুৰি কাণ্ড ঘটনা। বজাৰৰ মাজমজিয়াত থকা আব্দুল ৰচিদ নামৰ ব্যক্তিগৰাকীৰ মা জুৱেলাৰী দোকানখনৰ পৰা নিশাৰ ভাগত চিচি টিভি সংলগ্ন থকা সত্বেও দোকানখনৰ টিনপাট খুলি চিলিং ভাঙি চোৰ প্ৰৱেশ কৰে। চোৰে দোকানখনৰ পৰা বহু মূল্যৱান আ-অলংকাৰ সামগ্ৰী লৈ উধাও হয়। পিছদিনা দোকানৰ গৰাকী আহি হতহম্ব হৈ পৰে। ততাতৈয়াকৈ আৰক্ষীক খবৰ দিয়াত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। দুকানখনত থকা চিচি ফুটেজ আৰক্ষীয়ে সংগ্ৰহ কৰে। ভিডিঅ'ত স্পষ্টভাৱে চোৰটো চিনাক্ত কৰে। বজাৰৰ কিছু নিলগত ঘৰ চোৰৰ নাম বাহাৰুল ইছলাম (৩০)। চোৰ চিনাক্ত হোৱাৰ পাছতেই লাহৰীঘাট থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আমিৰ হুছেইনে চোৰৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছিল, যদিও চোৰক কৰায়ত্ত কৰিবলৈ সক্ষম হোৱা নাছিল। ধুৰন্ধৰ চোৰটোৱে আৰক্ষীৰ চকুত ধূলি দি পলাই ফুৰিছিল। অৱশেষত বহু বিচাৰ-খোঁচাৰৰ পিছত যোৱা সোমবাৰে চোৰৰ সন্ধান গোপনে লাভ কৰে আৰক্ষীয়ে। লাহৰীঘাট আৰক্ষীৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া আমীৰ হুছেইনৰ নেতৃত্বত যোৱা আৰক্ষী দলটিয়ে দিনৰ ভাগত ৰজাগাধুৱা ফিল্‌দৰ পৰা চোৰক আটক কৰিবলৈ সক্ষম হয় । পিছত লাহৰীঘাট থানাৰ জিম্মাত সোধ-পোছা কৰাত চোৰৰ স্বীকাৰোক্তিৰ ভিত্তিত চুৰি হোৱা আ-অলংকাৰ সামগ্ৰী উদ্ধাৰৰ বাবে লাহৰীঘাট আৰক্ষীৰ থানাৰ দলটিয়ে সোমবাৰে নিশাই ৰাওনা হয় যোৰহাটলৈ। পৰৱৰ্তী আটকাধীন চোৰক লগত লৈ যোৰহাট জিলাৰ ভোগদৈ আৰক্ষী পহৰা চকী সহযোগত উদ্ধাৰ কৰিবলৈ সক্ষম বহুমূল্যৱান চুৰি সামগ্ৰী। আৰক্ষীয়ে উদ্ধাৰ কৰা অলংকাৰবোৰৰ ভিতৰত আছিল ৰূপৰ ৭ যোৰ ভৰিৰ পায়েল, ২ যোৰ ৰূপৰ বেছলেট, ৩ টা ৰূপৰ নেকলেচ, ৪টা ৰূপৰ চেইন, ২টা আৰ্মলেট, ৭ টা ৰূপৰ কাণফুলি আৰু ৪১ টা ৰূপৰ আঙুঠি। অঘাইতং চুৰটোৰ বিৰুদ্ধে লাহৰীঘাট আৰক্ষীয়ে 335/22 U/S 457/380 I P C ধাৰাত গোচৰ ৰুজু কৰি আজি জেল হাজোতলৈ প্ৰেৰণ কৰে। অৱশ্যে গোচৰটিৰ তদন্ত হয়তো অব্যাহত থাকিব বুলি জানিব পৰা গৈছে।




## অসম চিকিৎসা মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তী

# যোৰহাটত প্ৰাক্তন শিক্ষাৰ্থীৰ চিকিৎসা সেৱা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বাহনা, ২৮ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ মহাৰজত জয়ন্তীৰ লগত সংগতি ৰাখি যোৰহাটৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে জৰ্ক্টৰ্ছ ক্লাবত ২৫ ছেপ্টেম্বৰত স্বাস্থ্য সজাগতা আৰু বিনামূলীয়া চিকিৎসা সেৱা আগবঢ়ায়। বয়োজ্যেষ্ঠ চিকিৎসক ডাঃ দেৱীচৰণ ঠাকুৰ আৰু ডাঃ উপেন নেওগে উদ্বোধন কৰা চিকিৎসা সেৱা কাৰ্যসূচীত যোৰহাটৰ প্ৰতিটো বিভাগৰ বিশেষজ্ঞ চিকিৎসকসকলে ৰোগী সকললৈ সেৱা আগবঢ়ায়। জ্যেষ্ঠ চিকিৎসক ডাঃ বলীন খাৰঘৰীয়াই আঁত ধৰা অনুষ্ঠানত ডাঃ উত্তম কুমাৰ নাথে বহুমূত্ৰ ৰোগৰ বিষয়ে সজাগতামূলক বক্তৃতা প্ৰদান কৰে। পেথ'লেব, জ্যোতি লেবৰেটৰী, ভ্ৰাম্যমাণ মেডিকেল ইউনিটে ইচিজি আৰু আৱশ্যকীয় ৰক্ত পৰীক্ষাসমূহ বিনামূলীয়াকৈ সম্পন্ন কৰে। বিভিন্ন ঔষধ কোম্পানীৰ প্ৰতিনিধিসকলে ঔষধ যোগানৰ লগতে কাৰ্যসূচীত সহযোগিতা আগবঢ়ায়। আয়োজক সমিতিৰ হৈ ডাঃ বলীন খাৰঘৰীয়া, ডাঃ দীপক শৰ্মা, ডাঃ কাৰ্তিক বৰুৱা, ডাঃ গোলাপ ডেকা, ডাঃ জোতিৰঞ্জন ঠাকুৰ, ডাঃ বিনুজ দত্ত, ডাঃ মিৰান্দা দত্ত আৰু যোৰহাট পৌৰসভা, ভ্ৰাম্যমাণ মেডিকেল গোটে সহায়-সহযোগিতা আগবঢ়ায়।







শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি